UG PS S1-01
(DSC/DSE)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি.বি.চি.এছ; এন ই পি ২০২০ অনুসৰি)

প্ৰথম ষান্মাসিক

ৰাজনৈতিক তত্ত্ব

ৰাজনীতি বিজ্ঞান

সূর্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক ধ্রুব প্রতিম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক জ্যোতিৰাজ পাঠক, বড়োলেণ্ড বিশ্ববিদ্যালয়
ড° শান্তণু চক্রৱর্তী, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° অভিজিৎ ভূঞা আৰু ড° জাহ্নবী দেৱী কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১, ২ আৰু ৩	ড° অভিজিৎ ভূঞা	গীতাঞ্জলি মেধি
	কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু	কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
	ড° বর্ণালী চৌধুৰী, আইডল, গুৱাহাটী বিশ্ববিদ্যালয়	ড° বর্ণালী চৌধুৰী, আইডল, গুৱাহাটী বিশ্ববিদ্যালয়
৪	ড° অভিজিৎ ভূঞা	ৰশ্মিৰেখা শর্মা
	কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	গুৱাহাটী উচ্চ ন্যায়ালয়
৫	ড° জাহ্নবী দেৱী	ড° জাহ্নবী দেৱী, গীতাঞ্জলি মেধি
	কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৬ আৰু ৭	ড° জাহ্নবী দেৱী	গীতাঞ্জলি মেধি
	কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৮	ড° অভিজিৎ ভূঞা	ৰশ্মিৰেখা শর্মা, গুৱাহাটী উচ্চ ন্যায়ালয়
	কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু	
৯	ড° অখিল ৰঞ্জন দত্ত, গুৱাহাটী বিশ্ববিদ্যালয়	ড° নিভা ৰাণী ফুকন
		কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
১০	ড°পংকজ কুমাৰ শর্মা, কুমাৰ ভাস্কৰ বর্মা সংস্কৃত	গীতাঞ্জলি মেধি
	আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰী	কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
১১, ১২	ড° বর্ণালী চৌধুৰী, আইডল, গুৱাহাটী বিশ্ববিদ্যালয়	ড° বর্ণালী চৌধুৰী, আইডল, গুৱাহাটী বিশ্ববিদ্যালয়
১৩	ড° অভিজিৎ ভূঞা	জোনালী ৰাভা
	কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	
১৪	ড° নৱনীতা মেধি	গীতাঞ্জলি মেধি
	জে. বি. আইন মহাবিদ্যালয়, গুৱাহাটী	কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ অধ্যাপিকা সন্ধ্যা গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয় (অধ্যায় ১, ২, ৩, ৪, ৮, ৯, ১১ আৰু ১২)
অধ্যাপক ধ্রুৱ প্রতিম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয় (অধ্যায় ৫, ৬ আৰু ৭, ১০, ১৩ আৰু ১৪)

ভাষা সম্পাদনা ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ১, ২, ৩, ৪, ৫, ৬, ৮, ৯, ১১, ১২, ১৩)
ড° জাহ্নবী দেৱী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ৭, ১০ আৰু ১৪)

গাঁথনিক সম্পাদনা ঃ ড° জাহ্নবী দেৱী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

জুলাই, ২০২৩

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্য্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in
উপ-মুখ্য কার্য্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১ ০২২

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **ৰাজনীতি বিজ্ঞান ঃ অর্থ, প্রকৃতি আৰু পৰিসৰ** ৯ - ২০

ৰাজনীতি বিজ্ঞান আৰু ৰাজনীতিৰ অর্থ; ৰাজনীতি বিজ্ঞানৰ প্রকৃতি ঃ ৰাজনীতি বিজ্ঞানৰ নতুন অর্থৰ পৰিৱর্তিত দিশসমূহ; ৰাজনীতি বিজ্ঞানৰ পৰিসৰ

অধ্যায় ২ ঃ **অন্যান্য সমাজ বিজ্ঞানৰ সৈতে ৰাজনীতি বিজ্ঞানৰ সম্পর্ক** ২০- ৩০

সমাজশাস্ত্রৰ সৈতে ৰাজনীতি বিজ্ঞানৰ সম্পর্ক; ইতিহাসৰ সৈতে ৰাজনীতি বিজ্ঞানৰ সম্পর্ক; অর্থনীতিৰ সৈতে ৰাজনীতি বিজ্ঞানৰ সম্পর্ক; নীতিশাস্ত্রৰ সৈতে ৰাজনীতি বিজ্ঞানৰ সম্পর্ক; নৃতত্ত্বৰ সৈতে ৰাজনীতি বিজ্ঞানৰ সম্পর্ক

অধ্যায় ৩ ঃ **শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ বিকাশ** ৩১ - ৪১

শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ বিকাশ ঃ প্রাৰম্ভিক কালত ৰাজনীতি বিজ্ঞানৰ বিকাশ, মধ্যযুগত ৰাজনীতি বিজ্ঞানৰ বিকাশ, আধুনিক যুগত ৰাজনীতি বিজ্ঞানৰ বিকাশ, শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ বর্তমানৰ স্থিতি

অধ্যায় ৪ ঃ **ৰাষ্ট্র** ৪২ - ৫৩

ৰাষ্ট্র ঃ ৰাষ্ট্রৰ অর্থ, ৰাষ্ট্রৰ উপাদানসমূহ, ৰাষ্ট্রৰ প্রকৃতিঃ বিভিন্ন দৃষ্টিভংগী- উদাৰতাবাদ আৰু মার্ক্সীয়

অধ্যায় ৫ ঃ **ৰাষ্ট্রৰ উৎপত্তিৰ তত্ত্ব ঃ ঐশ্বৰিক উৎপত্তি তত্ত্ব আৰু ক্রমবিকাশমূলক তত্ত্ব** ৫৪ -৬২

ৰাষ্ট্রৰ উৎপত্তি সম্পর্কীয় তত্ত্বঃ ঐশ্বৰিক উৎপত্তি তত্ত্ব, ক্রমবিকাশমূলক অথবা ঐতিহাসিক তত্ত্ব

অধ্যায় ৬ ঃ **ৰাষ্ট্রৰ উৎপত্তিৰ তত্ত্ব ঃ সামাজিক চুক্তি তত্ত্ব** ৬৩ - ৭২

ৰাষ্ট্রৰ উৎপত্তিৰ সামাজিক চুক্তি তত্ত্ব ঃ থমাছ হ'বচ্ৰ সামাজিক চুক্তি তত্ত্ব, জন ল'কৰ সামাজিক চুক্তি তত্ত্ব, জ্যাঁ জ্যাক ৰুছোৰ সামাজিক চুক্তি তত্ত্ব; সামাজিক চুক্তি তত্ত্বৰ সমালোচনা

অধ্যায় ৭ ঃ **সার্বভৌমত্বঃ অর্থ আৰু বৈশিষ্ট্য ; সার্বভৌমত্বৰ প্রকাৰ** ৭৩ - ৮৪

সার্বভৌমত্বৰ অর্থ; সার্বভৌমত্বৰ বৈশিষ্ট্য; সার্বভৌমত্বৰ বিভিন্ন ৰূপ

অধ্যায় ৮ ঃ **সার্বভৌমত্বৰ তত্ত্বসমূহ** ৮৫-৯৬

সার্বভৌমত্বৰ তত্ত্বসমূহ ঃ অষ্টিনৰ সার্বভৌমত্বৰ তত্ত্ব বা বৈধ একাত্মবাদী তত্ত্ব; সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্ব

অধ্যায় ৯ ঃ **গণতন্ত্র** ৯৭-১০৯

গণতন্ত্র ঃ গণতন্ত্রৰ অর্থ, গণতন্ত্রৰ প্রকাৰ, গণতন্ত্রৰ কৃতকার্য্যতাৰ চর্তসমূহ, গণতন্ত্রৰ গুণ আৰু দোষসমূহ

অধ্যায় ১০ ঃ **ক্ষমতা, কর্তৃত্ব আৰু বৈধতা** ১১০-১২৪

ক্ষমতা ঃ ক্ষমতাৰ অর্থ, ক্ষমতাৰ বৈশিষ্ট্য, ক্ষমতাৰ উৎস, ক্ষমতাৰ প্রকাৰ; কর্তৃত্ব ঃ কর্তৃত্বৰ অর্থ, কর্তৃত্বৰ বৈশিষ্ট্য, কর্তৃত্বৰ উৎস, কর্তৃত্বৰ আধাৰ; বৈধতা ঃ বৈধতাৰ অর্থ, বৈধতাৰ উৎস, বৈধতাৰ প্রকাৰ; ক্ষমতা, কর্তৃত্ব আৰু বৈধতাৰ মাজত থকা সম্পর্ক

অধ্যায় ১১ ঃ **অধিকাৰ আৰু স্বতন্ত্রতাৰ ধাৰণা** ১২৫-১৩৭

অধিকাৰৰ ধাৰণা ঃ অধিকাৰৰ অর্থ, অধিকাৰৰ প্রকাৰসমূহ; স্বতন্ত্রতাৰ ধাৰণা ঃ স্বতন্ত্রতাৰ অর্থ, স্বতন্ত্রতাৰ প্রকাৰসমূহ

অধ্যায় ১২ ঃ **ন্যায় আৰু সমতাৰ ধাৰণা** ১৩৮-১৪৮

ন্যায়ৰ ধাৰণা ঃ ন্যায়ৰ অর্থ, ন্যায়ৰ প্রকাৰসমূহ; সমতাৰ ধাৰণা ঃ সমতাৰ অর্থ, সমতাৰ প্রকাৰসমূহ

অধ্যায় ১৩ ঃ **নাগৰিকত্বৰ ধাৰণা** ১৪৯-১৫৮

নাগৰিকত্বৰ অর্থ; নাগৰিকত্ব ধাৰণাৰ উৎপত্তি; নাগৰিকত্বৰ প্রকাৰ; এজন সু-নাগৰিকৰ গুণসমূহ

অধ্যায় ১৪ ঃ **ব্যক্তিবাদ আৰু সমাজবাদ** ১৫৯-১৭১

ব্যক্তিবাদ ঃ ব্যক্তিবাদৰ অর্থ, ব্যক্তিবাদৰ বৈশিষ্ট্য, ব্যক্তিবাদৰ গুণসমূহ, ব্যক্তিবাদৰ দোষসমূহ; সমাজবাদ ঃ সমাজবাদৰ অর্থ, সমাজবাদৰ বৈশিষ্ট্য, সমাজবাদৰ গুণসমূহ, সমাজবাদৰ দোষসমূহ

পাঠ্যবিষয়ৰ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিষয়ৰ স্নাতক (কলা) পাঠ্যক্রমৰ প্রথমটো পাঠ্যবিষয় হৈছে 'ৰাজনৈতিক তত্ত্ব'–'ক' ভাগ। এই পাঠ্যক্রমে শিক্ষার্থীসকলক ৰাজনীতি বিজ্ঞানৰ তত্ত্বগত উপাদানসমূহৰ বিষয়ে প্রাথমিক জ্ঞান দিব।

শিক্ষাৰ এক বিষয় হিচাপে ৰাজনীতি বিজ্ঞানে বিভিন্ন ৰাজনৈতিক বিষয় সম্বন্ধে অনুসন্ধান কৰে। ক্রমবিকাশৰ বিভিন্ন স্তৰত ৰাজনীতি বিজ্ঞানে বিভিন্ন অর্থ আহৰণ কৰিছে। এই অনুসৰি 'ৰাজনৈতিক তত্ত্ব 'ক' ভাগৰ প্রথম অধ্যায়টিত ৰাজনীতি বিজ্ঞানৰ অর্থ, প্রকৃতি আৰু পৰিসৰৰ বিষয়ে আলোচনা কৰা হৈছে।

সমাজ বিজ্ঞানৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ আন আন সমাজ বিজ্ঞান, যেনে— ইতিহাস, সমাজশাস্ত্র, অর্থনীতি, নৃতত্ত্ব আদি বিষয়ৰ সৈতে ঘনিষ্ঠ সম্পর্ক আছে। এই পাঠ্যক্রমৰ দ্বিতীয় অধ্যায়টোৱে ৰাজনীতি বিজ্ঞান আৰু আন আন সমাজ বিজ্ঞানৰ মাজত থকা সম্পর্কৰ বিষয়ে আলোচনা কৰিছে।

ৰাজনীতি বিজ্ঞান অধ্যয়নৰ এক প্রাচীন পৰম্পৰা আছে। ৰাজনীতি বিজ্ঞানৰ অধ্যয়নৰ আৰম্ভণি প্রাচীন গ্রীক দেশত হৈছিল। শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ প্রাচীন কালৰ পৰা আধুনিক সময়লৈকে এক দীর্ঘকাল ধৰি ক্রমবিকাশ ঘটিছিল। তৃতীয় অধ্যায়টোৱে শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ বিকাশৰ বিষয়ে আলোচনা কৰিছে।

মানৱ সম্প্রদায়ৰ সদস্য হিচাপে ব্যক্তিৰ ৰাজনৈতিক অস্তিত্বৰ বাবে ৰাষ্ট্র হৈছে এক প্রাথমিক সংগঠন। ৰাজনীতি বিজ্ঞানে এই প্রাথমিক সংগঠন, অর্থাৎ ৰাষ্ট্রৰ অর্থ আৰু প্রকৃতিৰ বিষয়ে আলোচনা কৰে আৰু এই পাঠ্যক্রমৰ চতুর্থ অধ্যায়টোৱে এই বিষয়ৰ ওপৰত আলোকপাত কৰিছে।

ৰাষ্ট্রৰ উত্থানৰ বিষয়ে বিভিন্ন তত্ত্বই বিভিন্ন মত আগবঢ়াইছে। এই পাঠ্যক্রমৰ পঞ্চম আৰু ষষ্ঠ অধ্যায়কেইটাই ৰাষ্ট্রৰ উত্থানৰ বিষয়ে থকা বিভিন্ন তত্ত্বৰ ওপৰত আলোকপাত কৰিছে।

ৰাজনীতি বিজ্ঞানৰ ক্ষেত্রখনত সার্বভৌমত্বৰ অধ্যয়নৰ বিশেষ তাৎপর্য্য আছে। ৰাষ্ট্র এখনৰ আটাইতকৈ গুৰুত্বপূর্ণ উপাদানটো হৈছে সার্বভৌমত্ব। সার্বভৌমত্ব অবিহনে ৰাষ্ট্রৰ অস্তিত্ব বর্তি নাথাকে। সার্বভৌমত্ব সম্পর্কে দুটা তত্ত্ব আছে— এটা হৈছে অষ্টিনৰ সার্বভৌমত্বৰ তত্ত্ব আৰু আনটো হৈছে সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্ব। এই পাঠ্যক্রমৰ সপ্তম অধ্যায়টোত সার্বভৌমত্বৰ অর্থ আৰু প্রকৃতিৰ বিষয়ে আলোচনা কৰা হৈছে আৰু অষ্টম অধ্যায়ত সার্বভৌমত্বৰ তত্ত্ব কেইটাৰ ওপৰত আলোকপাত কৰা হৈছে।

ৰাজনীতি বিজ্ঞান অধ্যয়নৰ এক অপৰিহার্য্য বিষয় হৈছে গণতন্ত্র। চৰকাৰৰ এক প্রকাৰ হিচাপে গণতন্ত্র দুই প্রকাৰৰ-বিশুদ্ধ অথবা প্রত্যক্ষ গণতন্ত্র আৰু পৰোক্ষ অথবা প্রতিনিধিত্বমূলক গণতন্ত্র। পাঠ্যক্রমৰ নবম অধ্যায়টোৱে গণতন্ত্র আৰু ইয়াৰ বিভিন্ন প্রকাৰৰ বিষয়ে আলোচনা কৰিছে।

ক্ষমতা, কর্তৃত্ব আৰু বৈধতাৰ বিষয়সমূহ ৰাষ্ট্রৰ সৈতে অতি ঘনিষ্ঠভাৱে জড়িত। বৈধ কর্তৃত্ব অবিহনে ৰাষ্ট্রই ক্ষমতাৰ প্রয়োগ কৰিব নোৱাৰে। দশম অধ্যায়টোৱে ক্ষমতা, কর্তৃত্ব আৰু বৈধতাৰ ওপৰত আলোকপাত কৰিছে।

ৰাজনীতি বিজ্ঞান বিষয়টোত এনেকুৱা কিছুমান প্ৰাথমিক ধাৰণা আছে যিয়ে ৰাষ্ট্ৰ আৰু ব্যক্তিৰ মাজৰ সম্পৰ্কৰ প্ৰকৃতি নিৰ্ধাৰণ কৰে। এই প্ৰাথমিক ধাৰণাসমূহ হ'ল— অধিকাৰ, স্বতন্ত্ৰতা, ন্যায় আৰু সমতা। পাঠ্যক্ৰমৰ একাদশ অধ্যায়টোত অধিকাৰ আৰু স্বতন্ত্ৰতাৰ ধাৰণাৰ ওপৰত আৰু দ্বাদশ অধ্যায়টিত ন্যায় আৰু সমতাৰ ধাৰণা দুটাৰ ওপৰত আলোকপাত কৰা হৈছে।

ব্যক্তি আৰু ৰাষ্ট্ৰৰ মাজৰ সম্পৰ্ক নিৰ্ধাৰণ কৰা ৰাজনীতি বিজ্ঞান বিষয়ৰ আন এক গুৰুত্বপূৰ্ণ ধাৰণা হৈছে নাগৰিকত্ব। ত্ৰয়োদশ অধ্যায়টোত নাগৰিকত্বৰ বিষয়ে আলোচনা কৰা হৈছে।

ৰাষ্ট্ৰৰ কাৰ্য্যৰ পৰিধিও হৈছে ৰাজনীতি বিজ্ঞানৰ এক অন্যতম আলোচ্য বিষয়। সেই অনুসৰি পাঠ্যক্ৰমৰ চৰ্তুদশ অধ্যায়টোত ব্যক্তিবাদ আৰু সমাজবাদ ধাৰণা দুটাৰ বিষয়ে আলোচনা কৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। আকৌ অধ্যায়সমূহত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

অধ্যায় ১ ঃ ৰাজনীতি বিজ্ঞান ঃ অর্থ, প্ৰকৃতি আৰু পৰিসৰ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ ৰাজনীতি বিজ্ঞান আৰু ৰাজনীতিৰ অর্থ

১.৪ ৰাজনীতি বিজ্ঞানৰ প্ৰকৃতি

১.৪.১ ৰাজনীতি বিজ্ঞানৰ নতুন অর্থৰ পৰিৱর্তিত দিশসমূহ

১.৫ ৰাজনীতি বিজ্ঞানৰ পৰিসৰ

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্ৰগতিৰ খতিয়ান

১.৯ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰাজনীতি বিজ্ঞানৰ অর্থ আলোচনা কৰিব পাৰিব
- ৰাজনীতিৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ৰাজনীতি বিজ্ঞানৰ প্ৰকৃতি বর্ণনা কৰিব পাৰিব
- ৰাজনীতি বিজ্ঞানৰ পৰিসৰ আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

আমি আটায়ে 'ৰাজনীতি বিজ্ঞান' বোলা বিষয়টোৰ সৈতে পৰিচিত। মানুহে যেতিয়াৰ পৰাই সংগঠিত সামাজিক জীৱন যাপন কৰিবলৈ লৈছে তেতিয়াৰ পৰাই ৰাজনীতিয়ে সমাজত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। এই কথা আমি আটায়ে জানো যে মানুহৰ বিভিন্ন ৰাজনৈতিক কার্য্যকলাপৰ অধ্যয়নেই হ'ল ৰাজনীতি বিজ্ঞান। অৱশ্যে ইতিহাসৰ বিভিন্ন পর্য্যায়ত ৰাজনীতি বিজ্ঞানৰ অর্থ বেলেগ বেলেগকৈ বুজোৱা হৈ আহিছে আৰু ইয়াৰ পৰিসৰ অবিৰতভাৱে বহল হৈ গৈ আছে। প্ৰাচীন কালৰে পৰা ভিন্ ভিন্ ৰাজনৈতিক চিন্তাবিদে ৰাজনীতি বিজ্ঞানৰ বিষয়টো আলোচনা কৰি আহিছে যদিও শিক্ষায়নিক বিষয় হিচাপে ইয়াৰ আলোচনাৰ ইতিহাস বেছি পুৰণি নহয়। এই অধ্যায়টিত আমি ৰাজনীতি বিজ্ঞান আৰু ৰাজনীতিৰ প্ৰকৃতি আৰু পৰিসৰ সম্পর্কে আলোচনা কৰিম।

১.৩ ৰাজনীতি বিজ্ঞান আৰু ৰাজনীতিৰ অর্থ

ৰাজনীতি বিজ্ঞানৰ অর্থ সম্পর্কে আলোচনা কৰিবলৈ লওঁতে দেখিবলৈ পোৱা যায় যে "পলিটিক্স" শব্দটো প্রথমে বিখ্যাত গ্রীক দার্শনিক এৰিষ্টটলে ব্যৱহাৰ কৰিছিল। তেওঁ ইয়াক "দ্যা মাষ্টাৰ ছাইন্স" অর্থাৎ 'সর্বোৎকৃষ্ট বিজ্ঞান' বুলি অভিহিত কৰিছিল। এৰিষ্টটলে তেওঁৰ বিখ্যাত গ্রন্থ "পলিটিক্স"ত লিখিছিল, "মানুহ প্রাকৃতিকভাৱে এক ৰাজনৈতিক জীৱ আৰু যি ঘটনাক্রমেৰে নহয় বৰঞ্চ প্রাকৃতিকভাৱে ৰাষ্ট্রযুক্ত নহয়, তেওঁ হয়তো মানৱতাৰ ঊর্দ্ধত নাইবা মানৱতাৰ তলত"। এই সংজ্ঞাটোৰ পৰা বুজিব পাৰি যে মানুহে প্রাকৃতিকভাৱে এখন সমাজত বাস কৰিব বিচাৰে। কিয়নো এখন সু-সংগঠিত সমাজেহে মানুহৰ প্রয়োজনবোৰ পূৰণ কৰিব পাৰে। ইয়াৰ এক অনুসিদ্ধান্ত ৰূপে ক'ব পাৰি যে এক সু-সংগঠিত সামাজিক অৱস্থানৰ বাবে প্রয়োজন এখন নতুন সু-প্রশাসিত ৰাষ্ট্রৰ, যি মানৱ জীৱনৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে মানুহৰ কল্যাণ আৰু উন্নতি সাধন কৰিব পাৰে। একে সময়তে এই ক্ষেত্রত ৰাজনৈতিক ক্ষমতা প্রয়োগ কৰিবলৈ আৰু ৰাষ্ট্র পৰিচালনা কৰিবলৈ চৰকাৰৰ ৰূপত এক আনুষ্ঠানিক ব্যৱস্থাৰ প্রয়োজন। সেয়েহে পাৰম্পৰিকভাৱে ৰাজনীতি বিজ্ঞান বিষয়টো হৈছে ৰাষ্ট্র আৰু চৰকাৰৰ বিষয়ে এক বৈজ্ঞানিক অধ্যয়ন। উল্লেখযোগ্য যে প্রাচীন গ্রীচৰ **নগৰ ৰাষ্ট্র**সমূহ (Polis)ৰ কাম-কাজৰ লগত জড়িত বিষয়ক "পলিটিক্স" বোলা হৈছিল।

পাৰম্পৰিকভাৱে প্রচলিত ৰাজনীতি বিজ্ঞানৰ অর্থ সম্পর্কীয় কেতবোৰ গুৰুত্বপূর্ণ সংজ্ঞা আমি পৰীক্ষা কৰি চাওঁ আহক।

- আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী ***ড° গার্নাৰ্ৰ*** মতে, "ৰাজনীতি বিজ্ঞানৰ আদি আৰু অন্ত থাকে ৰাষ্ট্রৰ মাজত।" (উৎস ঃ Agarwal, R. C.: *Political Theory– Principles of Political Science*, S. Chand & Company Ltd., New Delhi, 2007, p.3)।
- ফৰাচী ৰাজনৈতিক দার্শনিক ***পল জেনেট***ৰ মতে, "ৰাজনীতি বিজ্ঞান হৈছে সমাজ বিজ্ঞানৰ সেইটো অংশ যি ৰাষ্ট্রৰ ভেঁটি আৰু চৰকাৰৰ নীতিৰ লগত জড়িত।" (উৎস ঃ Kapur, A.C. : *Principles of Political Science*, S. Chand & Company Ltd., New Delhi, 2006, p.17)
- জার্মান চিন্তাবিদ ***গেৰিছ***ৰ মতে, "ৰাজনীতি বিজ্ঞান ৰাষ্ট্রৰ উৎপত্তি, বিকাশ, উদ্দেশ্য আৰু সকলো নৈতিক সমস্যাৰ সৈতে জড়িত।" (উৎস ঃ Agarwal, R. C.: *Political Theory– Principles of Political Science*, S. Chand & Company Ltd., New Delhi, 2007, p.3)
- বৃটিছ ইতিহাসবিদ ছাৰ জন ***চিলীৰ*** মতে, "ৰাজনৈতিক অর্থনীতিয়ে বিত্তৰ লগত, জীৱবিজ্ঞানে জীৱৰ লগত, বীজগণিতে সংখ্যাৰ লগত আৰু জ্যামিতি ক্ষেত্র আৰু বিস্তাৰৰ লগত যেনেদৰে জড়িত, ঠিক তেনেদৰে ৰাজনীতি বিজ্ঞানে চৰকাৰৰ সকলো বিষয়ৰ

ওপৰত অনুসন্ধান কৰে।" (উৎস ঃ Agarwal, R. C.: *Political Theory– Principles of Political Science*, S. Chand & Company Ltd., New Delhi, 2007, p.3)

- বৃটিছ ৰাজনীতি বিজ্ঞানী ষ্টিফেন ***লিককৰ*** মতে, "ৰাজনীতি বিজ্ঞান চৰকাৰৰ সৈতে জড়িত।" (Agarwal, R. C.: *Political Theory– Principles of Political Science*, S. Chand & Company Ltd., New Delhi, 2007, p.3)

উপৰোক্ত সংজ্ঞাবোৰৰ পৰা এইটো স্পষ্ট হৈ পৰিছে যে ৰাজনীতি বিজ্ঞানক বহু পণ্ডিতে ৰাষ্ট্ৰ আৰু চৰকাৰৰ দৃষ্টিকোণৰ পৰা সংজ্ঞাবদ্ধ কৰিছে। কিন্তু আধুনিক ৰাজনীতি বিজ্ঞানীসকলে ৰাষ্ট্ৰৰ অধ্যয়নৰ পৰা নিজৰ দৃষ্টি আঁতৰাই ৰাজনৈতিক ব্যৱস্থালৈ স্থানান্তৰিত কৰিছে। ৰাজনৈতিক ব্যৱস্থাই ৰাজনীতি বিজ্ঞানৰ অধ্যয়নক বৃহৎ সামাজিক পৰিৱেশত ক্ৰিয়া কৰা অন্যান্য ব্যৱস্থা, যেনে— অর্থনৈতিক ব্যৱস্থা, সাংস্কৃতিক ব্যৱস্থা, আইনী ব্যৱস্থা ইত্যাদিৰ সৈতে কায চপাই আনিছে। সেই অনুসৰি বর্তমান সময়ত ৰাজনীতি বিজ্ঞানে ৰাষ্ট্ৰ আৰু চৰকাৰৰ দৰে আনুষ্ঠানিক ব্যৱস্থাৰ অধ্যয়ন ক্ষেত্ৰক পাৰ কৰি ৰাজনৈতিক ব্যৱস্থাৰ ওপৰত প্ৰভাৱ পেলোৱা কাৰকসমূহৰ অধ্যয়ন আৰু তদ্বিপৰীতভাৱে কৰা অধ্যয়নকো সামৰি লৈছে।

বর্তমান ৰাজনীতি বিজ্ঞান ক্ষেত্ৰৰ এটি গুৰুত্বপূর্ণ উপাদান হৈছে ৰাজনীতিৰ ধাৰণা। বর্তমান সময়ৰ ৰাজনীতি বিজ্ঞানৰ অধ্যয়নত 'ৰাজনীতি'ৰ ধাৰণাই যথেষ্ট গুৰুত্ব লাভ কৰাটো পৰিলক্ষিত হৈছে। ৰাজনীতি সৃষ্টি হয় বৈচিত্ৰ্যৰ পৰা। মানৱ সমাজত সদায়েই বৈচিত্ৰ্যময় গোষ্ঠী আৰু সম্প্ৰদায়ৰ অস্তিত্ব বিৰাজমান। প্ৰতিটো গোষ্ঠীয়ে ইয়াৰ নিজস্ব অভিমত, প্ৰয়োজন, দাবী অথবা স্বার্থ সম্পর্কে সদৰী কৰে। যদি কোনো এটা পৰিস্থিতিত সকলো গোষ্ঠীৰ মাজত উদ্দেশ্য আৰু আকাংক্ষাকলৈ সম্পূর্ণ সামঞ্জস্য থাকে, তেতিয়া ৰাজনীতিৰ উদ্ভৱ নহয়। যেতিয়া বিভিন্ন গোষ্ঠী আৰু সম্প্ৰদায়ৰ নিজস্ব প্ৰয়োজন আৰু স্বার্থৰ পৰিপ্ৰেক্ষিতত মতানৈক্য ঘটে, তেতিয়াই ৰাজনীতিৰ উদ্ভৱ হয়।

প্ৰতিটো গোষ্ঠীয়ে ইয়াৰ বিভিন্ন ন্যায়িক আৰু সাংবিধানিক উদ্দেশ্যসমূহত উপনীত হ'ব বিচৰাৰ লগতে আঞ্চলিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় স্তৰত ইয়াৰ প্ৰয়োজনীয় স্বার্থসমূহ প্ৰকাশ কৰিব বিচাৰে। ৰাজনীতিয়ে, এহাতে বিভিন্ন অভিমত প্ৰকাশ আৰু প্ৰয়োজন তথা স্বার্থৰ পৰিপ্ৰেক্ষিতত বিপৰীত গোষ্ঠীৰ মাজত হোৱা প্ৰতিযোগিতাক সামৰি লয়। আনহাতে, ৰাজনীতিৰ সৈতে এই বিপৰীত গোষ্ঠীসমূহৰ মাজত থকা স্বার্থ বিৰোধিতাৰ সমন্বয় সাধন কৰিবলৈ, সংযুক্ত দলৰ মাজত মতানৈক্য দূৰ কৰাৰ প্ৰচেষ্টা বাছি উলিওৱাটোও জড়িত হৈ থাকে। মতানৈক্য ৰোধ কৰি পাৰস্পৰিক সহযোগিতা বৃদ্ধি কৰিব পৰা পথহে এই ক্ষেত্ৰত বাছি লোৱা হয়। অর্থাৎ ৰাজনীতিৰ এক অন্যতম উদ্দেশ্য হৈছে সংঘাত নিষ্পত্তিকৰণ। শেষত ৰাজনীতিত চৰকাৰৰ দ্বাৰা কিছুমান উমৈহতীয়া সিদ্ধান্ত গ্ৰহণ কৰা হয়, যাৰ উদ্দেশ্য হৈছে সংঘাত নিস্পত্তিকৰণ আৰু যি গোষ্ঠীসমূহৰ বাবে বাধ্যতামূলক হয়। এই ক্ষেত্ৰত ৰাজনীতি এক ন্যায়যুক্ত ক্ষমতাৰ প্ৰয়োগ হৈ পৰে। হেৰল্ড লাছৱেলৰ মতে ৰাজনীতি বিজ্ঞান হৈছে "ক্ষমতাৰ গঠন আৰু বিতৰণৰ অধ্যয়ন"।

শেষ বিশ্লেষণত, ৰাজনীতি বিজ্ঞানে কেৱল ৰাষ্ট্ৰ আৰু চৰকাৰৰ দৰে আনুষ্ঠানিক ব্যৱস্থাৰ অধ্যয়নৰ সীমাবদ্ধতা পাৰ কৰি এক বহল পৰিসৰলৈ গতি কৰিছে, য'ত বৃহত্তৰ পৰিবেশৰ সৈতে সঙ্গতি ৰাখি ৰাজনৈতিক ব্যৱস্থাৰ মাজত সংঘটিত ক্ষমতা, প্ৰভাৱ, শাসন, কৰ্তৃপক্ষ, দাম-দৰ আৰু সংঘাত সমাধানৰ দৰে ৰাজনৈতিক পৰিঘটনাৰ লগত জড়িত প্ৰকৃত গতি আৰু প্ৰক্ৰিয়া সম্পৰ্কে অধ্যয়ন কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'পলিটিক্স' শব্দটো প্ৰথমে বিখ্যাত দাৰ্শনিক এৰিষ্টটলে ব্যৱহাৰকৰিছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ২ ঃ প্ৰাচীন গ্ৰীচৰ নগৰ ৰাষ্ট্ৰসমূহ (Polis)ৰ কাম-কাজৰ লগত জড়িত বিষয়ক কি বোলা হৈছিল?

.....

প্ৰশ্ন নং ৩ ঃ .....ৰ মতে, "ৰাজনীতি বিজ্ঞানৰ আদি আৰু অন্ত থাকে ৰাষ্ট্ৰৰ মাজত"। (খালী ঠাই পূৰণ কৰক)

.....

প্ৰশ্ন নং ৪ ঃ "ৰাজনীতি বিজ্ঞান চৰকাৰৰ সৈতে জড়িত।" —কোনে কৈছিল?

.....

প্ৰশ্ন নং ৫ ঃ কাৰ মতে ৰাজনীতি বিজ্ঞান হৈছে "ক্ষমতাৰ গঠন আৰু বিতৰণৰ অধ্যয়ন"?

.....

প্ৰশ্ন নং ৬ ঃ আধুনিক ৰাজনীতি বিজ্ঞানীসকলে ৰাষ্ট্ৰৰ অধ্যয়নৰ পৰা নিজৰ দৃষ্টি ..... লৈ স্থানান্তৰিত কৰিছে। (খালী ঠাই পূৰণ কৰক)

.....

১.৪ ৰাজনীতি বিজ্ঞানৰ প্ৰকৃতি

এই কথা আমি সকলোৱে জানো যে সমাজ বিজ্ঞানৰ প্ৰকৃতি অন্য বিজ্ঞানৰ দৰে নহয়। ৰাজনীতি বিজ্ঞান সমাজ বিজ্ঞানৰ এটা অংশ। যিহেতু ই সমাজ বিজ্ঞানৰ এটা ভাগ সেয়েহে ইয়াৰ প্ৰকৃতি পদাৰ্থ বিজ্ঞান অথবা ৰসায়ন বিজ্ঞানৰ দৰে ভৌতিক বিজ্ঞানৰ ভাগবোৰতকৈ পৃথক। এই শিতানটোত আমি ৰাজনীতি বিজ্ঞানৰ প্ৰকৃতি সম্পৰ্কে আলোচনা কৰিম। বিষয়টোৰ আলোচনা কালত আমি কিছুমান বিশেষ বিষয়ৰ ওপৰত আলোকপাত কৰিম। যেনে— ৰাজনীতি বিজ্ঞান আচলতে বিজ্ঞান নে কলা, বিংশ শতিকাত ৰাজনীতি বিজ্ঞানৰ প্ৰকৃতি কেনেদৰে সলনি হৈছে ইত্যাদি।

- **ৰাজনীতি বিজ্ঞান— বিজ্ঞান নে কলা ঃ** আৰম্ভণিৰে পৰা ৰাজনীতি বিজ্ঞানৰ স্থিতি সম্পর্কে পণ্ডিতসকলৰ মাজত বিতর্ক চলি আহিছে। বিতর্কৰ মূল বিষয়বস্তু হ'ল ৰাজনীতি বিজ্ঞান আচলতে বিজ্ঞান নে কলা। ফৰাচী ৰাজনৈতিক দার্শনিক জাঁ বডিন (১৫৩০-১৫৯৬)য়ে পোন প্রথমে 'ৰাজনীতি বিজ্ঞান' (Political Science) অভিধাটো প্রয়োগ কৰিছিল। পৰৱর্তী সময়ত ডেভিদ হিউম (বৃটিছ ৰাজনৈতিক চিন্তাবিদ), ছাৰ ফ্রেদৰিক প'ল'ক্ (বৃটিছ ৰাজনৈতিক চিন্তাবিদ) আৰু ছাৰ জন চিলী (বৃটিছ ইতিহাসবিদ)য়েও এই অভিধাটো ব্যৱহাৰ কৰিবলৈ লৈছিল। কিন্তু সকলো সময়তে বিষয়টোৰ স্থিতি সম্পর্কে পণ্ডিতসকলৰ মাজত মত পার্থক্য দেখা গৈছিল। এৰিষ্টটলৰ মতে মানৱ সভ্যতাক যিয়ে ৰক্ষা কৰিব সেই প্রধান বিজ্ঞানটোৱেই হ'ল ৰাজনীতি বিজ্ঞান। আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী ডেভিদ ইষ্টনৰ দৰে আচৰণবাদীসকলে ৰাজনীতি বিজ্ঞানৰ এটা বৈজ্ঞানিক আধাৰ প্রতিষ্ঠা কৰিব খুজিছিল। কিন্তু আর্ণেষ্ট বার্কাৰ (বৃটিছ ৰাজনৈতিক চিন্তাবিদ), জে'মছ ব্রাইচ (বৃটিছ ৰাজনৈতিক চিন্তাবিদ), চার্লছ এ বেয়ার্ড (বৃটিছ ইতিহাসবিদ)ৰ দৰে ৰাজনীতি বিজ্ঞানীসকলে আকৌ বিষয়টোক বিজ্ঞান হিচাপে গণ্য কৰিবলৈ দ্বিধাগ্রস্থতা প্রকাশ কৰিছিল। এই বিতর্কটো পৰীক্ষা কৰি চোৱাৰ আগতে বিজ্ঞাননো কি সেয়া বুজাৰ চেষ্টা কৰোঁ আহক। বিজ্ঞান হ'ল জ্ঞানৰ এক সার্বজনীন তথা প্রণালীবদ্ধ ভাগ। ই যথার্থ আৰু নিৰপেক্ষ কাৰণৰ আধাৰত প্রতিষ্ঠিত। বিজ্ঞানৰ সহায়ত বিষয় অথবা বস্তু নিৰীক্ষণ, তুলনা আৰু পৰীক্ষা কৰি চাব পৰা যায়। ৰাজনীতি বিজ্ঞানত এনে বৈশিষ্ট্য কেইটামান নাথাকে। ১৯২৬ চনত চার্লছ এ বেয়ার্ডে অধ্যয়ন কৰি দেখিছিল যে ৰাজনীতি বিজ্ঞানক কোনোপধ্যে বিজ্ঞান বুলিব পৰা নাযায় আৰু ভবাটোও ভুল হ'ব। কাৰণ, ৰাজনীতি বিজ্ঞান কেৱল সমাজ, চৰকাৰ, আইন আৰু মানৱীয় আচৰণৰ সৈতে জড়িত। এই কথাবোৰ স্থান ভেদে বেলেগ বেলেগ হ'ব পাৰে। ৰাজনীতি বিজ্ঞানক বিশুদ্ধ বিজ্ঞান বুলি কিয় গ্রহণ কৰিব পৰা নাযায় সেই সম্পর্কে থকা দুটামান যুক্তি তলত উল্লেখ কৰা হ'ল—
  - ৰাজনীতি বিজ্ঞানৰ অভিধা তথা ধাৰণাবোৰৰ কোনো স্পষ্ট আৰু স্বীকৃত সংজ্ঞা নাই।
  - মানুহৰ প্রকৃতি আৰু অভ্যাস অনুসৰি ৰাজনৈতিক পৰিঘটনাবোৰৰ জটিলতা ভিন্ন হ'ব পাৰে।
  - ৰাজনৈতিক বিকাশ ঘটা 'পৰিৱেশ' বোৰ বেলেগ বেলেগ হ'ব পাৰে।
  - কোনো বৈধ সিদ্ধান্তত উপনীত হ'ব পৰাকৈ ৰাজনীতি বিজ্ঞানৰ বিভিন্ন দিশত পৰীক্ষা-নিৰীক্ষা চলোৱাত বিভিন্ন সমস্যা আছে।

  কিন্তু একে সময়তে ৰাজনীতি বিজ্ঞানৰ অধ্যয়নক প্রণালীবদ্ধ ৰূপ দিয়াৰ প্রচেষ্টাও চলি আহিছে। এই প্রচেষ্টাবোৰে বিষয়টোক বিজ্ঞানৰ মর্য্যাদা দিব খোজে। এই দাবীৰ সপক্ষত আগবঢ়োৱা যুক্তি কেইটামান তলত উল্লেখ কৰা হ'ল—

- শেহতীয়াভাৱে কাৰণ আৰু সত্যাসত্য পৰীক্ষা কৰি চাব পৰা তথ্যৰ আধাৰত ৰাজনৈতিক তত্ত্বৰ বিকাশ ঘটিছে। যেনে— ভোট দিয়াৰ সময়ত নাগৰিকে প্রদর্শন কৰা আচৰণ আৰু নির্বাচন সম্পর্কীয় তত্ত্ব।
- ৰাজনীতিত পৰীক্ষা-নিৰীক্ষা সম্পূর্ণৰূপে এৰাই চলা নাযায়। চৰকাৰ বোলা ধাৰণাটো নিজেই এই অবিৰত পৰীক্ষা-নিৰীক্ষাৰ প্রক্রিয়া।
- সামাজিক পৰীক্ষা-নিৰীক্ষাৰ ভিত্তিত ৰাজনৈতিক পূর্বানুমান কৰাটো কিছু পৰিমাণে সম্ভৱ।
- ৰাজনীতিবিজ্ঞানত বহুলভিত্তিক সিদ্ধান্তত উপনীত হ'ব পৰা যায়। যেনে— স্বাধীনতা, নিৰপেক্ষ ন্যায়ব্যৱস্থা আৰু স্বতন্ত্র সংবাদ মাধ্যম হ'ল গণতন্ত্রৰ প্রয়োজনীয় উপাদান।
- অতি সাৱধানে কৰা নিৰীক্ষণ আৰু শ্রেণীবিভাজন হ'ল পৰীক্ষামূলক অধ্যয়নবোৰৰ ভেঁটি। ৰাজনীতি বিজ্ঞানে যিকোনো ধৰণৰ অপ্রমাণিত যুক্তিসংগত ধাৰণাক (Hypothesis) পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা চালি-জাৰি চাইহে সত্যাপন কৰে। অনুমানৰ ভিত্তিত ৰাজনীতি বিজ্ঞানৰ তত্ত্ববোৰ গঢ় লৈ নুঠে। বর্তমান সময়ৰ ৰাজনীতি বিজ্ঞানীসকলে তেওঁলোকৰ গৱেষণাৰ সিদ্ধান্তত উপনীত হ'বলৈ সমীক্ষা পদ্ধতি, লেখ পদ্ধতি, তালিকা ব্যৱহাৰ পদ্ধতি আৰু অন্য বিজ্ঞানসম্মত কৌশলৰ সহায় লয়।

অর্থাৎ, অন্য ভৌতিক বিজ্ঞানৰ দৰে নহ'লেও ৰাজনীতি বিজ্ঞান বিষয়টোও বিজ্ঞানেই। ই এক সমাজ বিজ্ঞান। আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী ৰ'বার্ট ডালে কৈছিল যে ৰাজনীতি বিজ্ঞান কলা আৰু বিজ্ঞান দুয়োটাই। কলা বুলিলে সাধাৰণতে জ্ঞানৰ ব্যৱহাৰিক প্রয়োগৰ কথা বুজা যায়। এটা উন্নত সামাজিক তথা ৰাজনৈতিক শৃঙ্খলা সৃষ্টি কৰিবলৈ ৰাজনীতি বিজ্ঞানে বিভিন্ন ৰাজনৈতিক ঘটনাৰ জ্ঞান ব্যৱহাৰ কৰে। সেই দিশৰ পৰা চাবলৈ গ'লে ই এক কলা। কিন্তু যেতিয়া ৰাজনীতি বিজ্ঞান অধ্যয়নকাৰীসকলে অভিজ্ঞতালব্ধ তথ্যবোৰৰ সাপেক্ষে নিৰীক্ষণ পদ্ধতিৰ সহায়ত ৰাজনৈতিক তত্ত্ববোৰ পৰীক্ষা কৰি চায় তেতিয়া তেনে ৰাজনৈতিক বিশ্লেষণক বিজ্ঞানসম্মত প্রক্রিয়া বুলি ক'ব পাৰি। একেদৰে যেতিয়া এই ৰাজনৈতিক বিশ্লেষণক ৰাজনৈতিক অনুষ্ঠান এটা সুচাৰুৰূপে চলাই নিয়াৰ কামত প্রয়োগ কৰা হয় তেতিয়া ই কলাৰ ৰূপ লয়।

১.৪.১ ৰাজনীতি বিজ্ঞানৰ নতুন অর্থৰ পৰিৱর্তিত দিশসমূহ

সমসাময়িক কালত ৰাজনীতি বিজ্ঞানৰ অর্থ আৰু প্রকৃতিয়ে এক গতিশীল চৰিত্র ধাৰণ কৰিছে। বিশেষকৈ দ্বিতীয় বিশ্বযুদ্ধৰ পাচত ৰাজনীতি বিজ্ঞানৰ অর্থ আৰু প্রকৃতিয়ে এক গতিশীল চৰিত্র ধাৰণ কৰিছে। বিশেষকৈ দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ৰাজনীতি বিজ্ঞানৰ অর্থ আৰু প্রকৃতিৰ অভূতপূর্ব পৰিৱর্তন ঘটিছে। নতুন ৰাজনীতি বিজ্ঞানৰ সামাজিক সম্পর্কৰ সকলো দিশৰ সৈতে ঘনিষ্ঠ সম্পর্ক আছে। পূর্বতে ই কেৱল চৰকাৰ নামৰ অনুষ্ঠানটোক কেন্দ্র কৰি চলা কাম-কাজৰ সৈতে জড়িত আছিল। বর্তমান

ৰাজনীতিক সকলো গোট / দল, অনুষ্ঠান / প্রতিষ্ঠান আৰু সমাজত দেখা পোৱা তথা এইবোৰৰ মাজত চলা পৰিঘটনা হিচাপে চোৱা হয়। অর্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক খণ্ডবোৰৰ সীমিত সম্পদক লৈ চলা সহযোগিতা, আলোচনা-বিলোচনা আৰু সংঘর্ষৰ সৈতে জড়িত কাম-কাজৰ জৰিয়তে ৰাজনীতিৰ প্রকাশ ঘটে। অর্থাৎ ক্ষমতা তত্ত্ব (Power Theory) আৰু আচৰণবাদৰ (Behaviouralism) উত্থানৰ দৰে কাৰকবোৰৰ বাবে ৰাজনীতি বিজ্ঞানৰ লক্ষ্য আৰু উদ্দেশ্য সলনি হৈছে। ৰাজনীতিক দ্বন্দ আৰু মতানৈক্য সমাধানৰ এক প্রক্রিয়া হিচাপে গণ্য কৰা হয়। ইয়াৰ জৰিয়তে বিৰোধী দৃষ্টিভংগী অথবা প্রতিদ্বন্দিতামূলক আগ্রহবোৰৰ সকলোৰে উপকাৰী হোৱাকৈ সমন্বয় সাধন কৰা হয়। ৰাজনীতি বিজ্ঞানৰ নতুন অর্থই স্থানীয়, আঞ্চলিক, ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় সকলো স্তৰৰে ক্ষমতা আৰু সংঘর্ষৰ সৈতে জড়িত দিশবোৰ সামৰি লয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ কোনে পোন প্রথমে 'ৰাজনীতি বিজ্ঞান' অভিধাটো ব্যৱহাৰ কৰিছিল?

.....

প্রশ্ন নং ৮ ঃ ৰাজনীতি বিজ্ঞানক বিশুদ্ধ বিজ্ঞান বুলি মানি নোলোৱা পক্ষই আগবঢ়োৱা যিকোনো দুটা যুক্তি উল্লেখ কৰক।

.....

.....

.....

প্রশ্ন নং ৯ ঃ ৰাজনীতি বিজ্ঞানক কলা বুলি মানি নোলোৱা পক্ষই আগবঢ়োৱা যিকোনো দুটা যুক্তি উল্লেখ কৰক।

.....

.....

.....

.....

১.৫ ৰাজনীতি বিজ্ঞানৰ পৰিসৰ

ৰাজনীতি বিজ্ঞানৰ পৰিসৰ সম্পর্কে ৰাজনীতি বিজ্ঞানীসকলৰ মাজত মত পার্থক্য আছে। সময়ৰ লগে লগে বিষয়টোৰ পৰিসৰো সলনি হৈছে। বর্তমান সময়ত ই কেৱল ৰাষ্ট্র শাসনৰ পদ্ধতি অধ্যয়ন কৰা বিজ্ঞান হৈ থকা নাই। আজিকালি ৰাজনীতি বিজ্ঞানে এক বহল ক্ষেত্র সামৰি লয় আৰু ইয়াৰ চৰিত্র অধিক গতিশীল হৈ পৰিছে। ৰাজনীতি বিজ্ঞানে অতীত আৰু বর্তমান

উভয় কালৰে ৰাষ্ট্ৰ আৰু চৰকাৰৰ সৈতে জড়িত সকলোবোৰ দিশ অধ্যয়ন কৰে। লগতে ই ভৱিষ্যতৰ সম্ভাব্য উন্নয়নৰ বিষয়তো আলোকপাত কৰে। সহজ অর্থত ক'বলৈ হ'লে ৰাজনীতি বিজ্ঞানে আমাৰ দৈনন্দিন জীৱনৰ সকলো দিশতে গভীৰ প্ৰভাৱ পেলায়। বিংশ শতিকাৰ দ্বিতীয়ার্ধত ক্ষমতাতাত্ত্বিক তথা আচৰণবাদীসকলে বিষয়টোৰ অধ্যয়ন ক্ষেত্ৰখন যথেষ্ট ব্যাপক কৰি তুলিছিল। এই সময়ছোৱাত আৰম্ভ হোৱা নতুন ধাৰাটোৱে সমাজত ৰাজনৈতিক প্ৰভাৱ থকা ক্ষমতাকেন্দ্ৰিক সম্পৰ্ক আৰু মানৱীয় আচৰণ সকলো দিশতে আলোকপাত কৰি আহিছে।

প্ৰথমে উল্লেখ কৰা যাওক ৰাজনীতি বিজ্ঞান আৰু সংগঠিত ৰাজনৈতিক জীৱনৰ মাজত থকা সম্পৰ্ক। ৰাজনীতি বিজ্ঞানে সংগঠিত ৰাজনৈতিক জীৱনৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে সমীক্ষা চলায়। বিভিন্ন সময়ত পণ্ডিত-গৱেষকসকলে অতীতৰ পৰা অভিজ্ঞতা আৰু প্ৰমাণ বুটলি আনি ৰাষ্ট্ৰ, চৰকাৰ, আইন আৰু ৰাজনৈতিক আচৰণ সম্পৰ্কে সিদ্ধান্তত উপনীত হয়। ইয়াৰ ফলত ব্যক্তিবাদ, সমাজবাদ আৰু গণতন্ত্ৰকে ধৰি ৰাজনৈতিক চিন্তাৰ বিভিন্ন প্ৰবাহ সৃষ্টি হৈছে। এইবোৰে বৰ্তমানৰ ৰাজনৈতিক অনুষ্ঠান, ধাৰণা আৰু প্ৰক্ৰিয়াবোৰ জনাত সহায় কৰে।

ৰাজনীতি বিজ্ঞানে প্ৰচলিত ৰাজনৈতিক ধাৰণা, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু পৰিঘটনাৰ অনুসন্ধান কৰে। ই ৰাজনৈতিক দল, প্ৰভাৱ গোষ্ঠী, সামাজিক আন্দোলন, কার্য্যপালিকা, ন্যায়পালিকা, আইনৰ দৰে দল তথা অনুষ্ঠান/প্ৰতিষ্ঠানবোৰৰ বিশ্লেষণ আগবঢ়ায়। এনে দল তথা অনুষ্ঠানবোৰে ক্ষমতা আৰু সমাজক প্ৰভাৱিত কৰিব বিচাৰে। ইয়াৰ উপৰি ৰাজনীতি বিজ্ঞানে বিভিন্ন ধৰণৰ চৰকাৰ আৰু চৰকাৰৰ কার্য্য সম্পাদন প্ৰক্ৰিয়া, বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংগঠন আৰু সেইবোৰৰ ৰাজনীতি তথা ৰাজনীতি বিজ্ঞানৰ অন্য দিশবোৰত ভূমিকা, নির্বাচন অধ্যয়ন, জনমত, ভোটদাতাৰ আচৰণ আদিও অধ্যয়ন কৰে।

এইবোৰৰ উপৰিও এৰিষ্ট'টলৰ সময়ৰে পৰা ৰাজনীতি বিজ্ঞানে কৰি অহা আন কিছুমান কাম হ'ল উন্নয়নৰ ভৱিষ্যত পন্থাৰ বিষয়ে অনুমান আৰু ভৱিষ্যৎ বাণী কৰা তথা প্ৰচলিত ৰাজনৈতিক প্ৰক্ৰিয়া তথা সংৰচনাবোৰ উন্নত কৰি তোলাৰ প্ৰস্তাৱ আগবঢ়োৱা। ৰাজনীতি বিজ্ঞানে ৰাষ্ট্ৰ এখন কেনে হোৱা উচিত অথবা ৰাষ্ট্ৰৰ আদর্শ ৰূপটোৰ বিষয়ে অধ্যয়ন কৰে। গেটেলৰ মতে ৰাজনীতি বিজ্ঞান হ'ল ৰাষ্ট্ৰ এখন কেনেকুৱা আছিল সেই সম্পৰ্কে কৰা ঐতিহাসিক অনুসন্ধান, ৰাষ্ট্ৰ এখনৰ বৰ্তমান স্থিতি কেনেকুৱা সেই সম্পৰ্কে কৰা বিশ্লেষণাত্মক অধ্যয়ন আৰু ৰাষ্ট্ৰ এখন কেনেকুৱা হোৱা উচিত সেই সম্পৰ্কে কৰা ৰাজনৈতিক নৈষ্ঠিক আলোচনা।

আধুনিক সময়ত লাছৱেল (আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী), কেপ্‌লান (আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী), মর্গেনথ' (আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী), ৰাছেল (বৃটিছ পণ্ডিত) আৰু ফ'কাল্ট (ফৰাচী পণ্ডিত) ৰ দৰে লেখকসকলে ৰাজনীতিক বিজ্ঞানক 'ক্ষমতাৰ অধ্যয়ন' হিচাপে প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস চলাই আছে। অধ্যয়নৰ এই নতুন দিশটোৱে ৰাজনীতি বিজ্ঞানৰ পৰিসৰ অধিক ব্যাপক কৰি তুলিছে। এইবোৰৰ উপৰি বৰ্তমান সময়ত ৰাজনীতি বিজ্ঞানে 'নীতি বিজ্ঞান'ৰ (Policy Science) ৰূপ লৈছে। অর্থাৎ, ই বিভিন্ন নীতি/আঁচনি সন্দর্ভত কেনেদৰে ব্যৱহাৰিক সিদ্ধান্তত উপনীত হ'ব পাৰি সেয়া অধ্যয়ন কৰে। বিংশ শতিকাৰ নৱৈ দশকৰ পৰা মানৱ অধিকাৰ,

মানৰ উন্নয়ন, নতুন সামাজিক আন্দোলন আৰু নাগৰিক সমাজত হোৱা বিভিন্ন উত্থান আৰু বিকাশৰ বাবে ৰাজনীতি বিজ্ঞানৰ পৰিসৰো অতি ব্যাপক হৈ পৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ ঃ ৰাজনীতি বিজ্ঞানক 'ক্ষমতাৰ অধ্যয়ন' হিচাপে প্রতিষ্ঠা কৰিব খোজা যিকোনো দুগৰাকী ৰাজনীতি বিজ্ঞানীৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন নং ১১ ঃ ৰাজনীতি বিজ্ঞানৰ পৰিসৰ সম্পর্কে থকা গেটেলৰ দৃষ্টিভঙ্গীটো বর্ণনা কৰক।

.....

.....

.....



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমসাময়িক কালত ৰাজনীতি বিজ্ঞানৰ অর্থ ক্রমে ব্যাপক হৈ গৈ আছে। পুৰণি কালত ৰাজনীতি বিজ্ঞানক বহুতো পণ্ডিতে ইয়াক কেৱল ৰাষ্ট্র আৰু চৰকাৰৰ সৈতে জড়িত বিভিন্ন দিশৰ আধাৰত সংজ্ঞাবদ্ধ কৰিছিল। কিন্তু এতিয়া ৰাজনৈতিক ব্যৱস্থা বোলা অভিধাটোৱে ৰাজনীতি বিজ্ঞানৰ অধ্যয়নক অর্থনৈতিক ব্যৱস্থা, সাংস্কৃতিক ব্যৱস্থা, ন্যায়িক ব্যৱস্থা আৰু বৃহত্তৰ সামাজিক পৰিৱেশত সক্রিয় হৈ থকা অন্য সামাজিক ব্যৱস্থাৰ কাষ চপাই আনিছে।
- ৰাজনীতি বিজ্ঞান ক্ষেত্রৰ এটি গুৰুত্বপূর্ণ উপাদান হৈছে ৰাজনীতিৰ ধাৰণা। ৰাজনীতি সৃষ্টি হয় বৈচিত্র্যৰ পৰা। মানৰ সমাজত সদায়েই বৈচিত্র্যময় গোষ্ঠী আৰু সম্প্রদায়ৰ অস্তিত্ব বিৰাজমান। যেতিয়া বিভিন্ন গোষ্ঠী আৰু সম্প্রদায়ৰ নিজস্ব প্রয়োজন আৰু স্বার্থৰ পৰিপ্রেক্ষিতত মতানৈক্য ঘটে, তেতিয়াই ৰাজনীতিৰ উদ্ভৱ হয়। প্রতিটো গোষ্ঠীয়ে ইয়াৰ বিভিন্ন ন্যায়িক আৰু সাংবিধানিক উদ্দেশ্যসমূহত উপনীত হ'ব বিচৰাৰ লগতে আঞ্চলিক, ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় স্তৰত ইয়াৰ প্রয়োজনীয় স্বার্থসমূহ প্রকাশ কৰিব বিচাৰে।
- আৰম্ভণিৰে পৰা ৰাজনীতি বিজ্ঞানৰ স্থিতি সম্পর্কে পণ্ডিতসকলৰ মাজত বিতর্ক চলি আছে। বিতর্কৰ মূল বিষয়বস্তু হ'ল ৰাজনীতি বিজ্ঞান আচলতে বিজ্ঞান নে কলা। ৰাজনীতি বিজ্ঞানক এক বিশুদ্ধ বিজ্ঞান বুলি দাবী কৰি কিছু সংখ্যক ৰাজনীতি বিজ্ঞানীয়ে আগবঢ়োৱা

যুক্তিবোৰ হ'ল— কাৰণ আৰু সত্যাসত্য পৰীক্ষা কৰি চাব পৰা তথ্যৰ আধাৰত ৰাজনৈতিক তত্ত্বৰ বিকাশ ঘটিছে। যেনে— ভোট দিয়াৰ সময়ত নাগৰিকে প্রদর্শন কৰা আচৰণ আৰু নির্বাচন সম্পর্কীয় তত্ত্ব। ৰাজনীতি বিজ্ঞানত ৰাজনৈতিক পৰীক্ষা নিৰীক্ষা সম্পূর্ণৰূপে এৰাই চলা নাযায়। চৰকাৰ বোলা ধাৰণাটো নিজেই এক অবিৰত পৰীক্ষা-নিৰীক্ষাৰ প্রক্রিয়া। ৰাজনীতি বিজ্ঞানত বহলভিত্তিক সিদ্ধান্তত উপনীত হ'ব পৰা যায়। যেনে— স্বাধীনতা, নিৰপেক্ষ ন্যায় ব্যৱস্থা আৰু স্বতন্ত্র সংবাদ মাধ্যম হ'ল গণতন্ত্রৰ প্রয়োজনীয় উপাদান। অতি সাৱধানে কৰা নিৰীক্ষণ আৰু শ্রেণীবিভাজন হ'ল ৰাজনীতি বিজ্ঞানৰ পৰীক্ষামূলক অধ্যয়নবোৰৰ ভেঁটি। বর্তমান সময়ৰ ৰাজনীতি বিজ্ঞানীসকলে তেওঁলোকৰ গৱেষণাৰ সিদ্ধান্তত উপনীত হ'বলৈ সমীক্ষা পদ্ধতি, লেখ পদ্ধতি, তালিকা ব্যৱহাৰ পদ্ধতি আৰু অন্য বিজ্ঞানসম্মত কৌশলৰ সহায় লয়।

- একে সময়তে আন এদল ৰাজনীতি বিজ্ঞানীয়ে এই বিষয়টোক কলা বুলি ক'ব খোজে। তেওঁলোকে নিজৰ দাবীৰ সপক্ষত দাঙি ধৰা যুক্তিবোৰ হ'ল— ৰাজনীতি বিজ্ঞানৰ অভিধা তথা ধাৰণাবোৰৰ কোনো স্পষ্ট আৰ স্বীকৃত সংজ্ঞা নাই, মানুহৰ প্রকৃতি আৰু অভ্যাস অনুসৰি ৰাজনৈতিক পৰিঘটনাবোৰৰ জটিলতা ভিন্ন হ'ব পাৰে, ৰাজনৈতিক বিকাশ ঘটা পৰিৱেশবোৰ বেলেগ বেলেগ হ'ব পাৰে, কোনো বৈধ সিদ্ধান্তত উপনীত হ'ব পৰাকৈ ৰাজনীতি বিজ্ঞানৰ বিভিন্ন দিশত পৰীক্ষা নিৰীক্ষা চলোৱাত বিভিন্ন সমস্যা আছে ইত্যাদি।
- সময় সলনি হোৱাৰ লগে লগে ৰাজনীতি বিজ্ঞানৰ পৰিসৰো সলনি হৈ গৈ আছে। বর্তমান সময়ত ই কেৱল ৰাষ্ট্র শাসনৰ পদ্ধতি অধ্যয়ন কৰা বিজ্ঞান হৈ থকা নাই। আজিকালি ৰাজনীতি বিজ্ঞানে এক বহল ক্ষেত্র সামৰি লয় আৰু ইয়াৰ চৰিত্র অধিক গতিশীল হৈ পৰিছে। ৰাজনীতি বিজ্ঞানে অতীত আৰু বর্তমান উভয় কালৰে ৰাষ্ট্র আৰু চৰকাৰৰ সৈতে জড়িত সকলোবোৰ দিশ অধ্যয়ন কৰে। লগতে ই ভৱিষ্যতৰ সম্ভাব্য উন্নয়নৰ বিষয়তো আলোকপাত কৰে। আজিকালি মানৰ অধিকাৰ, মানৰ উন্নয়ন, নতুন সামাজিক আন্দোলন আৰু নাগৰিক সমাজত হোৱা বিভিন্ন উত্থান আৰু বিকাশৰ বাবে ৰাজনীতি বিজ্ঞানৰ পৰিসৰো অতি ব্যাপক হৈ পৰিছে।



১.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*; গুৱাহাটী ঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; যোৰহাট ঃ ইউনিকা প্রকাশন।

৩) চক্রৱর্তী, আদ্যনাথ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৪) পাল, ড° কৃপেশ চন্দ্র আৰু নায়ক, অধ্যাপক প্রতুল চন্দ্র (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*, গুৱাহাটী ঃ অৰুণ প্রকাশন।

ইংৰাজী গ্রন্থ ঃ

1) Agarwal, R. C. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

2) Asirvatham, E. & Misra, K. K. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

3) Kapur, A. C. (2006): *Principles of Political Science*; New Delhi: S. Chands & Company Ltd.

4) Sharma, R. K. (2011): *Modern Political Science*; New Delhi: DPS Publications.

5) Mahajan, V. D. (2008): *Political Theory*; New Delhi: S. Chands & Company Ltd.

১.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

২নং প্রশ্নৰ উত্তৰ ঃ পলিটিক্স

৩নং প্রশ্নৰ উত্তৰ ঃ ড° গার্নাৰ

৪নং প্রশ্নৰ উত্তৰ ঃ ষ্টিফেন লিকক

৫নং প্রশ্নৰ উত্তৰ ঃ হেৰল্ড লাছৱেল

৬নং প্রশ্নৰ উত্তৰ ঃ ৰাজনৈতিক ব্যৱস্থা

৭নং প্রশ্নৰ উত্তৰ ঃ জাঁ বডিন

৮নং প্রশ্নৰ উত্তৰ ঃ ক) ৰাজনীতি বিজ্ঞানৰ অভিধা তথা ধাৰণাবোৰৰ কোনো স্পষ্ট আৰু স্বীকৃত সংজ্ঞা নাই।

খ) মানুহৰ প্রকৃতি আৰু অভ্যাস অনুসৰি ৰাজনৈতিক পৰিঘটনাবোৰৰ জটিলতা ভিন ভিন ধৰণৰ হ'ব পাৰে।

৯নং প্রশ্নৰ উত্তৰ ঃ ক) শেহতীয়াভাৱে কাৰণ আৰু সত্যাসত্য পৰীক্ষা কৰি চাব পৰা তথ্যৰ আধাৰত ৰাজনৈতিক তত্ত্বৰ বিকাশ ঘটিছে। যেনে— ভোট দিয়াৰ সময়ত নাগৰিকে প্রদর্শন কৰা আচৰণ আৰু নির্বাচন সম্পর্কীয় তত্ত্ব।

খ) ৰাজনীতিত পৰীক্ষা-নিৰীক্ষা সম্পূর্ণৰূপে এৰাই চলা নাযায়। চৰকাৰ বোলা ধাৰণাটো নিজেই এই অবিৰত পৰীক্ষা-নিৰীক্ষাৰ প্রক্রিয়া।

১০নং প্রশ্নৰ উত্তৰ ঃ কেপ্লান, মর্গেনথ'

১১নং প্রশ্নৰ উত্তৰ ঃ ৰাজনীতি বিজ্ঞান হ'ল ৰাষ্ট্র এখন কেনেকুৱা আছিল সেই সম্পর্কে কৰা ঐতিহাসিক অনুসন্ধান, ৰাষ্ট্র এখনৰ বর্তমান স্থিতি কেনেকুৱা সেই সম্পর্কে কৰা বিশ্লেষণাত্মক অধ্যয়ন আৰু ৰাষ্ট্র এখন কেনেকুৱা হোৱা উচিত সেই সম্পর্কে কৰা ৰাজনৈতিক নৈষ্ঠিক আলোচনা।



১.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ "পলিটিক্স" গ্রন্থখন কোনে লিখিছিল?

প্রশ্ন ২ ঃ ৰাজনীতি বিজ্ঞানক কলা আৰু বিজ্ঞান দুয়োটাই বুলি অভিহিত কৰা যিকোনো এগৰাকী ৰাজনীতি বিজ্ঞানীৰ নাম লিখক।

প্রশ্ন ৩ ঃ ছাৰ জন চিলীয়ে আগবঢ়োৱা ৰাজনীতি বিজ্ঞানৰ সংজ্ঞাটো লিখক।

খ) চুটি প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ৰাজনীতি বিজ্ঞানৰ অর্থৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ২ ঃ ৰাজনীতি বিজ্ঞানৰ পৰিৱর্তিত অর্থ সম্পর্কে এটি চমুটোকা লিখক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ৰাজনীতি বিজ্ঞানৰ প্রকৃতি আলোচনা কৰক।

প্রশ্ন ২ ঃ ৰাজনীতি বিজ্ঞানৰ পৰিসৰ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ২ ঃ অন্যান্য সমাজ বিজ্ঞানৰ সৈতে ৰাজনীতি বিজ্ঞানৰ সম্পৰ্ক

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ সমাজশাস্ত্ৰৰ সৈতে ৰাজনীতি বিজ্ঞানৰ সম্পৰ্ক
২.৪ ইতিহাসৰ সৈতে ৰাজনীতি বিজ্ঞানৰ সম্পৰ্ক
২.৫ অৰ্থনীতিৰ সৈতে ৰাজনীতি বিজ্ঞানৰ সম্পৰ্ক
২.৬ নীতিশাস্ত্ৰৰ সৈতে ৰাজনীতি বিজ্ঞানৰ সম্পৰ্ক
২.৭ নৃতত্ত্বৰ সৈতে ৰাজনীতি বিজ্ঞানৰ সম্পৰ্ক
২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৯ অধিক জানিবলৈ
২.১০ অগ্ৰগতিৰ খতিয়ান
২.১১ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰাজনীতি বিজ্ঞান আৰু সমাজশাস্ত্ৰৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰিব পাৰিব
- ৰাজনীতি বিজ্ঞান আৰু ইতিহাসৰ মাজৰ সম্পৰ্ক পৰীক্ষা কৰি চাব পাৰিব
- ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতিৰ মাজৰ সম্পৰ্ক বিশ্লেষণ কৰিব পাৰিব
- ৰাজনীতি বিজ্ঞান আৰু নীতিশাস্ত্ৰৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰিব পাৰিব
- ৰাজনীতি বিজ্ঞান আৰু নৃতত্ত্বৰ মাজৰ সম্পৰ্ক পৰীক্ষা কৰি চাব পাৰিব

২.২ পৰিচয়

মানুহ সামাজিক প্ৰাণী। মানুহে সমাজ পাতি বাস কৰে। মানুহৰ সামাজিক জীৱন বহুমাত্ৰিক, যেনে— অৰ্থনৈতিক, ৰাজনৈতিক, মনোবৈজ্ঞানিক, ঐতিহাসিক, সমাজতাত্ত্বিক ইত্যাদি। ৰাজনীতি বিজ্ঞান হ'ল এক সমাজ বিজ্ঞান। ই মানুহৰ সামাজিক জীৱনৰ ৰাজনৈতিক দিশটো অধ্যয়ন কৰে। ইয়াৰ ইতিহাস, অৰ্থনীতি, সমাজশাস্ত্ৰ, মনোবিজ্ঞান, নীতিশাস্ত্ৰ ইত্যাদিৰ দৰে অন্য সমাজ বিজ্ঞানৰ লগত ঘনিষ্ঠ সম্পৰ্ক আছে। সাম্প্ৰতিক কালত সমাজ বিজ্ঞানবোৰৰ অধ্যয়নে এক আন্তঃবিভাগীয় চৰিত্ৰ ধাৰণ কৰিছে। অৰ্থাৎ কোনো এটা সমাজ বিজ্ঞান বিভাগৰ গৱেষক তথা শিক্ষাৰ্থীয়ে আন এটা সমাজ বিজ্ঞান বিভাগৰ গৱেষক তথা শিক্ষাৰ্থীৰ সৈতে সমন্বয় ৰক্ষা কৰি কাম কৰে। সেই

দিশৰ পৰা ৰাজনীতি বিজ্ঞান যদিও এটা স্বতন্ত্ৰ বিষয়, তথাপিও ইয়াৰ অৰ্থনীতি, ইতিহাস, সমাজশাস্ত্ৰ, মনোবিজ্ঞান, নৃতত্ত্ব আৰু নীতিশাস্ত্ৰৰ দৰে অন্য অধ্যয়ন ক্ষেত্ৰৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে। আচৰণবাদী চিন্তাবিদসকলে ৰাজনীতি বিজ্ঞানৰ অন্য বিষয়বোৰৰ সৈতে সম্পৰ্ক স্থাপনত গুৰুত্ব দিছিল। এই অধ্যায়টিত আমি ৰাজনীতি বিজ্ঞানৰ অন্য সমাজ বিজ্ঞানৰ সৈতে থকা সম্পৰ্ক আলোচনা কৰিম।

২.৩ সমাজশাস্ত্ৰৰ সৈতে ৰাজনীতি বিজ্ঞানৰ সম্পৰ্ক

সমাজশাস্ত্ৰ হ'ল সমাজৰ বিজ্ঞান। ই সমাজৰ সকলো ধৰণৰ মানৱ সৃষ্ট সংগঠনৰ উৎপত্তি, বিকাশ আৰু সংৰচনা সম্পৰ্কে অধ্যয়ন কৰে। আনহাতে, ৰাজনীতি বিজ্ঞানে 'ৰাষ্ট্ৰ' বোলা কেৱল এটা মানৱ সৃষ্ঠ অনুষ্ঠান সম্পৰ্কে আলোচনা কৰে। এই দিশৰ পৰা চাবলৈ গ'লে ৰাজনীতি বিজ্ঞানৰ পৰিসৰ সমাজশাস্ত্ৰতকৈ যথেষ্ট সঙ্কীৰ্ণ। ৰাজনীতি বিজ্ঞানে মানুহৰ জীৱনৰ কেৱল ৰাজনৈতিক দিশটোহে অধ্যয়ন কৰে। কিন্তু সমাজশাস্ত্ৰই মানুহৰ জীৱনৰ সামাজিক, নৈতিক, অৰ্থনৈতিক, ধৰ্মীয় আদি বিভিন্ন দিশৰ অধ্যয়নক সামৰি লয়।

সমাজশাস্ত্ৰই সমাজৰ সকলো ধৰণৰ সংৰচনা আৰু কাম-কাজৰ আলোচনা কৰে। সেই দিশৰ পৰা চাবলৈ গ'লে সমাজশাস্ত্ৰই ৰাষ্ট্ৰৰ গঠন সম্পৰ্কেও অধ্যয়ন কৰে। এই বিষয়টো আকৌ ৰাজনীতি বিজ্ঞানৰ মৌলিক উপাদান। আচৰণবাদী ৰাজনীতি বিজ্ঞানীসকলে পৰীক্ষামূলক ৰাজনৈতিক তত্ত্ববোৰ সমৃদ্ধ কৰিবলৈ টেলক'ট পাৰচন্চ (আমেৰিকাৰ সমাজতাত্ত্বিক) আৰু ৰ'বাৰ্ট কে মৰ্টন (আমেৰিকাৰ সমাজতাত্ত্বিক)ৰ দৰে সমাজতাত্ত্বিকসকলৰ লেখনিৰ পৰা যথেষ্ট সহায় লৈছে। এই জনপ্ৰিয় ধাৰাটোৱে ৰাজনৈতিক সমাজশাস্ত্ৰ (Political Sociology) নামৰ এটা নতুন বিষয় সৃষ্টি কৰিছে। ৰাজনীতি বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীয়ে সমাজশাস্ত্ৰৰ নীতিবোৰ শিকাটো বাধ্যতামূলক আৰু সমাজশাস্ত্ৰৰ ছাত্ৰ-ছাত্ৰীয়ে ৰাষ্ট্ৰ নামৰ অনুষ্ঠানটোৰ সংৰচনা তথা কাৰ্য্যাৱলীৰ তথ্য ৰাজনীতি বিজ্ঞানৰ পৰা আহৰণ কৰিব লাগে। ৰাজনীতি বিজ্ঞানে ৰাষ্ট্ৰ আৰু চৰকাৰ সম্পৰ্কে অধ্যয়ন কৰে। সমাজশাস্ত্ৰই ৰাষ্ট্ৰ, জাতি, গোষ্ঠী, পৰিয়াল আৰু সকলো ধৰণৰ মানৱীয় সংগঠনৰ বিষয়ে আলোচনা কৰে। ৰাষ্ট্ৰও ইয়াৰ মাজৰে এটা। যদিও দুয়োবিধ বিজ্ঞানৰে শাখাবোৰ বেলেগ বেলেগ তথাপিও দুয়োটাই ইটো সিটোৰ পৰিপূৰক। যেনে— ৰাজনীতি বিজ্ঞানৰ অধ্যয়নৰ বিষয়বস্তু ৰাষ্ট্ৰৰ বিষয়ে সমাজশাস্ত্ৰতো আলোচনা কৰা হয়। ৰাষ্ট্ৰৰ উৎপত্তি আৰু বিৱৰ্তনৰ লগতে ৰাষ্ট্ৰৰ উৎপত্তিৰ কাৰক হিচাপে কাম কৰা জটিল সামাজিক শক্তিবোৰৰ বিশ্লেষণ কৰাটো হ'ল সমাজশাস্ত্ৰৰ কাম। এই কথাবোৰ উপস্থাপন কৰি সমাজশাস্ত্ৰই ৰাজনীতি বিজ্ঞানক সহায় কৰে। একেদৰে ৰাজনীতি বিজ্ঞানেও ৰাষ্ট্ৰ আৰু চৰকাৰৰ বিষয়ে বিতং আলোচনা আগবঢ়াই সমাজশাস্ত্ৰক সহায় কৰে।

২.৪ ইতিহাসৰ সৈতে ৰাজনীতি বিজ্ঞানৰ সম্পৰ্ক

ৰাজনীতি বিজ্ঞানৰ ইতিহাসৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে। ৰাজনৈতিক অনুষ্ঠানবোৰৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে সম্পূৰ্ণৰূপে জানিবলৈ আমি ইতিহাসৰ সহায় ল'ব লাগিব। যেনে—

বৃটেইনত ৰাজতন্ত্ৰৰ প্ৰকৃতি আৰু বৃটিছ সংসদৰ কাৰ্য্যাৱলী বুজিবলৈ আমি বৃটেইনৰ ইতিহাস খৰচি মাৰি পঢ়িব লাগিব। বৃটেইনৰ ইতিহাসৰ পৰাই আমি গম পাও যে ইংৰাজসকলে নিজৰেই শাসকৰ স্বৈৰাচাৰী শাসনৰ বিৰুদ্ধে অবিৰত প্ৰতিবাদ আৰু সংঘৰ্ষ কৰিবলগীয়া হৈছিল। ইয়াৰ ফলশ্ৰুতিয়েই হ'ল ১৬৮৮ খৃষ্টাব্দৰ গৌৰৱময় বিপ্লৱ (Glorious Revolution)। ই বৃটেইনত সীমিত ৰাজতন্ত্ৰ প্ৰতিষ্ঠাৰ পথ সুগম কৰি তুলিছিল আৰু সংসদীয় অধিকাৰবোৰে স্বীকৃতি লাভ কৰিছিল। অৰ্থাৎ, আমি গম পালোঁ যে আজিৰ এক নিৰ্দিষ্ট ৰাজনৈতিক অনুষ্ঠানৰ উৎস অতীতত লুকাই আছে। একে সময়তে এটা কথা মনত ৰাখি থোৱা ভাল যে ইতিহাস মানে কেৱল অতীতৰ ঘটনা আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ লিখিত খতিয়ান নহয়। বিভিন্ন ঐতিহাসিক ঘটনা আৰু আন্দোলন সঠিকভাৱে বুজি উঠিব পাৰিলেহে আমাৰ ইতিহাস অধ্যয়ন সফল হ'ব। এই দিশৰ পৰা চাবলৈ গ'লে ইতিহাস আৰু ৰাজনীতি বিজ্ঞান দুয়োটা ইটো সিটোৰ পৰিপূৰক তথা ইটোৱে সিটোলৈ অৱদান আগবঢ়ায়। ৰাজনীতি বিজ্ঞান আৰু ইয়াৰ ধাৰণাবোৰ ইতিহাসৰ কোনো এক নিৰ্দিষ্ট সময় তথা পৰিৱেশত প্ৰোথিত। সেয়েহে এই দুয়োটা বিষয়ৰে ঘনিষ্ঠ সম্পৰ্ক আছে আৰু ইটোৱে সিটোৰ পৰিপূৰক হিচাপে কাম কৰে। ইতিহাস ভালদৰে বুজিবলৈ ৰাজনৈতিক অনুষ্ঠান আৰু এনে অনুষ্ঠানৰ পৰিচালনা নীতি সম্পৰ্কে জনাটো অতি প্ৰয়োজন। ৰাজনীতি বিজ্ঞানীসকলে কোনো সিদ্ধান্তত উপনীত হ'বলৈ ঐতিহাসিক ঘটনাৰ আলম লয় আৰু এনে কিছুমান নীতি নিৰ্ধাৰণ কৰে যিবোৰে ৰাজনৈতিক জীৱন পৰিচালনা কৰে। বৃটিছ ইতিহাসবিদ ছাৰ জন চিলীয়ে ইতিহাস আৰু ৰাজনীতি বিজ্ঞানৰ মাজৰ সম্পৰ্ক সুন্দৰভাৱে বৰ্ণনা কৰি কৈছে—

> "ৰাজনীতি বিজ্ঞান অবিহনে ইতিহাসৰ কোনো সুফল নাই
> ইতিহাস অবিহনে ৰাজনীতি বিজ্ঞানৰ কোনো শিপা নাই।"
> ("History without Political Science has no fruit,
> Political Science without History has no root.")

২.৫ অৰ্থনীতিৰ সৈতে ৰাজনীতি বিজ্ঞানৰ সম্পৰ্ক

ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতিৰ মাজত এৰাব নোৱাৰা সম্পৰ্ক আছে। আচলতে অৰ্থনীতি প্ৰথমতে ৰাজনৈতিক অৰ্থনীতি (Political Economy) হিচাপে উদ্ভৱ হৈছিল। গ্ৰীকসকলে ৰাষ্ট্ৰৰ বাবে ৰাজহ যোগান ধৰা কলাটোক ৰাজনৈতিক অৰ্থনীতি বুলি গণ্য কৰিছিল। আধুনিক অৰ্থনীতিৰ জনক আদাম স্মিথ (আমেৰিকাৰ ৰাজনৈতিক অৰ্থনীতিবিদ)ৰ গ্ৰন্থখনৰ নামেই হ'ল 'ৱেলথ্ অৱ নেচনচ্' (Wealth of Nations)। স্মিথে বুজাই দিছিল যে অৰ্থনীতি হ'ল ব্যক্তি আৰু ৰাষ্ট্ৰক সমৃদ্ধ কৰা বিজ্ঞান। মেকিয়াভেলি (ইটালীয় চিন্তাবিদ), জন ল'ক (বৃটিছ দাৰ্শনিক), বেনথাম (বৃটিছ ৰাজনৈতিক দাৰ্শনিক), জেমছ মিল (বৃটিছ ৰাজনৈতিক চিন্তাবিদ) আৰু জন ষ্টুৱার্ট মিল (বৃটিছ ৰাজনৈতিক চিন্তাবিদ)ৰ দৰে লিখকে ৰাজনৈতিক আৰু অৰ্থনৈতিক ঘটনাৱলী একেলগে আলোচনা কৰিছিল। জার্মান দাৰ্শনিক কার্ল মার্ক্সৰ মতে কোনো এখন দেশৰ ৰাজনীতি

কেৱল অৰ্থনৈতিক কাৰকেহে নিৰ্ধাৰণ কৰে। এখন চৰকাৰৰ ৰূপ আৰু কাৰ্য্যকলাপবোৰৰ ওপৰত অৰ্থনৈতিক শক্তিয়ে যথেষ্ট প্ৰভাৱ পেলায়। ব্যক্তিবাদ, সমাজবাদ আৰু সাম্যবাদৰ ধাৰণাকেইটাৰ প্ৰধান ভেঁটি হ'ল অৰ্থনৈতিক নীতি। ইয়াৰ বিপৰীতে এখন দেশৰ অৰ্থনৈতিক কাৰ্য্যকলাপবোৰক প্ৰচলিত চৰকাৰ ব্যৱস্থা আৰু ইয়াৰ নীতিবোৰে বহুলাংশে নিৰ্ধাৰণ কৰে। চৰকাৰৰ কৰ নীতি, আমদানি-ৰপ্তানি নীতি, বিনিময় দৰ, বেঙ্ক ব্যৱস্থাৰ সৈতে জড়িত নীতি আদিয়ে দেশ এখনৰ অৰ্থনীতিক গভীৰভাৱে প্ৰভাৱিত কৰে। অৰ্থনৈতিক সুস্থিৰতাই ৰাজনৈতিক সুস্থিৰতা আনে আৰু ৰাজনৈতিক সুস্থিৰতাই অৰ্থনৈতিক সুস্থিৰতা নিশ্চিত কৰে। আধুনিক ৰাষ্ট্ৰবোৰ অসংখ্য অৰ্থনৈতিক সমস্যাৰে জৰ্জৰিত। কেৱল ৰাষ্ট্ৰই গ্ৰহণ কৰা ৰাজনৈতিক কাৰ্য্যকলাপৰ দ্বাৰাহে ইয়াৰ সমাধান সম্ভৱ। আধুনিক ৰাষ্ট্ৰক কল্যাণকামী ৰাষ্ট্ৰ বোলা হয় আৰু ইয়াৰ প্ৰধান কাৰ্য্যবোৰ অৰ্থনৈতিক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'ৱেলথ্ অৱ নেচনচ্' (Wealth of Nations) গ্ৰন্থৰ লেখক কোন?

.....

প্ৰশ্ন নং ২ ঃ সমাজশাস্ত্ৰ হ'ল সমাজৰ বিজ্ঞান। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৩ ঃ ৰাজনৈতিক আৰু অৰ্থনৈতিক ঘটনাবোৰ একেলগে আলোচনা কৰা দুগৰাকী লেখকৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৪ ঃ "ৰাজনীতি বিজ্ঞান অবিহনে ইতিহাসৰ কোনো সুফল নাই, ইতিহাস অবিহনে ৰাজনীতি বিজ্ঞানৰ কোনো শিপা নাই।" —উক্তিটো কাৰ?

.....

প্ৰশ্ন নং ৫ ঃ মাৰ্ক্সৰ মতে এখন ৰাষ্ট্ৰৰ নীতি নিৰ্ধাৰণকাৰী কাৰকটো কি?

.....

প্ৰশ্ন নং ৬ ঃ গ্ৰীকসকলে ৰাষ্ট্ৰৰ বাবে ৰাজহ যোগান ধৰা কলাটোক ..... বুলি গণ্য কৰিছিল। (খালী ঠাই পূৰণ কৰক)

.....

প্ৰশ্ন নং ৭ ঃ ৰাজনীতি বিজ্ঞান আৰু সমাজশাস্ত্ৰৰ মাজৰ সম্পৰ্ক বৰ্ণনা কৰক। (৬০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

২.৬ নীতিশাস্ত্ৰৰ সৈতে ৰাজনীতি বিজ্ঞানৰ সম্পৰ্ক

ৰাজনীতি বিজ্ঞান আৰু নীতিশাস্ত্ৰৰ মাজত ঘনিষ্ঠ সম্পৰ্ক আছে। দুয়োবিধ বিষয়ৰে লক্ষ্য হ'ল মানুহৰ মঙ্গল সাধন আৰু উমৈহতীয়া কল্যাণৰ পৃষ্ঠপোষকতা কৰা। আইন-শৃঙ্খলা আৰু নৈতিকতা বৰ্তাই ৰখাৰ বাবে ৰাষ্ট্ৰ সংগঠিত কৰা হৈছিল। আচলতে মানুহৰ নৈতিক বিশ্বাস সবল কৰি তুলিব পৰাকৈ আইন-কানুনবোৰ প্ৰণয়ন কৰা উচিত। ৰাষ্ট্ৰৰ যিবোৰ কাৰ্য্যই নৈতিকতাৰ নীতি উলংঘা কৰে তেনে কাৰ্য্য গৰিহণাযোগ্য। সেয়েহে প্ৰাচীন কালৰ দাৰ্শনিকসকলে ৰাষ্ট্ৰৰ নৈতিকতাৰ দিশটোৰ ওপৰত যথেষ্ট গুৰুত্ব দিছিল। প্ৰাচীন গ্ৰীচৰ ৰাজনৈতিক দাৰ্শনিক এৰিষ্ট'টলৰ মতে উন্নত জীৱনৰ খাটিৰতে ৰাষ্ট্ৰৰ উৎপত্তি হৈছিল। আধুনিক লেখকসকলেও নীতিশাস্ত্ৰ আৰু ৰাজনীতি বিজ্ঞানৰ মাজত থকা ঘনিষ্ঠ সম্পৰ্কৰ কথা কয়। গান্ধীজীয়ে ৰাজনৈতিক নীতিবোৰক নৈতিক প্ৰমূল্যৰ সৈতে লগ লগোৱাৰ প্ৰয়াস কৰিছিল। তেওঁ লক্ষ্য তথা লক্ষ্যপ্ৰাপ্তিৰ উপায় দুয়োটাই সদায় মঙ্গলদায়ী হোৱাটোত জোৰ দিছিল।

নীতিশাস্ত্ৰই নৈতিকতা, প্ৰমূল্য আৰু স্বীকৃত মানৰ আচৰণৰ বিষয়ে কয়। মানুহ সাধাৰণতে যুক্তিৰে পৰিচালিত সত্তা। মানুহে ভুল-শুদ্ধ আৰু ন্যায়-অন্যায়ৰ মাজৰ প্ৰভেদ বুজি পায়। প্ৰাচীন কালৰে পৰা সামাজিক আৰু ৰাজনৈতিক দাৰ্শনিকসকলে ৰাষ্ট্ৰ, চৰকাৰ তথা আইন সম্পৰ্কীয় ধাৰণাবোৰৰ কিছুমান নীতিগত মানৰ সৈতে সংহতি স্থাপন কৰাৰ প্ৰয়াস কৰি আহিছে। উদাহৰণ স্বৰূপে প্ৰাচীন গ্ৰীক দাৰ্শনিক প্লেটোৱে এক আদৰ্শ ৰাষ্ট্ৰৰ তত্ত্ব আগবঢ়াইছিল। প্ৰাচীন গ্ৰীক দাৰ্শনিক এৰিষ্ট'টলে কৈছিল যে উন্নত জীৱন যাপন কৰিবৰ বাবে ৰাষ্ট্ৰৰ অস্তিত্ব বৰ্তি থাকে। মধ্যযুগৰ তত্ত্ববোৰক নীতিগত মানে প্ৰভাৱিত কৰি ৰাখিছে। ৰুছো (ফৰাচী দাৰ্শনিক), কাণ্ট (জাৰ্মান দাৰ্শনিক), হেগেল (জাৰ্মান দাৰ্শনিক), গ্ৰীন (বৃটিছ দাৰ্শনিক) আৰু মহাত্মা গান্ধীৰ দৰে আধুনিক ৰাজনৈতিক চিন্তাবিদসকলেও ৰাজনীতি বিজ্ঞানত নীতিশাস্ত্ৰ আৰু নৈতিকতাৰ উপস্থিতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। মহাত্মা গান্ধীয়ে কৈছিল যে নৈতিকতাহীন ৰাজনীতি মানে হ'ল মৰণ ফান্দ। বিংশ শতিকাত আচৰণবাদী আন্দোলন আৰু ক্ষমতাৰ ধাৰণাটোৰ ওপৰত বেছিকৈ গুৰুত্ব আৰোপ কৰা হ'ল বাবে ৰাজনীতিৰ অধ্যয়নত স্বীকৃত নীতি-নিয়ম আৰু প্ৰমূল্যবোৰৰ গুৰুত্ব কমি গৈছে। কিন্তু শেহতীয়াভাৱে নৈতিক দিশটোৰ পুনৰুত্থান ঘটিছে। আধুনিক কালৰ ৰাজনীতি বিজ্ঞানৰ মৌলিক দিশ হ'ল মানুহ আৰু মানৱীয় প্ৰমূল্যৰ প্ৰতি চিন্তা।

২.৭ নৃতত্ত্বৰ সৈতে ৰাজনীতি বিজ্ঞানৰ সম্পৰ্ক

ৰাজনীতি বিজ্ঞান আৰু নৃতত্ত্বৰ মাজত নিকট সম্পৰ্ক আছে। পৰম্পৰা, মনোভাৱ, প্ৰমূল্য, আচৰণ বিন্যাস, নেতৃত্ব আদি বিষয়ত বিভিন্ন সমাজ ব্যৱস্থাত থকা অথবা পোৱা প্ৰচুৰ সমলৰ গৰাকী হ'ল নৃতত্ত্ব। ৰাজনীতি বিজ্ঞানে তুলনামূলক বিশ্লেষণ কৰিবলৈ এনে তথ্যৰ সহায় লয়। জেংকচ্ (আমেৰিকাৰ নৃতত্ত্ববিদ) আৰু মৰ্গান (আমেৰিকাৰ নৃতত্ত্ববিদ)ৰ দৰে লেখকে নৃতত্ত্বৰ পৰা অসংখ্য তথ্য গ্ৰহণ কৰিছে। এই তথ্যবোৰৰ আধাৰত তেওঁলোকে ৰাষ্ট্ৰৰ উৎপত্তি ব্যাখ্যা কৰিছে। জাতিগত একতাক (Racial Unity) এতিয়াও জাতীয়ত্বৰ (Nationality) সবল বান্ধোন বুলি গণ্য কৰা হয়। আধুনিক আইন ব্যৱস্থাটো নৃতত্ত্বই খতিয়ানভুক্ত কৰা প্ৰাচীন প্ৰয়োগনীতি, পৰম্পৰা আৰু ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ দ্বাৰা যথেষ্ট প্ৰভাৱিত হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ মহাত্মা গান্ধীয়ে ..... নৈতিক প্ৰমূল্যৰ সৈতে লগ লগোৱাৰ প্ৰয়াস কৰিছিল। (খালী ঠাই পূৰণ কৰক)

.....

প্ৰশ্ন নং ৯ ঃ জেংকচ্ আৰু মৰ্গানৰ দৰে লেখকে নৃতত্ত্বৰ পৰা গ্ৰহণ কৰা তথ্যৰ আধাৰত ৰাষ্ট্ৰৰ উৎপত্তি ব্যাখ্যা কৰিছে। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ১০ ঃ ৰাজনীতি বিজ্ঞান আৰু নীতিশাস্ত্ৰৰ মাজৰ সম্পৰ্ক বৰ্ণনা কৰক। (প্ৰায় ৬০টা শব্দত)

.....

.....

.....

.....

.....

.....

.....

.....



২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাজনীতি বিজ্ঞানৰ ইতিহাস, অৰ্থনীতি, সমাজশাস্ত্ৰ, নীতিশাস্ত্ৰ ইত্যাদিৰ দৰে অন্য সমাজ বিজ্ঞানৰ লগত ঘনিষ্ঠ সম্পৰ্ক আছে। ৰাজনীতি বিজ্ঞানে আমাক অন্য সমাজ বিজ্ঞানবোৰৰ বিষয়ে ভালদৰে বুজাত সহায় কৰে। একেদৰে অন্য সমাজ বিজ্ঞানবোৰেও ৰাজনীতি বিজ্ঞানৰ বিষয়ে বুজাত সহায় কৰে।
- সমাজশাস্ত্ৰ আৰু ৰাজনীতি বিজ্ঞান এটা আনটোৰ পৰিপূৰক। ৰাজনীতি বিজ্ঞানৰ অধ্যয়নৰ বিষয়বস্তু ৰাষ্ট্ৰৰ বিষয়ে সমাজশাস্ত্ৰতো আলোচনা কৰা হয়। ৰাষ্ট্ৰৰ উৎপত্তি আৰু বিৱৰ্তনৰ লগতে ৰাষ্ট্ৰৰ উৎপত্তিৰ কাৰক হিচাপে কাম কৰা জটিল সামাজিক শক্তিবোৰৰ বিশ্লেষণ কৰাটো হ'ল সমাজশাস্ত্ৰৰ কাম। এই কথাবোৰ উপস্থাপন কৰি সমাজশাস্ত্ৰই ৰাজনীতি বিজ্ঞানক সহায় কৰে। একেদৰে ৰাজনীতি বিজ্ঞানেও ৰাষ্ট্ৰ আৰু চৰকাৰৰৰ বিষয়ে বিতং আলোচনা আগবঢ়াই সমাজশাস্ত্ৰক সহায় কৰে।
- ৰাজনীতি বিজ্ঞানৰ ইতিহাসৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে। ৰাজনৈতিক অনুষ্ঠানবোৰৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে সম্পূৰ্ণৰূপে জানিবলৈ আমি ইতিহাসৰ সহায় ল'ব লাগিব। বিভিন্ন ঐতিহাসিক ঘটনা আৰু আন্দোলন সঠিকভাৱে বুজি উঠিব পাৰিলেহে আমাৰ ইতিহাস অধ্যয়ন সফল হ'ব। এই দিশৰ পৰা চাবলৈ গ'লে ইতিহাস আৰু ৰাজনীতি বিজ্ঞান দুয়োটা ইটো সিটোৰ পৰিপূৰক তথা ইটোৱে সিটোলৈ অৱদান আগবঢ়ায়।
- ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতিৰ মাজত এৰাব নোৱাৰা সম্পৰ্ক আছে। আচলতে অৰ্থনীতি প্ৰথমতে ৰাজনৈতিক অৰ্থনীতি (Political Economy) হিচাপে উদ্ভৱ হৈছিল। গ্ৰীকসকলে ৰাষ্ট্ৰৰ বাবে ৰাজহ যোগান ধৰা কলাটোক ৰাজনৈতিক অৰ্থনীতি বুলি গণ্য কৰিছিল। এখন চৰকাৰৰ ৰূপ আৰু কাৰ্য্যকলাপবোৰৰ ওপৰত অৰ্থনৈতিক শক্তিয়ে যথেষ্ট প্ৰভাৱ পেলায়। ব্যক্তিবাদ, সমাজবাদ, আৰু সাম্যবাদৰ ধাৰণা কেইটাৰ প্ৰধান ভেঁটি হ'ল অৰ্থনৈতিক নীতি। আধুনিক ৰাষ্ট্ৰক কল্যাণকামী ৰাষ্ট্ৰ বোলা হয় আৰু ইয়াৰ প্ৰধান কাৰ্যবোৰ অৰ্থনৈতিক।
- ৰাজনীতি বিজ্ঞান আৰু নীতিশাস্ত্ৰৰ মাজত ঘনিষ্ঠ সম্পৰ্ক আছে। দুয়োবিধ বিষয়ৰে লক্ষ্য হ'ল মানুহৰ মঙ্গল সাধন আৰু উমৈহতীয়া কল্যাণৰ পৃষ্ঠপোষকতা কৰা। আইন, শৃঙ্খলা আৰু নৈতিকতা বৰ্তাই ৰখাৰ বাবে ৰাষ্ট্ৰ সংগঠিত কৰা হৈছিল। আচলতে মানুহৰ নৈতিক বিশ্বাস সবল কৰি তুলিব পৰাকৈ আইন-কানুনবোৰ প্ৰণয়ন কৰা উচিত। নীতিশাস্ত্ৰৰ নৈতিকতা, প্ৰমূল্য আৰু স্বীকৃত মানৰ আচৰণৰ সৈতে সম্পৰ্ক আছে। আধুনিক কালৰ ৰাজনীতি বিজ্ঞানৰ মৌলিক দিশ হ'ল মানুহ আৰু মানৱীয় প্ৰমূল্যৰ প্ৰতি চিন্তা।
- ৰাজনীতি বিজ্ঞান আৰু নৃতত্ত্বৰ মাজতো সম্পৰ্ক আছে। পৰম্পৰা, মনোভাৱ, প্ৰমূল্য, আচৰণ বিন্যাস, নেতৃত্ব আদি বিষয়ত বিভিন্ন সমাজ ব্যৱস্থাত থকা অথবা পোৱা প্ৰচুৰ

সমলৰ গৰাকী হ'ল নৃতত্ত্ব। ৰাজনীতি বিজ্ঞানে তুলনামূলক বিশ্লেষণ কৰিবলৈ এনে তথ্যৰ সহায় লয়। আধুনিক আইন ব্যৱস্থাটো নৃতত্ত্বই খতিয়ানভুক্ত কৰা প্ৰাচীন প্ৰয়োগ নীতি, পৰম্পৰা আৰু ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ দ্বাৰা যথেষ্ট প্ৰভাৱিত হৈছে।



২.৯ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*; গুৱাহাটী ঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; যোৰহাট ঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰৱৰ্তী, আদ্যনাথ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Agarwal, R. C. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

2) Asirvatham, E. & Misra, K. K. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

3) Kapur, A. C. (2006): *Principles of Political Science*; New Delhi: S. Chands & Company Ltd.

4) Sharma, R. K. (2011): *Modern Political Science*; New Delhi: DPS Publications.

5) Mahajan, V. D. (2008): *Political Theory*; New Delhi: S. Chands & Company Ltd.



২.১০ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ আদাম স্মিথ

২নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৩নং প্ৰশ্নৰ উত্তৰ ঃ মেকিয়াভেলি, জন ল'ক

৪নং প্ৰশ্নৰ উত্তৰ ঃ ছাৰ জন চিলী

৫নং প্ৰশ্নৰ উত্তৰ ঃ অৰ্থনীতি

৬নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক অৰ্থনীতি

৭নং প্ৰশ্নৰ উত্তৰ ঃ সমাজশাস্ত্ৰই সমাজৰ সকলো ধৰণৰ মানৱ সৃষ্ট সংগঠনৰ উৎপত্তি, বিকাশ আৰু সংৰচনা সম্পৰ্কে অধ্যয়ন কৰে। আনহাতে, ৰাজনীতি বিজ্ঞানে 'ৰাষ্ট্ৰ' বোলা কেৱল এটা মানৱ সৃষ্ঠ অনুষ্ঠান সম্পৰ্কে আলোচনা কৰে। এই দিশৰ পৰা চাবলৈ গ'লে ৰাজনীতি বিজ্ঞানৰ পৰিসৰ সমাজশাস্ত্ৰতকৈ যথেষ্ট সঙ্কীৰ্ণ। সমাজশাস্ত্ৰই ৰাষ্ট্ৰৰ গঠন সম্পৰ্কেও অধ্যয়ন কৰে। এই বিষয়টো আকৌ ৰাজনীতি বিজ্ঞানৰ মৌলিক উপাদান। আচৰণবাদী ৰাজনীতি বিজ্ঞানীসকলে পৰীক্ষামূলক ৰাজনৈতিক তত্ত্বৰোৰ সমৃদ্ধ কৰিবলৈ টেলক'ট পাৰচন্চ (আমেৰিকাৰ সমাজতাত্ত্বিক) আৰু ৰ'বাৰ্ট কে মৰ্টন (আমেৰিকাৰ সমাজতাত্ত্বিক)ৰ দৰে সমাজতাত্ত্বিকসকলৰ লেখনিৰ পৰা যথেষ্ট সহায় লৈছে। এই জনপ্ৰিয় ধাৰাটোৱে ৰাজনৈতিক সমাজশাস্ত্ৰ (Political Sociology) নামৰ এটা নতুন বিষয় সৃষ্টি কৰিছে। ৰাজনীতি বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীয়ে সমাজশাস্ত্ৰৰ নীতিবোৰ শিকাটো বাধ্যতামূলক আৰু সমাজশাস্ত্ৰৰ ছাত্ৰ-ছাত্ৰীয়ে ৰাষ্ট্ৰ নামৰ অনুষ্ঠানটোৰ সংৰচনা তথা কাৰ্য্যাৱলীৰ তথ্য ৰাজনীতি বিজ্ঞানৰ পৰা আহৰণ কৰিব লাগে।ৰাজনীতি বিজ্ঞানে ৰাষ্ট্ৰ আৰু চৰকাৰ সম্পৰ্কে অধ্যয়ন কৰে। সমাজশাস্ত্ৰই ৰাষ্ট্ৰ, জাতি, গোষ্ঠী, পৰিয়াল আৰু সকলো ধৰণৰ মানৱীয় সংগঠনৰ বিষয়ে আলোচনা কৰে। যদিও দুয়োবিধ বিজ্ঞানৰে শাখাবোৰ বেলেগ বেলেগ তথাপিও দুয়োটাই ইটো সিটোৰ পৰিপূৰক। যেনে— ৰাজনীতি বিজ্ঞানৰ অধ্যয়নৰ বিষয়বস্তু ৰাষ্ট্ৰৰ বিষয়ে সমাজশাস্ত্ৰতো আলোচনা কৰা হয়। ৰাষ্ট্ৰৰ উৎপত্তি আৰু বিৱৰ্তনৰ লগতে ৰাষ্ট্ৰৰ উৎপত্তিৰ কাৰক হিচাপে কাম কৰা জটিল সামাজিক শক্তিবোৰৰ বিশ্লেষণ কৰাটো হ'ল সমাজশাস্ত্ৰৰ কাম। এই কথাবোৰ উপস্থাপন কৰি সমাজশাস্ত্ৰই ৰাজনীতি বিজ্ঞানক সহায় কৰে। একেদৰে ৰাজনীতি বিজ্ঞানেও ৰাষ্ট্ৰ আৰু চৰকাৰৰ বিষয়ে বিতং আলোচনা আগবঢ়াই সমাজশাস্ত্ৰক সহায় ক ৰে ।

৮নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক নীতিবোৰক

৯নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

১০নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনীতি বিজ্ঞান আৰু নীতিশাস্ত্ৰৰ মাজত ঘনিষ্ঠ সম্পৰ্ক আছে। দুয়োবিধ বিষয়ৰে লক্ষ্য হ'ল মানুহৰ মঙ্গল সাধন আৰু উমৈহতীয়া কল্যাণৰ পৃষ্ঠপোষকতা কৰা। আইন, শৃঙ্খলা আৰু নৈতিকতা বৰ্তাই ৰখাৰ বাবে ৰাষ্ট্ৰ সংগঠিত কৰা হৈছিল। আচলতে মানুহৰ নৈতিক বিশ্বাস সবল কৰি তুলিব পৰাকৈ আইন-কানুনবোৰ প্ৰণয়ন কৰা উচিত। ৰাষ্ট্ৰৰ যিবোৰ কাৰ্য্যই নৈতিকতাৰ নীতি উলংঘা কৰে তেনে কাৰ্য্য গৰিহণাযোগ্য। সেয়েহে প্ৰাচীন কালৰ দাৰ্শনিকসকলে ৰাষ্ট্ৰৰ নৈতিকতাৰ দিশটোৰ ওপৰত যথেষ্ট গুৰুত্ব দিছিল। প্ৰাচীন গ্ৰীচৰ ৰাজনৈতিক দাৰ্শনিক এৰিষ্ট'টলৰ মতে উন্নত জীৱনৰ খাটিৰতে ৰাষ্ট্ৰৰ উৎপত্তি হৈছিল। আধুনিক লেখকসকলেও নীতিশাস্ত্ৰ আৰু ৰাজনীতি বিজ্ঞানৰ মাজত থকা ঘনিষ্ঠ সম্পৰ্কৰ কথা কয়। গান্ধীজীয়ে ৰাজনৈতিক নীতিবোৰক নৈতিক প্ৰমূল্যৰ সৈতে লগ লগোৱাৰ প্ৰয়াস কৰিছিল। তেওঁ লক্ষ্য তথা লক্ষ্যপ্ৰাপ্তিৰ উপায় দুয়োটাই

সদায় মংগলকামী হোৱাটোত জোৰ দিছিল।

নীতিশাস্ত্রই নৈতিকতা, প্রমূল্য আৰু স্বীকৃত মানৰ আচৰণৰ বিষয়ে কয়। মানুহ সাধাৰণতে যুক্তিৰে পৰিচালিত সত্তা। মানুহে ভুল-শুদ্ধ আৰু ন্যায়-অন্যায়ৰ মাজৰ প্রভেদ বুজি পায়। প্রাচীন কালৰে পৰা সামাজিক আৰু ৰাজনৈতিক দার্শনিকসকলে ৰাষ্ট্র, চৰকাৰ তথা আইন সম্পর্কীয় ধাৰণাবোৰৰ কিছুমান নীতিগত মানৰ সৈতে সংহতি স্থাপন কৰাৰ প্রয়াস কৰি আহিছে। উদাহৰণ স্বৰূপে, প্রাচীন গ্রীক দার্শনিক প্লেটোয়ে এক আদর্শ ৰাষ্ট্রৰ তত্ত্ব আগবঢ়াইছিল। প্রাচীন গ্রীক দার্শনিক এৰিষ্টটলে কৈছিল যে উন্নত জীৱন যাপন কৰিবৰ বাবে ৰাষ্ট্রৰ অস্তিত্ব বর্তি থাকে। মধ্যযুগৰ তত্ত্ববোৰক নীতিগত মানে প্রভাৱিত কৰি ৰাখিছে। ৰুছো (ফৰাচী দার্শনিক), কাণ্ট (জার্মান দার্শনিক), হেগেল (জার্মান দার্শনিক), গ্রীন (বৃটিছ দার্শনিক) আৰু মহাত্মা গান্ধীৰ দৰে আধুনিক ৰাজনৈতিক চিন্তাবিদসকলেও ৰাজনীতি বিজ্ঞানত নীতিশাস্ত্র আৰু নৈতিকতাৰ উপস্থিতিৰ বাবে গুৰুত্ব আৰোপ কৰিছিল। মহাত্মা গান্ধীয়ে কৈছিল যে নৈতিকতাহীন ৰাজনীতি মানে হ'ল মৰণ ফান্দ। বিংশ শতিকাত আচৰণবাদী আন্দোলন আৰু ক্ষমতাৰ ধাৰণাটোৰ ওপৰত বেছিকৈ গুৰুত্ব আৰোপ কৰা হ'ল বাবে ৰাজনীতিৰ অধ্যয়নত স্বীকৃত নীতি-নিয়ম আৰু প্রমূল্যবোৰৰ গুৰুত্ব কমি গৈছে। কিন্তু শেহতীয়াভাৱে নৈতিক দিশটোৰ পুনৰুত্থান ঘটিছে। আধুনিক কালৰ ৰাজনীতি বিজ্ঞানৰ মৌলিক দিশ হ'ল মানুহ আৰু মানৱীয় প্রমূল্যৰ প্রতি চিন্তা।



২.১১ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ আচৰণবাদী ৰাজনীতি বিজ্ঞানীসকলে যিসকল লেখকৰ সমাজতাত্ত্বিক লেখনিৰ পৰা ধাৰণা গ্রহণ কৰিছে তেওঁলোকৰ মাজৰ যিকোনো দুগৰাকী লেখকৰ নাম উল্লেখ কৰক।

প্রশ্ন ২ ঃ "ৰাজনীতি বিজ্ঞান অবিহনে ইতিহাসৰ কোনো সুফল নাই, ইতিহাস অবিহনে ৰাজনীতি বিজ্ঞানৰ কোনো শিপা নাই।" —উক্তিটো কাৰ?

প্রশ্ন ৩ ঃ ৰাজনৈতিক আৰু অর্থনৈতিক কাম-কাজক একেলগে সাঙুৰি আলোচনা আগবঢ়োৱা যিকোনো দুগৰাকী চিন্তাবিদৰ নাম লিখক।

খ) চুটি প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ৰাজনীতি বিজ্ঞান আৰু অর্থনীতিৰ মাজত থকা সম্পর্কৰ বিষয়ে এটি চমুটোকা লিখক।

প্রশ্ন ২ ঃ ৰাজনীতি বিজ্ঞান আৰু ইতিহাসৰ মাজত থকা সম্পর্কৰ বিষয়ে এটি চমুটোকা লিখক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ৰাজনীতি বিজ্ঞান আৰু নীতিশাস্ত্রৰ মাজত থকা সম্পর্ক আলোচনা কৰক।

প্রশ্ন ২ ঃ ৰাজনীতি বিজ্ঞান আৰু অর্থনীতিৰ মাজত থকা সম্পর্ক আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ বিকাশ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ বিকাশ

৩.৩.১ প্ৰাৰম্ভিক কালত ৰাজনীতি বিজ্ঞানৰ বিকাশ

৩.৩.২ মধ্যযুগত ৰাজনীতি বিজ্ঞানৰ বিকাশ

৩.৩.৩ আধুনিক যুগত ৰাজনীতি বিজ্ঞানৰ বিকাশ

৩.৩.৪ শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ বৰ্তমানৰ স্থিতি

৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৫ অধিক জানিবলৈ

৩.৬ অগ্ৰগতিৰ খতিয়ান

৩.৭ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্ৰাৰম্ভিক কালত শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ বিকাশ ব্যাখ্যা কৰিব পাৰিব
- মধ্যযুগত শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ বিকাশ বৰ্ণনা কৰিব পাৰিব
- আধুনিক যুগত শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ বিকাশ আলোচনা কৰিব পাৰিব
- বৰ্তমান সময়ত ৰাজনীতি বিজ্ঞানৰ স্থিতি আলোচনা কৰিব পাৰিব।

৩.২ পৰিচয়

ৰাজনীতি বিজ্ঞানৰ অধ্যয়ন অথবা আমি ক'ব পাৰোঁ যে ৰাজনীতিৰ অধ্যয়ন প্ৰাচীন গ্ৰীচত পোন প্ৰথমবাৰৰ বাবে আৰম্ভ হৈছিল। প্ৰাচীন কালৰ পৰা আধুনিক যুগলৈ, বিভিন্ন স্তৰ অতিক্ৰম কৰি ৰাজনীতি বিজ্ঞানে শিক্ষাৰ বিষয় হিচাপে বৰ্তমানৰ ৰূপ ধাৰণ কৰিছে। যিহেতু ৰাজনীতি বিজ্ঞানৰ প্ৰকৃতি গতিশীল, সময়ে সময়ে ই সলনি হৈ থাকে। আগৰ অধ্যায়সমূহত আমি ৰাজনীতি বিজ্ঞানৰ অৰ্থ, প্ৰকৃতি আৰু পৰিসৰ সম্পৰ্কে আলোচনা কৰিছোঁ। অন্যান্য সমাজ বিজ্ঞানৰ সৈতে ৰাজনীতি বিজ্ঞানৰ সম্পৰ্কও আমি আলোচনা কৰিছোঁ।এই অধ্যায়টিত আমি শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ বিকাশ সম্পৰ্কে আলোচনা কৰিম।

৩.৩ শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ বিকাশ

এতিয়া আমি প্ৰাৰম্ভিক কাল, মধ্য যুগ আৰু আধুনিক যুগত হোৱা শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ ক্ৰমবিকাশ আলোচনা কৰিম।

৩.৩.১ প্ৰাৰম্ভিক কালত ৰাজনীতি বিজ্ঞানৰ বিকাশ

নগৰ ৰাষ্ট্ৰ ঃ প্ৰাচীন গ্ৰীচ দেশ গঠন কৰা কম-বেছি পৰিমাণে স্বাধীনতা ভোগ কৰা কেইবাশ আঞ্চলিক গোট।

সুদূৰ অতীতৰ পৰা ৰাজনীতি বিজ্ঞান অধ্যয়নৰ এক পৰম্পৰা আছে। প্ৰকৃততে ৰাজনীতি বিজ্ঞান অধ্যয়নৰ আৰম্ভণি প্ৰাচীন গ্ৰীচত হৈছিল। গ্ৰীকসকলে বাস কৰা 'পলিচ' (নগৰ) বা ***নগৰ ৰাষ্ট্ৰ***ৰ নানা ধৰণৰ কাৰ্য্যকলাপৰ বিৱৰণ দিবলৈ 'পলিটিকা' শব্দটোৰ ব্যৱহাৰ কৰিছিল। এইদৰে গ্ৰীক চিন্তাবিদসকলে এক প্ৰণালীবদ্ধ বৈজ্ঞানিক দৃষ্টিৰে ৰাজনীতি বিজ্ঞান অধ্যয়নৰ আধাৰশিলা স্থাপন কৰিছিল। গ্ৰীক চিন্তাবিদসকল বিশেষকৈ নৈতিকা আৰু নীতিশাস্ত্ৰ বিষয়ৰ ওপৰত গুৰুত্ব দিছিল আৰু এখন আদৰ্শ ৰাষ্ট্ৰৰ সংজ্ঞা নিৰ্ধাৰণ কৰিবলৈ প্ৰয়াস কৰিছিল। প্ৰাচীন গ্ৰীচত ৰাজনীতি অধ্যয়নৰ শিপা বহুকেইজন প্ৰখ্যাত দাৰ্শনিক, যেনে— হোমাৰ, হেচিওড, থুচিডিড্‌চ্‌ৰ কাৰ্য্য তথা লেখনিত দেখিবলৈ পোৱা যায়। কিন্তু ৰাজনীতি বিজ্ঞানৰ প্ৰণালীবদ্ধ অধ্যয়ন প্ৰথমবাৰৰ বাবে বিখ্যাত প্ৰাচীন ৰাজনৈতিক চিন্তাবিদ প্লেটো আৰু এৰিষ্টটলৰ ৰচনাৰ মাজেদি প্ৰকাশ পাইছিল। প্লেটোৰে তেওঁৰ বিখ্যাত গ্ৰন্থ 'ৰিপাব্লিক' (Republic)ত ৰাজনীতিৰ সৈতে জড়িত কিছুমান গুৰুত্বপূৰ্ণ ধাৰণা, যেনে— ন্যায়, শিক্ষা ব্যৱস্থা, পৰিয়াল আৰু সম্পত্তিৰ সাম্যবাদ, দাৰ্শনিক ৰজা, আদৰ্শ ৰাষ্ট্ৰ আদিৰ বিষয়ে আলোচনা কৰিছিল। প্লেটোৰ পিছত এৰিষ্টটলে শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ বিকাশত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াইছিল। এৰিষ্টটলে তেওঁৰ বিখ্যাত গ্ৰন্থ 'দ্যা পলিটিক্স' (The Politics)ত কেইটামান অতিশয় গুৰুত্বপূৰ্ণ ধাৰণা, যেনে— ন্যায়, আদৰ্শ ৰাষ্ট্ৰ, নাগৰিকত্ব, বিপ্লৱ, দাসত্ব, সংবিধানৰ শ্ৰেণীবিভাজন, গণতন্ত্ৰ আদিৰ বিষয়ে পদ্ধতিগতভাবে আলোচনা কৰিছিল। প্ৰাচীন ৰোমান চিন্তাবিদ পলিবিয়াচ্‌ আৰু চিচেৰোয়েও ৰাজনৈতিক চিন্তাৰ বিকাশত অৰিহণা যোগাইছিল।

ভাৰতবৰ্ষতো আমি ৰাজনীতিৰ শিপা বেদ সংহিতা, ব্ৰাহ্মণ আৰু বৌদ্ধ পালি কাননত দেখিবলৈ পাওঁ (শৰ্মা, আৰ. কে. (২০১১)। মডাৰ্ণ পলিটিকেল ছায়েন্স। নতুন দিল্লী ঃ ডি. পি. এছ. পাব্লিকেশ্যনছ্‌, পৃষ্ঠা নং ৩৬)। কৌটিল্য (মহান প্ৰাচীন ভাৰতীয় চিন্তাবিদ)ই তেওঁৰ বিখ্যাত কৰ্মৰাজি "অৰ্থশাস্ত্ৰ"ৰ জৰিয়তে ৰাজনীতিৰ ক্ৰমবিকাশত মূল্যৱান অৰিহণা যোগাইছে। তেওঁ কিছুমান অতি গুৰুত্বপূৰ্ণ বিষয়, যেনে— ৰাষ্ট্ৰৰ প্ৰশাসন, ৰাষ্ট্ৰৰ অৰ্থনীতি, বৈদেশিক সম্পৰ্কৰ নীতি ইত্যাদি আলোচনা কৰিছিল।



জানি থোৱা ভাল

ভাৰতবৰ্ষত পোন প্ৰথমবাৰৰ বাবে ৰাজনীতিৰ পদ্ধতিগত অধ্যয়ন আৰম্ভ কৰাৰ স্বীকৃতি কৌটিল্যক দিয়া হয়। তেওঁ তক্ষশিলা বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ অধ্যাপক আছিল আৰু পিছলৈ মৌর্য্য সম্ৰাট চন্দ্ৰগুপ্ত মৌর্য্যৰ প্ৰধান মন্ত্ৰী হৈছিল। তেওঁ অৰ্থশাস্ত্ৰত ৰাষ্ট্ৰৰ প্ৰশাসন ব্যৱস্থাৰ বিষয়ে বিতংভাৱে আলোচনা কৰিছিল। তেওঁ ৰজা এজনৰ থাকিবলগীয়া যোগ্যতাৰ বিষয়েও আলোচনা কৰিছিল।

৩.৩.২ মধ্যযুগত ৰাজনীতি বিজ্ঞানৰ বিকাশ

মধ্যযুগৰ আৰম্ভণিৰ খ্ৰীষ্টীয় চিন্তাবিদ আৰু দাৰ্শনিক চেইণ্ট আগষ্টাইন আৰু চেইণ্ট থমাচ একুইনাচেও আদৰ্শ ৰাষ্ট্ৰ সম্পৰ্কে চিন্তা-চৰ্চা কৰিছিল আৰু আদৰ্শ ৰাষ্ট্ৰৰ ক্ষেত্ৰত নৈতিক আৰু সৎ আদৰ্শসমূহৰ পক্ষপাতি আছিল। প্ৰধানতঃ তেওঁলোকে ৰাষ্ট্ৰ আৰু গীৰ্জাৰ মাজত থকা সম্পৰ্কৰ ওপৰত আলোকপাত কৰিছিল। গতিকে প্ৰাচীন খ্ৰীষ্টীয় দৰ্শন অনুসৰি ৰাজনীতি বিজ্ঞান ৰাজনৈতিক দৰ্শনৰ পৰিসৰৰ অৰ্ন্তগত হৈ ৰাষ্ট্ৰৰ বিষয়ে অধ্যয়নত আলোকপাত কৰিছিল।

পঞ্চদশ শতাব্দীত ইটালীৰ ৰাজনৈতিক চিন্তাবিদ নিক'ল' মেকিয়াভেলিয়ে ঐতিহাসিক আৰু সেই সময়ত প্ৰচলিত ৰাজনৈতিক অনুষ্ঠানসমূহ অধ্যয়নৰ পৰম্পৰা আৰম্ভ কৰিছিল। মেকিয়াভেলিয়ে তেওঁৰ বিখ্যাত গ্ৰন্থ "দ্যা প্ৰিন্স" (The Prince)ৰ জৰিয়তে ৰাষ্ট্ৰৰ আধুনিক ধাৰণা বিকাশত গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছিল। তেওঁ ধ্ৰুপদী আৰু খ্ৰীষ্টীয় ৰাজনৈতিক দৰ্শনৰ পৰম্পৰাৰ পৰা আঁতৰি আহিছিল। তেওঁ সামাজিক শৃঙ্খলা আৰু ৰাজনৈতিক স্থিৰতা ৰক্ষা কৰাৰ বাবে অনুষ্ঠান চিনাক্ত কৰিবলৈ প্ৰয়াস কৰিছিল। সহজ ভাষাত আমি ক'ব পাৰোঁ যে মেকিয়াভেলি এজন বাস্তববাদী চিন্তাবিদ আছিল যিয়ে যুক্তি আগবঢ়াইছিল যে যিকোনো উপায়ে, লাগিলে সেয়া অসৎ উপায়ে হওঁক, ৰাষ্ট্ৰৰ স্বাৰ্থ আৰু স্থিৰতা ৰক্ষা কৰিব লাগে। মধ্যযুগৰ পিছৰ ৰাজনৈতিক চিন্তাবিদসকলে বিভিন্ন ৰাজনৈতিক অনুষ্ঠানৰ ঐতিহাসিক উৎস আৰু সেইবোৰৰ গঠন প্ৰণালীৰ বিষয়ে চিন্তা-চৰ্চা কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ গ্ৰীক চিন্তাবিদসকল বিশেষকৈ নৈতিকতা আৰু নীতিশাস্ত্ৰ বিষয়ৰ ওপৰত গুৰুত্ব দিছিল আৰু এখন আদৰ্শ ৰাষ্ট্ৰৰ সংজ্ঞা নিৰ্ধাৰণ কৰিবলৈ প্ৰয়াস কৰিছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ২ ঃ 'দ্যা প্ৰিন্স' গ্ৰন্থখনৰ ৰচক কোন?

.....

প্ৰশ্ন নং ৩ ঃ মধ্যযুগৰ ৰাজনৈতিক চিন্তাবিদসকলে প্ৰধানকৈ ..... আৰু ..... মাজত থকা সম্পৰ্কৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। (খালী ঠাই পূৰণ কৰক)

.....

প্ৰশ্ন নং ৪ ঃ শিক্ষাৰ বিষয় হিচাপে মধ্যযুগত ৰাজনীতি বিজ্ঞানৰ বিকাশৰ বিষয়ে এটি চমুটোকা লিখক।

.....

.....

.....

.....

.....

.....

.....

.....

.....

.....

.....

.....

.....

৩.৩.৩ আধুনিক যুগত ৰাজনীতি বিজ্ঞানৰ বিকাশ

এইটো কথা উল্লেখ কৰা উচিত হ'ব যে ৰাজনীতি বিজ্ঞান শিক্ষাৰ বিষয় হিচাপে প্ৰতিষ্ঠা লাভ কৰাটো বেছি পুৰণি কথা নহয়। বহু কেইজন চিন্তাবিদে ৰাজনীতি বিজ্ঞানক শিক্ষাৰ বিষয় হিচাপে গঢ়ি তোলাত যথেষ্ট বৰঙণি আগবঢ়াইছে। এই ক্ষেত্ৰত কলম্বিয়া বিশ্ববিদ্যালয়ৰ বুৰঞ্জী আৰু ৰাজনীতি বিজ্ঞানৰ অধ্যাপক ফ্ৰান্সিছ লাইবাৰৰ নাম বিশেষভাৱে উল্লেখযোগ্য। তেওঁ লিখা 'চিভিল লিবার্টি এণ্ড ছেল্‌ফ গভৰমেণ্ট' (Civil Liberty and Self Government) নামৰ গ্ৰন্থখনে ৰাজনীতি বিজ্ঞানক শিক্ষাৰ বিষয় হিচাপে গঢ়ি তোলাত অতি মূল্যবান অৰিহণা আগবঢ়াইছে।

ৰাজনীতি বিজ্ঞানৰ বিকাশৰ ক্ষেত্ৰত মাইলৰ খুঁটি হ'ল ১৮৮০ খৃ.ত আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী জন ডব্লিউ বাৰ্গিছে (John W. Burgess) কলম্বিয়া বিশ্ববিদ্যালয়ত প্ৰতিষ্ঠা কৰা ৰাজনীতি বিজ্ঞানৰ সত্ৰটো। এই অনুষ্ঠানটোক ৰাজনীতি বিজ্ঞান বিভাগ

(Faculty of Political Science) নামে নামকৰণ কৰা হৈছিল। ১৮৮৬ খ্ৰীঃত এই অনুষ্ঠানটোৱে পোনপ্ৰথমে 'পলিটিকেল ছাইন্স কুৱাটার্লি' (Political Science Quarterly) নামৰ এখন পাণ্ডিত্যপূৰ্ণ আলোচনী প্ৰকাশ কৰিছিল, যিখনে শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ অগ্ৰগতিত যথেষ্ট অৰিহণা যোগাইছিল। এই আলোচনীখনৰ প্ৰকাশে ৰাজনীতি বিজ্ঞানক শিক্ষাৰ বিষয় হিচাপে আগুৱাই নিয়াত এক নতুন যুগৰ অৱতাৰণা কৰিছিল কিয়নো এইখনে পণ্ডিতসকলক লিখিতভাৱে তেওঁলোকৰ অভিমত ব্যক্ত কৰাৰ সুবিধা প্ৰদান কৰিছিল।

১৮৭৬ খ্ৰীঃত প্ৰতিষ্ঠা কৰা জনচ্ হপ্কিঞ্চ ইউনিভাৰচিটি (Johns Hopkins University) ৰাজনীতি বিজ্ঞানৰ বিকাশত এক মাইলৰ খুঁটি। এই প্ৰসঙ্গত ১৮৭৭ খ্ৰীঃত প্ৰতিষ্ঠা কৰা 'জন্ছ হপ্কিঞ্চ হিষ্টৰিকেল এণ্ড পলিটিকেল ছায়েঞ্চ এছ'চিয়েশ্বন' আৰু 'দ্যা জন্ছ হপ্কিঞ্চ ষ্টাডিচ ইন্ হিষ্টৰিকেল এণ্ড পলিটিকেল ছায়েঞ্চ'ৰ নাম উল্লেখযোগ্য।

ওপৰত উল্লেখ কৰা বিশ্ববিদ্যালয় দুখন কলম্বিয়া আৰু জন্ছ হপকিঞ্চ-এ ৰাজনীতি বিজ্ঞানক শিক্ষাৰ বিষয় হিচাপে গঢ়ি তোলাত এক উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। এই বিশ্ববিদ্যালয়সমূহত কৰা অধ্যয়ন আৰু গৱেষণাই ৰাজনীতি বিজ্ঞানৰ পৰিসৰ বহল কৰিছিল যিটো আগতে মাত্ৰ ৰাজনৈতিক অনুষ্ঠান আৰু ঐতিহাসিক উৎপত্তিৰ অধ্যয়নত সীমাবদ্ধ আছিল। সময়ত এই বিষয়টোৱে চৰকাৰৰ কার্য্যাৱলী বিশ্লেষণ কৰোঁতে ভালেমান বিষয় যেনে— অধিকাৰ (Rights), ন্যায় (Justice), আইন (Law), সার্বভৌমত্ব (Sovereignty) সামৰি ল'বলৈ আৰম্ভ কৰিছিল। লাহে লাহে ৰাজনৈতিক চিন্তাবিদসকলে বিভিন্ন ধৰণৰ চৰকাৰ, ৰাজনৈতিক অনুষ্ঠান আদিৰ গুণ-দোষ আলোচনা কৰিবলৈ আৰম্ভ কৰিছিল।

১৯০৩ খ্ৰীঃত প্ৰতিষ্ঠিত 'দ্যা আমেৰিকান পলিটিকেল ছায়েঞ্চ এছ'চিয়েশ্বন' (The American Political Science Association)এ শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানক আগবঢ়াই নিছিল। ৰাজনীতি বিজ্ঞান অধ্যয়নৰ ক্ষেত্ৰত এই অনুষ্ঠান আগৰণুৱা আছিল আৰু বিভিন্ন পণ্ডিত, বিভাগ আৰু অনুষ্ঠানক ৰাজনীতি বিজ্ঞান অধ্যয়ন আৰু আলোচনাৰ বাবে এই অনুষ্ঠানে এক সুন্দৰ সুযোগ দিছিল। এইটোৱে ৰাজনীতি বিজ্ঞান অধ্যয়নক ৰাজনৈতিক দৰ্শন আৰু অনুষ্ঠানতে সীমাবদ্ধ নাৰাখি এখন বহল জগতৰ মাজলৈ লৈ গৈছিল।

বিংশ শতাব্দীৰ দ্বিতীয় দশকত ৰাজনীতি বিজ্ঞানে প্ৰত্যক্ষ আন্দোলনৰ (Positivist Movement) ৰূপত এক দৃষ্টান্তমূলক পৰিৱৰ্তন সাধন কৰিছিল। এই সময়তে ৰাজনীতি বিজ্ঞান অধ্যয়নক বেছি বিজ্ঞানসন্মত কৰিবলৈ বৈজ্ঞানিক উপাদান ব্যৱহাৰ কৰিবলৈ বিচৰা হৈছিল। অর্থনীতি, সমাজ শাস্ত্ৰ আৰু ৰাজনীতি বিজ্ঞানৰ বৈজ্ঞানিক গৱেষণাক উৎসাহিত কৰিবলৈ ১৯২৩ চনত দ্যা ছ'চিয়েল ছায়েঞ্চ ৰিছার্চ কাউন্সিল (The Social Science Rasearch Council) নামৰ এটা অনুষ্ঠান স্থাপন কৰা হৈছিল। বিংশ

শতাব্দীৰ পঞ্চম দশকৰ আচৰণবাদ আন্দোলনত ই এক প্ৰত্যক্ষ বিপ্লৱৰ সূচনা কৰিছিল। ৰাজনীতি বিজ্ঞান শিক্ষাৰ বিষয় হিচাপে স্থান পোৱাত আচৰণবাদৰ অগ্ৰগতিক এক মাইলৰ খুঁটি বুলি বিবেচনা কৰিব পাৰি। আচৰণবাদীসকলে ৰাজনীতি বিজ্ঞানক বৈজ্ঞানিক দৃষ্টিৰে অধ্যয়ন কৰাত জো�ৰ দিছিল। তেওঁলোকে শিক্ষাৰ অন্যান্য বিষয় আৰু গৱেষণাৰ অগ্ৰগতিৰ দ্বাৰা প্ৰভাৱিত হৈছিল আৰু ৰাজনীতি বিজ্ঞানৰ অধ্যয়নক আন্তঃশৃঙ্খলাবদ্ধ (Interdisciplinary) কৰিবলৈ চেষ্টা চলাইছিল। আচৰণবাদীসকলে বৈজ্ঞানিক সিদ্ধান্ত লাভ কৰিবলৈ স্থিতি বিজ্ঞান আৰু অন্যান্য আহিলাৰ সহায় লবলৈ মত দিছিল। সেয়েহে আচৰণবাদৰ অগ্ৰগতিৰ লগে লগে ৰাজনীতি বিজ্ঞানলৈকো ভালেমান চাৰিত্ৰিক পৰিৱৰ্তন আহিছিল। আচৰণবাদে ৰাজনীতি বিজ্ঞানৰ পৰিসৰ পৰিৱৰ্তন কৰি অনুষ্ঠানসমূহৰ অধ্যয়নৰ ওপৰতে সীমাবদ্ধ নাৰাখি ৰাজনৈতিক সমাজৰ ব্যক্তি হিচাপে মানুহৰ দৈনন্দিন আচৰণৰ অধ্যয়নৰ ওপৰত ৰেখাপাত কৰিছিল। ৰাজনৈতিক চিন্তাবিদ, যেনে— ডেভিড ইষ্টন, চার্লছ ই মেৰিয়াম, আৰ্থাৰ বেণ্টলি আদিয়ে তেওঁলোকৰ গৱেষণা আৰু লেখাৰ জৰিয়তে ৰাজনীতি বিজ্ঞানৰ আচৰণবাদী বিপ্লৱৰ বিকাশত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াইছিল।



জানি থোৱা ভাল

বিশ্ববিদ্যালয়ৰ শিক্ষাৰ এটা বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ উত্থান হয় তেতিয়াৰ পৰা যেতিয়াৰ পৰা বিশ্ববিদ্যালয়সমূহত ৰাজনীতি বিজ্ঞান বিভাগ স্থাপন কৰা হয় আৰু ৰাজনীতি বিজ্ঞানৰ বিশেষ আসন প্ৰতিস্থা কৰা হয়। ৰাজনীতি বিজ্ঞান শব্দটোৱে ঊনবিংশ শতিকাৰ শেষ ভাগৰ পৰা জনপ্ৰিয়তা লাভ কৰে। ১৯০৩ চনত দ্যা আমেৰিকান পলিটিকেল ছায়েঞ্চ এছ'চিয়েশ্যন (The American Political Science Association) প্ৰতিষ্ঠিত হৈছিল। ৰাজনীতিৰ অধ্যয়নক অৰ্থনীতি আৰু অন্যান্য সমাজবিজ্ঞানৰ বিষয়ৰ পৰা পৃথককৈ চাবলৈ এই অনুষ্ঠানটোৱে ১৯০৬ চনত দ্যা আমেৰিকান পলিটিকেল ছায়েঞ্চ ৰিভিউ নামৰ আলোচনীখন প্ৰকাশ কৰিছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ পিছত আৰু বিংশ শতাব্দীৰ প্ৰথম ভাগত ফৰাচী সমাজতাত্ত্বিক টক্‌ভিল্‌ (Tocqueville), ইটালীৰ ৰাজনৈতিক সমাজতাত্ত্বিক জি. মস্কা (G. Mosca), জার্মান সমাজতাত্ত্বিক মেক্স ৱেবাৰ (Max Weber), আমেৰিকাৰ সমাজতাত্ত্বিক টেলকট্‌ পাৰছন্‌ছ (Talcott Parsons)এ ৰাজনীতি বিজ্ঞানৰ ওপৰত প্ৰচুৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। এইদৰে ৰাজনীতি বিজ্ঞানী আৰু সমাজ বিজ্ঞানীসকলৰ মাজৰ ভাবৰ আদান-প্ৰদানে ৰাজনীতি বিজ্ঞানৰ অধ্যয়নক সমাজৰ ওচৰ চপাই দিছিল। উদাহৰণ স্বৰূপে, ৰাজনীতি বিজ্ঞানৰ কেন্দ্ৰ স্বৰূপ ৰাষ্ট্ৰৰ ধাৰণাটোতকৈ ডেভিড ইষ্টনে প্ৰয়োগ কৰা ৰাজনৈতিক ব্যৱস্থা (Political System)ৰ ধাৰণাটো অধিক প্ৰাসঙ্গিক হৈ পৰিছিল। এই নতুন ধাৰণাটো সমাজ আৰু ৰাজনৈতিক ব্যৱস্থাৰ মাজৰ ভাবৰ আদান-প্ৰদানত ৰেখাপাত

কৰিছিল। এই সময়ছোৱাত ৰাজনীতি বিজ্ঞানত আচৰণবাদ জনপ্ৰিয় হৈ পৰিছিল আৰু ৰাজনীতিবিদসকলে গৱেষণাৰ বিভিন্ন উপায় আৰু প্ৰমাণ সংগ্ৰহৰ বিভিন্ন কৌশল উদ্ভাৱন কৰিছিল। বিংশ শতাব্দীৰ প্ৰথম কুৰি বছৰৰ ভিতৰত প্ৰতিষ্ঠা কৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ দ্যা ছ'চিয়েল ছায়েঞ্চ ৰিছার্চ কাউন্সিলে দ্বিতীয় বিশ্বযুদ্ধোত্তৰ কালত আচৰণবাদী ধাৰণাক জনপ্ৰিয় কৰিবলৈ এক বিশিষ্ট ভূমিকা পালন কৰিছিল।

৩.৩.৪ শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ বৰ্তমানৰ স্থিতি

বিংশ শতাব্দীৰ ষষ্ঠ দশকৰ শেষৰফালে ৰাজনীতি বিজ্ঞানে নতুন ক্ৰমবিৱৰ্তনৰ স্তৰ এটাত প্ৰৱেশ কৰিছিল আৰু সেইটো আছিল আচৰণবাদোত্তৰ বিপ্লৱ। আচৰণবাদৰ উত্থানে ৰাজনৈতিক ঘটনাসমূহ অধ্যয়নৰ ক্ষেত্ৰত স্পষ্টভাৱে বৈজ্ঞানিক উৎসাহৰ সূত্ৰপাত কৰিছিল। অৱশ্যে অতি সোনকালে এইটো বোধগম্য হৈছিল যে ৰাজনীতি বিজ্ঞানৰ ক্ষেত্ৰত বৈজ্ঞানিক কৌশল প্ৰয়োগৰ বাবে যথেষ্ট গুৰুত্ব দিয়া হৈছিল। এই ব্যৱস্থাত ৰাজনীতি বিজ্ঞানে প্ৰকৃত ৰাজনৈতিক আৰু সামাজিক সমস্যাবোৰৰ লগত সম্পৰ্ক হেৰুৱাইছে। সেই কাৰণে আচৰণবাদোত্তৰৰ উদ্যোক্তাসকলে ৰাজনীতি বিজ্ঞানক সমাজৰ লগত প্ৰাসঙ্গিক কৰি প্ৰতিষ্ঠা কৰিবলৈ প্ৰচেষ্টা চলাইছিল। কিন্তু এইটো মনত ৰাখিবলগীয়া যে আচৰণবাদোত্তৰ যিহেতুকে আচৰণবাদৰ পৰাই উৎপত্তি গতিকে দুয়োটাকে সম্পূৰ্ণভাৱে পৃথক কৰিব পৰা নাযায়। আচৰণবাদোত্তৰীসকলে বিভিন্ন কৌশল আৰু উপায় অৱলম্বনৰ জৰিয়তে আচৰণবাদৰ দোষ-ত্ৰুটিসমূহ আঁতৰ কৰি ৰাজনীতি বিজ্ঞানক সমাজৰ লগত অধিক প্ৰাসঙ্গিক কৰি তুলিবলৈ চেষ্টা চলাইছিল।

এইদৰে দেখা যায় যে ৰাষ্ট্ৰ আৰু চৰকাৰ সম্পৰ্কে অধ্যয়ন কৰিবলৈ লোৱা ৰাজনীতি বিজ্ঞানৰ পিছৰ কালছোৱাত যথেষ্ট পৰিৱৰ্তন ঘটিছিল। বিভিন্ন চিন্তাবিদ তথা পণ্ডিতৰ অৰিহণাৰ বাবে ইয়াৰ পৰিসৰ আৰু প্ৰকৃতিৰ পৰিৱৰ্তন সাধন হৈছে। বৰ্তমান সময়ত ৰাজনীতি বিজ্ঞানৰ দৃষ্টি অকল ৰাষ্ট্ৰৰ পৰা আঁতৰি গৈ সম্পূৰ্ণ ৰাজনৈতিক ব্যৱস্থাৰ ওপৰত কেন্দ্ৰীভূত হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানক প্ৰতিষ্ঠা কৰিবলৈ কোন দুখন বিশ্ববিদ্যালয়ে অৰিহণা যোগাইছিল?

.....

প্ৰশ্ন নং ৬ ঃ ৰাজনীতি বিজ্ঞানত আচৰণবাদৰ বিপ্লৱক আগবঢ়াই নিবলৈ গৱেষণা আৰু লেখাৰে চেষ্টা চলোৱা দুজন ৰাজনৈতিক চিন্তাবিদৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৭ ঃ দ্বিতীয় বিশ্বযুদ্ধৰ পিছত আৰু বিংশ শতাব্দীৰ প্ৰথম পঞ্চাশ বছৰত ৰাজনীতি বিজ্ঞান .....ৰ দ্বাৰা প্ৰবলভাৱে প্ৰভাৱিত হৈছিল। (খালী ঠাই পূৰণ কৰক)

.....

প্ৰশ্ন নং ৮ ঃ ১৯২৩ খ্ৰীঃত কোনটো অনুষ্ঠানক অৰ্থনীতি, সমাজ শাস্ত্ৰ আৰু ৰাজনীতি বিজ্ঞানৰ বৈজ্ঞানিক গৱেষণাক উৎসাহিত কৰাৰ উদ্দেশ্যৰে স্থাপন কৰা হৈছিল?

.....

প্ৰশ্ন নং ৯ ঃ দ্বিতীয় বিশ্বযুদ্ধৰ পিছত আৰু বিংশ শতাব্দীৰ প্ৰথম পঞ্চাশ বছৰত ৰাজনীতি বিজ্ঞানৰ ওপৰত প্ৰচুৰ প্ৰভাৱ বিস্তাৰ কৰা যিকোনো দুজন সমাজতাত্ত্বিকৰ নাম লিখক ।

.....

প্ৰশ্ন নং ১০ ঃ বিংশ শতাব্দীৰ ষষ্ঠ দশকত শেষৰফালে ৰাজনীতি বিজ্ঞানে নতুন ক্ৰমবিৱৰ্তনৰ স্তৰ এটাত প্ৰৱেশ কৰিছিল আৰু সেইটো আছিল ..... বিপ্লৱ। (খালী ঠাই পূৰণ কৰক)

.....



৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সুদূৰ অতীতৰ পৰা ৰাজনীতি বিজ্ঞান অধ্যয়নৰ এক পৰম্পৰা আছে আৰু ইয়াৰ আৰম্ভণি প্ৰাচীন গ্ৰীচত হৈছিল। গ্ৰীকসকলে বাস কৰা 'পলিচ' (নগৰ) বা নগৰ ৰাষ্ট্ৰৰ নানা ধৰণৰ কাৰ্য্যকলাপৰ বিৱৰণ দিবলৈ 'পলিটিকা' শব্দটোৰ ব্যৱহাৰ কৰিছিল।
- প্ৰাচীন গ্ৰীচত ৰাজনীতি অধ্যয়নৰ শিপা বহুকেইজন প্ৰখ্যাত দাৰ্শনিক, যেনে— হোমাৰ, হেচিওড, থুচিডিড্ চৰ কাৰ্য্য তথা লেখনিত দেখিবলৈ পোৱা যায়। কিন্তু ৰাজনীতি বিজ্ঞানৰ প্ৰণালীবদ্ধ অধ্যয়ন প্ৰথমবাৰৰ বাবে বিখ্যাত প্ৰাচীন ৰাজনৈতিক চিন্তাবিদ প্লেটো আৰু এৰিষ্টটলৰ ৰচনাৰ মাজেদি প্ৰকাশ পাইছিল। প্ৰাচীন ৰোমান চিন্তাবিদ পলিবিয়াছ আৰু চিচেৰোয়েও ৰাজনৈতিক চিন্তাৰ বিকাশত অৰিহণা যোগাইছিল।
- ভাৰতবৰ্ষতো আমি ৰাজনীতিৰ শিপা বেদ সংহিতা, ব্ৰাহ্মণ আৰু বৌদ্ধ পালি কাননত দেখিবলৈ পাওঁ। কৌটিল্যই তেওঁৰ বিখ্যাত কৰ্মৰাজি "অৰ্থশাস্ত্ৰ"ৰ জৰিয়তে ৰাজনীতিৰ ক্ৰমবিকাশত মূল্যৱান অৰিহণা যোগাইছে।
- মধ্যযুগৰ আৰম্ভণিত খ্ৰীষ্টান চিন্তাবিদ আৰু দাৰ্শনিক চেইণ্ট আগষ্টাইন আৰু চেইণ্ট থমাচ একুইনাচেও ৰাজনীতি অধ্যয়নত মূল্যৱান অৰিহণা যোগাইছিল। প্ৰধানতঃ তেওঁলোকে ৰাষ্ট্ৰ আৰু গীৰ্জাৰ মাজত থকা সম্পৰ্কৰ ওপৰত আলোকপাত কৰিছিল।

- পঞ্চদশ শতাব্দীত ইটালীৰ ৰাজনৈতিক চিন্তাবিদ নিক'ল' মেকিয়াভেলিয়ে ঐতিহাসিক আৰু সেই সময়ত প্ৰচলিত ৰাজনৈতিক অনুষ্ঠানসমূহ অধ্যয়নৰ পৰম্পৰা আৰম্ভ কৰিছিল। মেকিয়াভেলিয়ে তেওঁৰ বিখ্যাত গ্ৰন্থ "দ্যা প্ৰিন্স" (The Prince)ৰ জৰিয়তে ৰাষ্ট্ৰৰ আধুনিক ধাৰণা বিকাশত গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছিল।
- ৰাজনীতি বিজ্ঞানৰ প্ৰণালীবদ্ধ অধ্যয়ন ঊনবিংশ শতিকাত হৈছিল। এই সময়ত ৰাজনীতি বিজ্ঞানৰ বিকাশত অৰিহণা যোগোৱা গুৰুত্বপূৰ্ণ ঘটনাসমূহ হ'ল— ১৮৮০ খৃ.ত জন ডব্লিউ বাৰ্গিচে কলম্বিয়া বিশ্ববিদ্যালয়ত প্ৰতিষ্ঠা কৰা ৰাজনীতি বিজ্ঞানৰ সত্ৰটো, ১৮৭৬ খ্ৰীঃত প্ৰতিষ্ঠা কৰা জন্‌হ্‌ হপ্‌কিঞ্চ বিশ্ববিদ্যালয়, ১৮৭৭ খ্ৰীঃত প্ৰতিষ্ঠা কৰা 'জন্‌হ্‌ হপ্‌কিঞ্চ হিষ্টৰিকেল এণ্ড পলিটিকেল ছায়েঞ্চ এছ'চিয়েশ্বন' আৰু 'দ্য জনহ্‌ হপ্‌কিঞ্চ ষ্টাডিচ ইন্‌ হিষ্টৰিকেল এণ্ড পলিটিকেল ছায়েঞ্চ, ১৯০৩ খ্ৰীঃত প্ৰতিষ্ঠিত 'দ্য আমেৰিকান পলিটিকেল ছায়েঞ্চ এছ'চিয়েশ্বন।
- শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ বিকাশত কলম্বিয়া বিশ্ববিদ্যালয় আৰু জন্‌হ্‌ হপ্‌কিঞ্চ বিশ্ববিদ্যালয়ে গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছিল। এই দুখন বিশ্ববিদ্যালয়ত কৰা অধ্যয়ন আৰু গৱেষণাই ৰাজনীতি বিজ্ঞানৰ পৰিসৰ বহল কৰিছিল ।
- বিংশ শতাব্দীৰ দ্বিতীয় দশকত প্ৰত্যক্ষ আন্দোলনৰ উদ্ভৱৰ লগে লগে তথ্যভিত্তিক আৰু পৰিসাংখ্যিকীয় পদ্ধতিৰ ব্যৱহাৰৰ জৰিয়তে ৰাজনীতি বিজ্ঞানৰ বিজ্ঞানসন্মত অধ্যয়ন আৰম্ভ হৈছিল।
- বিংশ শতাব্দীৰ পঞ্চম দশকত আচৰণবাদ আন্দোলনৰ উত্থানক ৰাজনীতি বিজ্ঞান শিক্ষাৰ বিষয় হিচাপে স্থান পোৱাত এক মাইলৰ খুঁটি বুলি বিবেচনা কৰিব পাৰি। আচৰণবাদীসকলে ৰাজনীতি বিজ্ঞানক বৈজ্ঞানিক দৃষ্টিৰে অধ্যয়ন কৰাত জোৰ দিছিল। তেওঁলোকে শিক্ষাৰ অন্যান্য বিষয় আৰু গৱেষণাৰ অগ্ৰগতিৰ দ্বাৰা প্ৰভাৱিত হৈছিল আৰু ৰাজনীতি বিজ্ঞানৰ অধ্যয়নক আন্তঃশৃঙ্খলাবদ্ধ (Interdisciplinary) কৰিবলৈ চেষ্টা চলাইছিল।
- বিংশ শতাব্দীৰ ষষ্ঠ দশকৰ শেষৰফালে আচৰণবাদোত্তৰ বিপ্লৱ উত্থানৰ লগে লগে ৰাজনীতি বিজ্ঞানে নতুন ক্ৰমবিৱৰ্তনৰ স্তৰ এটাত প্ৰৱেশ কৰিছিল। আচৰণবাদোত্তৰৰ উদ্যোক্তাসকলে ৰাজনীতি বিজ্ঞানক সমাজৰ লগত প্ৰাসঙ্গিক কৰি প্ৰতিষ্ঠা কৰিবলৈ প্ৰচেষ্টা চলাইছিল।



৩.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*; গুৱাহাটী ঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; যোৰহাট ঃ ইউনিকা প্ৰকাশন।

৩) চক্রৱর্তী, আদ্যনাথ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৪) পাল, ড° কৃপেশ চন্দ্র আৰু নায়ক, অধ্যাপক প্রতুল চন্দ্র (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ অৰুণ প্রকাশন।

ইংৰাজী গ্রন্থ ঃ

1) Agarwal, R. C. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

2) Asirvatham, E. & Misra, K. K. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

3) Kapur, A. C. (2006): *Principles of Political Science*; New Delhi: S. Chands & Company Ltd.

4) Sharma, R. K. (2011): *Modern Political Science*; New Delhi: DPS Publications.

5) Mahajan, V. D. (2008): *Political Theory*; New Delhi: S. Chands & Company Ltd.

৩.৬ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

২নং প্রশ্নৰ উত্তৰ ঃ নিক'ল' মেকিয়াভেলি

৩নং প্রশ্নৰ উত্তৰ ঃ ৰাষ্ট্র আৰু গীর্জাৰ

৪নং প্রশ্নৰ উত্তৰ ঃ মধ্যযুগৰ আৰম্ভণিৰ খ্রীষ্টীয় চিন্তাবিদ আৰু দার্শনিক চেইণ্ট আগষ্টাইন আৰু চেইণ্ট থমাচ একুইনাচেও আদর্শ ৰাষ্ট্র সম্পর্কে চিন্তা-চর্চা কৰিছিল আৰু আদর্শ ৰাষ্ট্রৰ ক্ষেত্রত নৈতিক আৰু সৎ আদর্শসমূহৰ পক্ষপাতি আছিল। প্রধানতঃ তেওঁলোকে ৰাষ্ট্র আৰু গীর্জাৰ মাজত থকা সম্পর্কৰ ওপৰত আলোকপাত কৰিছিল। গতিকে প্রাচীন খ্রীষ্টীয় দর্শন অনুসৰি ৰাজনীতি বিজ্ঞান ৰাজনৈতিক দর্শনৰ পৰিসৰৰ অর্ন্তগত হৈ ৰাষ্ট্রৰ বিষয়ে অধ্যয়নত আলোকপাত কৰিছিল।

পঞ্চদশ শতাব্দীত ইটালীৰ ৰাজনৈতিক চিন্তাবিদ নিক'ল' মেকিয়াভেলিয়ে ঐতিহাসিক আৰু সেই সময়ত প্রচলিত ৰাজনৈতিক অনুষ্ঠানসমূহ অধ্যয়নৰ পৰম্পৰা আৰম্ভ কৰিছিল। মেকিয়াভেলিয়ে তেওঁৰ বিখ্যাত গ্রন্থ "দ্যা প্রিন্স" (The Prince)ৰ জৰিয়তে ৰাষ্ট্রৰ আধুনিক ধাৰণা বিকাশত গুৰুত্বপূর্ণ অৰিহণা যোগাইছিল। তেওঁ ধ্রুপদী আৰু খ্রীষ্টিয় ৰাজনৈতিক দর্শনৰ পৰম্পৰাৰ পৰা আঁতৰি আহিছিল। তেওঁ সামাজিক শৃঙ্খলা আৰু ৰাজনৈতিক স্থিৰতা ৰক্ষা কৰাৰ বাবে অনুষ্ঠান চিনাক্ত কৰিবলৈ প্রয়াস

কৰিছিল। সহজ ভাষাত আমি ক'ব পাৰোঁ যে মেকিয়াভেলি এজন বাস্তববাদী চিন্তাবিদ আছিল যিয়ে যুক্তি আগবঢ়াইছিল যে যিকোনো উপায়ে, লাগিলে সেয়া অসৎ উপায়ে হওক, ৰাষ্ট্ৰৰ স্বাৰ্থ আৰু স্থিৰতা ৰক্ষা কৰিব লাগে। মধ্যযুগৰ পিছৰ ৰাজনৈতিক চিন্তাবিদসকলে বিভিন্ন ৰাজনৈতিক অনুষ্ঠানৰ ঐতিহাসিক উৎস আৰু সেইবোৰৰ গঠন প্ৰণালীৰ বিষয়ে চিন্তা-চৰ্চা কৰিছিল।

৫নং প্ৰশ্নৰ উত্তৰ ঃ কলম্বিয়া বিশ্ববিদ্যালয় আৰু জনচ্ হপকিঞ্চ বিশ্ববিদ্যালয়

৬নং প্ৰশ্নৰ উত্তৰ ঃ ডেভিড ইষ্টন, চার্লছ ই মেৰিয়াম।

৭নং প্ৰশ্নৰ উত্তৰ ঃ সমাজতাত্ত্বিকসকল

৮নং প্ৰশ্নৰ উত্তৰ ঃ দ্য ছ'চিয়েল ছায়েঞ্চ ৰিছার্চ কাউন্সিল

৯নং প্ৰশ্নৰ উত্তৰ ঃ জি. মস্কা আৰু মেক্স ৱেবাৰ

১০নং প্ৰশ্নৰ উত্তৰ ঃ আচৰণবাদোত্তৰ



৩.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ 'দ্যা ৰিপাব্লিক' গ্ৰন্থখনৰ ৰচক কোন?

প্ৰশ্ন ২ ঃ দ্যা আমেৰিকান পলিটিকেল ছাইন্স এছ'চিয়েশ্বন কোন চনত প্ৰতিষ্ঠা কৰা হৈছিল?

প্ৰশ্ন ৩ ঃ ৰাজনৈতিক চিন্তাৰ বিকাশত অৰিহণা যোগোৱা দুজন প্ৰাচীন ৰোমান চিন্তাবিদৰ নাম উল্লেখ কৰক।

খ) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ বৰ্তমানৰ স্থিতিৰ বিষয়ে এটি চমুটোকা লিখক।

প্ৰশ্ন ২ ঃ শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ বিকাশৰ ক্ষেত্ৰত প্ৰাচীন গ্ৰীক চিন্তাবিদসকলে আগবঢ়োৱা অৰিহণাৰ বিষয়ে সংক্ষেপে লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মধ্যযুগত ৰাজনীতি বিজ্ঞানৰ বিকাশ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ আধুনিক যুগত শিক্ষাৰ বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ বিকাশ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ ৰাষ্ট্ৰ ঃ অৰ্থ আৰু প্ৰকৃতি

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ৰাষ্ট্ৰ
৪.৩.১ ৰাষ্ট্ৰৰ অৰ্থ
৪.৩.২ ৰাষ্ট্ৰৰ উপাদানসমূহ
৪.৩.৩ ৰাষ্ট্ৰৰ প্ৰকৃতি
৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৫ অধিক জানিবলৈ
৪.৬ অগ্ৰগতিৰ খতিয়ান
৪.৭ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰাষ্ট্ৰৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব
- ৰাষ্ট্ৰৰ উপাদানসমূহ ব্যাখ্যা কৰিব পাৰিব
- ৰাষ্ট্ৰৰ প্ৰকৃতি সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব
- ৰাষ্ট্ৰৰ বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব

৪.২ পৰিচয়

ৰাজনীতি বিজ্ঞানত অতি সঘনাই ব্যৱহাৰ হোৱা শব্দ হৈছে 'ৰাষ্ট্ৰ' (State)। নাগৰিক হিচাপে ৰাষ্ট্ৰ নামৰ অনুষ্ঠানৰ লগত আমি ওতঃপ্ৰোতভাৱে জড়িত হ'বলগীয়া হয়। জাতীয় পতাকা, ৰাষ্ট্ৰীয় সঙ্গীত, সংবিধান, বিধানমণ্ডল, আৰক্ষী প্ৰশাসন, আমোলাতন্ত্ৰ, চৰকাৰী কাৰ্য্যালয় আৰু জাতীয় জীৱনৰ অন্যান্য দিশবোৰে ৰাষ্ট্ৰক প্ৰতিফলিত কৰে। ৰাজনীতি বিজ্ঞান শাস্ত্ৰৰ এক অপৰিহাৰ্য্য বিষয়বস্তু হোৱাৰ বাবে ৰাজনৈতিক অনুষ্ঠানৰূপে ৰাষ্ট্ৰৰ বিষয়ে এক নিখুঁত জ্ঞান থকাটো বাঞ্ছনীয়।

৪.৩ ৰাষ্ট্ৰ

ৰাজনীতি বিজ্ঞানৰ মূল বিষয়বস্তু হ'ল ৰাষ্ট্ৰ। নিজৰ 'নগৰ ৰাষ্ট্ৰ'সমূহক বুজাবলৈ পোনপ্ৰথমে গ্ৰীকসকলে "পলিছ" (Polis) শব্দৰ ব্যৱহাৰ কৰিছিল। এখন নগৰৰ নাগৰিকত্ব আৰু সমাজ কল্যাণৰ ধাৰণাক একেলগে প্ৰতিফলিত কৰিবৰ বাবে ৰোমানসকলে 'চিভিটাছ' (Civitus) শব্দৰ ব্যৱহাৰ

কৰিছিল। বৰ্তমান "ৰাষ্ট্ৰ" শব্দটো ***টিউটন*** (Teuton)সকলৰ দ্বাৰা ব্যৱহৃত ষ্টেটাছ (Status) শব্দৰ পৰা উৎপন্ন হৈছে। ৰাজনীতি বিজ্ঞানৰ আধুনিক লেখাত ষষ্ঠদশ শতিকাৰ ইটালীৰ ৰাজনৈতিক বিজ্ঞানী নিক'ল' মেকিয়াভেলি (১৪৬৯-১৫২৭) (Niccolo Machiavelli, 1469- 1527)য়ে পোন প্ৰথমবাৰৰ বাবে 'ৰাষ্ট্ৰ' শব্দটো ব্যৱহাৰ কৰিছিল।



টিউটন ঃ উত্তৰ ইউৰোপত ১০০ খ্ৰীষ্টপূৰ্বলৈকে বাস কৰা এক জনজাতি।

জানি থোৱা ভাল

আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী আৰ. জি. গেটেল (R. G. Gettel)ৰ মতে, ৰাজনীতি বিজ্ঞান হ'ল ৰাষ্ট্ৰৰ বিজ্ঞান (The Science of the State)। আনহাতে, আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী জে. ডব্লিউ. গার্ণাৰ (J. W. Garner)ৰ মতে, ৰাজনীতি বিজ্ঞানৰ অধ্যয়ন ৰাষ্ট্ৰতেই আৰম্ভ হয় আৰু ৰাষ্ট্ৰতেই অন্ত হয় (Political Science begins and ends with the State.)।

৪.৩.১ ৰাষ্ট্ৰৰ অৰ্থ

বিভিন্ন ৰাজনৈতিক চিন্তাবিদে ৰাষ্ট্ৰৰ সংজ্ঞা বিভিন্ন ধৰণে আগবঢ়াইছে। তাৰে কেইটামান সংজ্ঞা তলত উল্লেখ কৰা হ'ল—

- প্ৰাচীন গ্ৰীক দাৰ্শনিক ***এৰিষ্টটল*** (Aristotle)ৰ মতে, "ৰাষ্ট্ৰ হৈছে পৰিয়াল আৰু গাঁওসমূহৰ এটা সংঘ যাৰ দ্বাৰা এটা সুসংগঠিত আৰু স্বয়ং সম্পূৰ্ণ জীৱন লাভৰ দ্বাৰা সুখী আৰু সন্মানজনক জীৱন লাভ কৰিব পাৰি।" (a union of families and villages having for its end a perfect and self sufficing life by which we mean a happy and honourable life) (Agarwal, R. C.: *Political Theory– Principles of Political Science*, S. Chand & Company Ltd., New Delhi, 2007, p.65)
- চুইজাৰলেণ্ডৰ আইনজ্ঞ আৰু ৰাজনীতিবিদ ***ব্লাণ্টচ্‌লি*** (Bluntschli)ৰ মতে, "এটা নিৰ্দিষ্ট ভূখণ্ডত ৰাজনৈতিকভাৱে সংগঠিত জনসাধাৰণৰ সমষ্টিয়েই হৈছে ৰাষ্ট্ৰ।" (The state is politically organised people of a definite territory) (Kapur, A. C.: *Principles of Political Science*, S. Chand & Company Ltd., New Delhi, 2006, p.77)
- আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী ***বাৰ্জেছ*** (Burgess)ৰ মতে, "নিৰ্দিষ্ট ভূখণ্ডৰ মানুহৰ সংঘবদ্ধ জীৱনকে ৰাষ্ট্ৰ বোলে।" (The state is a particular portion of mankind viewed as an organised unit) (Agarwal, R. C.: *Political Theory– Principles of Political Science*, S. Chand & Company Ltd., New Delhi, 2007, p.65).
- ৰাজনৈতিক চিন্তাবিদ ***ফিলিমোৰ*** (Phillimore)ৰ মতে, "ৰাষ্ট্ৰ হৈছে এটা জনসমষ্টি,

যহান কেচপাৰ ব্লাণ্টচ্‌লি (মাৰ্চ ৭, ১৮০৮ - অক্টোবৰ ২১, ১৮৮১) ঃ তেওঁ এগৰাকী চুইচ পণ্ডিত আৰু আন্তঃৰাষ্ট্ৰীয় আইন বিশেষজ্ঞ আছিল।

জন উইলিয়াম বাৰ্জেছ (আগষ্ট ২৬, ১৮৮৪ - জানুৱাৰী ১৩, ১৯৩১) ঃ তেওঁ এগৰাকী মাৰ্কিন ৰাজনীতি বিজ্ঞানী। তেওঁ কলম্বিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক আছিল।

ছাৰ ৰবাৰ্ট যোচেফ ফিলিমোৰ (নৱেম্বৰ ৫, ১৮১০ - ফেব্ৰুৱাৰী ৪, ১৮৮৫) ঃ তেওঁ এগৰাকী ইংৰাজ বিচাৰক আৰু ৰাজনীতিবিদ আছিল।

যি এটা নিৰ্দিষ্ট ভূখণ্ডক স্থায়ীভাৱে অধিকাৰ কৰি আছে, যি একে ধৰণৰ আইন, আচৰণ আৰু ৰীতি-নীতি মানি চলে আৰু এটা সুসংঘবদ্ধ চৰকাৰৰ দ্বাৰা পৰিচালিত হয়, যি চৰকাৰ স্বাধীন আৰু সাৰ্বভৌম; ৰাষ্ট্ৰৰ চাৰিসীমাৰ ভিতৰত সকলো মানুহ আৰু বস্তুৰ ওপৰতে কৰ্তৃত্ব আছে, যি যুদ্ধ ঘোষণা আৰু বিশ্বৰ সকলো জনগোষ্ঠীৰ লগত সম্পৰ্ক ৰক্ষা কৰিবলৈ সক্ষম।" (Agarwal, R. C.: *Political Theory–Principles of Political Science*, S. Chand & Company Ltd., New Delhi, 2007, pp.65-66)

ওপৰত উল্লেখ কৰা সংজ্ঞাবোৰ বিশ্লেষণ কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে ৰাষ্ট্ৰ হ'ল এক স্বাধীন ৰাজনৈতিক সম্প্ৰদায়, ইয়াৰ এক সুনিৰ্দিষ্ট ভৌগোলিক চাৰিসীমা থাকে আৰু এই চাৰিসীমাৰ ভিতৰত ৰাষ্ট্ৰ হৈছে সাৰ্বভৌমত্বৰ গৰাকী।

৪.৩.২ ৰাষ্ট্ৰৰ উপাদানসমূহ

ৰাষ্ট্ৰ এখন গঠনৰ বাবে মূলতঃ চাৰিটা উপাদানৰ দৰকাৰ হয়। যেনে— জনসমষ্টি, নিৰ্দিষ্ট ভূখণ্ড, চৰকাৰ আৰু সাৰ্বভৌমত্ব। তাৰে প্ৰথম দুটা হৈছে প্ৰাকৃতিক (physical) উপাদান, তৃতীয়টো ৰাজনৈতিক (Political) উপাদান আৰু চতুৰ্থটো অশৰীৰী (Spiritual) উপাদান। তলত ৰাষ্ট্ৰৰ চাৰিটা মৌলিক উপাদানৰ বিষয়ে আলোচনা কৰা হৈছে—

- **জনসমষ্টি অথবা জনসাধাৰণৰ সংখ্যা (Population or the Number of People) ঃ** ৰাষ্ট্ৰৰ মৌলিক উপাদান হ'ল জনসমষ্টি। মানুহবিহীন ৰাষ্ট্ৰৰ কল্পনা কৰিব নোৱাৰি। কিন্তু ৰাষ্ট্ৰ এখনত কিমান জনসংখ্যা থাকিব তাৰ কোনো ধৰা বন্ধা নিয়ম নাই। গ্ৰীক দাৰ্শনিক ***প্লেটো***ৰ মতে, এখন আদৰ্শ ৰাষ্ট্ৰ হ'বৰ বাবে তাৰ জনসংখ্যা হ'ব লাগিব ৫০৪০ জন। এৰিষ্টটলে মত প্ৰকাশ কৰিছিল যে, এখন ৰাষ্ট্ৰৰ জনসংখ্যা স্বয়ং সম্পূৰ্ণ হোৱাকৈ অধিক হ'ব লাগিব আৰু উচিতভাৱে শাসিত হ'ব পৰাকৈ কম হ'ব লাগিব। ***ৰুছো***'(Rousseau)ৰ মতে, এখন ৰাষ্ট্ৰৰ আদৰ্শ সংখ্যক জনসংখ্যা হৈছে ১০,০০০ জন। বৰ্তমান বিশ্বত এফালে ভাৰতবৰ্ষ আৰু চীন দেশৰ দৰে বৃহৎ সংখ্যক জনসাধাৰণৰ দেশ আছে; আনহাতে, ***ম'নাক***'আৰু ***চানমাৰিন***'ৰ দৰে কম সংখ্যক জনসংখ্যাৰ দেশো আছে।

এখন দেশৰ জনসাধাৰণ বুলি ক'লে দেশখনত থকা জনসাধাৰণৰ সংখ্যা অকল অধ্যয়ন নকৰি গুণগত দিশৰ ওপৰতো গুৰুত্ব প্ৰদান কৰিব লাগে। এৰিষ্টটলৰ মতে ভাল জনসাধাৰণে এখন ভাল ৰাষ্ট্ৰ আৰু বেয়া জনসাধাৰণে এখন বেয়া ৰাষ্ট্ৰৰ সৃষ্টি কৰে। আকৌ, এখন দেশত বিভিন্ন জাতি, ধৰ্ম, সংস্কৃতি, ভাষাৱলম্বী জনসাধাৰণ থাকিব পাৰে। ঠিক তেনেদৰেই ৰাষ্ট্ৰ এখনৰ গঠনৰ বাবে কিমান জনসংখ্যাৰ প্ৰয়োজন, তাৰ নিৰ্দিষ্ট সীমা বান্ধি দিব নোৱাৰি। সম্পদসমূহৰ উচিত ব্যৱহাৰেৰে এখন ৰাষ্ট্ৰৰ

প্লেটোঃ প্লেটো প্ৰাচীন গ্ৰীচত ৪২৮ খ্ৰীষ্টপূৰ্বত জন্ম গ্ৰহণ কৰা এগৰাকী ধ্ৰুপদী দাৰ্শনিক আছিল আৰু তেওঁ পাশ্চাত্যত উচ্চ শিক্ষাৰ প্ৰথম অনুষ্ঠান "একাডেমি" স্থাপন কৰিছিল। তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ হ'ল 'দ্যা ৰিপাব্লিক'।

জ্যা-জ্যাক ৰুছো' (জুন ২৮, ১৭১২ - জুলাই ১৭, ১৭৭৮) ঃ তেওঁ চুইজাৰলেণ্ডৰ জেনেভাত জন্ম গ্ৰহণ কৰা এগৰাকী ৰাজনৈতিক দাৰ্শনিক আছিল। ফৰাচী আৰু আমেৰিকান বিপ্লৱ তেওঁৰ বিচাৰধাৰাৰ দ্বাৰা বাৰুকৈয়ে প্ৰভাৱিত হৈছিল।

ম'নাক' ঃ পশ্চিম ইউৰোপত অৱস্থিত এখন সৰু ৰাজ্য।

চানমাৰিন' ঃ দক্ষিণ ইউৰোপত অৱস্থিত এখন সৰু ৰাজ্য।

জনসাধাৰণে নিজৰ প্ৰয়োজনীয় উপকৰণসমূহ পূৰণ কৰিব পৰাকৈ পৰিপূৰ্ণ হোৱাটোহে গুৰুত্বপূৰ্ণ বিষয়।

- **ভূখণ্ড অথবা নিৰ্দিষ্ট বাসস্থান (Territory or a Definite Place of Residence) ঃ** নিৰ্দিষ্ট ভূখণ্ড ৰাষ্ট্ৰৰ দ্বিতীয় প্ৰয়োজনীয় উপাদান। বসবাসৰ বাবে নিৰ্দিষ্ট ভূখণ্ড নোহোৱাকৈ যদি কোনো মানুহে এখন ঠাইৰ পৰা আন ঠাইলৈ ঘুৰা-ফুৰা কৰি থাকে, তেনে ক্ষেত্ৰত ৰাষ্ট্ৰ গঠন হ'ব নোৱাৰে। জিপ্‌ছি (Gypsies) আৰু ন'মাড (Nomads)সকলে এখন ঠাইৰ পৰা আন এখন ঠাইলৈ বাসস্থান সলনি কৰিছিল বাবে তেওঁলোকৰ কোনো ৰাষ্ট্ৰ নাছিল। এখন ৰাষ্ট্ৰৰ নিৰ্দিষ্ট ভূখণ্ড বুলিলে ইয়াৰ চাৰিসীমাৰ ভিতৰত থকা ভূমিকে অকল নুবুজায়; নদ-নদী, হ্ৰদ, পাহাৰ-পৰ্বত, সাগৰ, আকাশমাৰ্গ সকলোকে ই সামৰি লয়। এখন আদৰ্শ ৰাষ্ট্ৰৰ আয়তন কিমান হ'ব লাগিব সেয়া নিৰ্ণয় কৰাটো অতিশয় টান। চানমাৰিন' নামৰ ৰাষ্ট্ৰৰ আয়তন মাত্ৰ ৩৮ বৰ্গ কিলোমিটাৰ। পোপৰ ৰাজত্বৰ ভেটিকান চিটিয়ে মাত্ৰ এশ আঠ একৰ মাটিকালিক সামৰি লৈছে। অন্যহাতে, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু চীন দেশৰ এক বৃহৎ ভূখণ্ড আছে। দেশ এখনৰ আয়তনতকৈ ইয়াৰ সম্পদসমূহৰ উচিত ব্যৱহাৰহে বেছি গুৰুত্বপূৰ্ণ, যিয়ে দেশখনক বিকশিত আৰু সমৃদ্ধিশালী কৰি তোলে।
- **চৰকাৰ (Government) ঃ** ৰাষ্ট্ৰ এখনৰ তৃতীয়টো মৌলিক উপাদান হৈছে চৰকাৰ। কেৱলমাত্ৰ জনসংখ্যা আৰু ভূখণ্ডই এখন ৰাষ্ট্ৰৰ সৃষ্টি কৰিব নোৱাৰে। এখন দেশৰ জনগণ যদি এখন সুসংগঠিত চৰকাৰৰ দ্বাৰা পৰিচালিত নহয়, তেন্তে ই ৰাষ্ট্ৰ হ'ব নোৱাৰে। চৰকাৰ হৈছে ৰাষ্ট্ৰৰ ৰাজনৈতিক যন্ত্ৰ যি ৰাষ্ট্ৰক পৰিচালিত কৰে। চৰকাৰ হৈছে ৰাষ্ট্ৰৰ নিয়ামক অনুষ্ঠান যাৰ দ্বাৰা ৰাষ্ট্ৰৰ সমূহীয়া ইচ্ছা নিৰ্ধাৰণ, প্ৰকাশ আৰু কাৰ্য্যকৰী কৰা হয়। ৰাষ্ট্ৰৰ প্ৰতিনিধি হিচাপে চৰকাৰে সমাজখনক ৰাজনৈতিকভাৱে সংঘবদ্ধ কৰে, উমৈহতীয়া আঁচনিবোৰ তৈয়াৰ কৰে আৰু উমৈহতীয়া প্ৰয়োজনবোৰ পূৰণ কৰাত অৰিহণা যোগায়। সেয়েহে ৰাষ্ট্ৰৰ আভ্যন্তৰীণ শান্তি-শৃঙ্খলা বজাই ৰখাৰ উপৰিও সামৰিক দিশত, অৰ্থনৈতিক ক্ষেত্ৰত, বৈদেশিক আৰু আন্তঃ ৰাষ্ট্ৰীয় সম্পৰ্ক ৰক্ষাত, ৰাস্তা-পদূলি, দলং, যাতায়ত আৰু যোগাযোগ ব্যৱস্থাত, পানী, বিদ্যুৎ যোগান, স্বাস্থ্য আৰু শিক্ষাখণ্ডত চৰকাৰে নিজৰ দায়িত্ব পালন কৰিবলগীয়া হয়। চৰকাৰ বিভিন্ন প্ৰকাৰৰ আছে। কোন প্ৰকাৰৰ চৰকাৰ এখন ৰাষ্ট্ৰত অপৰিহাৰ্য্য সেয়া কোৱাটো অতি কঠিন কাৰ্য্য। বেলেগ বেলেগ দেশত বেলেগ বেলেগ ধৰণৰ চৰকাৰ থাকে।
- **সাৰ্বভৌমত্ব (Sovereignty) ঃ** ৰাষ্ট্ৰ গঠনৰ আটাইতকৈ প্ৰয়োজনীয় উপাদান হৈছে সাৰ্বভৌমত্ব। মানুহৰ আন বিভিন্ন অনুষ্ঠানৰ পৰা ৰাষ্ট্ৰক এই উপাদানটোৱে পৃথক কৰে। সাৰ্বভৌমত্ব অবিহনে ৰাষ্ট্ৰৰ প্ৰাণ প্ৰতিষ্ঠা হ'ব নোৱাৰে। বহল অৰ্থত, সাৰ্বভৌমত্ব ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা। সাৰ্বভৌমত্ব দুই ধৰণৰ থাকে। আভ্যন্তৰীণ

সাৰ্বভৌমত্ব (Internal Sovereignty) আৰু বহিঃ সাৰ্বভৌমত্ব (External Sovereignty)। আভ্যন্তৰীণ সাৰ্বভৌমত্ব মানে হৈছে ৰাষ্ট্ৰ নিজৰ আভ্যন্তৰীণ বিষয়ত সকলো দিশত সৰ্বোচ্চ। ৰাষ্ট্ৰই ইয়াৰ অন্তৰ্গত সকলো ব্যক্তি আৰু প্ৰতিষ্ঠানৰ ওপৰত চৰম ক্ষমতা প্ৰয়োগ কৰে আৰু তেওঁলোকেও ৰাষ্ট্ৰক মানি চলিব লাগে। বহিঃ সাৰ্বভৌমত্ব মানে হৈছে ৰাষ্ট্ৰ সকলো বিদেশী শক্তিৰ নিয়ন্ত্ৰণমুক্ত হৈ থকা। যদি কোনো এখন ৰাষ্ট্ৰ আন এখন ৰাষ্ট্ৰৰ অধীনত থাকে তেন্তে সেই ৰাষ্ট্ৰক কোনোপধ্যে সাৰ্বভৌম ৰাষ্ট্ৰ বুলি ক'ব নোৱাৰি। বৰঞ্চ সেই অধীনস্থ ৰাষ্ট্ৰখন আনখন ৰাষ্ট্ৰৰ এটা অঙ্গৰাষ্ট্ৰ ৰূপেহে চিনাক্ত হয়। ১৯৪৭ চনৰ ১৫ আগষ্টৰ আগৰ গ্ৰেট বৃটেইনৰ অধীনত থকা ভাৰতবৰ্ষক সেয়েহে ৰাষ্ট্ৰ আখ্যা দিব নোৱাৰি।

চিন্তা-চৰ্চা কৰক ৪.১



ৰাষ্ট্ৰৰ চাৰিটা উপাদানৰ লগত ভাৰতবৰ্ষক সংযুক্ত কৰাৰ চেষ্টা কৰক। ভাৰতবৰ্ষক ৰাষ্ট্ৰ আখ্যা দিব পাৰিনে?

.....

.....

.....

.....

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ১ ঃ ৰাজনীতি বিজ্ঞানৰ আধুনিক লেখাত 'ৰাষ্ট্ৰ' (State) শব্দটি পোন প্ৰথমবাৰৰ বাবে কোনে ব্যৱহাৰ কৰিছিল?

.....

প্ৰশ্ন নং ২ ঃ ৰাষ্ট্ৰৰ আটাইতকৈ প্ৰয়োজনীয় বৈশিষ্ট্য হৈছে সাৰ্বভৌমত্ব। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৩ ঃ গ্ৰীকসকলে তেওঁলোকে বসবাস কৰা 'নগৰ ৰাষ্ট্ৰ'সমূহক বুজাবলৈ ..... শব্দটিৰ ব্যৱহাৰ কৰিছিল। (খালী ঠাই পূৰণ কৰক)

.....

প্ৰশ্ন নং ৪ ঃ ৰাষ্ট্ৰৰ চাৰিটা প্ৰধান উপাদান বাচি উলিয়াওক।

.....

প্ৰশ্ন নং ৫ ঃ প্লেটৰ মতে এখন আদৰ্শ ৰাষ্ট্ৰ হ'বৰ বাবে তাৰ জনসংখ্যা হ'ব লাগিব ৫০৪০ জন। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৬ ঃ কাৰ মতে এখন ৰাষ্ট্ৰৰ আদৰ্শ সংখ্যক জনসংখ্যা হ'ব লাগিব ১০,০০০ জন ? (ৰুছ'/এৰিষ্টটল/বাৰ্জেছ)

.....

৪.৩.৩ ৰাষ্ট্ৰৰ প্ৰকৃতি

ৰাষ্ট্ৰৰ প্ৰকৃতি সম্পৰ্কে বিভিন্ন ধৰণৰ মত দেখা যায়। ৰাষ্ট্ৰৰ প্ৰকৃতিৰ বিষয়ে এক স্পষ্ট ধাৰণা লোৱাৰ বাবে কিছুমান অতি প্ৰয়োজনীয় ধাৰণা বা দৃষ্টিভঙ্গীৰ বিষয়ে আলোচনা কৰা দৰকাৰ।

- **বৈধ দৃষ্টিভঙ্গী বা ধাৰণা (Legal Notion of the State) ঃ** ৰোমান সাম্ৰাজ্যই ৰাষ্ট্ৰৰ বৈধ ধাৰণাৰ জন্ম দিছিল। আধুনিক সময়ত বহুকেইজন চিন্তাবিদ, যেনে— ব'ডিন (Bodin), হ'বছ (Hobbes), বেন্থাম (Bentham) আৰু অষ্টিনে (Austin) ৰাষ্ট্ৰৰ বৈধ ধাৰণাৰ ওপৰত মত প্ৰকাশ কৰিছে। তেওঁলোকৰ মতে, ৰাষ্ট্ৰ এক বৈধ অনুষ্ঠান। আইন প্ৰস্তুত, ইয়াৰ ব্যাখ্যা আৰু কাৰ্য্যকৰীকৰণৰ জৰিয়তে মানুহৰ আচৰণ নিয়ন্ত্ৰণ কৰাৰ বাবেই মূলতঃ ৰাষ্ট্ৰৰ জন্ম হৈছে। ৰাষ্ট্ৰ এক ন্যায়িক সত্তা। আইন ভঙ্গকাৰীক শাস্তি প্ৰদান কৰা এক অনুষ্ঠানৰূপেও ৰাষ্ট্ৰই কাৰ্য্য সম্পাদন কৰে। ৰাষ্ট্ৰৰ বৈধ ধাৰণা বা দৃষ্টিভঙ্গীক এক সম্পূৰ্ণ মতবাদ নহয় বুলি বহুতো পণ্ডিতে সমালোচনা কৰিছে। সমালোচকসকলৰ মতে, আইন প্ৰণয়নৰ বাহিৰেও ৰাষ্ট্ৰই জনগণৰ অন্যান্য নীতিগত আৰু আধ্যাত্মিক জীৱনকো পৰিচালিত কৰে।
- **নৈতিক দৃষ্টিভঙ্গী বা ধাৰণা (Ethical Notion of the State) ঃ** ৰাষ্ট্ৰৰ প্ৰকৃতিৰ নৈতিক ধাৰণাৰ পৃষ্ঠপোষক আছিল প্লেটো আৰু এৰিষ্টটল। বৌদ্ধিক, নৈতিক আৰু বস্তুগত উন্নয়নৰ বাবে ৰাষ্ট্ৰ অপৰিহাৰ্য্য। ৰাষ্ট্ৰ মানৱ সৃষ্ট অনুষ্ঠান নহয়, ই এক প্ৰাকৃতিক অনুষ্ঠান। তেওঁলোকৰ মতে, ৰাষ্ট্ৰই চৰম নৈতিকতাক প্ৰতিনিধিত্ব কৰে। ৰাষ্ট্ৰ এখনে যি কৰে, সেয়া সদায় ভাল কাৰ্য্য বুলিয়ে বিবেচনা কৰা হয়। ৰুছ' (Rousseau), কাণ্ট (Kant), হেগেল (Hegel), টি. এইছ. গ্ৰীণ (T. H. Green) আৰু অন্যান্য ৰাজনীতিবিদসকলে ৰাষ্ট্ৰক এখন চৰম নৈতিক অনুষ্ঠান বুলি কৈ ৰাষ্ট্ৰৰ নৈতিক ধাৰণাক সমৰ্থন আগবঢ়াইছে। এই ধাৰণাটোক বহুতো ৰাজনৈতিক পণ্ডিতে সমালোচনা কৰিছে। তেওঁলোকৰ মতে, ৰাষ্ট্ৰ মানুহৰ নৈতিক আৰু বৌদ্ধিক বিকাশ সাধন কৰিব পৰা আহিলা নহয়, বৰঞ্চ ই নিজেই এটা উদ্দেশ্য। বৰ্তমান সময়ত, এনেধৰণৰ দৃষ্টিভঙ্গীৰ বাবে সৰ্বাত্মক ৰাষ্ট্ৰ (Totalitarian state) ৰ ধাৰণাৰ ভেঁটিয়ে গঢ় লৈ উঠিছে।

- **প্ৰয়োজনীয় অশুভ অনুষ্ঠানৰূপে ৰাষ্ট্ৰ (The State as a Necessary Evil) ঃ** ব্যক্তিবাদীসকলৰ মতে, ৰাষ্ট্ৰ এটা প্ৰয়োজনীয় অশুভ অনুষ্ঠান। তেওঁলোকৰ মতে, ৰাষ্ট্ৰ এক অশুভ বা অকল্যাণকৰ অনুষ্ঠান। অন্যহাতে, তেওঁলোকে ক'ব খোজে যে, যদি প্ৰতিজন ব্যক্তিক নিজৰ মতে কাম কৰিবলৈ এৰি দিয়া হয়, তেতিয়াহ'লে নিজ স্বাৰ্থ সিদ্ধি কৰিবৰ বাবে এজনে আনজনৰ অপকাৰ কৰিবলৈকো কুণ্ঠাবোধ নকৰিব।যাৰ ফলত সমাজৰ শান্তি-শৃঙ্খলা ব্যাহত হ'ব। সেয়েহে শান্তি-শৃঙ্খলা ৰক্ষাৰ বাবে আৰু ন্যায় প্ৰতিষ্ঠাৰ বাবে ৰাষ্ট্ৰ এখনৰ প্ৰয়োজনীয়তা আছে। আদাম স্মিথ (Adam Smith), বেন্থাম (Bentham) আৰু হাৰ্বাৰ্ট স্পেন্চাৰ (Herbert Spencer) এই মতবাদৰ সমৰ্থক। কিন্তু, সমালোচকসকলৰ মতে, ৰাষ্ট্ৰ নকৰাত্মক অনুষ্ঠান নহয়। সমাজৰ কল্যাণৰ বাবে ৰাষ্ট্ৰই বহুতো ধনাত্মক কাৰ্য্য সম্পাদন কৰিবলৈ সক্ষম হয়।
- **এখন অপ্ৰয়োজনীয় অশুভ অনুষ্ঠানৰূপে ৰাষ্ট্ৰৰ অৰাষ্ট্ৰবাদী ধাৰণা (Anarchist Notion of the State as an unnecessary Evil) ঃ** অৰাষ্ট্ৰবাদীসকলৰ মতে, ৰাষ্ট্ৰ এখন অপ্ৰয়োজনীয় অশুভ অনুষ্ঠান আৰু সেইবাবে মানুহৰ স্বতঃস্ফূৰ্ত বিকাশৰ বাবে ইয়াক যিমান পাৰি সিমান সোনকালে নাইকিয়া কৰা উচিত। তেওঁলোকৰ মতে, ব্যক্তিৰ চৰিত্ৰ আৰু স্বভাৱৰ ক্ৰমবৰ্দ্ধমান বিকাশৰ লগে লগে মানুহৰ চৰিত্ৰ গঠনকাৰী হিচাপে ৰাষ্ট্ৰই গ্ৰহণ কৰা ভুমিকাও ক্ৰমাৎ নাইকিয়া হৈ পৰে।
- **ৰাষ্ট্ৰৰ বহুত্ববাদী ধাৰণা (Pluralist Notion of the State) ঃ** বহুত্ববাদীসকলৰ মতে ৰাষ্ট্ৰ হৈছে পৰিয়াল, গীৰ্জা, শ্ৰমিক সংঘ, সামাজিক সংস্থা আদিৰ দৰে জনসাধাৰণৰ বিভিন্ন প্ৰয়োজনীয়তা পূৰণ কৰা এটা স্থায়ী অনুষ্ঠান। সেইবাবে ৰাষ্ট্ৰক এই অনুষ্ঠানবোৰৰ লগতে সমমৰ্য্যাদা দিয়াটো জৰুৰী। বহুত্ববাদীসকলে ৰাষ্ট্ৰৰ ৰাজনৈতিক ক্ষমতাৰ বিকেন্দ্ৰীকৰণত বিশ্বাস কৰে আৰু ৰাষ্ট্ৰক অন্যান্য স্থায়ী অনুষ্ঠানবোৰতকৈ কোনো গুণেই শ্ৰেষ্ঠ বুলি বিবেচনা নকৰে। এই তত্ত্বৰ মুখ্য প্ৰবক্তা হ'ল মেকআইভাৰ (Maclver) আৰু লাস্কি (Laski)। কিন্তু সমাজৰ বিভিন্ন অনুষ্ঠানসমূহৰ কাৰ্য্যাৱলী নিয়ন্ত্ৰণ আৰু সমন্বয় ৰক্ষা কৰিবৰ বাবে ৰাষ্ট্ৰৰ দৰে এটা শ্ৰেষ্ঠ অনুষ্ঠান থকাটো জৰুৰী বুলি সমালোচকসকলে মতপোষণ কৰে।
- **সৰ্বাত্মক ৰাষ্ট্ৰ (Totalitarian State) ঃ** এই মতবাদ অনুসৰি ৰাষ্ট্ৰ হৈছে সৰ্বোচ্চ ক্ষমতাৰ অধিকাৰী আৰু ব্যক্তিসকলৰ ৰাষ্ট্ৰৰ বিৰুদ্ধে কোনো অধিকাৰ নাই। ৰাষ্ট্ৰই জনসাধাৰণৰ সমস্ত জীৱনৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ কৰিব পাৰে। হেগেল (Hegel), নিয়েৎজে (Nietzsche) আদি দাৰ্শনিক, বাৰ্ণহাৰ্ডি (Bernhardi) আৰু ট্ৰেইটস্কে (Treitschke)ৰ দৰে লিখক, মুছ'লিনি আৰু হিটলাৰৰ দৰে একনায়কত্ববাদী শাসকসকলে সৰ্বাত্মক ৰাষ্ট্ৰ (Totalitarian State)ৰ ধাৰণাক সমৰ্থন কৰিছিল। কিন্তু সমালোচকসকলৰ মতে, সৰ্বাত্মক ৰাষ্ট্ৰৰ ধাৰণা অমুলক; কাৰণ এই ধৰণৰ ৰাষ্ট্ৰ অগণতান্ত্ৰিক আৰু ইয়াত ব্যক্তিৰ ব্যক্তিত্বৰ মৰ্যাদাক গুৰুত্ব দিয়া নাযায়।

- **ৰাষ্ট্ৰৰ ক্ষমতা সম্পৰ্কীয় ধাৰণা (Power Notion of the State) ঃ** এই ধাৰণাৰ প্ৰবক্তাসকলে ৰাষ্ট্ৰক বিশেষ শক্তিশালী অনুষ্ঠান ৰূপত বৰ্ণনা কৰে। জাৰ্মান লেখক বিশেষকৈ বাৰহাণ্ডি (Berhandi) আৰু ট্ৰেইটস্কে (Treitsche) আদিয়ে ৰাষ্ট্ৰক এক ক্ষমতাসম্পন্ন ব্যৱস্থা (Power System) বুলি অভিহিত কৰিছে যাৰ হাতত যুদ্ধ ঘোষণা কৰা আৰু শান্তি স্থাপন কৰাৰ অসীম কৰ্তৃত্ব আছে। যেতিয়াই মানুহবোৰে ইজনে সিজনৰ সান্নিধ্যলৈ আহে, তেতিয়াই সমাজত সংঘৰ্ষ আৰু মতবিৰোধ হ'বলৈ আৰম্ভ হয়। সমাজত থকা বিভিন্ন ধৰণৰ মানুহৰ দাবীসমূহ পুৰণৰ বাবে আৰু সমাজত শান্তি আৰু সম্প্ৰীতি বজাই ৰাখিবৰ বাবে ৰাষ্ট্ৰই নিজৰ ক্ষমতা ব্যৱহাৰ কৰিবলগীয়া হয়। ৰাষ্ট্ৰৰ প্ৰকৃতিৰ অধ্যয়নত ক্ষমতা সম্পৰ্কীয় ধাৰণাক বহুতো লেখকে গ্ৰহণ কৰা নাই। তেওঁলোকৰ মতে বল (Force)ক ৰাষ্ট্ৰৰ বাবে অপৰিহাৰ্য্য বুলি গণ্য কৰিলেও; বল ৰাষ্ট্ৰ এখনৰ ভেঁটি হ'ব নোৱাৰে। ৰাষ্ট্ৰ এখনক জঘন্য ক্ষমতাৰ দ্বাৰা কেতিয়াও জুখিব নোৱাৰি। আচলতে, ক্ষমতাক কৰ্তৃত্বলৈ ৰূপান্তৰিত কৰাটো দৰকাৰ। আনহাতে, সামাজিক লক্ষ্য প্ৰাপ্তিৰ বাবে আৰু জনগণৰ মতামত অনুসৰি ৰাষ্ট্ৰই নিজৰ ক্ষমতা ব্যৱহাৰ কৰা উচিত।
- **কল্যাণকামী অনুষ্ঠান হিচাপে ৰাষ্ট্ৰ (State as a Welfare System) ঃ** সাম্প্ৰতিক উদাৰবাদী ধাৰণাই ৰাষ্ট্ৰক এক কল্যাণকামী অনুষ্ঠান বুলি কৈছে। এই ধাৰণাৰ সমৰ্থকসকল হ'ল— জে. এছ. মিল (J. S. Mill), টি. এইছ. গ্ৰীন (T. H. Green), মেকআইভাৰ (MacIver) আৰু লাস্কি (Laski)। এই মতবাদ মতে ৰাষ্ট্ৰ কেৱল আইন-শৃঙ্খলা ৰক্ষাকাৰী অনুষ্ঠানেই নহয়, বৰং সমাজত শান্তি-শৃঙ্খলা ৰক্ষাৰ উপৰিও অন্যান্য বহুবোৰ সকাৰাত্মক কাৰ্য্য সম্পাদন কৰা এক কল্যাণকামী অনুষ্ঠান। ই মানুহৰ কল্যাণ সাধন কৰে। ই গোটেই সমাজৰ ইচ্ছা পূৰণ কৰে। ৰাষ্ট্ৰ এখনে শ্ৰমিকসকলৰ কৰ্মক্ষেত্ৰৰ অৱস্থা, শিক্ষা সম্প্ৰসাৰণ, জনগণৰ স্বাস্থ্য ৰক্ষা, সমাজসেৱা আৰু সামাজিক কুসংস্কাৰ আদি দূৰ কৰাৰ বাবে অহৰহ চেষ্টা কৰিব লাগে।



জানি থোৱা ভাল

ভাৰতবৰ্ষৰ সংবিধানৰ চতুৰ্থ অধ্যায় (Part IV)ত ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি (The Directive Principles of State Policy) সন্নিৱিষ্ট কৰা হৈছে যি কল্যাণকামী ৰাষ্ট্ৰৰ ধাৰণাক সামৰি লৈছে। সমাজত সামাজিক ন্যায় আৰু সমতা স্থাপনৰ বাবে এই নীতিবোৰৰ কাৰ্যকৰণ কৰিবৰ বাবে এই নীতিবোৰে ৰাষ্ট্ৰক নিৰ্দেশনা প্ৰদান কৰিছে।

- **ৰাষ্ট্ৰৰ জৈৱিক দৃষ্টিভঙ্গী (Organic view of the State) ঃ** ৰাষ্ট্ৰৰ জৈৱিক দৃষ্টিভঙ্গীয়ে ৰাষ্ট্ৰক এক প্ৰাণৱন্ত জীৱৰ লগত আৰু ব্যক্তিসকলক ইয়াৰ অঙ্গৰ লগত তুলনা কৰিছে। যেনেকৈ এটা সম্পূৰ্ণ মানৱ শৰীৰ অবিহনে হাত, ভৰি, মূৰ ইত্যাদি অঙ্গৰ পৃথক পৃথককৈ কোনো অস্তিত্ব থাকিব নোৱাৰে তেনেকৈ ৰাষ্ট্ৰৰ অবিহনে ব্যক্তি বা ব্যক্তিসমূহৰো পৃথক পৃথককৈ কোনো অস্তিত্বই থাকিব নোৱাৰে। ৰাষ্ট্ৰক এটা প্ৰাণৱন্ত শৰীৰৰ লগত তুলনা কৰিব পাৰি। শৰীৰৰ প্ৰতিটো অঙ্গ যেনেকৈ পৰস্পৰ নিৰ্ভৰশীল তেনেকৈ ৰাষ্ট্ৰত থকা ব্যক্তিসকলো পৰস্পৰ নিৰ্ভৰশীল। ব্যক্তি অবিহনে ৰাষ্ট্ৰৰ কোনো অস্তিত্ব নাই আৰু ৰাষ্ট্ৰৰ পৰা পৃথক হৈ ব্যক্তিয়েও কোনো ভূমিকা পালন কৰিব নোৱাৰে। ৰাষ্ট্ৰৰ এই জৈৱিক তত্ত্বৰ লগত জড়িত ৰাজনৈতিক চিন্তাবিদসকল হ'ল—ৰুছ' (Rousseau), হাৰ্বাট স্পেনচাৰ (Herbert Spencer) আৰু জাৰ্মান দাৰ্শনিক ফিষ্টে (Fichte)। সমাজ আৰু ব্যক্তিৰ মাজৰ পাৰস্পৰিক নিৰ্ভৰশীলতাৰ কথা ফিষ্টে (Fichte)য়ে পোন প্ৰথমে আঙুলিয়াই দিছিল। ব্লাণ্টচ্‌লি (Bluntchli)য়ে ৰাষ্ট্ৰক মানৱ শৰীৰৰ লগত তুলনা কৰিছে। সমালোচকসকলে কিন্তু ৰাষ্ট্ৰ আৰু জীৱৰ মাজত কৰা তুলনাক তৰাং আখ্যা দিয়ে।
- **ৰাষ্ট্ৰৰ শ্ৰেণী সম্পৰ্কীয় দৃষ্টিভঙ্গী (Class view of the State) ঃ** কিছুমান লেখকে ৰাষ্ট্ৰক এটা শ্ৰেণীস্বাৰ্থ ৰক্ষা কৰা অনুষ্ঠানৰূপে অভিহিত কৰিছে। ব্যক্তিগত সম্পত্তিৰ উদ্ভাৱনৰ লগে লগে সমাজখন দুটা শ্ৰেণীলৈ ৰূপান্তৰিত হ'ল— শাসক শ্ৰেণী, যি ব্যক্তিগত সম্পত্তিৰ মালিক আৰু আনটো হৈছে শাসিত বা শোষিত অৰ্থাৎ সম্পত্তিহীন শ্ৰেণী। মালিক অৰ্থাৎ শাসক শ্ৰেণীয়ে নিজৰ স্বাৰ্থ ৰক্ষাৰ বাবে শাসিত শ্ৰেণীৰ সকলো স্বাৰ্থক আওকাণ কৰিবলৈকো কুণ্ঠাবোধ নকৰে। কাৰ্ল মাৰ্ক্সৰ মতে, ধনী শ্ৰেণীয়ে দুখীয়া শ্ৰেণীক শোষণ কৰিবৰ বাবে ব্যৱহাৰ কৰা আহিলাই হ'ল ৰাষ্ট্ৰ। কিন্তু, সমালোচকসকলে কৈছে যে, সমাজত শাসক আৰু শাসিত বুলি দুটা শ্ৰেণীৰ মাজত কোনো স্পষ্ট আৰু কঠোৰ ধৰণৰ বিভাজন নাই। তেওঁলোকৰ যুক্তি হ'ল আচলতে ৰাষ্ট্ৰই শক্তিশালী শ্ৰেণীৰ স্বাৰ্থৰক্ষক হিচাপে নহয় সৰ্বসাধাৰণৰ বাবেহে কাৰ্য্য সম্পাদন কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ ৰোমান সাম্ৰাজ্যই ৰাষ্ট্ৰৰ বৈধ ধাৰণাৰ জন্ম দিছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৮ ঃ ৰাষ্ট্ৰই চৰম নৈতিকতাকে প্ৰতিনিধিত্ব কৰে বুলি ৰাষ্ট্ৰৰ প্ৰকৃতিৰ কোনটো দৃষ্টিভঙ্গীয়ে ব্যক্ত কৰে?

.....

প্ৰশ্ন নং ৯ ঃ জাৰ্মান লেখক বাৰহাণ্ডি ৰাষ্ট্ৰৰ ..... সম্পৰ্কীয় ধাৰণাৰ সমৰ্থক আছিল। (খালী ঠাই পূৰণ কৰক)

.....

প্ৰশ্ন নং ১০ ঃ বহুত্ববাদীসকলে ৰাষ্ট্ৰৰ ৰাজনৈতিক ক্ষমতাৰ কেন্দ্ৰীকৰণত বিশ্বাস কৰে। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ১১ ঃ .....ৰ মতে, ৰাষ্ট্ৰ এখন শান্তি শৃংখলা ৰক্ষাৰ বাবেহে প্ৰয়োজনীয়। (খালী ঠাই পূৰণ কৰক)

.....

প্ৰশ্ন নং ১২ ঃ কোনটো দৃষ্টিভঙ্গীৰ মতে ৰাষ্ট্ৰ এখনৰ স্থিতি মানুহৰ কল্যাণ সাধনৰ বাবে ?

.....



৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিভিন্ন ৰাজনৈতিক চিন্তাবিদে ৰাষ্ট্ৰৰ সংজ্ঞা বিভিন্ন ধৰণে আগবঢ়াইছে। এই সংজ্ঞাসমূহ "পৰিয়াল আৰু গাঁওসমূহৰ এটা সংঘ"ৰ পৰা 'ৰাজনৈতিক সংঘবদ্ধ জনসাধাৰণলৈ" প্ৰসাৰিত হৈ আছে। ৰাষ্ট্ৰসমূহৰ "এটা নিদিষ্ট ভূখণ্ড" আৰু স্বাধীন সাৰ্বভৌমত্ব" থকা "এখন চৰকাৰ" থাকে।
- আধুনিক ৰাষ্ট্ৰ এখন গঠনৰ বাবে মূলতঃ চাৰিটা উপাদানৰ দৰকাৰ হয়। যেনে— জনসমষ্টি, নিৰ্দিষ্ট ভূখণ্ড, চৰকাৰ আৰু সাৰ্বভৌমত্ব। তাৰে প্ৰথম দুটা হৈছে প্ৰাকৃতিক (Physical) উপাদান, তৃতীয়টো ৰাজনৈতিক (Political) উপাদান আৰু চতুৰ্থটো অশৰীৰ (Spiritual) উপাদান।
- ৰাষ্ট্ৰৰ প্ৰকৃতি সম্পৰ্কে আলোচনা কৰোতে আমি বিভিন্ন ধৰণৰ দৃষ্টিভঙ্গীৰ কথা আলোচনা কৰিছো। সেই দৃষ্টিভঙ্গীসমূহ হৈছে ক্ৰমে বৈধ দৃষ্টিভঙ্গী বা ধাৰণা, নৈতিক দৃষ্টিভঙ্গী, ৰাষ্ট্ৰৰ ক্ষমতা সম্পৰ্কীয় ধাৰণা, ৰাষ্ট্ৰৰ শ্ৰেণী সম্পৰ্কীয় দৃষ্টিভঙ্গী, কল্যাণকামী অনুষ্ঠান হিচাপে ৰাষ্ট্ৰ, ইত্যাদি।



৪.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*; গুৱাহাটী ঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; যোৰহাট ঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰৱৰ্তী, আদ্যনাথ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Agarwal, R. C. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

2) Asirvatham, E. & Misra, K. K. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

3) Kapur, A. C. (2006): *Principles of Political Science*; New Delhi: S. Chands & Company Ltd.

4) Sharma, R. K. (2011): *Modern Political Science*; New Delhi: DPS Publications.

5) Mahajan, V. D. (2008): *Political Theory*; New Delhi: S. Chands & Company Ltd.



৪.৬ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ নিক'ল' মেকিয়াভেলি

২নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৩নং প্ৰশ্নৰ উত্তৰ ঃ প'লিছ (Polis)

৪নং প্ৰশ্নৰ উত্তৰ ঃ জনসাধাৰণ, ভূখণ্ড, চৰকাৰ আৰু সাৰ্বভৌমত্ব

৫নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৬নং প্ৰশ্নৰ উত্তৰ ঃ ৰুছ'

৭নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৮নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰৰ নৈতিক ধাৰণা

৯নং প্ৰশ্নৰ উত্তৰ ঃ ক্ষমতা

১০নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ

১১নং প্ৰশ্নৰ উত্তৰ ঃ ব্যক্তিবাদীসকল

১২নং প্ৰশ্নৰ উত্তৰ ঃ কল্যাণকামী অনুষ্ঠানৰূপে ৰাষ্ট্ৰ

১৩নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ



৪.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ এৰিষ্ট'টলে আগবঢ়োৱা ৰাষ্ট্ৰৰ সংজ্ঞাটো উল্লেখ কৰক ।

প্ৰশ্ন ২ ঃ ৰাষ্ট্ৰৰ প্ৰকৃতি সম্পৰ্কে থকা বৈধ ধাৰণাৰ দুজন সমৰ্থকৰ নাম লিখক।

প্ৰশ্ন ৩ ঃ কোনটো দৃষ্টিভঙ্গীয়ে ৰাষ্ট্ৰক এটা প্ৰয়োজনীয় অশুভ অনুষ্ঠান বুলি মত প্ৰকাশ কৰিছে?

খ) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰাষ্ট্ৰৰ চাৰিটা উপাদানৰ বিষয়ে সংক্ষেপে বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ ৰাষ্ট্ৰৰ প্ৰকৃতিৰ অৰাষ্ট্ৰবাদী ধাৰণাৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ ৰাষ্ট্ৰৰ প্ৰকৃতিৰ জৈৱিক দিশৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন ৪ ঃ ৰাষ্ট্ৰৰ ক্ৰমবিৱৰ্তনৰ প্ৰক্ৰিয়াত গঠন হোৱা ৰোমান সাম্ৰাজ্যৰ বিষয়ে নিজৰ ভাষাত বৰ্ণনা কৰক।

প্ৰশ্ন ৫ ঃ ৰাষ্ট্ৰৰ ক্ৰমবিৱৰ্তনৰ সংক্ৰান্তত আধুনিক জাতীয় ৰাষ্ট্ৰৰ বিষয়ে নিজৰ ভাষাত বৰ্ণনা কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰাষ্ট্ৰ অৰ্থ ব্যাখ্যা কৰক। ৰাষ্ট্ৰৰ চাৰিটা উপাদানৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ৰাষ্ট্ৰৰ প্ৰকৃতি সম্পৰ্কে থকা বিভিন্ন মত আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ ৰাষ্ট্ৰৰ উৎপত্তিৰ তত্ত্ব ঃ ঐশ্বৰিক উৎপত্তি তত্ত্ব আৰু ক্ৰমবিকাশমূলক তত্ত্ব

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কীয় তত্ত্ব

৫.৩.১ ঐশ্বৰিক উৎপত্তি তত্ত্ব (Divine Origin Theory)

৫.৩.২ ক্ৰমবিকাশমূলক অথবা ঐতিহাসিক তত্ত্ব (Evolutionary or Historical Theory)

৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৫ অধিক জানিবলৈ

৫.৬ অগ্ৰগতিৰ খতিয়ান

৫.৭ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ঐশ্বৰিক উৎপত্তি তত্ত্বৰ উল্লেখেৰে ৰাষ্ট্ৰৰ উৎপত্তি ব্যাখ্যা কৰিব পাৰিব
- ঐশ্বৰিক উৎপত্তি তত্ত্বৰ সমালোচনাবোৰ বিশ্লেষণ কৰিব পাৰিব
- ৰাষ্ট্ৰৰ উৎপত্তি বিষয়ক ক্ৰমবিকাশমূলক অথবা ঐতিহাসিক তত্ত্বটো বৰ্ণনা কৰিব পাৰিব
- ক্ৰমবিকাশমূলক অথবা ঐতিহাসিক তত্ত্বৰ সমালোচনাবোৰ পৰীক্ষা কৰিব পাৰিব।

৫.২ পৰিচয়

ৰাজনীতি বিজ্ঞান বিষয় অধ্যয়নৰ সবাতোকৈ গুৰুত্বপূৰ্ণ উপাদান এটা হ'ল ৰাষ্ট্ৰ (State)। এখন সু-সংগঠিত ৰাষ্ট্ৰতহে মানুহে এক সভ্য জীৱন-যাপন কৰিব পাৰে। ইয়াৰ আগৰ অধ্যায়ত আমি ৰাষ্ট্ৰৰ অৰ্থ, প্ৰকৃতি আৰু ৰাষ্ট্ৰ গঠনৰ চাৰিটা মৌলিক উপাদানৰ বিষয়ে আলোচনা কৰিছোঁ। এই অধ্যায়টিত ৰাষ্ট্ৰৰ উৎপত্তিৰ সৈতে জড়িত দুটা গুৰুত্বপূৰ্ণ তত্ত্ব আলোচনা কৰা হ'ব। এই তত্ত্ব দুটা হ'ল— ঐশ্বৰিক উৎপত্তি তত্ত্ব আৰু ক্ৰমবিকাশমূলক অথবা ঐতিহাসিক তত্ত্ব।

৫.৩ ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কীয় তত্ত্ব

ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কীয় বহুকেইটা তত্ত্ব আছে। ৰাষ্ট্ৰৰ উৎপত্তিৰ বিষয়ে পণ্ডিতসকলে ভিন্ন মত পোষণ কৰি আহিছে আৰু নিজ নিজ তত্ত্বৰ মাধ্যমেৰে নিজৰ দৃষ্টিভঙ্গী প্ৰকাশ কৰিছে। ইয়াৰ ভিতৰত দুটা গুৰুত্বপূৰ্ণ তত্ত্ব হ'ল ঐশ্বৰিক উৎপত্তি তত্ত্ব আৰু ক্ৰমবিকাশমূলক অথবা

ঐতিহাসিক তত্ত্ব। এতিয়া আমি ৰাষ্ট্ৰৰ উৎপত্তি ব্যাখ্যা কৰা এই তত্ত্ব দুটাৰ প্ৰাসঙ্গিকতা আৰু এই তত্ত্ব দুটাৰ বিৰুদ্ধে থকা সমালোচনাসমূহ আলোচনা কৰিম।

৫.৩.১ ঐশ্বৰিক উৎপত্তি তত্ত্ব (Divine Origin Theory)

ঐশ্বৰিক উৎপত্তি তত্ত্বটো হ'ল ৰাষ্ট্ৰৰ উৎপত্তি আৰু উত্থানৰ অনুসন্ধান কৰা সবাতোকৈ পুৰণি তত্ত্ব। এই তত্ত্বটোক ৰাষ্ট্ৰৰ ধাৰণাটোৰ সমানেই প্ৰাচীন বুলি ক'ব পাৰি। ঐশ্বৰিক উৎপত্তি তত্ত্বই দৃঢ়ভাৱে বিশ্বাস কৰে যে ৰাষ্ট্ৰ হ'ল ঈশ্বৰৰ দ্বাৰা সৃষ্ট এক ঐশ্বৰিক অনুষ্ঠান। ঐশ্বৰিক উৎপত্তি তত্ত্বটোৱে দৃঢ়মত পোষণ কৰি কয় যে ঈশ্বৰে মানুহ এখন ৰাজনৈতিক সমাজত বাস কৰা উচিত বুলি ভাবিছিল আৰু সেই ইচ্ছাক বাস্তৱ ৰূপ দি মানৱ জাতিক ধ্বংসৰ গৰাহৰ পৰা সুৰক্ষিত কৰি ৰাখিবলৈ তেওঁ ৰাষ্ট্ৰৰ সৃষ্টি কৰিছিল। ঈশ্বৰে মানৱৰ কল্যাণ সাধিবৰ বাবে ৰাষ্ট্ৰৰ সৃষ্টি কৰিছিল। এই তত্ত্বটোৰ মতে ঈশ্বৰে স্বয়ং ৰাষ্ট্ৰ শাসন কৰে অথবা ৰাষ্ট্ৰ শাসন কৰিবলৈ তেওঁৰ প্ৰতিনিধি প্ৰেৰণ কৰে। অৰ্থাৎ, এই তত্ত্বটোৱে বিশ্বাস কৰে যে ৰজা হ'ল ঈশ্বৰে নিয়োগ কৰা কৰ্তৃত্ব। তেওঁ ঈশ্বৰৰ প্ৰতিনিধি। সেয়েহে ৰজা এজন কেৱল ঈশ্বৰৰ প্ৰতিহে দায়বদ্ধ, প্ৰজাৰ প্ৰতি নহয়। পৃথিৱীত ৰজাৰ ক্ষমতা অসীম। কোনেও তেওঁৰ ক্ষমতা সীমাবদ্ধ অথবা তেওঁৰ কৰ্তৃত্বক প্ৰশ্ন কৰিব নোৱাৰে। ৰজাৰ সকলো কাম আৰু আদেশেই ন্যায়সংগত আৰু প্ৰজাহিতৈষী বুলি ধৰা হয়। ৰজাই সকলো ক্ষমতা আৰু কৰ্তৃত্ব ঈশ্বৰৰ পৰা লাভ কৰে। সেয়েহে ৰজাৰ কৰ্তৃত্ব প্ৰতিৰোধৰ প্ৰচেষ্টাবোৰক ঈশ্বৰৰ প্ৰতি আনুগত্যহীনতাৰ প্ৰতিফলন বুলি গণ্য কৰা হৈছিল আৰু ইয়াক পাপ আখ্যা দিয়া হৈছিল। এই তত্ত্বটোৰ মতে ৰজাৰ প্ৰতি প্ৰজাই দেখুওৱা আনুগত্য হ'ল প্ৰজাৰ ধৰ্মীয় কৰ্তব্য। এইখিনিতে আন এক উল্লেখযোগ্য কথা হ'ল ঐশ্বৰিক উৎপত্তি তত্ত্বৰ সমৰ্থকসকলে বংশানুক্ৰমিক ৰাজতন্ত্ৰত বিশ্বাস কৰে। তেওঁলোকৰ মতে ৰজাৰ হাতত থকা সকলো ক্ষমতা আৰু অধিকাৰ পিতৃৰ পৰা পুত্ৰলৈ হস্তান্তৰিত হোৱা উচিত। অৰ্থাৎ এই সূত্ৰই ৰাষ্ট্ৰৰ ঐশ্বৰিক পৱিত্ৰতা প্ৰতিষ্ঠা কৰে আৰু ৰজাক অইন জনসাধাৰণ তথা আইনৰ ঊৰ্দ্ধত ৰাখে।

প্ৰাচীন কালত মানুহে দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে ৰাষ্ট্ৰ হ'ল ঈশ্বৰৰ সৃষ্টি। সেই সময়ছোৱাত ৰাষ্ট্ৰৰ কৰ্তৃত্বক এক অদৃশ্য শক্তিৰ সৈতে সংলগ্ন কৰা হৈছিল আৰু শাসকে একে সময়তে পুৰোহিত তথা ৰজাৰ যুটীয়া ভূমিকা পালন কৰিছিল। ৰজাৰ আদেশক চৰম বুলি ধৰা হৈছিল আৰু ৰজাৰ কৰ্তৃত্ব ৰোধ কৰাৰ প্ৰয়াসক ঈশ্বৰৰ বিৰোধিতা বুলি গণ্য কৰা হৈছিল। বহুতো প্ৰাচীন ধৰ্মীয় গ্ৰন্থত ঐশ্বৰিক উৎপত্তি তত্ত্বৰ উল্লেখ থকা দেখা যায়। এনে দুটা উদাহৰণ হ'ল মহাভাৰত আৰু বাইবেলৰ অ'ল্ড টেষ্টামেণ্ট।

ৰাষ্ট্ৰৰ ঐশ্বৰিক উৎপত্তি তত্ত্বটো প্ৰাচীন কালত প্ৰাসঙ্গিক আছিল। কিন্তু বৰ্তমান সময়ত এই তত্ত্বটোৰ প্ৰাসঙ্গিকতা লোপ পাইছে। এই তত্ত্বটোক বিভিন্ন দিশৰ পৰা সমালোচনা কৰা হয়। এই তত্ত্বটোৰ বিৰুদ্ধে থকা সমালোচনাসমূহ তলত উল্লেখ কৰা হ'ল—

- সমালোচকৰ মতে ঐশ্বৰিক উৎপত্তি তত্ত্বই ৰাষ্ট্ৰক ঈশ্বৰৰ দ্বাৰা সৃষ্ট এক ঐশ্বৰিক অনুষ্ঠান বুলি যি যুক্তি দৰ্শায় সেই যুক্তিৰ সাম্প্ৰতিক পটভূমিত কোনো প্ৰাসঙ্গিকতা নাই। সমালোচকৰ মতে ৰাষ্ট্ৰ হ'ল সম্পূৰ্ণৰূপে এক মানৱীয় অনুষ্ঠান।
- ঐশ্বৰিক উৎপত্তি তত্ত্বই স্বৈৰাচাৰী শাসকৰ উত্থান ঘটাব পাৰে। কাৰণ এই তত্ত্বটোৱে ৰজাৰ অসীম আৰু স্বেচ্ছাচাৰী ক্ষমতাৰ পোষকতা কৰে।
- ঐশ্বৰিক উৎপত্তি তত্ত্বই কেৱল চৰম ৰাজতান্ত্ৰিক চৰকাৰ সমৰ্থন কৰে। কিন্তু সাম্প্ৰতিক পটভূমিত এনে চৰকাৰে প্ৰাসঙ্গিকতা হেৰুৱাই পেলাইছে।
- ঐশ্বৰিক উৎপত্তি তত্ত্বই প্ৰজাৰ কোনো ধৰণৰ মতামত অথবা বিৰোধিতা অবিহনে ৰজাৰ চৰম ক্ষমতাক সমৰ্থন কৰে। ইয়াৰ দ্বাৰা এই কথা স্পষ্ট হৈ পৰে যে এনে ৰাষ্ট্ৰত মানুহৰ কোনো ধৰণৰ ব্যক্তিগত স্বাধীনতা নাছিল।

যদিও বৰ্তমান সময়ত ৰাষ্ট্ৰৰ ঐশ্বৰিক উৎপত্তি তত্ত্বৰ কোনো প্ৰাসঙ্গিকতা নাই, তথাপিও প্ৰাচীন কালত, যেতিয়া সমাজবোৰ অৰ্ধ-সভ্য আৰু আইন-কানুন, নীতি-নিয়ম বলৱৎ কৰিবলৈ কোনো কৰ্তৃত্ব নাছিল তেতিয়া ইয়াৰ গুৰুত্ব যথেষ্ট আছিল। ঐশ্বৰিক উৎপত্তি তত্ত্বই মানুহৰ মাজত এই বিশ্বাসৰ জন্ম দিবলৈ সমৰ্থ হৈছিল যে ৰজাৰ ক্ষমতা আৰু আইন ধৰ্মীয়ভাৱে অনুমোদনপ্ৰাপ্ত। সেয়েহে ৰাষ্ট্ৰৰ প্ৰতি আনুগত্য এক প্ৰকাৰৰ ধৰ্মীয় কৰ্তব্য। এইদৰে যেতিয়া মানুহ স্ব-শাসন কৰিব পৰা অৱস্থা নাছিল তেতিয়া ঐশ্বৰিক উৎপত্তি তত্ত্বই মানুহক ৰজাৰ প্ৰতি অনুগত হ'বলৈ শিকাইছিল। এনে প্ৰেক্ষাপটত ঐশ্বৰিক উৎপত্তি তত্ত্বই এক বিশ্বাস জন্ম দিছিল যে ৰজা ঈশ্বৰৰ প্ৰতিনিধি আৰু প্ৰজা তেওঁৰ অনুগত হ'ব লাগিব আৰু ইয়াৰ জৰিয়তে সমাজত আইন-শৃঙ্খলা বৰ্তাই ৰখাত এই তত্ত্বই সহায় কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ঐশ্বৰিক উৎপত্তি তত্ত্বৰ মতে ৰাষ্ট্ৰৰ সৃষ্টাকৰ্তা কোন ?

.....

প্ৰশ্ন নং ২ ঃ ঐশ্বৰিক উৎপত্তি তত্ত্ব মতে ৰজা হ'ল ঈশ্বৰৰ প্ৰতিনিধি। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৩ ঃ ঐশ্বৰিক উৎপত্তি তত্ত্বৰ উল্লেখ থকা যিকোনো দুখন ধৰ্মীয় গ্ৰন্থৰ নাম লিখক।

.....

প্ৰশ্ন নং ৪ ঃ ঐশ্বৰিক উৎপত্তি তত্ত্বৰ বিৰুদ্ধে থকা দুটা সমালোচনা উল্লেখ কৰক।

.....

.....

.....

.....

৫.৩.২ ক্ৰমবিকাশমূলক অথবা ঐতিহাসিক তত্ত্ব (Evolutionary or Historical Theory)

ৰাষ্ট্ৰৰ উৎপত্তিৰ সৈতে জড়িত আন এটা গুৰুত্বপূৰ্ণ তত্ত্ব হ'ল ক্ৰমবিকাশমূলক অথবা ঐতিহাসিক তত্ত্ব। ই হ'ল আধুনিক সমাজতাত্ত্বিক, ঐতিহাসিক আৰু নৃতাত্ত্বিক গৱেষণাৰ ফচল। ক্ৰমবিকাশমূলক তত্ত্বই এই কথা দৃঢ়ভাৱে বিশ্বাস কৰে যে ৰাষ্ট্ৰ হ'ল এক স্বাভাৱিক অনুষ্ঠান (Natural Institution)। ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কে এই তত্ত্বই মত পোষণ কৰে যে ৰাষ্ট্ৰ এখন হঠাৎ সৃষ্টি নহয়। ই হ'ল এক ক্ৰমবিকাশৰ কাহিনী। এক সুদীৰ্ঘ সময় ধৰি অতি মন্থৰ গতিৰে সমাজ এখনৰ ক্ৰমবিকাশ ঘটাৰ অন্ততহে ৰাষ্ট্ৰৰ সৃষ্টি হয়। বিৱৰ্তনৰ বহুকেইটা পৰ্য্যায় পাৰ হৈ ৰাষ্ট্ৰই বৰ্তমানৰ ৰূপ ধা�ৰণ কৰিছে। ৰাষ্ট্ৰৰ ক্ৰমবিকাশত বহুতো কাৰকে প্ৰভাৱ বিস্তাৰ কৰে, যেনে— সামাজিক প্ৰৱণতা (Social Instinct), স্ব-গোত্ৰীয়তা (Kinship), শক্তি অথবা যুদ্ধ (Force or War), ধৰ্ম (Religion), অৰ্থনৈতিক কাৰ্য্যকলাপ (Economic Activities) আৰু ৰাজনৈতিক সচেতনতা (Political Consciousness) আদি। তলত এই কাৰকবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল—

- **সামাজিক প্ৰৱণতা ঃ** মানুহৰ সামাজিক প্ৰৱণতা হ'ল ৰাষ্ট্ৰৰ ক্ৰমবিকাশৰ এটা প্ৰধান কাৰক। গ্ৰীক ৰাজনৈতিক দাৰ্শনিক এৰিষ্ট'টলৰ ভাষাত "মানুহ হ'ল স্বভাৱগতভাৱে এবিধ সামাজিক প্ৰাণী"। এৰিষ্ট'টলে দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে মানুহে নিজৰ এই সামাজিক প্ৰবৃত্তিৰ বাবেই ৰাষ্ট্ৰৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছিল যাতে ৰাষ্ট্ৰৰ ভিতৰত সকলোৱে একোটা সুৰক্ষিত জীৱন-যাপন কৰিব পাৰে। মানুহক উন্নত জীৱন-যাপনৰ সুযোগ দিবৰ বাবেই আজিকোপতি ৰাষ্ট্ৰৰ অস্তিত্ব অব্যাহতভাৱে বৰ্তি আছে। এই পটভূমিত আমি ক'ব পাৰোঁ সামাজিক প্ৰৱণতাই মানুহক একেলগে বসবাস কৰিবলৈ অনুপ্ৰাণিত কৰে। এই প্ৰৱণতাৰ ফলতে সমাজ গঠন হয় আৰু কালক্ৰমত ইয়েই গৈ ৰাষ্ট্ৰৰ ৰূপ ধা�ৰণ কৰে।
- **স্ব-গোত্ৰীয়তা ঃ** ৰাষ্ট্ৰৰ উত্থানত অৰিহণা যোগোৱা আন এক গুৰুত্বপূৰ্ণ কাৰক হ'ল স্ব-গোত্ৰীয়তা (Kinship)। ৰাষ্ট্ৰ গঠন হোৱাৰ বহু আগতেই আদিম যুগত মানুহে ৰক্ত অথবা তেজৰ সম্পৰ্ক থকাসকলৰ সৈতে দল বান্ধি বাস কৰিছিল। আমেৰিকাৰ পণ্ডিত অধ্যাপক গিলখ্ৰাইষ্টৰ মতে সমাজৰ এটা অনিবাৰ্য্য বান্ধোন হ'ল ৰক্তৰ সম্পৰ্ক। আমি ক'ব পাৰোঁ যে পৃথিৱীৰ সৰ্বপ্ৰথম মানৱীয় সংগঠনবোৰৰ আধাৰ আছিল তেজৰ সম্পৰ্ক আৰু আত্মীয়তা। ৰাষ্ট্ৰ গঠন হোৱাৰ বহু আগতে আদিম যুগত তেজৰ সম্পৰ্ক থকা মানুহৰ গোটবোৰ একেলগে বাস কৰিছিল। উমৈহতীয়া পূৰ্বপুৰুষ থকা মানুহবোৰে দলবদ্ধভাৱে বাস কৰিছিল। সেয়েহে আদিম যুগৰ মানৱীয় সংগঠনবোৰৰ আধাৰ আছিল পৰিয়াল। লাহে লাহে পৰিয়ালবোৰ ডাঙৰ হৈ গৈ থাকিল, ফৈদৰ

(Clan) সৃষ্টি হ'ল, ফৈদ বাঢ়ি গৈ গোষ্ঠীৰ (Tribe) সৃষ্টি হ'ল আৰু এনেকৈয়ে এসময়ত ৰাষ্ট্ৰৰ গঠন হ'ল। পাৰিবাৰিক সম্পৰ্কবোৰে আনুগত্য, আজ্ঞা পালন গুণ আদিবো বিকাশ ঘটাত সহায় কৰিছিল। এই গুণবোৰবো ৰাষ্ট্ৰ গঠনত অৱদান আছে। গতিকে, আমি ক'ব পাৰোঁ যে ৰাষ্ট্ৰৰ ক্ৰমবিকাশত স্ব-গোত্ৰীয়তায়ো এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

- **শক্তি অথবা যুদ্ধ ঃ** ৰাষ্ট্ৰৰ উত্থানত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা আন এটা উল্লেখযোগ্য কাৰক হ'ল শক্তি (Farce) অথবা যুদ্ধ (War)। আদিম যুগত শক্তি অথবা পৰাক্ৰমেই আছিল জীৱনৰ সকলো দিশ নিৰ্ণায়ক উপাদান। সেই সময়ছোৱাত বল-শক্তিত অপৰাজেয়জনেহে নিজ অস্তিত্ব বৰ্তাই ৰাখিব পাৰিছিল। দুৰ্বল দলবোৰক শক্তিশালী দলে পৰাজিত কৰি নিজৰ আধিপত্য বিস্তাৰ কৰিছিল। ইতিহাস এনে আক্ৰমণ, আধিপত্যৰ কাহিনীৰে ভৰা। শক্তিৰ দৰে কাৰকেই হ'ল বৰ্তমানবো ভালকেইখন ৰাষ্ট্ৰৰ উত্থানৰ আঁৰত থকা প্ৰধান কাহিনী। প্ৰাচীন কালৰেপৰা আজিলৈকে ৰাষ্ট্ৰ গঠনত যুদ্ধ-বিগ্ৰহে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে।
- **ধৰ্ম ঃ** ৰাষ্ট্ৰৰ ক্ৰমবিকাশত ধৰ্মবো এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। প্ৰাচীন কালত ধৰ্মই মানৱ জীৱনৰ প্ৰায় আটাইবোৰ দিশ নিয়ন্ত্ৰণ কৰিছিল। ধৰ্মই পৰিয়াল, ফৈদ, গোষ্ঠী আৰু দেশ এখনক ঐক্যবদ্ধ কৰি ৰখাত সহায় কৰে। আদিম আৰু মধ্যযুগত ধৰ্মই মানুহক এখন উমৈহতীয়া মঞ্চ প্ৰদান কৰিছিল। এই মঞ্চখনে মানুহক একত্ৰিত কৰি ৰাখিছিল। আদিম যুগৰে পৰা মানুহে নিজৰ অজ্ঞতাৰ বাবে ধৰ্মীয় ৰীতি-নীতিবোৰ অন্ধভাৱে অনুসৰণ কৰিছিল। তেওঁলোকে ভাবিছিল যে জীৱন, প্ৰকৃতি আৰু পৃথিৱীত হোৱা সকলো পৰিৱৰ্তনৰ আঁৰত কোনো এক অতি প্ৰাকৃতিক শক্তিৰ হাত আছে। ঈশ্বৰক পূজা-অৰ্চনা নকৰিলে মহা বিপদ হ'ব বুলিও তেওঁলোকে ভাবিছিল। মানুহৰ অজ্ঞতাৰ সুযোগ লৈ পাছৰ সময়ছোৱাত বাজীকৰ ৰজাৰ শাসন আৰম্ভ হৈছিল। নিজ কৰ্তৃত্ব বিস্তাৰ কৰিবলৈ তেওঁলোকে অপ-শক্তিক বশ কৰিব পাৰে বুলি প্ৰচাৰ কৰিছিল। কালক্ৰমত বাজীকৰ ৰজাবোৰক অপসাৰিত কৰি তেওঁলোকৰ স্থান লৈছিল পুৰোহিত ৰজাসকলে। এনে ৰজাই মধ্যযুগৰ শেষলৈকে ক্ষমতা আৰু কৰ্তৃত্ব উপভোগ কৰিছিল। উদাহৰণ স্বৰূপে, খ্ৰীষ্টিয় ধৰ্মগুৰু পোপে খ্ৰীষ্টিয় বিশ্বখনত আধিপত্য বিস্তাৰ কৰিছিল। গতিকে, ক'ব পাৰি যে প্ৰাচীন কালৰে পৰা ধৰ্মই মানুহক একত্ৰিত কৰি ৰাখিছিল আৰু এই একতাই ৰাষ্ট্ৰ গঠনত অৰিহণা যোগাইছিল।
- **অৰ্থনৈতিক কাৰ্য্যকলাপ ঃ** ৰাষ্ট্ৰৰ ক্ৰমবিকাশত অৰ্থনৈতিক কাৰ্য্যকলাপবো ভূমিকা আছে। মানৱ সভ্যতাৰ আৰম্ভণিৰ পৰাই মানুহৰ মাজত অৰ্থনৈতিক প্ৰয়োজন আৰু অভিলাষে গা কৰি উঠিছিল। তেনে প্ৰয়োজন আৰু অভিলাষবোৰ পূৰণ কৰিবলৈ মানুহ পৰস্পৰ নিৰ্ভৰশীল হ'বলগীয়া হৈছিল। এই পৰস্পৰ নিৰ্ভৰশীলতাই মানুহৰ মাজত অৰ্থনৈতিক সম্পৰ্কৰ জন্ম দিছিল। এনে অৰ্থনৈতিক সম্পৰ্কই মানুহৰ মাজত

বিবাদৰ সৃষ্টি কৰিছিল। এনে বিবাদ নিষ্পত্তি কৰিবলৈকে ৰাষ্ট্ৰৰ দৰে এক কৰ্তৃত্বৰ প্ৰয়োজন হৈছিল যিয়ে বিভিন্ন আইন-কানুনৰ জৰিয়তে মানুহৰ মাজৰ অৰ্থনৈতিক সম্পৰ্ক নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হ'ব। এনেকৈয়ে অৰ্থনৈতিক কাৰ্য্যকলাপে ৰাষ্ট্ৰৰ ক্ৰমবিকাশত সহায় কৰিছে।

- **ৰাজনৈতিক সচেতনতা ঃ** ৰাষ্ট্ৰৰ উত্থান আৰু ক্ৰমবিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা আন এটা কাৰক হ'ল মানুহৰ মাজত গা কৰি উঠা ৰাজনৈতিক সচেতনতা। সময় বাগৰাৰ লগে লগে মানুহে আগতকৈ উন্নত আৰু সুস্থিৰ সামাজিক, নৈতিক আৰু বৌদ্ধিক জীৱন কটোৱাৰ বাবে আগ্ৰহী হৈ পৰিছিল। এইবোৰৰ লগতে মানুহে সমাজত শান্তি আৰু শৃঙ্খলা বৰ্তাই ৰখাৰ গুৰুত্বও উপলব্ধি কৰিছিল। লগে লগে মানুহৰ মনত ৰাজনৈতিক সচেতনতাৰো জন্ম হৈছিল। মানুহে বুজি উঠিছিল যে কিছুমান ৰাজনৈতিক সংগঠনৰ জৰিয়তেহে প্ৰগতি সম্ভৱপৰ হ'ব। এই সজাগতাই মানুহৰ প্ৰয়োজন আৰু আকাংক্ষা পূৰণৰ বাবে মানুহৰ মাজত সহযোগিতাৰ সৃষ্টি কৰিছিল। সময়ত এই সচেতনতাই ৰাষ্ট্ৰ গঠনত এক প্ৰধান ভূমিকা লৈছিল।

ৰাষ্ট্ৰৰ ঐতিহাসিক অথবা ক্ৰমবিকাশমুলক তত্ত্বক তলত উল্লেখ কৰা ধৰণে সমালোচনা কৰা হয়—

- ক্ৰমবিকাশমূলক তত্ত্বৰ সমালোচকসকলৰ মতে ক্ৰমবিকাশমূলক অথবা ঐতিহাসিক তত্ত্বই কেৱল ৰাষ্ট্ৰ গঠনৰ আঁৰৰ কাৰককেইটাৰ কথাহে ব্যাখ্যা কৰে। এই তত্ত্বটোৱে ৰাষ্ট্ৰ এখন কেতিয়া আৰু কেনেকৈ গঠন হ'ল তাৰ কোনো স্পষ্ট ছবি দাঙি ধৰা নাই।
- ক্ৰমবিকাশমূলক অথবা ঐতিহাসিক তত্ত্বই কৈছে যে ৰাষ্ট্ৰৰ উত্থান ঘটোৱা কাৰকবোৰ সাৰ্বজনীন। কিন্তু সমালোচকৰ মতে এই কাৰকবোৰৰ প্ৰকৃতি সাৰ্বজনীন নহয়।
- ক্ৰমবিকাশমূলক অথবা ঐতিহাসিক তত্ত্বটোৱে যদিও ৰাষ্ট্ৰৰ উৎপত্তি ব্যাখ্যা কৰিছে তথাপি ই ৰাষ্ট্ৰ গঠন হোৱাৰ আগৰ আদিম যুগৰ অৱস্থা সম্পৰ্কে কোনো ছবি দাঙি ধৰা নাই।

ৰাষ্ট্ৰৰ উৎপত্তিৰ ঐতিহাসিক অথবা ক্ৰমবিকাশমূলক তত্ত্বৰ বিৰুদ্ধে সমালোচনা আছে যদিও ৰাজনীতি বিজ্ঞানত এই তত্ত্বটোৰ গুৰুত্ব আছে। এই তত্ত্বটোৰ মতে সময়ৰ বিভিন্ন স্তৰ পাৰ হৈ এক দীঘল প্ৰক্ৰিয়াৰ অন্তত বহুকেইটা কাৰকৰ সংমিশ্ৰণত ৰাষ্ট্ৰৰ উৎপত্তি হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ ক্ৰমবিকাশমূলক তত্ত্ব মতে ৰাষ্ট্ৰ হ'ল এক স্বাভাৱিক অনুষ্ঠান। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৬ ঃ ৰাষ্ট্ৰৰ ক্ৰমবিকাশত প্ৰভাৱ পেলোৱা কাৰকবোৰ কি কি?

.....

.....

প্ৰশ্ন নং ৭ ঃ ৰাষ্ট্ৰৰ ক্ৰমবিকাশত প্ৰভাৱ পেলোৱা ৰাজনৈতিক সচেতনতাৰ বিষয়ে চমুকৈ লিখক।

.....

.....

.....

.....

.....

.....



৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাষ্ট্ৰৰ উৎপত্তিৰ সৈতে জড়িত দুটা গুৰুত্বপূৰ্ণ তত্ত্ব হ'ল ঐশ্বৰিক উৎপত্তি তত্ত্ব আৰু ক্ৰমবিকাশমূলক অথবা ঐতিহাসিক তত্ত্ব।
- ঐশ্বৰিক উৎপত্তি তত্ত্বই বিশ্বাস কৰে যে ৰাষ্ট্ৰ হ'ল এক ঐশ্বৰিক অনুষ্ঠান আৰু ঈশ্বৰ ইয়াৰ স্ৰষ্টা।
- ঐশ্বৰিক উৎপত্তি তত্ত্ব অনুসৰি ঈশ্বৰে নিজে ৰাষ্ট্ৰ শাসন কৰে অথবা ৰাষ্ট্ৰ শাসন কৰিবলৈ নিজৰ প্ৰতিনিধি প্ৰেৰণ কৰে। সেই দিশৰ পৰা ৰজা হ'ল ঈশ্বৰৰ প্ৰতিনিধি আৰু এইবাবেই ৰজা প্ৰজাৰ প্ৰতি নহয় ঈশ্বৰৰ প্ৰতিহে দায়বদ্ধ।
- ঐশ্বৰিক উৎপত্তি তত্ত্বই ৰজাৰ বাবে চৰম আৰু অসীম ক্ষমতাৰ পোষকতা কৰে। এই তত্ত্বৰ মতে ৰজাৰ কৰ্তৃত্বৰ বিৰোধিতা কৰাটো পাপ।
- ঐশ্বৰিক উৎপত্তি তত্ত্বক বিভিন্ন দিশৰ পৰা সমালোচনা কৰা হয়। যেনে— এই তত্ত্বটোৱে স্বৈৰাচাৰী শাসকৰ জন্ম দিব পাৰে, এই তত্ত্বটো মানুহৰ ব্যক্তিগত স্বাধীনতাৰ বিৰোধী ইত্যাদি।
- বৰ্তমান ঐশ্বৰিক উৎপত্তি তত্ত্বক সমালোচনা কৰা হয় যদিও আদিম কালত ইয়াৰ উপযোগিতা আছিল। সেই সময়ত সমাজত কোনো কৰ্তৃত্ব নাছিল। এই তত্ত্বটোৱে সমাজত আইন নীতি বলৱৎ কৰাত সহায় কৰিছিল। কাৰণ মানুহে ৰজাক ঈশ্বৰৰ প্ৰতিনিধি বুলি গণ্য কৰিছিল আৰু সকলোৱে ৰজাৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিব লাগিছিল।
- ক্ৰমবিকাশমূলক অথবা ঐতিহাসিক তত্ত্ব মতে ৰাষ্ট্ৰ এখন হঠাতে সৃষ্টি হোৱা নাছিল। ই হ'ল অতীতৰ পৰা চলি অহা বিৱৰ্তনৰ পৰিণাম। সুদীৰ্ঘ কাল ধৰি মন্থৰ গতিত আৰু ক্ৰমান্বয়ে ৰাষ্ট্ৰৰ বিকাশ ঘটিছে।

- ক্ৰমবিকাশমূলক অথবা ঐতিহাসিক তত্ত্ব মতে ৰাষ্ট্ৰৰ ক্ৰমবিকাশত বহুতো কাৰকে প্ৰভাৱ পেলাইছে। এনে কাৰকবোৰ হ'ল— সামাজিক প্ৰবৃত্তি, স্বগোত্ৰীয়তা, শক্তি অথবা যুদ্ধ, ধৰ্ম, অৰ্থনৈতিক কাম-কাজ আৰু ৰাজনৈতিক সজাগতা ইত্যাদি।
- সমালোচকৰ মতে ক্ৰমবিকাশমূলক তত্ত্বই ৰাষ্ট্ৰ গঠনৰ কাৰকবোৰ ব্যাখ্যা কৰি গৈছে। কিন্তু তত্ত্বটোৰ ক'তো ৰাষ্ট্ৰ কেনেকৈ আৰু কেতিয়া গঠন হ'ল সেয়া নাই কোৱা। এই তত্ত্বটোৱে ৰাষ্ট্ৰৰ উত্থান ঘটাৰ আগৰ আদিম যুগৰ অৱস্থা সম্পৰ্কে কোনো ছবি দাঙি ধৰা নাই।



৫.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*; গুৱাহাটী ঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; যোৰহাট ঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰৱৰ্তী, আদ্যনাথ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Agarwal, R. C. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

2) Asirvatham, E. & Misra, K. K. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

3) Jayapalan, N. (2002): *Comprehensive Political Theory*; Delhi: Atlantic Publishers and Distributors.

4) Kapur, A. C. (2006): *Principles of Political Science*; New Delhi: S. Chands & Company Ltd.



৫.৬ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ঈশ্বৰ

২নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৩নং প্ৰশ্নৰ উত্তৰ ঃ মহাভাৰত আৰু বাইবেলৰ অ'ল্ড টেষ্টামেণ্ট

৪নং প্ৰশ্নৰ উত্তৰ ঃ ক) ঐশ্বৰিক উৎপত্তি তত্ত্বই স্বৈৰাচাৰী শাসকৰ উত্থান ঘটাব পাৰে। কাৰণ এই তত্ত্বটোৱে ৰজাৰ অসীম আৰু স্বেচ্ছাচাৰী ক্ষমতাৰ পোষকতা কৰে।

খ) ঐশ্বৰিক উৎপত্তি তত্ত্বই কেৱল চৰম ৰাজতান্ত্ৰিক চৰকাৰ সমৰ্থন কৰে। কিন্তু সাম্প্ৰতিক পটভূমিত এনে চৰকাৰে প্ৰাসঙ্গিকতা হেৰুৱাই পেলাইছে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৬নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিক প্ৰৱণতা, স্ব-গোত্ৰীয়তা, শক্তি অথবা যুদ্ধ, ধৰ্ম, অৰ্থনৈতিক কাৰ্য্যকলাপ আৰু ৰাজনৈতিক সচেতনতা।

৭নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰৰ উৎপত্তি আৰু ক্ৰমবিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা এটা কাৰক হ'ল মানুহৰ মাজত গা কৰি উঠা ৰাজনৈতিক সচেতনতা। সময় বাগৰাৰ লগে লগে মানুহে আগতকৈ উন্নত আৰু সুস্থিৰ সামাজিক, নৈতিক আৰু বৌদ্ধিক জীৱন কটোৱাৰ বাবে আগ্ৰহী হৈ পৰিছিল। এইবোৰৰ লগতে মানুহে সমাজত শান্তি আৰু শৃঙ্খলা বৰ্তাই ৰখাৰ গুৰুত্বও উপলব্ধি কৰিছিল। লগে লগে মানুহৰ মনত ৰাজনৈতিক সচেতনতাৰো জন্ম হৈছিল। মানুহে বুজি উঠিছিল যে কিছুমান ৰাজনৈতিক সংগঠনৰ জৰিয়তেহে প্ৰগতি সম্ভৱপৰ হ'ব। এই সজাগতাই মানুহৰ প্ৰয়োজন আৰু আকাংক্ষা পূৰণৰ বাবে মানুহৰ মাজত সহযোগিতাৰ সৃষ্টি কৰিছিল। সময়ত এই সচেতনতাই ৰাষ্ট্ৰ গঠনত এক প্ৰধান ভূমিকা লৈছিল।



৫.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ ঐশ্বৰিক উৎপত্তি তত্ত্ব অনুসৰি ৰজা কাৰ ওচৰত দায়বদ্ধ?

প্ৰশ্ন ২ ঃ ৰাষ্ট্ৰৰ ক্ৰমবিকাশত সহায় কৰা যিকোনো দুটা কাৰকৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ "মানুহ স্বভাৱতেই এক সামাজিক প্ৰাণী" —কথাযাৰ কোনে কৈছিল?

খ) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰাষ্ট্ৰৰ ক্ৰমবিকাশত ধৰ্মৰ ভূমিকা সম্পৰ্কে এটি চমুটোকা লিখক।

প্ৰশ্ন ২ ঃ ঐশ্বৰিক উৎপত্তি তত্ত্বৰ উপযোগিতা সম্পৰ্কে চমুকৈ লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ঐশ্বৰিক উৎপত্তি তত্ত্বৰ সমালোচনাত্মক আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কীয় ক্ৰমবিকাশমূলক অথবা ঐতিহাসিক তত্ত্বটোৰ সমালোচনাত্মক ব্যাখ্যা আগবঢ়াওক।

*** ***** ***

অধ্যায় ৬ ঃ ৰাষ্ট্ৰৰ উৎপত্তিৰ তত্ত্ব ঃ সামাজিক চুক্তি তত্ত্ব

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ ৰাষ্ট্ৰৰ উৎপত্তিৰ সামাজিক চুক্তি তত্ত্ব

৬.৩.১ থমাছ হ'বচ্ৰ সামাজিক চুক্তি তত্ত্ব

৬.৩.২ জন ল'কৰ সামাজিক চুক্তি তত্ত্ব

৬.৩.৩ জ্যাঁ জ্যাক ৰুছোৰ সামাজিক চুক্তি তত্ত্ব

৬.৪ সামাজিক চুক্তি তত্ত্বৰ সমালোচনা

৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৬ অধিক জানিবলৈ

৬.৭ অগ্ৰগতিৰ খতিয়ান

৬.৮ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কীয় সামাজিক চুক্তি তত্ত্বৰ প্ৰধান যুক্তিবোৰ ব্যাখ্যা কৰিব পাৰিব
- থমাছ হ'বচ্ৰ সামাজিক চুক্তি তত্ত্ব সম্পৰ্কীয় দৃষ্টিভঙ্গী পৰীক্ষা কৰিব পাৰিব
- জন ল'কৰ সামাজিক চুক্তি তত্ত্ব সম্পৰ্কীয় দৃষ্টিভঙ্গী ব্যাখ্যা কৰিব পাৰিব
- জ্যাঁ জ্যাক ৰুছোৰ সামাজিক চুক্তি তত্ত্বটো আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

ইয়াৰ আগৰ খণ্ডটোৰ পঞ্চম অধ্যায়ত আমি ৰাষ্ট্ৰৰ উৎপত্তিৰ সৈতে জড়িত ঐশ্বৰিক উৎপত্তি তত্ত্ব আৰু ক্ৰমবিকাশমূলক তত্ত্বৰ বিষয়ে আলোচনা কৰিছো। ৰাষ্ট্ৰৰ উৎপত্তি বিষয়ক আন এটা গুৰুত্বপূৰ্ণ তত্ত্ব হ'ল সামাজিক চুক্তি তত্ত্ব। এই তত্ত্বই দৃঢ়ভাৱে বিশ্বাস কৰে যে মানুহৰ মাজত হোৱা চুক্তি অথবা সন্ধিৰ ফলশ্ৰুতিত ৰাষ্ট্ৰৰ উৎপত্তি ঘটিছে।সামাজিক চুক্তি তত্ত্বটো প্ৰধানকৈ তিনিগৰাকী মহান চিন্তাবিদৰ সৈতে জড়িত— থমাছ হ'বচ্, জন ল'ক আৰু জ্যাঁ জ্যাক ৰুছো। এই অধ্যায়টিত আমি এই তিনিওগৰাকী ৰাজনৈতিক চিন্তাবিদৰ দৃষ্টিভঙ্গীৰ উল্লেখেৰে সামাজিক চুক্তি তত্ত্বটো বুজাৰ প্ৰয়াস কৰিম।

৬.৩ ৰাষ্ট্ৰৰ উৎপত্তিৰ সামাজিক চুক্তি তত্ত্ব

ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কে সামাজিক চুক্তি তত্ত্বৰ মতামত হ'ল যে মানুহে নিজৰ মাজতে সম্পন্ন কৰা কোনো চুক্তি নাইবা সন্ধিৰ ফলাফল হিচাপে ৰাষ্ট্ৰৰ সৃষ্টি হয়। এই তত্ত্বটোৱে প্ৰাকৃতিক অৱস্থাক মানৱ জাতিৰ মৌলিক অৱস্থা বুলি বিবেচনা কৰে। প্ৰাকৃতিক অৱস্থাত মানুহৰ আচৰণ আৰু পাৰস্পৰিক সম্পৰ্ক নিয়ন্ত্ৰণ কৰিবলৈ কোনো সংস্থা অথবা কৰ্তৃত্ব নাছিল। এনে অনিয়ন্ত্ৰিত জীৱনৰ পৰা মুক্তি পাবলৈ মানুহে এক ধৰণৰ কৰ্তৃত্ব অথবা নাগৰিক সমাজৰ প্ৰয়োজনীয়তা অনুভৱ কৰিলে য'ত সকলোৱে এক সুস্থিৰ আৰু শান্তিপুৰ্ণ জীৱন কটাব পাৰে। সেয়েহে মানুহ নিজৰ মাজতে স্বেচ্ছাই এক চুক্তি নাইবা সন্ধিপত্ৰৰ দ্বাৰা শৃঙ্খলাৱদ্ধ হ'ল আৰু এনেকৈয়ে ৰাষ্ট্ৰৰ সৃষ্টি হ'ল। অৰ্থাৎ, সামাজিক চুক্তি তত্ত্ব মতে ৰাষ্ট্ৰ হ'ল এক মানৱীয় অনুষ্ঠান আৰু ই মানুহে পৰস্পৰৰ মাজত সম্পাদিত কৰা এক চুক্তিৰ পৰিণাম। মানুহে নিজৰ কল্যাণৰ বাবে ৰাষ্ট্ৰৰ সৃষ্টি কৰিছে। থমাছ হ'বচ্, জন ল'ক আৰু জ্যাঁ জ্যাক ৰুছো হ'ল সামাজিক চুক্তি তত্ত্বৰ প্ৰধান পৃষ্ঠপোষক।

৬.৩.১ থমাছ হ'বচ্ৰ সামাজিক চুক্তি তত্ত্ব

ব্ৰিটিছ ৰাজনৈতিক চিন্তাবিদ থমাছ হ'বচে তেওঁৰ বিখ্যাত গ্ৰন্থ লেভিয়াথানত (১৬৫১) সামাজিক চুক্তি তত্ত্বৰ জৰিয়তে ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কে আলোচনা কৰিছে। তেওঁৰ মতে ৰাষ্ট্ৰ গঠন হোৱাৰ আগতে মানুহ প্ৰাকৃতিক অৱস্থাত বাস কৰিছিল। থমাছ হ'বচৰ মতে প্ৰাকৃতিক অৱস্থা প্ৰাক্-সামাজিক আৰু প্ৰাক্-ৰাজনৈতিক আছিল। থমাছ হ'বচে ৰাষ্ট্ৰ গঠন হোৱাৰ আগতে মানুহে বাস কৰা প্ৰাকৃতিক অৱস্থাৰ বিষয়ে এক নেতিবাচক প্ৰতিচ্ছবি দাঙি ধৰিছিল। প্ৰাকৃতিক অৱস্থাত মানুহ অতি নীচ, নিকৃষ্ট, নিষ্ঠুৰ আৰু স্বাৰ্থপৰ স্বভাৱৰ আছিল। মানুহৰ শুদ্ধ-অশুদ্ধ সম্পৰ্কে কোনো ধৰণৰ জ্ঞান নাছিল। প্ৰাকৃতিক অৱস্থাত আইন, ন্যায় আৰু সহনশীলতাৰ নীতিসমূহৰ কোনো অস্তিত্ব নাছিল। ঠগ প্ৰৱঞ্চনা আৰু বল-শক্তিৰ প্ৰয়োগেই আছিল প্ৰাকৃতিক অৱস্থাৰ মূল নীতি। প্ৰতিজন মানুহেই প্ৰতিজনৰে শত্ৰু আছিল আৰু তেওঁলোকে অনবৰতে যুদ্ধ-বিগ্ৰহৰ আশঙ্কাত সময় অতিবাহিত কৰিছিল। সময় পাৰ হোৱাৰ লগে লগে এনে কষ্টকৰ জীৱনৰ পৰা মুক্তি লাভ কৰাৰ উদ্দেশ্যে মানুহে পৰস্পৰৰ সৈতে চুক্তিবদ্ধ হৈ এখন অসামৰিক চৰকাৰ গঠন কৰিছিল। এই চুক্তিৰ অধীনত মানুহে স্ব-সংৰক্ষণৰ বাহিৰে আন সকলোবোৰ প্ৰাকৃতিকভাৱে লব্ধ অধিকাৰ কোনো এগৰাকী ব্যক্তি অথবা একাধিক ব্যক্তিৰে গঠিত কোনো এক দলৰ হাতত সমৰ্পন কৰিছিল। এনে ব্যক্তি অথবা ব্যক্তিৰ গোট সাৰ্বভৌম ক্ষমতাৰ গৰাকী আছিল। সাৰ্বভৌম সত্বাটো এই চুক্তিৰ অংশ নাছিল। স্বাভাৱিকভাৱেই সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী ব্যক্তি অথবা ব্যক্তি গোটটো কোনো পৰিস্থিতিৰ দাস নাছিল আৰু অসীম ক্ষমতাৰ অধিকাৰী আছিল। সাৰ্বভৌম সত্বাটো মানুহৰ জীৱন আৰু অধিকাৰৰ সুৰক্ষাৰ প্ৰতি দায়বদ্ধ আছিল। যিহেতু প্ৰতিগৰাকী ব্যক্তিয়ে স্ব-ইচ্ছাই এই

চুক্তি মানি লৈছিল সেয়েহে তেওঁলোকৰ চুক্তিৰ নীতি-নিয়ম উলংঘা কৰা আৰু সার্বভৌম শক্তিৰ বিৰুদ্ধে বিদ্রোহ কৰাৰ অধিকাৰ নাছিল। সার্বভৌম সত্তাটো আছিল আইন প্রণয়ন আৰু বলৱৎকৰণৰ একমাত্র উৎস। তেওঁৰ অথবা তেওঁলোকৰ নির্দেশকে আইন বুলি মানি লোৱা হৈছিল। হ'বচ্‌ৰ মতে সামাজিক চুক্তিৰ অধীনত সার্বভৌম সত্তাটোৰ ক্ষমতা আৰু কর্তৃত্ব আছিল সর্বোচ্চ, অহস্তান্তৰযোগ্য, অবিভাজিত আৰু অসীম। এইদৰে হ'বচে মত পোষণ কৰিছিল যে মানুহৰ মাজত সম্পাদিত হোৱা সামাজিক চুক্তিৰ আধাৰতে ৰাষ্ট্র আৰু সার্বভৌম কর্তৃত্বৰ সৃষ্টি হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সামাজিক চুক্তি তত্ত্বৰ পৃষ্ঠপোষকতা কৰা দুগৰাকী উল্লেখযোগ্য সমর্থকৰ নাম লিখক।

.....

প্রশ্ন নং ২ ঃ সামাজিক চুক্তি তত্ত্বৰ মতে ৰাষ্ট্র হ'ল মানুহৰ মাজত হোৱা এক চুক্তিৰ পৰিণাম। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৩ ঃ 'লেভিয়াথান' গ্রন্থৰ ৰচক কোন?

.....

প্রশ্ন নং ৪ ঃ মানুহৰ প্রকৃতি সম্পর্কে থকা থমাছ হবচ্‌ৰ মতামত চমুকৈ বর্ণনা কৰক।

.....

.....

.....

.....

.....

৬.৩.২ জন ল'কৰ সামাজিক চুক্তি তত্ত্ব

সামাজিক চুক্তি তত্ত্বৰ আন এগৰাকী প্রবক্তা ব্রিটিছ ৰাজনৈতিক চিন্তাবিদ জন ল'কে তেওঁৰ গ্রন্থ 'টু ট্রিটাইজেছ অন চিভিল গভর্ণমেণ্ট' (Two Treatises on Civil Government) (১৬৯০)ত ৰাষ্ট্রৰ উৎপত্তি সম্পর্কে ব্যাখ্যা কৰিছে। জন ল'কেও মত পোষণ কৰিছে যে ৰাষ্ট্রৰ উৎপত্তিৰ আগতে মানুহ প্রাকৃতিক অৱস্থাত বাস কৰিছিল। ল'কেও মত প্রকাশ কৰিছে যে প্রাকৃতিক অৱস্থা প্রাক্‌-ৰাজনৈতিক আছিল। কিন্তু মানুহৰ স্বভাৰ সম্পর্কে তেওঁ হ'বচ্‌তকৈ ভিন্ন মত এটা পোষণ কৰিছিল। ল'কৰ মতে প্রাকৃতিক অৱস্থাত মানুহে যুদ্ধ-বিগ্রহৰ আশঙ্কা নথকা শান্তিপূর্ণ জীৱন কটাইছিল। মানুহে সমান অধিকাৰ

আৰু স্বাধীনতা উপভোগ কৰিছিল। মানুহৰ মাজত পাৰস্পৰিক সহযোগিতা আৰু বুজাবুজি আছিল। প্ৰাকৃতিক অৱস্থাৰ সৰ্বত্ৰতে প্ৰাকৃতিক আইনৰ উপস্থিতি আছিল। কিন্তু প্ৰাকৃতিক অৱস্থাত এই আইনৰ ব্যাখ্যা আগবঢ়াবলৈ কোনো ন্যায়ালয় অথবা ন্যায়াধীশ নাছিল। ফলত মানুহে নিজৰ ব্যক্তিগত স্বাৰ্থ পূৰণ হোৱাকৈ নিজস্ব ধৰণে এই আইনৰ ব্যাখ্যা আগবঢ়াইছিল। ইয়ে প্ৰাকৃতিক অৱস্থাত নৈৰাজ্যৰ দৰে সমস্যাৰ সৃষ্টি কৰিছিল। এনে সমস্যা জৰ্জৰিত অৱস্থাৰ পৰা মুক্তি পাবলৈ মানুহে দুই ধৰণৰ চুক্তি সম্পাদিত কৰিছিল— এটা হৈছে অসামৰিক চুক্তি আৰু আনটো হৈছে চৰকাৰী চুক্তি। এই দুই ধৰণৰ চুক্তিৰ ফলতেই ৰাষ্ট্ৰৰ উৎপত্তি হৈছিল। প্ৰথম অৱস্থাত, জনসাধাৰণে এখন নাগৰিক সমাজ গঠন কৰিছিল য'ত তেওঁলোকে শান্তি আৰু পাৰস্পৰিক সহযোগিতাৰ মাজেৰে বসবাস কৰিবলৈ এজনে আনজনক সন্মান জনাবলৈ সন্মতি প্ৰকাশ কৰিছিল। ইয়াৰ বাবে তেওঁলোকে প্ৰাকৃতিক অৱস্থাত উপভোগ কৰা কিছুমান অধিকাৰ (জীৱনৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰৰ বাহিৰে) সমৰ্পণ কৰিছিল। এইটো হৈছে অসামৰিক চুক্তি। দ্বিতীয় অৱস্থাত, জনসাধাৰণে এজন ব্যক্তি অথবা এটা ব্যক্তি সমষ্টিক ৰজা অথবা সাৰ্বভৌম কৰ্তৃপক্ষ হিচাপে মানি চলিবলৈ সন্মতি প্ৰকাশ কৰিছিল যিয়ে চৰকাৰ অথবা ৰাষ্ট্ৰ গঠনৰ কথা সূচায়। এই কৰ্তৃপক্ষক মানুহৰ জীৱন, স্বাধীনতা আৰু সম্পত্তিৰ অধিকাৰক সু�ৰক্ষা প্ৰদানৰ বাবে ক্ষমতা প্ৰদান কৰা হৈছিল। যদিহে সাৰ্বভৌম কৰ্তৃপক্ষই এই অধিকাৰ সমূহক সু�ৰক্ষা প্ৰদান কৰাত ব্যৰ্থ হয়, তেন্তে জনসাধাৰণৰ চৰকাৰখনক ক্ষমতাৰ পৰা অপসাৰিত কৰাৰ অধিকাৰ থাকিব। এইটো হৈছে চৰকাৰী চুক্তি। অৰ্থাৎ, ল'কৰ মতে সাৰ্বভৌম কৰ্তৃপক্ষ অসীম ক্ষমতাৰ অধিকাৰী নাছিল আৰু তেনে কৰ্তৃপক্ষ প্ৰজাক সুৰক্ষা প্ৰদানৰ বাবে দায়বদ্ধ আছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ জন ল'কৰ মতে প্ৰাকৃতিক অৱস্থাত মানুহৰ মাজত শান্তি আৰু সহযোগিতাৰ মনোভাৱে বিৰাজ কৰিছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৬ ঃ জন ল'কৰ মতে প্ৰাকৃতিক অৱস্থা প্ৰাক্-সামাজিক আৰু প্ৰাক্-ৰাজনৈতিক আছিল। (শুদ্ধ/ অশুদ্ধ)

.....

প্ৰশ্ন নং ৭ ঃ জন ল'কে উল্লেখ কৰা প্ৰাকৃতিক অৱস্থাৰ যিকোনো দুটা বিসঙ্গতিৰ বিষয়ে লিখক।

.....

.....

প্ৰশ্ন নং ৮ ঃ জন ল'কে উল্লেখ কৰা চুক্তি দুবিধ কি কি?

.....

৬.৩.৩ জ্যাঁ জ্যাক ৰুছোৰ সামাজিক চুক্তি তত্ত্ব

ফৰাচী ৰাজনৈতিক দাৰ্শনিক জ্যাঁ জ্যাক ৰুছো হ'ল সামাজিক চুক্তি তত্ত্বৰ আন এগৰাকী প্ৰখ্যাত প্ৰৱক্তা। তেওঁ 'দ্যা ছ'চিয়েল কনট্ৰাক্ট' (The Social Contract) (১৭৬২) নামৰ গ্ৰন্থখনত ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কে বিশদভাৱে আলোচনা কৰিছে। সামাজিক তত্ত্বটোৰ অন্য প্ৰবক্তাসকলৰ দৰে ৰুছোয়ো মত পোষণ কৰে যে ৰাষ্ট্ৰ গঠন হোৱাৰ পূৰ্বে মানুহে প্ৰাকৃতিক অৱস্থাত বাস কৰিছিল। প্ৰাকৃতিক অৱস্থাত মানুহে শান্তিপূৰ্ণ জীৱন-যাপন কৰিছিল আৰু তেওঁলোক অসীম স্বাধীনতাৰ গৰাকী আছিল। মানুহৰ মাজত কোনো প্ৰতিযোগিতা আৰু মতানৈক্য নাছিল। প্ৰাকৃতিক অৱস্থাত মানুহৰ মাজত সমতা বিৰাজ কৰিছিল। সেই সময়ছোৱাত ব্যক্তিগত সম্পত্তি অথবা ভুল-শুদ্ধৰ দৰে ধাৰণাবোৰৰ জন্ম হোৱা নাছিল। সময় বাগৰাৰ লগে লগে প্ৰাকৃতিক অৱস্থাত জনসংখ্যা বাঢ়ি গৈছিল। তেতিয়াই ব্যক্তিগত সম্পত্তিৰ ধাৰণাটোৱে গা কৰি উঠিছিল। প্ৰাকৃতিক অৱস্থাত ব্যক্তিগত সম্পত্তিৰ ধাৰণাটোৰ ফলত বাদ-বিবাদ আৰু দ্বন্দ্বৰ সৃষ্টি হৈছিল। মানুহ স্বাৰ্থপৰ হৈ পৰিছিল আৰু পৰস্পৰে পৰস্পৰক বেয়া পাবলৈ ধৰিছিল। এনে অসহনীয় আৰু কষ্টকৰ পৰিস্থিতিৰ পৰা ৰক্ষা পাবলৈ মানুহ চুক্তিত উপনীত হৈছিল আৰু এই চুক্তিৰ ফলতেই নাগৰিক সমাজৰ গঠন হৈছিল। মানুহে নিজে নিজৰ ওচৰত আটাইবোৰ প্ৰাকৃতিক অধিকাৰ সমৰ্পণ কৰিছিল। তেওঁলোকৰ মাজত কোনো উচ্চ ব্যক্তি অথবা ব্যক্তিৰ দল সাৰ্বভৌম ব্যক্তি অথবা কৰ্তৃত্ব হিচাপে নাছিল। সেয়েহে প্ৰতিজন মানুহেই সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী হৈছিল। ৰুছোৰ মতে সামাজিক চুক্তি অনুসৰি সাৰ্বভৌম ক্ষমতা সম্প্ৰদায় অথবা সাধাৰণ মানুহৰ হাততে ন্যস্ত আছিল। সম্প্ৰদায়ৰ এই সাৰ্বভৌম কৰ্তৃত্বটো অবিভাজ্য আৰু অহস্তান্তৰযোগ্য।

সাধাৰণ মানুহৰ সাৰ্বভৌম ক্ষমতা বুজাবলৈ ৰুছোই সাধাৰণ ইচ্ছাৰ (General Will) ধাৰণাটো উল্লেখ কৰিছিল। ৰুছোই তেওঁৰ সামাজিক চুক্তি তত্ত্বৰ দ্বাৰা জন সাৰ্বভৌমত্বৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। ৰুছোৰ মতে মানুহে সম্প্ৰদায়ৰ ইচ্ছাৰ আগত নিজৰ অধিকাৰবোৰ বিনা চৰ্তে সমৰ্পণ কৰিছিল। এই সমৰ্পণৰ আঁৰত আছিল নিজৰ কল্যাণৰ চিন্তা। সংখ্যাগৰিষ্ঠৰ ইচ্ছা সাধাৰণ ইচ্ছা ৰূপ (General Will)ত প্ৰতিফলন ঘটিছিল। সাধাৰণ ইচ্ছাই জনসাধাৰণৰ কল্যাণ সাধনৰ পোষকতা কৰে। এই সাধাৰণ ইচ্ছা হ'ল অবিভাজ্য, অবিচ্ছেদ্য, অহস্তান্তৰযোগ্য আৰু স্থায়ী।

হ'বচ, ল'ক আৰু ৰুছোৰ মতামত আলোচনা কৰাৰ পাছত ক'ব পৰা যায় যে সামাজিক চুক্তি তত্ত্বৰ মতে জনসাধাৰণ আৰু এটা সাৰ্বভৌম কৰ্তৃত্বৰ মাজত ইতিহাসৰ কোনো এক নিৰ্দিষ্ট সময়ত হোৱা চুক্তি এখনৰ ফলতেই ৰাষ্ট্ৰৰ উৎপত্তি হৈছিল।

৬.৪ সামাজিক চুক্তি তত্ত্বৰ সমালোচনা

ৰাষ্ট্ৰৰ উৎপত্তিৰ সামাজিক চুক্তি তত্ত্বটোক বিভিন্ন দিশৰ পৰা সমালোচনা কৰা হয়। তলত তাৰে দুটামান দিশ উল্লেখ কৰা হ'ল—

- সমালোচকৰ মতে সামাজিক চুক্তি তত্ত্বটোৰ কোনো ঐতিহাসিক ভিত্তি নাই। ইতিহাসৰ ক'তো কোনো লিখিত প্ৰমাণ নাই যে মানুহৰ মাজত হোৱা চুক্তিৰ ফলশ্ৰুতিত ৰাষ্ট্ৰৰ উৎপত্তি হৈছিল।
- সামাজিক চুক্তি তত্ত্বক সমালোচনা কৰি ক্ৰমবিকাশমূলক তত্ত্বৰ সমালোচকসকলে ক'ব খোজে যে ৰাষ্ট্ৰ কৃত্ৰিম অনুষ্ঠান নহয়। ই সমাজৰ ক্ৰমবিকাশৰ ফলত সৃষ্টি হোৱা অনুষ্ঠান আৰু ইয়াৰ এক স্বাভাৱিক বিকাশ আছে।
- সমালোচকসকলৰ মতে হ'বচে মানুহৰ স্বভাৱৰ এখন একপক্ষীয় ছবিহে উপস্থাপন কৰিছে। তেওঁ মানুহৰ স্বভাৱক অতি নেতিবাচকভাৱে দৰ্শাইছে। তেওঁৰ মতে মানুহবোৰ নীচ, নিকৃষ্ট, নিষ্ঠুৰ আৰু স্বাৰ্থপৰ আছিল। সমালোচকসকলৰ মতে হ'বচে মানুহৰ গাত থকা সহানুভূতি, সহযোগিতা, মৰম আদিৰ দৰে মানৱীয় ইতিবাচক গুণবোৰক আওকাণ কৰিছে।
- একে সময়তে সমালোচকসকলে জন ল'ক আৰু ৰুছোৰ মানুহৰ প্ৰকৃতি বিষয়ক দৃষ্টিভঙ্গীকো সমালোচনা কৰিছে। দুয়োগৰাকী চিন্তাবিদৰ মতে প্ৰাকৃতিক অৱস্থাত মানুহ আটাইবোৰ ইতিবাচক প্ৰমূল্য আৰু গুণৰ অধিকাৰী আছিল। কিন্তু বাস্তৱ ক্ষেত্ৰত মানুহৰ গাত ইতিবাচক আৰু নেতিবাচক দুয়ো ধৰণৰ উপাদানেই থাকে।
- সামাজিক চুক্তি তত্ত্ব মতে প্ৰাকৃতিক অৱস্থাত সকলো মানুহ সমান। সমালোচকৰ মতে এই ধাৰণা শুদ্ধ নহয়। সমতা নহয় অসমতাহে প্ৰাকৃতিক অৱস্থাৰ সাধাৰণ বৈশিষ্ট্য আছিল।

সামাজিক চুক্তি তত্ত্বক সমালোচনা কৰা হয় যদিও তত্ত্বটোৰ ৰাষ্ট্ৰৰ উৎপত্তি ব্যাখ্যা কৰাত স্বকীয় গুৰুত্ব আছে। এই তত্ত্বটোৱে প্ৰতিষ্ঠা কৰিব খোজা ধাৰণা এটা হ'ল ৰাষ্ট্ৰ এক মানৱীয় অনুষ্ঠান। মানুহে নিজৰ কল্যাণ আৰু মঙ্গলৰ বাবে ৰাষ্ট্ৰৰ সৃষ্টি কৰিছিল। তত্ত্বটোৱে ইয়াকো প্ৰতিষ্ঠা কৰিছে যে মানুহৰ সন্মতিয়েই হ'ল ৰাষ্ট্ৰৰ আধাৰ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কীয় জ্যাঁ জ্যাক ৰুছোৰ দ্বাৰা ৰচিত এখন গ্ৰন্থৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ১০ ঃ ৰুছোৱে 'সাধাৰণ ইচ্ছা'ৰ দ্বাৰা কি বুজাইছিল?

.....

.....

প্ৰশ্ন নং ১১ ঃ সামাজিক চুক্তি তত্ত্বৰ যিকোনো দুটা সমালোচনা লিখক।

.....

.....

.....

.....

.....



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কীয় সামাজিক চুক্তি তত্ত্বৰ মতে মানুহে নিজৰ মাজতে সম্পন্ন কৰা কোনো চুক্তি নাইবা সন্ধিৰ ফলাফল হিচাপে ৰাষ্ট্ৰৰ সৃষ্টি হয়। থমাছ হ'বচ্, জন ল'ক আৰু জ্যাঁ জ্যাক ৰুছো হ'ল সামাজিক চুক্তি তত্ত্বৰ প্ৰধান পৃষ্ঠপোষক।
- সামাজিক চুক্তি তত্ত্বই প্ৰাকৃতিক অৱস্থাক মানৱ জাতিৰ মৌলিক পৰিৱেশ বুলি গণ্য কৰে। মানুহৰ আচৰণ আৰু পাৰস্পৰিক সম্পৰ্ক নিয়ন্ত্ৰণ কৰিবলৈ প্ৰাকৃতিক অৱস্থাত কোনো সংগঠন অথবা কৰ্তৃত্ব নাছিল। এনে নিয়ন্ত্ৰণহীন জীৱনৰ পৰা মুক্ত হ'বলৈ মানুহে স্বেচ্ছাই এক চুক্তি অথবা সন্ধিৰ দ্বাৰা বান্ধ খালে আৰু এনেকৈয়ে ৰাষ্ট্ৰৰ উৎপত্তি হ'ল।
- সামাজিক চুক্তি তত্ত্বৰ এগৰাকী প্ৰধান সমৰ্থক হ'ল থমাছ হ'বচ্। তেওঁৰ মতে প্ৰাকৃতিক অৱস্থাত বাস কৰা মানুহৰ অৱস্থা আছিল অতি শোচনীয়। প্ৰাকৃতিক অৱস্থাত মানুহ অতি নীচ, নিকৃষ্ট, নিষ্ঠুৰ আৰু স্বাৰ্থপৰ স্বভাৱৰ আছিল। সহজ ভাষাত ক'বলৈ হ'লে থমাছ হ'বচে মানুহৰ প্ৰকৃতি সম্পৰ্কে এখন অতি নেতিবাচক ছবি দাঙি ধৰিছিল।
- থমাছ হ'বচ্ৰ মতে প্ৰাকৃতিক অৱস্থাৰ এনে শোচনীয় জীৱন দশাৰ পৰা মুক্ত হ'বলৈ মানুহে নিজে নিজে এক চুক্তিৰ দ্বাৰা বান্ধ খাইছিল। এই চুক্তিৰ অধীনত মানুহে আত্ম-সংৰক্ষণৰ বাহিৰে আন সকলোবোৰ প্ৰাকৃতিকভাৱে লব্ধ অধিকাৰ কোনো এগৰাকী ব্যক্তি অথবা একাধিক ব্যক্তিৰে গঠিত কোনো এক দলৰ হাতত সমপৰ্ণ কৰিছিল। এনে ব্যক্তি অথবা দল সাৰ্বভৌম কৰ্তৃত্বত পৰিণত হৈছিল আৰু এনেকৈয়ে ৰাষ্ট্ৰৰ উত্থান ঘটিছিল।
- সামাজিক চুক্তি তত্ত্বৰ জৰিয়তে থমাছ হ'বচে এই কথাও প্ৰকাশ কৰিছিল যে সাৰ্বভৌমত্বৰ গৰাকী ব্যক্তি অথবা দল এই চুক্তিৰ অংশ নহয়। সাৰ্বভৌম কৰ্তৃত্বই মানুহৰ জীৱন তথা অধিকাৰবোৰক সুৰক্ষা প্ৰদান কৰিবলৈ দায়ৱদ্ধ। হ'বচ্ৰ মতে এই চুক্তিৰ অধীনত সাৰ্বভৌমৰ ক্ষমতা তথা কৰ্তৃত্ব আছিল চৰম, অবিচ্ছেদ্য, অবিভাজ্য আৰু অসীম।
- সামাজিক চুক্তি তত্ত্বৰ আন এগৰাকী প্ৰধান সমৰ্থক আছিল জন ল'ক। তেওঁৰ মতে ৰাষ্ট্ৰৰ উত্থান ঘটাৰ আগতে মানুহে শান্তিপূৰ্ণভাৱে প্ৰাকৃতিক অৱস্থাত বাস কৰিছিল।

- ল'কৰ মতে প্ৰাকৃতিক অৱস্থাত প্ৰাকৃতিক আইনৰ প্ৰচলন আছিল। কিন্তু সেই আইনৰ ব্যাখ্যা দাঙি ধৰিব পৰা কোনো আদালত অথবা বিচাৰক নাছিল। ফলত মানুহে নিজৰ ব্যক্তিগত স্বাৰ্থ পূৰণ হোৱাকৈ নিজস্ব ধৰণে এই আইনৰ ব্যাখ্যা আগবঢ়াইছিল। ইয়ে প্ৰাকৃতিক অৱস্থাত নৈৰাজ্যৰ দৰে সমস্যাৰ সৃষ্টি কৰিছিল। এনে সমস্যা জৰ্জৰিত অৱস্থাৰ পৰা মুক্তি পাবলৈ মানুহে সামাজিক চুক্তি সম্পাদিত কৰিছিল।
- ল'কৰ মতে মানুহে দুখন চুক্তি সম্পাদিত কৰিছিল— ইয়াৰে এখন হ'ল অসামৰিক চুক্তি আৰু আনখন হ'ল চৰকাৰী চুক্তি। এই দুয়োখন চুক্তিৰ ফলত ৰাষ্ট্ৰৰ সৃষ্টি হৈছিল। কিন্তু ল'কৰ মতে সাৰ্বভৌম কৰ্তৃত্বটো অসীম ক্ষমতাৰ অধিকাৰী নাছিল। ই মানুহক সুৰক্ষা প্ৰদান কৰিবলৈ দায়বদ্ধ আছিল।
- জ্যাঁ জ্যাক ৰুছো হ'ল সামাজিক চুক্তি তত্ত্বৰ আন এগৰাকী প্ৰধান পৃষ্ঠপোষক। ৰুছোৰ মতেও ৰাষ্ট্ৰ গঠন হোৱাৰ পূৰ্বে মানুহ প্ৰাকৃতিক অৱস্থাত বাস কৰিছিল। প্ৰাকৃতিক অৱস্থাত মানুহৰ জীৱন আছিল শান্তিপূৰ্ণ আৰু অসীম স্বাধীনতাৰে ভৰা। অৱশ্যে, সময় বাগৰাৰ লগে লগে প্ৰাকৃতিক অৱস্থাত জনসংখ্যা বাঢ়ি গৈছিল। একে সময়তে ব্যক্তিগত সম্পত্তিৰ ধাৰণাটোৱেও গা কৰি উঠিছিল। প্ৰাকৃতিক অৱস্থাত এই কথাটোৱে বিবাদ আৰু মতানৈক্যৰ সৃষ্টি কৰিছিল। এনে শোচনীয় পৰিস্থিতিৰ পৰা মুক্ত হ'বলৈ মানুহে নিজৰ মাজতে এক চুক্তি সম্পাদিত কৰিছিল।
- ৰুছোৰ মতে সামাজিক চুক্তিৰ জৰিয়তে মানুহে নিজৰ সকলোবোৰ প্ৰাকৃতিক অধিকাৰ নিজকে সমৰ্পণ কৰিছিল। সেইবোৰ কোনো শ্ৰেষ্ঠ ব্যক্তি অথবা ব্যক্তি গোটক সাৰ্বভৌম কৰ্তৃত্ব বুলি ধৰি লৈ সমৰ্পণ কৰা হোৱা নাছিল। অৰ্থাৎ, মানুহ আছিল নিজেই সাৰ্বভৌম কৰ্তৃত্ব।
- মানুহৰ সাৰ্বভৌম ক্ষমতাৰ উল্লেখ কৰিবলৈ ৰুছোই 'সাধাৰণ ইচ্ছা' (General Will)ৰ ধাৰণাটো সংজ্ঞাৱদ্ধ কৰিছিল। নিজৰ সামাজিক চুক্তি তত্ত্বৰ জৰিয়তে তেওঁ জন সাৰ্বভৌমত্বৰ ওপৰত জোৰ দিছিল।



৬.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*; গুৱাহাটী ঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; যোৰহাট ঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰৱৰ্তী, আদ্যনাথ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Agarwal, R. C. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.
2) Asirvatham, E. & Misra, K. K. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.
3) Jayapalan, N. (2002): *Comprehensive Political Theory*; Delhi: Atlantic Publishers and Distributors.
4) Kapur, A. C. (2006): *Principles of Political Science*; New Delhi: S. Chands & Company Ltd.
5) Sharma, R. K. (2011): *Modern Political Science*; New Delhi: DPS Publications.

৬.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ থমাছ হ'বচ্ আৰু জন ল'ক

২নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৩নং প্ৰশ্নৰ উত্তৰ ঃ থমাছ হ'বচ্

৪নং প্ৰশ্নৰ উত্তৰ ঃ থমাছ হ'বচে মানুহৰ প্ৰকৃতিৰ বিষয়ে এক নেতিবাচক প্ৰতিচ্ছবি দাঙি ধৰিছিল। প্ৰাকৃতিক অৱস্থাত মানুহ অতি নীচ, নিকৃষ্ট, নিষ্ঠুৰ আৰু স্বাৰ্থপৰ স্বভাৱৰ আছিল। মানুহৰ শুদ্ধ-অশুদ্ধ সম্পৰ্কে কোনো ধৰণৰ জ্ঞান নাছিল। প্ৰাকৃতিক অৱস্থাত আইন, ন্যায় আৰু সহনশীলতাৰ নীতিসমূহৰ কোনো অস্তিত্ব নাছিল। প্ৰতিজন মানুহেই প্ৰতিজনৰে শত্ৰু আছিল আৰু তেওঁলোকে অনবৰতে যুদ্ধ-বিগ্ৰহৰ আশঙ্কাত সময় অতিবাহিত কৰিছিল।

৫নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৬নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ

৭নং প্ৰশ্নৰ উত্তৰ ঃ ক) কোনো আইন-আদালত নাছিল।
খ) আইনৰ ব্যাখ্যা কৰিবলৈ কোনো বিচাৰক নাছিল।

৮নং প্ৰশ্নৰ উত্তৰ ঃ অসামৰিক চুক্তি আৰু চৰকাৰী চুক্তি।

৯নং প্ৰশ্নৰ উত্তৰ ঃ "দ্যা ছ'চিয়েল কনট্ৰাক্ট"

১০নং প্ৰশ্নৰ উত্তৰ ঃ 'সাধাৰণ ইচ্ছা'ৰ ধাৰণাটোৰে ৰুছোই জনসাধাৰণৰ সাৰ্বভৌম ক্ষমতাৰ কথা বুজাইছিল। তেওঁৰ মতে 'সাধাৰণ ইচ্ছা' অবিভাজ্য, অবিচ্ছেদ্য আৰু স্থায়ী।

১১নং প্ৰশ্নৰ উত্তৰ ঃ ক) সমালোচকৰ মতে সামাজিক চুক্তি তত্ত্বটোৰ কোনো ঐতিহাসিক ভিত্তি নাই। ইতিহাসৰ ক'তো কোনো লিখিত প্ৰমাণ নাই যে মানুহৰ মাজত হোৱা চুক্তিৰ ফলশ্ৰুতিত ৰাষ্ট্ৰৰ উৎপত্তি হৈছিল।

খ) সামাজিক চুক্তি তত্ত্বক সমালোচনা কৰি ক্ৰমবিকাশমূলক তত্ত্বৰ সমালোচকসকলে ক'ব খোজে যে ৰাষ্ট্ৰ কৃত্ৰিম অনুষ্ঠান নহয়। ই সমাজৰ ক্ৰমবিকাশৰ ফলত সৃষ্টি হোৱা অনুষ্ঠান আৰু ইয়াৰ এক স্বাভাৱিক বিকাশ আছে।



৬.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ 'টু ট্ৰিটাইজেছ অন চিভিল গভৰ্ণমেণ্ট' (Two Treatises on Civil Government) নামৰ গ্ৰন্থখনৰ লেখক কোন?

প্ৰশ্ন ২ ঃ সামাজিক চুক্তি তত্ত্ব মতে মানৰ জাতিৰ মৌলিক অৱস্থাটো কি আছিল?

প্ৰশ্ন ৩ ঃ থমাছ হ'বচ্‌ৰ মতে আইনৰ একমাত্ৰ উৎস কোন আছিল?

খ) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মানুহৰ প্ৰকৃতি সম্পৰ্কে থকা জন ল'কৰ দৃষ্টিভঙ্গী চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ সামাজিক চুক্তি তত্ত্বৰ সমালোচনাবোৰৰ বিষয়ে এটি চমুটোকা লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ থমাছ হ'ব্‌চৰ সামাজিক চুক্তি তত্ত্বটো ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ জন ল'কৰ সামাজিক চুক্তি তত্ত্বটোৰ সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৩ ঃ জ্যাঁ জ্যাক ৰুছোৰ সামাজিক চুক্তি তত্ত্বটো পৰীক্ষা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ সার্বভৌমত্ব

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ সার্বভৌমত্বৰ অর্থ
৭.৪ সার্বভৌমত্বৰ বৈশিষ্ট্য
৭.৫ সার্বভৌমত্বৰ বিভিন্ন ৰূপ
৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৭ অধিক জানিবলৈ
৭.৮ অগ্রগতিৰ খতিয়ান
৭.৯ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সার্বভৌমত্বৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- সার্বভৌমত্বৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰিব পাৰিব
- সার্বভৌমত্বৰ বিভিন্ন ৰূপসমূহৰ বর্ণনা আগবঢ়াব পাৰিব।

৭.২ পৰিচয়

ইতিমধ্যে আমি আলোচনা কৰি আহিছো যে ৰাষ্ট্ৰ এখনৰ চাৰিটা প্ৰধান উপাদান হৈছে জনসংখ্যা, ভূখণ্ড, চৰকাৰ আৰু সার্বভৌমত্ব। এই আটাইকেইটা উপাদানৰ মাজত সার্বভৌমত্ব হৈছে আটাইতকৈ উল্লেখযোগ্য উপাদান যিয়ে ৰাষ্ট্ৰ এখনক ৰাজনৈতিকভাৱে স্বাধীন কৰি ৰাখে। সার্বভৌমত্ব একচেতীয়াভাৱে ৰাষ্ট্ৰৰ লগত সংযুক্ত। সার্বভৌমত্ব থকা বাবেই ৰাষ্ট্ৰ এখনৰ চৰকাৰে কর্তৃত্বৰ প্ৰয়োগ কৰিব পাৰে আৰু ৰাষ্ট্ৰখনৰ জনসাধাৰণৰ বাবে বাধ্যতামূলক আইন আৰু নীতিসমূহ প্ৰস্তুত কৰে আৰু কার্য্যকৰী কৰে। গতিকে ৰাজনীতি বিজ্ঞান বিষয়ত সার্বভৌমত্ব ধাৰণাটোৰ অধ্যয়নে বিশেষ তাৎপর্য্য বহন কৰে। এই অধ্যায়টিত আমি সার্বভৌমত্বৰ অর্থ, বৈশিষ্ট্য আৰু বিভিন্ন প্ৰকাৰ আলোচনা কৰিম ।

৭.৩ সার্বভৌমত্বৰ অর্থ

সার্বভৌমত্ব হৈছে ৰাষ্ট্ৰৰ সবাতোকৈ প্ৰয়োজনীয় উপাদান কাৰণ ইয়াৰ অবিহনে ৰাষ্ট্ৰৰ অস্তিত্ব নাথাকে। 'সার্বভৌমত্ব' অর্থাৎ 'ছোভাৰেইনটি' (Sovereignty) শব্দটো লেটিন শব্দ



জিন ব'ডিন (১৫৩০-১৫৯৬) ঃ তেওঁ এগৰাকী ফৰাচী ৰাজনৈতিক দার্শনিক আৰু আইনজ্ঞ আছিল।

'ছুপাৰেনাছ' (Superannus) শব্দৰ পৰা উৎপত্তি হৈছে যাৰ অর্থ হ'ল সর্বোচ্চ বা শ্রেষ্ঠ (Supreme)। ফ্রাঞ্চৰ ৰজা হেনৰি তৃতীয়ৰ দিনত সবাতোকৈ গুৰুত্ব পোৱা ফৰাচী আইনজ্ঞ আৰু ৰাজনীতি বিজ্ঞানী ***জিন ব'ডিনে*** (Jean Bodin) পোনপ্রথমে সার্বভৌমত্বৰ আধুনিক ধাৰণাৰ জন্ম দিছিল আৰু এই ধাৰণাক শৃঙ্খলিতভাৱে গঢ় দিছিল। তেওঁ তেওঁৰ বিখ্যাত গ্রন্থ "দ্যা ছিক্স বুকছ্ অব দ্যা ৰিপাব্লিক" (The Six Books of the Republic)ত ১৫৭৬ চনত পোন প্রথমবাৰৰ বাবে 'সার্বভৌমত্ব'ৰ বিষয়ে বিস্তৃত আলোচনা আৰু পর্য্যালোচনা কৰিছিল। ব'ডিনে মত প্রকাশ কৰিছিল যে সার্বভৌমত্ব হ'ল নাগৰিক আৰু জনগণৰ ওপৰত প্রযুক্ত আইনৰ দ্বাৰা অনিয়ন্ত্রিত চূড়ান্ত ক্ষমতা আৰু এই চূড়ান্ত ক্ষমতা হৈছে নিৰন্তৰ, চর্তসাপেক্ষ অথবা চর্তহীন, অহস্তান্তৰযোগ্য, অপ্রত্যক্ষ আৰু আইনৰ বাধাহীন। এইখিনিতে এইটো কথা উল্লেখ কৰিব পাৰি যে প্রাচীন কালতো সার্বভৌমত্বৰ ধাৰণাটোৰ বিষয়ে বিভিন্ন দার্শনিক পণ্ডিতে উল্লেখ কৰিছিল। ৰাজনীতি বিজ্ঞানৰ পিতৃস্বৰূপ এৰিষ্টটলে ৰাষ্ট্রত সর্বোচ্চ ক্ষমতাৰ বিষয়ে কৈছিল। ৰোমৰ আইনজ্ঞসকলে আৰু বহুতো মধ্যযুগীয় পণ্ডিতে ৰাষ্ট্রৰ পূর্ণ ক্ষমতাৰ বিষয়ে উল্লেখ কৰিছিল। গতিকে দেখা যায় যে বিভিন্ন কালত পণ্ডিতসকলে ৰাষ্ট্রৰ সার্বভৌমত্ব অথবা সর্বোচ্চ ক্ষমতাৰ বিষয়ে আলোচনা কৰি আহিছে। পণ্ডিতসকলে তেওঁলোকৰ নিজৰ দৃষ্টিভংগীৰ মাধ্যমেৰে সার্বভৌমত্বৰ সংজ্ঞা নির্ধাৰণ কৰিছে। সার্বভৌমত্বৰ কেইটামান সংজ্ঞা তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি।

ব্রিটিছ আইনজ্ঞ ব্লেকষ্টোনৰ মতে, "সার্বভৌমত্ব চৰম, অপ্রতিৰোধ্য আৰু চর্তহীন কর্তৃত্ব য'ত বৈধ ক্ষমতাই বিৰাজ কৰে।" (Gokhale, B. K.: *Political Science (Theory And Governmental Machinery)*, Himalaya Publishing House, Mumbai, 2007,

আমেৰিকাৰ পূর্বৰ ৰাষ্ট্রপতি উইলচনৰ ভাষাত সার্বভৌমত্ব হৈছে, "আইন প্রণয়ন আৰু আইনৰ কার্য্যকৰী কৰাৰ নিত্য কার্য্যক্ষম ক্ষমতা।" (Gogoi, Purandar: *Degree Political Theory*, Banalata Publication, Dibrugarh, 2007, page: 200)

বিখ্যাত ডাছ দার্শনিক হুগু গ্রটিয়াছৰ মতে, "সার্বভৌমত্ব সর্বোচ্চ ৰাজনৈতিক ক্ষমতা আৰু সেই ক্ষমতাৰ কার্য্য কাৰো বহতীয়া নহয় আৰু কোনেও অৱজ্ঞা কৰিব নোৱাৰে।" (Gogoi, Purandar: *Degree Political Theory*, Banalata Publication, Dibrugarh, 2007, page: 200)

আমেৰিকাৰ পণ্ডিত বার্জেছৰ মতে, "সার্বভৌমত্ব হ'ল ৰাষ্ট্রৰ ব্যক্তি আৰু অনুষ্ঠানৰ ওপৰত প্রয়োগ কৰা ৰাষ্ট্রৰ মৌলিক, সর্বোচ্চ আৰু অসীম ক্ষমতা।" (Gogoi, Purandar: *Degree Political Theory*, Banalata Publication, Dibrugarh, 2007, page: 200)

আমেৰিকাৰ পণ্ডিত ডব্লিউ. এফ. উইলবিৰ মতে, "সার্বভৌমত্ব হৈছে ৰাষ্ট্রৰ সর্বপ্রধান ইচ্ছা।" (Gokhale, B. K.: *Political Science (Theory And Governmental Machinery)*, Himalaya Publishing House, Mumbai, 2007, page: 141)

উল্লিখিত সংজ্ঞাসমূহৰ পৰা ইয়াকে ক'ব পাৰি যে ৰাজনীতি বিজ্ঞানীসকলে 'সার্বভৌমত্ব'

শব্দটোৰ জৰিয়তে ৰাষ্ট্ৰৰ চৰম, সৰ্বোচ্চ, সীমাহীন, অহস্তান্তৰযোগ্য, অবিভাজ্য আৰু স্থায়ী ক্ষমতাক সূচাইছে।

ইয়ে ৰাষ্ট্ৰ এখনৰ নিজৰ চাৰিসীমাৰ ভিতৰত সকলো ব্যক্তি আৰু অনুষ্ঠান প্ৰতিষ্ঠানৰ ওপৰত ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতাক সূচায়। ই হৈছে ৰাষ্ট্ৰৰ আভ্যন্তৰীণ সার্বভৌমত্ব যাৰ দ্বাৰা ৰাষ্ট্ৰই নিজৰ চাৰিসীমাৰ ভিতৰত সকলো নাগৰিক আৰু সংস্থাৰ ওপৰত বাধ্যতামূলকভাৱে প্ৰযোজ্য হোৱাকৈ আইন প্ৰণয়ণ কৰা, আদেশ জাৰি কৰা আৰু ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণৰ সৰ্বোচ্চ কৰ্তৃত্ব লাভ কৰে। সার্বভৌম ক্ষমতাৰ জৰিয়তে ৰাষ্ট্ৰই প্ৰণয়ন কৰা আইন আৰু আদেশৰ প্ৰতি নাগৰিকৰ আনুগত্য প্ৰকাশ কৰিবলৈ বাধ্য কৰাব পাৰে আৰু এই আইন ভঙ্গ কৰিলে ৰাষ্ট্ৰই শাস্তি প্ৰদান কৰিব পাৰে। একে সময়তে সার্বভৌমত্বই ৰাষ্ট্ৰ এখন বিদেশী নিয়ন্ত্ৰণ পৰা স্বাধীন ধাৰণাটোকো সূচায়। অর্থাৎ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক বজাই ৰখাৰ ক্ষেত্ৰত ৰাষ্ট্ৰ এখন আন ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ অথবা হস্তক্ষেপৰ পৰা মুক্ত থাকিব। ইয়াক বহিঃ সার্বভৌমত্ব বোলা হয় যাৰ জৰিয়তে ৰাষ্ট্ৰ এখনে স্বাধীনভাৱে নিজা বৈদেশিক নীতি প্ৰস্তুত কৰাৰ লগতে যুদ্ধ ঘোষণা আৰু শান্তি স্থাপনৰ অধিকাৰ লাভ কৰে। বহিঃ সার্বভৌমত্বই ইয়াকো সূচায় যে সার্বভৌম ক্ষমতা থকা বাবেই সৰু ডাঙৰ সকলো ৰাষ্ট্ৰ সমান। এখন ৰাষ্ট্ৰই আন এখন ৰাষ্ট্ৰক নির্দেশ দিব নোৱাৰে আৰু ই বেলেগৰ আদেশ মানি চলিবলৈকে বাধ্য নহয়। গতিকে দেখা যায় যে ৰাষ্ট্ৰ এখনৰ সার্বভৌমত্বৰ দুটা দিশ আছে— আভ্যন্তৰীণ সার্বভৌমত্ব আৰু বহিঃ সার্বভৌমত্ব।

জানি থোৱা ভাল



সার্বভৌমত্ব হৈছে ৰাষ্ট্ৰৰ অপৰিহার্য্য উপাদান। ৰাষ্ট্ৰৰ লগত সার্বভৌমত্ব ওতঃপ্ৰোতভাৱে জড়িত। ৰাষ্ট্ৰৰ বিষয়ে মানুহৰ ধাৰণাৰ পৰিৱৰ্তন হোৱাৰ লগে লগে বিভিন্ন যুগত সার্বভৌমত্বৰ ধাৰণাৰো পৰিৱৰ্তন হৈ আহিছে। গ্ৰীক দার্শনিক এৰিষ্টটলে সার্বভৌমত্বক ৰাষ্ট্ৰৰ 'সৰ্বোচ্চ ক্ষমতা' বুলি অভিহিত কৰিছে। ৰোমান আইনজ্ঞসকলো সার্বভৌমত্বৰ ধাৰণাৰ লগত পৰিচিত আছিল। মধ্যযুগত, সার্বভৌমত্বই ৰজাৰ কর্তৃত্ব নাইবা পোপ বা ধর্মযাজকৰ কর্তৃত্বক বুজাইছিল।

চিন্তা-চর্চা কৰক ৭.১



ভাৰতবর্ষই বিদেশী ৰাষ্ট্ৰৰ লগত সামৰিক আৰু বাণিজ্যৰ চুক্তি স্বাক্ষৰ কৰাটো নিশ্চয় আপোনালোকে শুনিছে। ই কেনে ধৰণৰ সার্বভৌমত্বক সূচায়?

.....

.....

.....

৭.৪ সার্বভৌমত্বৰ বৈশিষ্ট্য

সার্বভৌমত্বৰ কেইবাটাও বৈশিষ্ট্য আছে। সেইবোৰ তলত আলোচনা কৰা হ'ল—

- **অসীমতা (Absoluteness) ঃ** ৰাষ্ট্ৰৰ সার্বভৌমত্ব ক্ষমতা অসীম আৰু চূড়ান্ত। অর্থাৎ, ৰাষ্ট্ৰৰ অভ্যন্তৰত আৰু বাহিৰত কোনো ক্ষমতাই সার্বভৌমত্বৰ ঊর্দ্ধত হ'ব নোৱাৰে। ৰাষ্ট্ৰ এখনত সার্বভৌমজনৰ ইচ্ছাই সর্বোচ্চ বুলি ধৰা হয়। ই ৰাষ্ট্ৰৰ চাৰিসীমাৰ ভিতৰৰ কোনো ব্যক্তি অথবা সংস্থাৰ বহতীয়া নহয়।ৰাষ্ট্ৰৰ পৰিধিৰ ভিতৰত এনে কোনো অনুষ্ঠান নাই, যিয়ে সার্বভৌম ক্ষমতা দাবী কৰিব পাৰে আৰু বাহ্যিক ক্ষেত্ৰতো এখন সার্বভৌম ৰাষ্ট্ৰৰ আভ্যন্তৰীণ বিষয়ত কোনো কর্তৃপক্ষই হস্তক্ষেপ কৰিব নোৱাৰে। ৰাষ্ট্ৰই আভ্যন্তৰীণ আৰু বাহ্যিক উভয় ক্ষেত্ৰতে সর্বোচ্চ ক্ষমতা প্ৰয়োগ কৰে।
- **স্থায়িত্ব (Permanence) ঃ** ৰাষ্ট্ৰৰ সার্বভৌমত্ব স্থায়ী। স্বাধীন ৰাষ্ট্ৰৰ অস্তিত্ব থকালৈকে সার্বভৌমত্বও জীয়াই থাকিব। ৰাষ্ট্ৰৰ হৈ সার্বভৌম ক্ষমতাৰ ব্যৱহাৰ কৰা ৰজা অথবা ৰাষ্ট্ৰপতিগৰাকীৰ মৃত্যু অথবা চৰকাৰৰ পৰিৱর্তনে সার্বভৌমত্বৰ সমাপ্তি ঘটাব নোৱাৰে। সার্বভৌমত্ব অবিহনে ৰাষ্ট্ৰৰ অস্তিত্ব নাথাকে। সার্বভৌমত্ব হৈছে ৰাষ্ট্ৰ এখনৰ জীৱিকা শক্তি।
- **সার্বজনীনতা (Universality) ঃ** সার্বভৌমত্বৰ আন এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য হৈছে সার্বজনীনতা অথবা সর্বব্যাপকতা। সার্বভৌমত্ব বিশ্বজনীন, ব্যাপক আৰু ই সকলো দিশ সামৰি লয়।ৰাষ্ট্ৰৰ ভিতৰৰ সকলোবোৰ ব্যক্তি, সংস্থা, অনুষ্ঠান, ক্ষেত্ৰ আৰু বস্তুলৈকে ই ব্যাপ্ত হৈ থাকে। ৰাষ্ট্ৰ এখনে ইয়াৰ সমগ্ৰ চাৰিসীমাৰ ভিতৰতে সার্বভৌম ক্ষমতা প্ৰয়োগ কৰে। কোনো ব্যক্তি বা ব্যক্তিসমষ্টিয়ে ইয়াৰ ঊর্দ্ধত হ'ব নোৱাৰে। অৱশ্যে, বিদেশী কুটনৈতিক বিষয়াসকল ৰাষ্ট্ৰৰ সার্বভৌম ক্ষমতাৰ নিয়ন্ত্ৰণৰ বাহিৰত থাকে। এনে ধৰণৰ সীমাবদ্ধতাক অৱশ্যে আন্তঃ ৰাষ্ট্ৰীয় বুজাবুজি আৰু নিজৰ সুবিধাৰ বাবে নিজে সৃষ্টি কৰি লোৱা হয়।
- **অহস্তান্তৰযোগ্যতা (Inalienability) ঃ** সার্বভৌমত্ব কোনোপধ্যে হস্তান্তৰ কৰিব নোৱাৰি।ৰাষ্ট্ৰই ইয়াক কাকো প্ৰদান কৰিব নোৱাৰে। যদি ৰাষ্ট্ৰ এখনে সার্বভৌম ক্ষমতাক হস্তান্তৰ কৰিব বিচাৰে, তেন্তে ৰাষ্ট্ৰ ধ্বংসপ্ৰাপ্ত হয়। যদিহে সার্বভৌমত্ব হস্তান্তৰিত হয়, তেন্তে ৰাষ্ট্ৰৰ অস্তিত্ব নাইকিয়া হ'ব। সার্বভৌমত্ব আৰু ৰাষ্ট্ৰ পৃথকে থাকিব নোৱাৰে, বৰঞ্চ এটাৰ সৈতে আনটোৱে সহাৱস্থান কৰে।
- **অবিভাজ্যতা (Indivisibility) ঃ** সার্বভৌমত্ব এক চৰম ক্ষমতা। বিভিন্ন ব্যক্তি অথবা সংস্থাৰ মাজত সার্বভৌমত্বক ভাগ বটোৱাৰা কৰিব নোৱাৰি। প্ৰত্যেক ৰাষ্ট্ৰতে এক বৈধ আৰু যোগ্য কর্তৃপক্ষৰ হাতত সার্বভৌম ক্ষমতা ন্যস্ত থাকে, যিয়ে ক্ষমতাৰ প্ৰয়োগ কৰে। সার্বভৌম ক্ষমতা প্ৰয়োগ কৰিব পৰা বেলেগ কর্তৃপক্ষ থাকিলে তাৰ পৰা মতানৈক্য

আৰু অস্পষ্ট আদেশৰ সৃষ্টি হ'ব পাৰে। সার্বভৌমত্বৰ বিভাজনে ইয়াৰ বিনাশ ঘটাক বুজায়। সার্বভৌমত্ব একক হিচাপে বিৰাজ কৰে, বিভক্ত হিচাপে নহয়।

- **অবিনাশী (Impresciptibility) ঃ** সার্বভৌমত্ব অবিনাশী। ইয়াৰ বিনাশ নাই। বহুদিনলৈকে ইয়াৰ ব্যৱহাৰ নহ'লেও ইয়াৰ বিনাশ নঘটে। কেতিয়াবা কেতিয়াবা, বিদেশী ৰাষ্ট্ৰৰ অধীনত থকাৰ বাবে এখন ৰাষ্ট্ৰই সার্বভৌম ক্ষমতাৰ প্ৰয়োগ কৰিব নোৱাৰিবও পাৰে। প্ৰয়োগ নকৰিলেই ই লুপ্ত হৈ নাযায়। নতুন কর্তৃপক্ষলৈ এই ক্ষমতা হস্তান্তৰিত হয়।
- **মৌলিকতা (Originality) ঃ** সার্বভৌমত্বৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে ইয়াৰ মৌলিকতা। সার্বভৌমত্বক কোনেও উৎপাদন অথবা গঠন কৰিব নোৱাৰে। ই নিজে নিজে উৎপন্ন হয়। ৰাষ্ট্ৰ এখনে যদি আন কাৰোবাৰ কাষত এই ক্ষমতাৰ বাবে নির্ভৰ কৰিব লাগে, তেন্তে ৰাষ্ট্ৰখনক সার্বভৌম ৰাষ্ট্ৰ বুলি ক'ব নোৱাৰি। সার্বভৌমত্ব স্ব- উপার্জিত ক্ষমতা।
- **অনন্যতা (Enclusiveness) ঃ** অনন্যতা সার্বভৌমত্বৰ আন এক বৈশিষ্ট্য। সার্বভৌমত্ব হৈছে ৰাষ্ট্ৰৰ সর্বাত্মক ক্ষমতা। সার্বভৌমত্বৰ ওপৰত ৰাষ্ট্ৰৰ একচেতীয়া অধিকাৰ আছে। সার্বভৌম ক্ষমতা কেৱল ৰাষ্ট্ৰইহে প্ৰয়োগ কৰিব পাৰে। আন কথাত ক'বলৈ গ'লে ৰাষ্ট্ৰ আৰু সার্বভৌমত্বই সহাৱস্থান কৰে। অন্য কোনো ব্যক্তি অথবা অনুষ্ঠানে ৰাষ্ট্ৰৰ সৈতে সার্বভৌম ক্ষমতা ভাগ কৰি উপভোগ কৰিব নোৱাৰে। সার্বভৌম ক্ষমতা কেৱল ৰাষ্ট্ৰৰ সৈতেহে বিৰাজ কৰে।



জানি থোৱা ভাল

দ্বিতীয় বিশ্বযুদ্ধ (১৯৩৯-১৯৪৫) শেষ হোৱাৰ পিছত ১৯৪৫ চনৰ ২৪ অক্টোবৰত ৰাষ্ট্ৰসংঘ স্থাপন কৰা হৈছিল। ৰাষ্ট্ৰসংঘ ইয়াৰ সদস্য ৰাষ্ট্ৰসমূহৰ মাজত সমতাৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত। ৰাষ্ট্ৰসংঘৰ চনদত উল্লেখ আছে যে 'সদস্য ৰাষ্ট্ৰসমূহৰ মাজত সার্বভৌম সমতাৰ নীতিৰ ওপৰত ৰাষ্ট্ৰসংঘ প্ৰতিষ্ঠিত। (উৎসঃ www.un.org)



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সার্বভৌমত্ব শব্দটো ..... ভাষাৰ শব্দ ছুপাৰেনাছ (Superannus) ৰ পৰা উৎপত্তি হৈছে যাৰ অর্থ হৈছে শ্ৰেষ্ঠ বা সর্বোচ্চ (Supreme)। (খালী ঠাই পূৰণ কৰক)

.....

প্রশ্ন নং ২ ঃ "দ্যা ছিক্স বুকছ্ অব দ্যা ৰিপাব্লিক" গ্ৰন্থখনৰ ৰচক কোন?

.....

প্রশ্ন নং ৩ ঃ সার্বভৌমত্বৰ দুটা দিশ কি কি?

.....

প্রশ্ন নং ৪ ঃ উইলচনে আগবঢ়োৱা সার্বভৌমত্বৰ সংজ্ঞাটো লিখক।

.....

প্রশ্ন নং ৫ ঃ সার্বভৌমত্বৰ যিকোনো দুটা বৈশিষ্ট্যৰ বিষয়ে সংক্ষেপে লিখক।

.....

.....

.....

.....

.....

.....

.....

.....

৭.৫ সার্বভৌমত্বৰ বিভিন্ন ৰূপ

বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰত সার্বভৌমত্বৰ বিভিন্ন স্বৰূপ দেখিবলৈ পোৱা যায়। এইবোৰ তলত আলোচনা কৰা হ'ল—

- **নামমাত্ৰ আৰু প্ৰকৃত সার্বভৌমত্ব (Titular and Real Sovereignty) ঃ** কোনো ৰাষ্ট্ৰৰ মুৰব্বীজনে যদি নামতহে সৰ্বোচ্চ ক্ষমতাৰ অধিকাৰী হৈ থাকে, কিন্তু প্ৰকৃত ক্ষমতাৰ প্ৰয়োগ বা ব্যৱহাৰ কৰিব নোৱাৰে তেনে সার্বভৌমত্বক নামমাত্ৰ সার্বভৌমত্ব বোলা হয়। যদিও সার্বভৌম ক্ষমতা তেওঁৰ নামত ব্যৱহৃত হয়, প্ৰকৃত পক্ষে কিন্তু সেই ক্ষমতা বেলেগ এজন ব্যক্তিৰ হাততহে ন্যস্ত থাকে। সংসদীয় গণতন্ত্ৰত এনেধৰণৰ সার্বভৌমত্ব দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে, ইংলেণ্ডৰ ৰজা বা ৰাণী হৈছে নামমাত্ৰ শাসক আৰু তেওঁ প্ৰকৃত সার্বভৌম ক্ষমতা উপভোগ কৰিব নোৱাৰে। প্ৰকৃত সার্বভৌমত্ব সংসদস্থ-ৰজাৰ হাতত ন্যস্ত থাকে। ভাৰতবৰ্ষতো ৰাষ্ট্ৰপতিজন নামমাত্ৰ শাসক। ইয়াত প্ৰকৃত সার্বভৌমত্বৰ গৰাকী প্ৰধানমন্ত্ৰী নেতৃত্বাধীন মন্ত্ৰী পৰিষদ।
- **বস্তুতঃ আৰু বিধিতঃ সার্বভৌমত্ব (De-facto and De-jure Sovereignty) ঃ** কেতিয়াবা এখন দেশৰ প্ৰতিষ্ঠিত শাসন ব্যৱস্থাক অসাংবিধানিক পদ্ধতিৰে ওফৰাই পেলোৱা হয়। সামৰিক অভিযানবোৰ ইয়াৰ উৎকৃষ্ট উদাহৰণ। এনে ক্ষেত্ৰত বৈধভাৱে নতুন সার্বভৌম শক্তি গঠিত আৰু স্বীকৃত নোহোৱালৈকে তাত দুই ধৰণৰ সার্বভৌমত্ব

থাকে। প্রথমতে, আইনগত দৃষ্টিত— যি ইতিমধ্যে ক্ষমতাৰ পৰা অপসাৰিত হৈছে আৰু দ্বিতীয়তে, ব্যৱহাৰিক দৃষ্টিত— যি আইনগতভাৱে এতিয়াও গঠিত হোৱা নাই।

বস্তুতঃ সার্বভৌমত্ব হ'বৰ বাবে আইন অনুসৰি ক্ষমতা লাভ নকৰিলেও হয়। বস্তুতঃ সার্বভৌমত্বত সার্বভৌম কর্তৃপক্ষই শক্তি প্রয়োগৰ দ্বাৰা অথবা নৈতিক স্বীকৃতি লাভ কৰি জনসাধাৰণৰ ওপৰত নিজৰ ইচ্ছা বলৱৎ কৰি তেওঁলোকৰ পৰা আনুগত্য লাভ কৰে। এনেকুৱা পৰিস্থিতিত বৈধ আৰু আনুষ্ঠানিক সার্বভৌমত্বক বিধিতঃ আৰু আচল সার্বভৌমত্বক বস্তুতঃ সার্বভৌমত্ব বোলা হয়। বর্তমান বিশ্বৰ প্রেক্ষাপটত নির্বাচিত চৰকাৰক ওফৰাই সামৰিক শাসন স্থাপিত কৰি ৰাষ্ট্রৰ সকলোবোৰ ক্ষমতা বলপূর্বকভাৱে কাঢ়ি লোৱাৰ বহুতো উদাহৰণ পোৱা যায়। সামৰিক প্রধানজন এইক্ষেত্রত বস্তুতঃ সার্বভৌমত্ব অথবা প্রকৃত ক্ষমতাৰ বাঘজৰী হাতত লোৱা সার্বভৌমত্বৰ উদাহৰণ। কিন্তু, যি ৰাষ্ট্রত পূর্বৰ শাসন ওফোৰাই নেপেলোৱাকৈ বেলেগ এটা শাসন প্রতিষ্ঠিত হয়, তাত সেই পূর্বৰ বৈধ আৰু আনুষ্ঠানিক সার্বভৌমত্বটোক বিধিতঃ সার্বভৌমত্ব বোলে। এনেবোৰ দেশত সময়ৰ অগ্রগতিৰ লগে লগে জনসাধাৰণৰ পৰা নির্বাচনৰ জৰিয়তে অথবা অন্য উপায়েৰে যদি বস্তুতঃ সার্বভৌমত্বই আনুগত্য লাভ কৰিবলৈ লয়, তেন্তে বস্তুতঃ সার্বভৌমত্ব বিধিতঃ সার্বভৌমত্বলৈ ৰূপান্তৰিত হয়। জেনেৰেল ফ্রাঙ্কোৰে (General Franco) স্পেইনৰ ৰিপাব্লিক চৰকাৰক (Republican Government of Spain) আঁতৰাই নিজ শাসন স্থাপন কৰাটো বর্তমান সময়ত ইয়াৰ আটাইতকৈ উৎকৃষ্ট উদাহৰণ। শক্তি প্রয়োগৰ দ্বাৰা তেওঁ শাসনৰ গাদী দখল কৰিছিল যদিও জনসাধাৰণৰ পৰা স্বীকৃতি লাভ কৰি বিধিতঃ সার্বভৌমত্ব নিজ হাতলৈ অনাৰ বাবে অহৰহ প্রচেষ্টা কৰি আছিল। বস্তুতঃ সার্বভৌমত্বৰ জন্মৰ বহুবোৰ উদাহৰণ ইতিহাসৰ পাতৰ পৰাও আহৰণ কৰিব পাৰি। ইংলণ্ডত ***ক্রমৱেল*** (Cromwell), ফ্রাঞ্চত ***নেপোলিয়ন*** (Napoleon) আৰু ১৯১৭চনত ৰাছিয়াৰ ***বলচেভিষ্ট*** (Bolshevist) দলে আহৰণ কৰা সার্বভৌমত্বও ইয়াৰ উদাহৰণ।

- **বৈধ আৰু ৰাজনৈতিক সার্বভৌমত্ব (Legal and Political Sovereignty) ঃ** ৰাষ্ট্র এখনত আইন প্রণয়ন কৰাৰ চৰম ক্ষমতা থকা সার্বভৌম কর্তৃপক্ষকে বৈধ সার্বভৌমত্ব বোলা হয়। প্রত্যেক স্বাধীন ৰাষ্ট্রই কেতবোৰ আইন প্রণয়ন কৰে যাৰ প্রতি জনসাধাৰণে নিজৰ আনুগত্য প্রকাশ কৰিব লাগে। সেই আইনসমূহৰ প্রণয়ন, বলৱৎ আৰু আদেশ দিয়াৰ বাবে এটা বৈধ কর্তৃপক্ষ থাকে, যাক বৈধ সার্বভৌম বোলা হয়। এজন ব্যক্তি বা ব্যক্তিসমূহৰ হাতত এই ক্ষমতা ন্যস্ত থাকে। আইনৰ ভাষাত, বৈধ সার্বভৌমত্বই ৰাষ্ট্রৰ ইচ্ছাক ব্যক্ত কৰে। সার্বভৌমজনৰ আদেশেই হৈছে আইন আৰু যিয়ে এই আইন অৱমাননা কৰে, তেওঁ শাস্তিৰ যোগ্য। ইংলেণ্ডত 'সংসদস্থ ৰজা (King/Queen-in-Parliament) বৈধ সার্বভৌমত্বৰ উদাহৰণ।



ক্রমৱেল ঃ অলিভাৰ ক্রমৱেল (এপ্রিল ২৫, ১৫৯৯-ছেপ্টেম্বৰ ১৬৫৮) এগৰাকী ইংৰাজ সামৰিক বিষয়া আৰু ৰাজনৈতিক নেতা আছিল।

নেপোলিয়ন ঃ নেপোলিয়ন বোনাপার্ট (আগষ্ট ১৫, ১৭৬৯-মে' ৫, ১৮২১) এগৰাকী ফৰাচী সামৰিক বিষয়া আৰু ৰাজনৈতিক নেতা আছিল।

বলচেভিষ্ট ঃ বলচেভিষ্টসকল হ'ল ৰুছিয়াৰ ভ্রাডিমিৰ লেনিনৰ নেতৃত্বত গঢ় লোৱা এটা পেছাদাৰী কেন্দ্রীয়, শৃঙ্খলাবদ্ধ বিপ্লৱীৰ গোট। এই বিপ্লৱী গোটটোৱে ১৯১৭ চনৰ নৱেম্বৰ মাহত ৰুছ দেশৰ শাসনভাৰ নিজৰ হাতলৈ নিয়ে।



এলবার্ট ভেন ডাইচি (ফ্রেব্রুৱাৰী ৪, ১৮৩৫-এপ্রিল ৭, ১৯২২) ঃ তেওঁ এগৰাকী বৃটিছ ন্যায়বিদ আৰু সাংবিধানিকবিশেষজ্ঞ আছিল।

ৰাজনৈতিক সার্বভৌমত্ব ন্যস্ত থাকে ভোটাৰ, জনমত আৰু ৰাষ্ট্ৰৰ অন্য প্ৰভাৱবোৰৰ হাতত, যি জনগণৰ মতক এটা দিশ আৰু আকাৰ প্ৰদান কৰে। ৰাজনৈতিক সার্বভৌমত্বক প্ৰতিনিধিত্ব কৰে ৰাষ্ট্ৰ এখনৰ জনসাধাৰণে। ভোটাৰসকল, অৰ্থাৎ ৰাজনৈতিক সার্বভৌমত্বই সংসদৰ সদস্যসকলক অৰ্থাৎ বৈধ সার্বভৌমত্বক নিৰ্বাচিত কৰে। গতিকে ৰাজনৈতিক সার্বভৌমত্বই বৈধ সার্বভৌমত্বক নিয়ন্ত্ৰণ কৰে। ব্ৰিটিছ আইনজ্ঞ ***এ. ভি. ডাইচি*** (A.V. Dicey)ৰ মতে, "আইনজ্ঞই স্বীকৃতি দিয়া সার্বভৌমত্বৰ অন্তৰালত আৰু এটা সার্বভৌমত্ব আছে যাৰ ওচৰত বৈধ সার্বভৌমত্বই মূৰ দোঁৱাব লাগে।" ("Behind the sovereign which the lawyer recognises there is another sovereign to whom the legal sovereign must bow.")

- **জন সার্বভৌমত্ব (Popular Sovereignty) ঃ** জনসাধাৰণৰ হাতত ৰাষ্ট্ৰৰ সর্বোচ্চ ক্ষমতা থকাকে জন সার্বভৌমত্ব বোলে। জনসাধাৰণৰ সামূহিক ইচ্ছাৰ পৰাই চৰকাৰৰ আটাইবোৰ বিভাগ— কার্য্যপালিকা, ন্যায়পালিকা আৰু সংসদে নিজৰ ক্ষমতা আৰু কর্তৃত্ব লাভ কৰে। ভাৰতবর্ষৰ সংবিধানৰ প্ৰস্তাৱনাতো জন সার্বভৌমত্বৰ ধাৰণা নিহিত হৈ আছে। প্ৰস্তাৱনাৰ প্ৰথমচোৰা আৰম্ভ হৈছে— "আমি ভাৰতৰ জনগণে" (WE THE PEOPLE OF INDIA) আৰু সমাপ্ত হৈছে এইদৰে— "ইয়াৰ দ্বাৰা এই সংবিধান গ্ৰহণ কৰিছোঁ, অধিনিয়মিত কৰিছোঁ আৰু নিজকে অর্পণ কৰিছোঁ।" (HEREBY ADOPT, ENACT AND GIVE TO OURSELVES THIS CONSTITUTION)



চিন্তা-চর্চা কৰক ৭.২

ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনাটো পঢ়ি জন সার্বভৌমত্বৰ ধাৰণাৰ লগত ইয়াৰ সামঞ্জস্য বিচাৰি উলিয়াওক।

.....

.....

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ বৈধ সার্বভৌম হৈছে ৰাষ্ট্ৰ এখনৰ আইন প্ৰণয়ন কৰা সর্বোচ্চ কর্তৃপক্ষ। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৭ ঃ কোনে মত প্রকাশ কৰিছিল "আইনজ্ঞই স্বীকৃতি দিয়া সার্বভৌমত্বৰ অস্তৰালত আৰু এটা সার্বভৌমত্ব আছে যাৰ ওচৰত বৈধ সার্বভৌমত্বই মূৰ দোঁৱাব লাগে ?"

.....

প্রশ্ন নং ৮ ঃ বস্তুতঃ সার্বভৌমত্ব আইনগতভাৱে প্রতিষ্ঠিত সার্বভৌমত্ব। (শুদ্ধ / অশুদ্ধ)

.....

প্রশ্ন নং ৯ ঃ নামমাত্র সার্বভৌমত্ব আৰু প্রকৃত সার্বভৌমত্বৰ বিষয়ে সংক্ষেপে লিখক।

.....

.....

.....

.....

.....

.....



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাষ্ট্ৰৰ আটাইতকৈ প্রয়োজনীয় উপাদান হৈছে সার্বভৌমত্ব। এই গুৰুত্বপূর্ণ উপাদানটোক বাদ দি কোনো ৰাষ্ট্ৰই বর্তি থাকিব নোৱাৰে। 'সার্বভৌমত্ব' অর্থাৎ Sovereignty শব্দটো লেটিন শব্দ ছুপাৱেনাছ (Superannus) শব্দৰ পৰা উৎপত্তি হৈছে যাৰ অর্থ হ'ল সর্বোচ্চ বা শ্রেষ্ঠ (Supreme)।
- সার্বভৌমত্বই ৰাষ্ট্ৰৰ চৰম, সর্বোচ্চ, সীমাহীন, অহস্তান্তৰযোগ্য, অবিভাজ্য আৰু স্থায়ী ক্ষমতাক সূচায়।
- ৰাষ্ট্ৰৰ সার্বভৌমত্বৰ দুটা দিশ দেখিবলৈ পোৱা যায়— সেয়া হ'ল আভ্যন্তৰীণ সার্বভৌমত্ব আৰু বহিঃ সার্বভৌমত্ব। ৰাষ্ট্ৰৰ আভ্যন্তৰীণ সার্বভৌমত্ব ক্ষমতাৰ বাবে ৰাষ্ট্ৰই আইন প্রণয়নকাৰী, আদেশ প্রদানকাৰী আৰু ৰাজনৈতিক সিদ্ধান্ত গ্রহণকাৰী চূড়ান্ত আহিলা ৰূপে কার্য্যনির্বাহ কৰে। এখন ৰাষ্ট্ৰই নিজৰ সার্বভৌমত্ব শক্তিৰ দ্বাৰা নিজৰ বৈদেশিক নীতি প্রস্তুত কৰাৰ লগতে যুদ্ধ ঘোষণা আৰু শান্তি স্থাপন কৰিব পাৰে। এনে ধৰণৰ সার্বভৌমত্বক বহিঃ সার্বভৌমত্ব বোলে।
- জিন ব'ডিনে (Jean Bodin) পোন প্রথমে সার্বভৌমত্বৰ আধুনিক ধাৰণাৰ জন্ম দিছিল আৰু এই ধাৰণাক শৃঙ্খলিতভাৱে গঢ় দিছিল। তেওঁ তেওঁৰ 'দ্যা ছিক্স বুকছ্ অব দ্যা ৰিপাব্লিক' নামৰ গ্রন্থত সার্বভৌমত্বৰ বিষয়ে বিস্তৃত আলোচনা আৰু পর্য্যালোচনা কৰিছে।

- সার্বভৌমত্বৰ বৈশিষ্ট্যসমূহ হৈছে— অসীমতা, স্থায়ীত্ব, সার্বজনীনতা, অহস্তান্তৰ যোগ্যতা, অবিভাজ্যতা, অবিনাশী, অনন্যতা আৰু মৌলিকতা।
- বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ সার্বভৌমত্বৰ বিভিন্ন স্বৰূপ দেখিবলৈ পোৱা যায়। সেইবোৰ হৈছে ক্ৰমে নামমাত্ৰ আৰু প্ৰকৃত সার্বভৌমত্ব, বস্তুতঃ আৰু বিধিতঃ সার্বভৌমত্ব, বৈধ আৰু ৰাজনৈতিক সার্বভৌমত্ব, জন সার্বভৌমত্ব।
- ৰাষ্ট্ৰৰ মুৰব্বীজনে যদি নামতহে সৰ্বোচ্চ ক্ষমতাৰ অধিকাৰী হৈ থাকে, কিন্তু প্ৰকৃত ক্ষমতাৰ প্ৰয়োগ বা ব্যৱহাৰ কৰিব নোৱাৰে তেনে সার্বভৌমত্বক নামমাত্ৰ সার্বভৌমত্ব বোলা হয়। প্ৰকৃত সার্বভৌম কৰ্তৃপক্ষই প্ৰকৃততে সার্বভৌম ক্ষমতা প্ৰয়োগ কৰে।
- যেতিয়া এখন দেশৰ প্ৰতিষ্ঠিত শাসন ব্যৱস্থাক অসাংবিধানিক পদ্ধতিৰে ওফৰাই পেলোৱা হয়, যি কৰ্তৃপক্ষক ওফৰাই পেলোৱা হয়, তাক বিধিতঃ সার্বভৌমত্ব বোলা হয়। যি কৰ্তৃপক্ষই বলপূৰ্বকভাৱে শাসন প্ৰতিষ্ঠা কৰে তাক বস্তুতঃ সার্বভৌমত্ব বোলা হয়।
- ৰাষ্ট্ৰ এখনত আইন প্ৰণয়ন কৰা, বলৱৎ আৰু আদেশ দিয়াৰ বাবে যি বৈধ কৰ্তৃপক্ষ থাকে, তাক বৈধ সার্বভৌম বোলা হয়। ৰাজনৈতিক সার্বভৌমত্ব ন্যস্ত থাকে ভোটাৰ, জনমত আৰু ৰাষ্ট্ৰৰ অন্য প্ৰভাৱবোৰৰ হাতত, যি জনগণৰ মতক এটা দিশ আৰু আকাৰ প্ৰদান কৰে।
- জন সার্বভৌমত্বই ইয়াকে সূচায় যে ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা জনসাধাৰণৰ হাতত ন্যস্ত থাকে।



৭.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*; গুৱাহাটী ঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; যোৰহাট ঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰৱৰ্তী, আদ্যনাথ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Agarwal, R. C. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

2) Gauba, O. P. (2007): *An Introduction to Political Theory (Fourth*

Edition); New Delhi: Macmillan India Ltd.

3) Kapur, A. C. (2006): *Principles of Political Science*; New Delhi: S. Chands & Company Ltd.

4) Mahajan, V. D. (2008): *Political Theory*; New Delhi: S. Chands & Company Ltd.

৭.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ লেটিন

২নং প্রশ্নৰ উত্তৰ ঃ জিন ব'ডিন

৩নং প্রশ্নৰ উত্তৰ ঃ আভ্যন্তৰীণ সার্বভৌমত্ব আৰু বহিঃ সার্বভৌমত্ব

৪নং প্রশ্নৰ উত্তৰ ঃ সার্বভৌমত্ব হৈছে আইন প্রণয়ন আৰু আইনৰ কার্য্যকৰী কৰাৰ নিত্য কার্য্যক্ষম ক্ষমতা।

৫নং প্রশ্নৰ উত্তৰ ঃ ক) অসীমতা (Absoluteness) ঃ ৰাষ্ট্রৰ সার্বভৌমত্ব ক্ষমতা অসীম আৰু চূড়ান্ত। অর্থাৎ, ৰাষ্ট্রৰ অভ্যন্তৰত আৰু বাহিৰত কোনো ক্ষমতাই সার্বভৌমত্বৰ ঊর্দ্ধত হ'ব নোৱাৰে। ৰাষ্ট্র এখনত সার্বভৌমজনৰ ইচ্ছাই সর্বোচ্চ বুলি ধৰা হয়। ই ৰাষ্ট্রৰ চাৰিসীমাৰ ভিতৰৰ কোনো ব্যক্তি অথবা সংস্থাৰ বহতীয়া নহয়। ৰাষ্ট্রৰ পৰিধিৰ ভিতৰত এনে কোনো অনুষ্ঠান নাই, যিয়ে সার্বভৌম ক্ষমতা দাবী কৰিব পাৰে আৰু বাহ্যিক ক্ষেত্রতো এখন সার্বভৌম ৰাষ্ট্রৰ আভ্যন্তৰীণ বিষয়ত কোনো কর্তৃপক্ষই হস্তক্ষেপ কৰিব নোৱাৰে। ৰাষ্ট্রই আভ্যন্তৰীণ আৰু বাহ্যিক উভয় ক্ষেত্রতে সর্বোচ্চ ক্ষমতা প্রয়োগ কৰে।

খ) স্থায়িত্ব (Permanence)ঃ ৰাষ্ট্রৰ সার্বভৌমত্ব স্থায়ী। স্বাধীন ৰাষ্ট্রৰ অস্তিত্ব থকালৈকে সার্বভৌমত্বও জীয়াই থাকিব। ৰাষ্ট্রৰ হৈ সার্বভৌম ক্ষমতাৰ ব্যৱহাৰ কৰা ৰজা অথবা ৰাষ্ট্রপতিগৰাকীৰ মৃত্যু অথবা চৰকাৰৰ পৰিৱর্তনে সার্বভৌমত্বৰ সমাপ্তি ঘটাব নোৱাৰে। সার্বভৌমত্ব অবিহনে ৰাষ্ট্রৰ অস্তিত্ব নাথাকে। সার্বভৌমত্ব হৈছে ৰাষ্ট্র এখনৰ জীৱিকা শক্তি।

৬নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

৭নং প্রশ্নৰ উত্তৰ ঃ এ. ভি. ডাইচি

৮নং প্রশ্নৰ উত্তৰ ঃ অশুদ্ধ

৯নং প্রশ্নৰ উত্তৰ ঃ কোনো ৰাষ্ট্রৰ মূৰব্বীজনে যদি নামতহে সর্বোচ্চ ক্ষমতাৰ অধিকাৰী হৈ থাকে, কিন্তু প্রকৃত ক্ষমতাৰ প্রয়োগ বা ব্যৱহাৰ কৰিব নোৱাৰে তেনে সার্বভৌমত্বক নামমাত্র সার্বভৌমত্ব বোলা হয়। যদিও সার্বভৌম ক্ষমতা তেওঁৰ নামত ব্যৱহৃত হয়,

প্রকৃত পক্ষে কিন্তু সেই ক্ষমতা বেলেগ এজন ব্যক্তিৰ হাততহে ন্যস্ত থাকে। সংসদীয় গণতন্ত্রত এনেধৰণৰ সার্বভৌমত্ব দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে, ইংলেণ্ডৰ ৰজা বা ৰাণী হৈছে নামমাত্র শাসক আৰু তেওঁ প্রকৃত সার্বভৌম ক্ষমতা উপভোগ কৰিব নোৱাৰে। প্রকৃত সার্বভৌমত্ব সংসদস্থ— ৰজাৰ হাতত ন্যস্ত থাকে। ভাৰতবর্ষতো ৰাষ্ট্রপতিজন নামমাত্র শাসক। ইয়াত প্রকৃত সার্বভৌমত্বৰ গৰাকী প্রধানমন্ত্রী নেতৃত্বাধীন মন্ত্রী পৰিষদ।



৭.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ ৰাজনীতি বিজ্ঞানৰ পিতৃস্বৰূপে কাক অভিহিত কৰা হয়?

প্রশ্ন ২ ঃ জন সার্বভৌমত্ব মানে কি?

খ) চুটি প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ সার্বভৌমত্বৰ অর্থৰ বিষয়ে এটি চমুটোকা লিখক।

প্রশ্ন ২ ঃ নামমাত্র আৰু প্রকৃত সার্বভৌমত্বৰ মাজৰ পার্থক্য নির্ণয় কৰক।

প্রশ্ন ৩ ঃ বস্তুতঃ আৰু বিধিতঃ সার্বভৌমত্বৰ মাজৰ পার্থক্য নির্ণয় কৰক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ সার্বভৌমত্বৰ বৈশিষ্ট্যসমূহ বর্ণনা কৰক।

প্রশ্ন ২ ঃ সার্বভৌমত্বৰ বিভিন্ন ৰূপসমূহ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ সার্বভৌমত্বৰ তত্ত্বসমূহ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ সার্বভৌমত্বৰ তত্ত্বসমূহ
৮.৩.১ অষ্টিনৰ সার্বভৌমত্বৰ তত্ত্ব বা বৈধ একাত্মবাদী তত্ত্ব (Austin's Theory of Sovereignty or the Legal-Monistic View)
৮.৩.২ সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্ব (Pluralist Theory of Sovereignty)
৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৫ অধিক জানিবলৈ
৮.৬ অগ্রগতিৰ খতিয়ান
৮.৭ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জন অষ্টিনৰ সার্বভৌমত্বৰ তত্ত্ব আলোচনা কৰিব পাৰিব
- অষ্টিনৰ সার্বভৌমত্বৰ তত্ত্বটোৰ বিপক্ষে থকা সমালোচনাসমূহ পৰীক্ষা কৰিব পাৰিব
- সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্ব আলোচনা কৰিব পাৰিব
- সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বটোৰ বিপক্ষে থকা সমালোচনাসমূহ পৰীক্ষা কৰিব পাৰিব।

৮.২ পৰিচয়

সার্বভৌমত্বৰ ধাৰণাটো প্ৰধানতঃ দুটা তাত্ত্বিক দৃষ্টিভঙ্গীৰ পৰা আলোচনা কৰা হৈছে। তাৰে এটা দৃষ্টিভঙ্গী আগবঢ়াইছে জন অষ্টিনে বৈধ একাত্মবাদী তত্ত্বটোৰ জৰিয়তে। এই তত্ত্বটো অষ্টিনৰ সার্বভৌমত্বৰ তত্ত্ব হিচাপেও পৰিচিত। আনটো তত্ত্ব হৈছে সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্ব। সার্বভৌমত্বৰ বিষয়ে এই দুটা তত্ত্বৰ ব্যাখ্যা এটা আনটোৰ বিপৰীত। এই অধ্যায়ত আমি সার্বভৌমত্বৰ এই দুটা তত্ত্বৰ বিষয়ে আলোচনা কৰিম ।

৮.৩ সার্বভৌমত্বৰ তত্ত্বসমূহ

এতিয়া আমি সার্বভৌমত্বৰ দুটা তত্ত্ব— অষ্টিনৰ সার্বভৌমত্বৰ তত্ত্ব বা বৈধ একাত্মবাদী তত্ত্ব আৰু সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্ব দুটা আলোচনা কৰিম।

৮.৩.১ অষ্টিনৰ সার্বভৌমত্বৰ তত্ত্ব অথবা বৈধ একাত্মবাদী তত্ত্ব (Austin's Theory of Sovereignty or the Legal-Monistic View)



জন অষ্টিন (মার্চ ৩, ১৭৯০-ডিচেম্বৰ ১, ১৮৫৯) ঃ তেওঁ এগৰাকী বৃটিছ আইনজ্ঞ আৰু আইন তত্ত্ববিদ আছিল।তেঁওৰ আইন সম্বন্ধীয় দৃষ্টিভঙ্গীয়ে বৃটিছ আইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ আইনক বিশেষভাৱে প্ৰভাৱিত কৰিছিল।

ৰাষ্ট্ৰৰ ক্ষমতা আৰু কার্য্যাৱলীৰ বিকাশ ঘটাৰ লগে লগে আধুনিক সময়ত সার্বভৌমত্ব তত্ত্বৰো বিকাশ ঘটা দেখিবলৈ পোৱা যায়। ঊনবিংশ শতিকাত সার্বভৌমত্বৰ তত্ত্বটিৰ বৈধ ধাৰণাৰ (আইনগত দৃষ্টিত সার্বভৌমত্ব)ৰ প্ৰধান হোতা আছিল বৃটিছ আইনজ্ঞ ***জন অষ্টিন*** (John Austin)। তেওঁক সার্বভৌমত্বৰ একাত্মবাদী তত্ত্বৰ মুখ্য পৃষ্ঠপোষক বুলি ক'ব পাৰি। সার্বভৌমত্বৰ এই তত্ত্বটোত থ'মাছ হ'বচ্ (বৃটিছ দার্শনিক) আৰু জেৰেমি বেন্থাম (বৃটিছ দার্শনিক)ৰ প্ৰভাৱ পৰিলক্ষিত হয়। এই তত্ত্বটোক সার্বভৌমত্বৰ একাত্মবাদী তত্ত্ব বুলি কোৱা হয়, কাৰণ এই তত্ত্বটোৱে ৰাষ্ট্ৰ এখনত কেৱল এটা মাত্ৰ সার্বভৌম ক্ষমতাৰ অৱস্থিতিক মানি লয়। সেই সার্বভৌমজন কেৱল এগৰাকী ব্যক্তিও হ'ব পাৰে অথবা এটা ব্যক্তি সমষ্টিও হব পাৰে। তদুপৰি, যিহেতু সার্বভৌমত্বক এক বৈধ ধাৰণা বুলি গণ্য কৰা হয়, সেয়েহে এই তত্ত্বটোৰ নাম বৈধ একাত্মবাদী তত্ত্ব। জন অষ্টিনে তেওঁৰ বিখ্যাত গ্ৰন্থ 'প্ৰভিনছ্ অৱ জুৰিছপ্ৰুদেঞ্চ ডিটাৰমাইণ্ড' (Province of Jurisprudence Determined) (১৮৩২)ত সার্বভৌমত্ব তত্ত্বৰ সংজ্ঞা এনেদৰে দাঙি ধৰিছে—

"এখন স্বাধীন ৰাষ্ট্ৰত কোনো নির্দিষ্ট শ্ৰেষ্ঠ ব্যক্তিয়ে যদি সমাজৰ অধিক সংখ্যক লোকৰ পৰা অভ্যাসলব্ধ আনুগত্য লাভ কৰে আৰু তেওঁৰ ওপৰত যদি নির্দেশ দিয়াৰ আন কাৰোৱে অধিকাৰ নাথাকে তেন্তে তেওঁকেই সেই ৰাষ্ট্ৰখনৰ সার্বভৌম কর্তৃপক্ষ বুলি কোৱা হয় আৰু তেওঁ থকা সমাজখনক স্বাধীন আৰু ৰাজনৈতিক সমাজ হিচাপে আখ্যা দিয়া হয়।" ("If a determinate human superior not in the habit of obedience to a like superior receives habitual obedience from the bulk of a given society, that determinate superior is sovereign in that society and that society (including the superior) is a society political and independent.")

ওপৰৰ এই সংজ্ঞাৰ ব্যাখ্যা কৰিলে কেতবোৰ বৈশিষ্ট্য দেখা পোৱা যায়।

প্ৰথমতে, সার্বভৌম ক্ষমতা এজন 'নির্দিষ্ট ব্যক্তি' (Determinate Person) অথবা এটা 'নির্দিষ্ট ব্যক্তি গোষ্ঠী' (Determinate Body)ৰ হাতত ন্যস্ত থাকে, যিজনে ৰাষ্ট্ৰত চৰম ক্ষমতাৰ ব্যৱহাৰ কৰে।

দ্বিতীয়তে, সার্বভৌম কর্তৃপক্ষৰ ক্ষমতা অসীম আৰু চৰম। ই আনৰ পৰা আনুগত্য আদায় কৰিব পাৰে কিন্তু নিজে কোনো কর্তৃপক্ষৰ ওচৰত আনুগত্য প্ৰকাশ নকৰে।

তৃতীয়তে, কোনো এক কর্তৃপক্ষৰ ওচৰত জনসাধাৰণে মাজে সময়ে প্ৰকাশ কৰা আনুগত্যই সেই কর্তৃপক্ষক সার্বভৌম ক্ষমতাৰ অধিকাৰী কৰি নোতোলে।

চতুর্থতে, সার্বভৌম কর্তৃপক্ষই ৰাষ্ট্ৰৰ জনসাধাৰণৰ পৰা স্বেচ্ছামূলক, স্বাভাৱিক আৰু অভ্যাসলব্ধ আনুগত্য লাভ কৰে। অষ্টিনৰ মতে, সকলোবোৰ লোকেই তেওঁলোকৰ সার্বভৌম কর্তৃত্বৰ প্রতি আনুগত্য প্রকাশ নকৰিবও পাৰে। 'ব্যক্তি সমষ্টি' (Bulk) অথবা সমাজৰ গৰিষ্ঠসংখ্যক লোকে সার্বভৌম কর্তৃপক্ষজনৰ প্রতি এটা অভ্যাসলব্ধ আনুগত্য প্রকাশ কৰিলেও হ'ব বুলি অষ্টিনে মত প্রকাশ কৰিছে।

পঞ্চমতে, সার্বভৌম কর্তৃপক্ষই হৈছে চৰম আইন প্রণয়ন কৰোঁতা। ৰাষ্ট্ৰৰ ভিতৰত তেওঁৰ আদেশেই আইন। কোনো লোকে এই আদেশ পালন নকৰিলে এই ক্ষমতাই বল প্রয়োগ আৰু শাস্তি প্রয়োগ কৰি হ'লেও ইয়াৰ আদেশ পালন কৰাবলৈ বাধ্য।

ষষ্ঠতে, সার্বভৌম ক্ষমতা অবিভাজ্য আৰু ইয়াক দুই বা তাতোধিক ভাগত ভাগ কৰিব নোৱাৰি। এখন ৰাষ্ট্ৰত এটাই সার্বভৌম শক্তি থাকে।

জন অষ্টিনৰ সার্বভৌমত্বৰ তত্ত্বটো বিশ্লেষণ কৰি ক'ব পাৰি যে এই তত্ত্বটোৱে সার্বভৌমত্বক ৰাষ্ট্ৰৰ সর্বোচ্চ, নির্দিষ্ট, অসীম, অ-হস্তান্তৰযোগ্য আৰু সর্বাত্মক ক্ষমতা হিচাপে অভিহিত কৰিছে।



জানি থোৱা ভাল

অষ্টিনৰ সার্বভৌমত্বৰ তত্ত্ব মতে, ৰাষ্ট্ৰ হৈছে এটা বৈধ শৃঙ্খলা, য'ত এটা চৰম ক্ষমতাসম্পন্ন নির্দিষ্ট কর্তৃপক্ষ থাকে।

- **অষ্টিনৰ তত্ত্ব সমালোচনাত্মক মূল্যায়ণ ঃ** বৃটিছ দার্শনিক চিডৱিক (Sidgwick), বৃটিছ আইনজ্ঞ আৰু ইতিহাসবিদ ছাৰ হেনৰি মেইন (Sir Henry Maine) আদি চিন্তাবিদে অষ্টিনৰ সার্বভৌমত্ব তত্ত্বৰ ওপৰত কঠোৰ সমালোচনা কৰিছে। অষ্টিনৰ তত্ত্বক সমালোচনা কৰাৰ মুখ্য কাৰণ হ'ল এই তত্ত্ব বর্তমানৰ জন সার্বভৌমত্ব (Popular Sovereignty) ধাৰণাৰ পৰিপন্থী। সার্বভৌমত্বৰ আইনগত দৃষ্টিক অধিক গুৰুত্ব দিবলৈ গৈ অষ্টিনে জন সার্বভৌমত্বক একেবাৰে নুই কৰিছে য'ত জনসাধাৰণ হৈছে সকলো ক্ষমতাৰ চৰম অধিকাৰী।

  অষ্টিনৰ সার্বভৌমত্ব তত্ত্বটোৱে এজন সর্বশক্তিমান শাসকৰ জন্ম দিব পাৰে। যিজন ব্যক্তি অথবা যিটো ব্যক্তি সমষ্টিয়ে সার্বভৌম ক্ষমতা প্রয়োগ কৰে, তেওঁ অথবা সেই ব্যক্তি সমষ্টি অতি ক্ষমতাশীল হৈ উঠে আৰু ব্যক্তিজন অথবা ব্যক্তি সমষ্টিটোৰ কাৰো প্রতি দায়বদ্ধতা নাথাকে। গতিকে এই তত্ত্বটোৱে এখন দায়িত্বহীন চৰকাৰৰ জন্ম দিব পাৰে, যিখনে নিজৰ ইচ্ছা অনুযায়ী সকলো কাম কৰিব পাৰে আৰু কার্য্যসমূহৰ বাবে কাৰো ওচৰত জবাবদিহি হ'ব নালাগে। ফলত এনে ধৰণৰ চৰকাৰে জনসাধাৰণৰ কল্যাণ আৰু স্বার্থৰ বিপৰীতেও সিদ্ধান্ত গ্রহণ কৰিব পাৰে।

এইটোও কোৱা হয় যে সার্বভৌম ক্ষমতা সদায় নির্দিষ্ট নহ'বও পাৰে। এখন যুক্তৰাষ্ট্রীয় ৰাষ্ট্রত সার্বভৌম শক্তিক বিচাৰি উলিওৱাটো অতিশয় কঠিন কার্য্য। উদাহৰণ স্বৰূপে, আমেৰিকা যুক্তৰাষ্ট্রৰ দৰে যুক্তৰাষ্ট্রীয় ৰাষ্ট্রত সার্বভৌম ক্ষমতা ৰাষ্ট্রপতি অথবা সংসদ অর্থাৎ কংগ্রেছ (Congress) কাৰো হাততেই ন্যস্ত নাথাকে। সংবিধানে ব্যক্ত কৰা অনুসৰি এই ক্ষমতা দেশৰ জনগণৰ হাততহে থাকে। ভাৰতবর্ষও ইয়াৰ ব্যতিক্রম নহয়।

আকৌ, সার্বভৌমত্বৰ আদেশেই আইন বোলা কথাটো শুদ্ধ নহয়। বহুবোৰ দেশত প্রথাগত আইনবোৰেই সর্বোচ্চ আইন। কিন্তু, সেইবোৰ আদেশৰ ৰূপত প্রকাশ কৰা নাযায়। কিন্তু এনে আইনে স্বেচ্ছাচাৰী শাসনৰ ওপৰতো বহুলভাৱে প্রভাৱ বিস্তাৰ কৰে। অষ্টিনৰ সর্বোচ্চ ক্ষমতাশালী মানুহৰ ধাৰণাৰ লগত খাপ খোৱাকৈ পাঞ্জাৰৰ ৰঞ্জিত সিঙৰ উদাহৰণ ছাৰ হেনৰি মেইনে দাঙি ধৰিছে। কিন্তু ৰঞ্জিত সিঙৰ দৰে স্বেচ্ছাচাৰী শাসকেও জনগণৰ আচৰণবিধিৰ ওপৰত প্রভাৱ বিস্তাৰ কৰা প্রথাগত আইনসমূহৰ সলনি কৰিবলৈ সাহস কৰা নাছিল।

শক্তিৰ ওপৰত অতিমাত্রা গুৰুত্ব দিয়াৰ বাবেও অষ্টিনৰ সার্বভৌমত্বৰ তত্ত্বটো সমালোচিত হৈছে। জন অষ্টিনৰ মতে জনসাধাৰণে শাস্তিৰ ভয়ৰ কাৰণেহে আইন মানি চলে। কিন্তু এই ধাৰণাটো আংশিকভাৱেহে শুদ্ধ। বহু ক্ষেত্রত আইনসমূহে মানুহৰ চাহিদাসমূহ পূর্ণ কৰে কাৰণেও তেওঁলোকে আইনসমূহ মানি চলে। আকৌ এইটোও কোৱা হয় যে এই তত্ত্বটো অগণতান্ত্রিক কাৰণ এই তত্ত্বটোৱে ৰাষ্ট্রৰ জনমতক কোনো ধৰণৰ স্থান অথবা গুৰুত্ব প্রদান কৰা নাই। চৰকাৰৰ কাম-কাজৰ বিৰুদ্ধে মাত মতাৰ অধিকাৰ জনসাধাৰণৰ নাই আৰু তেওঁলোক চৰকাৰৰ নির্দেশ মানি চলিবলৈ বাধ্য।

সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বৰ সমর্থকসকলে আকৌ ৰাষ্ট্রক অন্য সংস্থাসমূহৰ দৰেই এটা অনুষ্ঠান বুলি বিবেচনা কৰিছে। তেওঁলোকে মত পোষণ কৰিছে যে সার্বভৌম ক্ষমতা কেৱল ৰাষ্ট্রৰ হাতত অর্পণ কৰিব নালাগে, বৰঞ্চ ৰাষ্ট্রৰ অন্তর্গত বিভিন্ন দল তথা সংস্থাসমূহেও ৰাষ্ট্রৰ সৈতে সমানে সার্বভৌম ক্ষমতাৰ অংশীদাৰ হ'ব লাগে।

জন অষ্টিনৰ সার্বভৌমত্বৰ একাত্মবাদী ধাৰণাটো যথেষ্ট পৰিমাণে সমালোচনাৰ সন্মুখীন হৈছে যদিও এই কথা স্বীকাৰ কৰিবই লাগিব যে অষ্টিনে বৈধ আৰু আনুষ্ঠানিক (Frmal) দিশৰ পৰা চৰম আৰু অসীম সার্বভৌমত্বৰ ব্যাখ্যা কৰিছে। তেওঁ এটা দায়িত্বহীন সার্বভৌম কর্তৃপক্ষৰ কথা ব্যক্ত কৰা নাই; বৰঞ্চ কৈছে যে সার্বভৌম কর্তৃপক্ষ তেওঁৰ দৰে অন্য এক সার্বভৌম কর্তৃপক্ষৰ তলতীয়া নহয়। তেওঁৰ সার্বভৌমজন নিজৰ অধিকাৰ ক্ষেত্রত ভিতৰৰ সকলো ব্যক্তি আৰু গোটসমূহতকৈ ওপৰৰ বৈধ সর্বোচ্চ ক্ষমতাসম্পন্ন। অষ্টিনে অতি নিখুঁতভাৱে বৈধ সার্বভৌমত্বক ৰাজনৈতিক সার্বভৌমত্বৰ পৰা পৃথক কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ জন অষ্টিনক সার্বভৌমত্বৰ একাত্মবাদী তত্ত্বৰ মুখ্য পৃষ্ঠপোষক আখ্যা দিব পাৰি। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ২ ঃ অষ্টিনৰ সার্বভৌমত্বৰ তত্ত্বৰ মতে সার্বভৌমত্ব বিভাজ্য। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৩ ঃ জন অষ্টিনৰ সার্বভৌমত্বৰ ধাৰণাৰ ব্যাখ্যা থকা পুথিখনৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন নং ৪ ঃ অষ্টিনৰ মতেকোনো এক কর্তৃপক্ষৰ ওচৰত জনসাধাৰণে মাজে সময়ে প্রকাশ কৰা আনুগত্যই সেই কর্তৃপক্ষক সার্বভৌম ক্ষমতাৰ অধিকাৰী কৰি তোলে। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৫ ঃ 'সার্বভৌমত্বৰ একাত্মবাদী তত্ত্ব' এই তত্ত্বটোক এইদৰে আখ্যা দিয়াৰ কাৰণ কি ?

.....

.....

প্রশ্ন নং ৬ ঃ অষ্টিনৰ সার্বভৌমত্ব তত্ত্বৰ দুটা সমালোচনা উল্লেখ কৰক।

.....

.....

.....

.....

.....

.....

৮.৩.২ সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্ব (Pluralist Theory of Sovereignty)

আগৰ ভাগত আলোচনা কৰি অহা সার্বভৌমত্বৰ একাত্মবাদী তত্ত্বৰ বিৰোধ হিচাপে সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বৰ উত্থান ঘটিছে। বহুত্ববাদী অথবা সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বৰ প্রবক্তাসকলে সার্বভৌমত্বৰ একাত্মবাদী তত্ত্বৰ ঘোৰ বিৰোধিতা কৰিছে। একাত্মবাদীসকলে ৰাষ্ট্রক অসীম, চৰম, অবিভাজ্য ক্ষমতা প্রদান কৰিছে। ৰাষ্ট্রৰ এনে ক্ষমতাক কোনোপধ্যে মানি নলৈ একাত্মবাদীসকলক কঠোৰভাৱে সমালোচনা কৰাৰ

ফলত সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বৰ আবির্ভাৱ ঘটিছে। সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বৰ মুখ্য প্ৰবক্তাসকল হ'ল— ফৰাচী সমাজতাত্ত্বিক এমিল ডাৰখেইম (Emile Durkheim), জার্মান পণ্ডিত অ'ট'ভন গিয়ার্কে, (Ottovon Gierke), বৃটিছ ইতিহাসবিদ এফ. ডব্লিউ. মেইটলেণ্ড (F. W. Maitland), বৃটিছ পণ্ডিত জি. ডি. এইচ. কোল (G. D. H. Cole), বৃটিছ অর্থনীতিবিদ ছিডনি (Sidney) আৰু বিয়েট্ৰিছ ৱেব (Beatrice Webb), আমেৰিকাৰ পণ্ডিত মিছ এম. পি. ফ'লেট (Miss M. P. Follet), আৰু বৃটিছ পণ্ডিত হে�ৰল্ড লাস্কি (Harold Laski)। সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বই একাত্মবাদী তত্ত্বক নাকচ কৰিছে আৰু কৈছে যে ৰাষ্ট্ৰ এখনৰ সার্বভৌমত্ব চৰম আৰু অবিভাজ্য হ'ব নোৱাৰে।



জানি থোৱা ভাল

বহুত্ববাদীসকলে ৰাষ্ট্ৰ সার্বভৌমত্ব (State-Sovereignty)ক প্ৰত্যাহ্বান জনাবলৈ আৰম্ভ কৰিছিল প্ৰথম বিশ্বযুদ্ধৰ (১৯১৪-১৯১৮) সময়ত সৃষ্টি হোৱা পৰিৱেশ প্ৰত্যক্ষ কৰি। সেই সময়ত ৰাষ্ট্ৰই বিচাৰিছিল যে জনসাধাৰণে ৰাষ্ট্ৰৰ স্বাৰ্থৰ বাবে আত্মবলিদানৰ লগতে নিজৰ অতি মৰমৰ মানুহবোৰৰো বলিদান কৰক। ৰাষ্ট্ৰৰ আহ্বানত বহুত সংখ্যক জনগণে ৰাষ্ট্ৰৰ স্বাৰ্থত নিজকে উৎসৰ্গা কৰিছিল। এনে সময়তে মানুহৰ মনত এটা প্ৰশ্নৰ উদ্ভৱ হ'ল যে ৰাষ্ট্ৰৰ, জনসাধাৰণৰ ওচৰত কৰা এনেধৰণৰ দাবী কিমানদুৰ যুক্তিযুক্ত ? জার্মান আইনবিদ অ'ট'ভন গিয়ার্কে (Otto von Gierke), ইংলেণ্ডৰ চিন্তাবিদ ফিগ্‌ছ (Figgs), মেইটলেণ্ড (Maitland), লিণ্ডছে (Lindsay), বার্কাৰ (Barker), লাস্কি (Laski), মেকআইভাৰ (Mac Iver) আদিৰ লেখনিত সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বটো সুস্পষ্ট হৈ উঠিল। শিল্প বিপ্লৱৰ আৰম্ভণিৰ লগে লগে গঠন হোৱা শক্তিশালী বিত্তীয় অনুষ্ঠান প্ৰতিষ্ঠানবোৰৰ শক্তিশালী প্ৰভাৱো বহুত্ববাদী ধাৰণাৰ ওপৰত পৰিবলৈ ধৰে। নিজৰ গোটৰ স্বাৰ্থক ৰক্ষণাবেক্ষণ দিবলৈ এই প্ৰতিষ্ঠান আৰু অনুষ্ঠানে স্বায়ত্ত-শাসনৰ দাবী প্ৰদৰ্শন কৰিলে। এনে অনুষ্ঠানৰ লগত সম্বন্ধ ৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰই অসুবিধা অনুভৱ কৰিবলৈ ধৰিলে।

- **বহুত্ববাদৰ নীতিসমূহ (Principles of Pluralism) ঃ**
  - **সমাজৰ বহুত্ববাদী প্ৰকৃতি (Pluralist Nature of the Society) ঃ** সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বই জনসাধাৰণে নিজৰ বিভিন্ন গুণৰ বিকাশৰ বাবে গঠন কৰা বিভিন্ন সংস্থা বা সংগঠনসমূহৰ ভূমিকাক যথেষ্ট গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে। এনে সংগঠনবোৰ হ'ল—গীর্জাকে আদি কৰি অন্যান্য ধর্মীয় অনুষ্ঠান, শ্ৰমিক সংঘ (Trade Union), সমবায় সমিতি (Co-operative Societies), বিভিন্ন স্বেচ্ছাসেৱী অনুষ্ঠান (Voluntary Associations) আদি। ৰাষ্ট্ৰ হৈছে সমাজত থকা বিভিন্ন সংস্থাবোৰৰ ভিতৰৰে এটা সংস্থা যি আন সংস্থাবোৰৰ

একে পর্য্যায়ৰ। ই কেতিয়াও আনবোৰতকৈ ওপৰত হ'ব নোৱাৰে। ৰাষ্ট্ৰ অন্য সংস্থাবোৰৰ পৰা পৃথক এক বেলেগ ধৰণৰ অনুষ্ঠান হ'ব নোৱাৰে।

- **সমন্বয় ৰক্ষাকাৰীৰূপে ৰাষ্ট্ৰৰ ভূমিকা (Role of the State as Coordinator) ঃ** এটা সংস্থাই নিজৰ সদস্যবোৰৰ মাজত সমন্বয় ৰক্ষা কৰাৰ দৰে, ৰাষ্ট্ৰয়ো সমাজৰ আন আন সংস্থা আৰু সংগঠনবিলাকৰ মাজত সমন্বয় ৰক্ষাকাৰী সংস্থা হিচাপে কার্য্যনির্বাহ কৰে। এই সংস্থাবোৰৰ মাজৰ বিৰোধপূর্ণ দাবীবোৰ সমাধান কৰাৰ এক আহিলা ৰাষ্ট্ৰ। ৰাষ্ট্ৰই নিজ ইচ্ছা সংস্থাবোৰৰ ওপৰত জাপি নিদি সংস্থাবোৰৰ কার্য্যাৱলীৰ এটা উমৈহতীয়া ভেঁটি তৈয়াৰ কৰি দিয়ে আৰু ই বিভিন্ন স্বার্থবোৰক একেলগ কৰি সমন্বয় স্থাপন কৰে, যাৰ দ্বাৰা গোটেই সমাজখনৰে সার্বজনীন কল্যাণ সাধন হয়।
- **কর্তৃত্বৰ ওপৰত নিজৰ দাবীক ৰাষ্ট্ৰই বিচাৰ কৰা উচিত (The State must Justify its Claim to Authority) ঃ** বহুত্ববাদীসকলে কৈছে যে ৰাষ্ট্ৰই নিজকে সর্বোচ্চ কর্তৃত্বশীল অনুষ্ঠান বুলি দাবী কৰা কথাটো স্বীকাৰ কৰি ল'ব নোৱাৰি। ৰাষ্ট্ৰই ইয়াৰ অধিকাৰ ক্ষেত্ৰৰ ভিতৰৰ সকলো ব্যক্তি আৰু সংস্থাৰ ওপৰতে ইয়াৰ অধিকাৰ স্থাপন কৰাৰ বাবে এক সুবিধাজনক অৱস্থান লাভ কৰে। ই দমনমূলক (Coercive) ক্ষমতাৰ অধিকাৰী যাৰদ্বাৰা ৰাষ্ট্ৰৰ আদেশ পালন নকৰা সকলে শাস্তি লাভ কৰে। কিন্তু এই বিশেষ ক্ষমতা প্ৰয়োগ কৰিবলৈ ৰাষ্ট্ৰই যথেষ্ট চালিজাৰি চাব লাগে। সংস্থাবোৰৰ সংস্থা হিচাপে নিজৰ কর্তৃত্ব স্থাপন কৰোঁতে ৰাষ্ট্ৰ এখনে এখন সমাজৰ স্বার্থবোৰৰ (Interests) মাজত সমন্বয় স্থাপন কৰাৰ নৈতিক দায়িত্ব স্বীকাৰ কৰা উচিত আৰু 'ন্যস্ত স্বার্থ' (Vested Interests)সমূহক প্ৰভাৱ বিস্তাৰ কৰাৰ সুবিধা প্ৰদান কৰাটো অনুচিত।
- **কর্তৃত্বৰ বিকেন্দ্ৰীকৰণ (Decentralisation of Authority) ঃ** বহুত্ববাদী-সকলৰ মতে, বর্তমান বিশ্বৰ জটিল অর্থনৈতিক আৰু ৰাজনৈতিক সম্পর্কবোৰ ৰাষ্ট্ৰৰ একাত্মবাদী তত্ত্বই সামৰি লোৱা নাই। সেয়েহে, সামাজিক কল্যাণ সাধনৰ বাবে বিভিন্ন সংস্থা সংগঠনবোৰে নিজে নিজে পালন কৰা কার্য্য অনুসৰি সমাজৰ পৰিচালনা আৰু নিয়ন্ত্ৰণৰ দৰে দায়িত্বক নিজৰ মাজত ভগাই ল'ব লাগে। সেয়েহে, বহুত্ববাদীসকলে কর্তৃত্বৰ বিকেন্দ্ৰীকৰণ হোৱা কথাটিত অধিক গুৰুত্ব প্ৰদান কৰে যাতে সকলো ক্ষমতা আৰু কর্তৃত্ব ৰাষ্ট্ৰৰ হাততে কেন্দ্ৰীভূত নহয়।

➢ **বহুত্ববাদী তত্ত্বৰ সমালোচনাত্মক মূল্যায়ণ ঃ** সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বটো সমালোচনা কৰাৰ যুক্তি হ'ল— যদি সম্পর্ক থকা বিভিন্ন সংস্থাবোৰৰ মাজত সার্বভৌম শক্তিক বিভাজন কৰা হয় তেন্তে এনে বিভাজনে সার্বভৌমত্বৰ ধ্বংস মাতি আনিব। সার্বভৌম ক্ষমতাক ভাগ কৰিলে ই মূল্যহীন হৈ পৰিব। ইয়ে ৰাষ্ট্ৰখনক বিখণ্ডন (Disintegration)ৰ পথলৈ আগবঢ়াই নিব। যদি ৰাষ্ট্ৰখন বিখণ্ডিত হয় তেন্তে সমগ্ৰ সমাজে ইয়াৰ

কুফল ভোগ কৰিব লাগিব। ৰাষ্ট্ৰৰ কৰ্তৃপক্ষ অবিহনে এটা শান্তিপূৰ্ণ আৰু নিৰাপদ জীৱনৰ কল্পনা কৰাটো অতি কষ্টসাধ্য।

সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বটোৰ বিপক্ষে থকা আন এটা সমালোচনা হৈছে যদিহে সার্বভৌম ক্ষমতা ৰাষ্ট্ৰ আৰু অন্যান্য অনুষ্ঠানসমূহে প্ৰয়োগ কৰে, তেন্তে বেমেজালিৰ সৃষ্টি হ'ব। এনে ক্ষেত্ৰত প্ৰত্যেকে সার্বভৌম ক্ষমতাৰ গৰাকী হ'ব আৰু কাৰো কথা কোনেও নুশুনিব। এনেকুৱা পৰিস্থিতিত বিভিন্ন সংস্থা আৰু অনুষ্ঠানৰ কার্য্যসমূহৰ মাজত সমন্বয় ৰক্ষাকাৰীৰ অভাৱ ঘটি বিভিন্ন প্ৰকাৰৰ স্বার্থৰ মাজত সংঘাতৰ সৃষ্টি হ'ব। ফলত সমাজখনত অৰাজকতাৰ উদ্ভৱ হ'ব। তদুপৰি, সমাজৰ কিছুমান গোট বা সংস্থা, অন্য গোট বা সংস্থাতকৈ অধিক পৰিমাণে সংগঠিত আৰু মাত মাতিব পৰা ধৰণৰ হয় তেন্তে, তেনেধৰণৰ প্ৰভাৱশালী গোটৰ স্বার্থ অন্যান্য সাধাৰণ শ্ৰেণীৰ লোকৰ ওপৰত হকে বিহকে জাপি দিব বিচৰা যায়। এনে পৰিস্থিতিত, জনস্বার্থক ৰক্ষণাবেক্ষণ দিয়াৰ দায়িত্ব ৰাষ্ট্ৰৰ হাতত ন্যস্ত থাকে। ৰাষ্ট্ৰই বিভিন্ন সংস্থা বা সংগঠনবোৰক স্বতন্ত্ৰতা প্ৰদান কৰি নিজ নিজ ক্ষেত্ৰত কাম কৰিবলৈ দিয়াৰ লগতে, সিহঁতৰ মাজত দ্বন্দ-কাজিয়াৰ মীমাংসা কৰি দিয়ে আৰু সমাজত সমতা স্থাপন কৰে।

সমালোচকসকলে মত প্ৰকাশ কৰিছে যে সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বটো গঠনমূলক নহয়, বৰং ই ধ্বংসাত্মক। সমালোচকসকলে মত প্ৰকাশ কৰিছে যে সার্বভৌম ক্ষমতা কেৱল এটা অনুষ্ঠানৰ হাততহে ন্যস্ত থাকিব লাগে আৰু সেই অনুষ্ঠানটো হৈছে ৰাষ্ট্ৰ। আইন প্ৰণয়ন আৰু আইন মানি চলিবলৈ বাধ্য কৰোৱাৰ ক্ষমতা কেৱল ৰাষ্ট্ৰৰ থাকিব লাগে। যদিহে অন্যান্য বহুতো অনুষ্ঠানৰ আইন প্ৰণয়নৰ ক্ষমতা থাকে, তেন্তে সমাজখন ধ্বংসপ্ৰাপ্ত হ'ব।

যদিও সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বৰ সমালোচনা কৰা হৈছে, তথাপিও এই কথা স্বীকাৰ কৰিবই লাগিব যে ৰাষ্ট্ৰৰ চৰম ক্ষমতাৰ বিৰুদ্ধে গণতান্ত্ৰিক প্ৰতিক্ৰিয়াৰ ফলত সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বৰ সৃষ্টি হৈছে। ৰাষ্ট্ৰৰ ভিতৰৰ অন্যান্য গোট, সংস্থা আৰু অনুষ্ঠানবোৰৰ গুৰুত্ব আৰু ভূমিকাক স্বীকৃতি প্ৰদান কৰি ই ৰাষ্ট্ৰৰ কর্তৃত্বৰ ওপৰত সীমাবদ্ধতা আঙুলিয়াই দেখুৱাইছে।



জানি থোৱা ভাল

হে�ৰল্ড জে. লাস্কি (Harold J. Laski) সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বৰ মুখ্য আৰু শক্তিশালী প্ৰবক্তা। তেওঁ সজোৰে ৰাষ্ট্ৰৰ সার্বভৌমত্বৰ একাত্মবাদী তত্ত্বৰ বিৰোধিতা কৰিছিল। ১৯৩০ চনৰ সময়চোৱাৰ পৰা তেওঁ সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বৰ ওপৰত এক সমানুপাতিক দৃষ্টি প্ৰদান কৰিবলৈ আৰম্ভ কৰিছিল। সার্বভৌমত্বক তেওঁ ৰাষ্ট্ৰৰ গুৰুত্বপূৰ্ণ উপাদান হিচাপে গণ্য কৰিবলৈ লয়, কাৰণ সমাজত শ্ৰেণী সম্পর্ক (Class-relations)ক নিয়ন্ত্ৰণ কৰিবৰ বাবে ৰাষ্ট্ৰৰ প্ৰয়োজনীয়তা অনস্বীকার্য্য।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বটোৰ উৎপত্তি হৈছে.....ৰ প্রতিক্রিয়া স্বৰূপে। (খালী ঠাই পূৰণ কৰক।)

.....

প্ৰশ্ন নং ৮ ঃ সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বৰ যিকোনো দুটা নীতি উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৯ ঃ সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বৰ যিকোনো দুজন প্রৱক্তাৰ নাম লিখক।

.....

প্ৰশ্ন নং ১০ ঃ সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বই সার্বভৌমত্ব ৰাষ্ট্রৰ অসীম আৰু অবিভাজ্য ক্ষমতা বোলা নীতিটোক নাকচ কৰে। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ১১ ঃ সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বৰ দুটা সমালোচনা আঙুলিয়াই দিয়ক।

.....

.....

.....

.....

.....

.....

.....



৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ঊনবিংশ শতকিাত সার্বভৌমত্বৰ তত্ত্বটোৰ বৈধ ধাৰণাৰ (আইনগত দৃষ্টিত সার্বভৌমত্ব) পৃষ্টপোষকতা কৰিছিল জন অষ্টিনে। একাত্মবাদে ৰাষ্ট্রৰ এখনত কেৱল এটা মাত্র ক্ষমতাৰ অৱস্থিতিক মানি লয়। সেই সার্বভৌমজন কেৱল এগৰাকী ব্যক্তিও হ'ব পাৰে অথবা এটা ব্যক্তি সমষ্টিও হ'ব পাৰে। তদুপৰি, যিহেতু সার্বভৌমত্বক এক বৈধ ধাৰণা বুলি গণ্য কৰা হয়, সেয়েহে এই তত্ত্বটোৰ নাম বৈধ একাত্মবাদী তত্ত্ব। জন অষ্টিনে তেওঁৰ বিখ্যাত গ্রন্থ 'প্রভিনচ্ অৱ জুৰিছপ্রুদেঞ্চ ডিটাৰমাইণ্ড' (Province of Jurisprudence Determined)ত সার্বভৌমত্বৰ একাত্মবাদী তত্ত্বৰ সংজ্ঞা দাঙি

ধৰি সেই সম্পর্কে আলোচনা আগবঢ়াইছে।

- বহুতত্ত্ববাদীসকলে ৰাষ্ট্ৰ সার্বভৌমত্বক প্রত্যাহ্বান জনাবলৈ সার্বভৌমত্বৰ বহুতত্ত্ববাদী তত্ত্ব উদ্ভাৱন কৰিছিল। সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বই জনসাধাৰণে নিজৰ বিভিন্ন গুণৰ বিকাশৰ বাবে গঠন কৰা বিভিন্ন সংস্থা সংগঠনসমূহৰ ভূমিকাক যথেষ্ট গুৰুত্ব সহকাৰে গ্রহণ কৰিছে। এনে সংগঠনবোৰ হ'ল— গীর্জাকে আদি কৰি অন্যান্য ধর্মীয় অনুষ্ঠান, শ্রমিক সংঘ (Trade Union), সমবায় সমিতি (Co-operative Societies), বিভিন্ন স্বেচ্ছাসেৱী অনুষ্ঠান (Voluntary Associations) আদি। ৰাষ্ট্ৰ হৈছে সমাজত থকা বিভিন্ন সংস্থাবোৰৰ ভিতৰৰে এটা সংস্থা যি আন আন সংস্থা আৰু সংগঠনবিলাকৰ মাজত সমন্বয় ৰক্ষাকাৰী সংস্থা হিচাপে কার্য্যনির্বাহ কৰে। এই সংস্থাবোৰৰ মাজত বিৰোধপূর্ণ দাবীবোৰ সমাধান কৰাৰ এক আহিলা ৰাষ্ট্ৰ।বহুত্ববাদীসকলে কর্তৃত্বৰ বিকেন্দ্রীকৰণ হোৱা কথাটিত অধিক গুৰুত্ব প্রদান কৰে যাতে সকলো ক্ষমতা আৰু কর্তৃত্ব ৰাষ্ট্ৰৰ হাততে কেন্দ্রীভূত নহয়।
- সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বৰ মুখ্য প্রবক্তাসকল হ'ল— এমিল ডাৰখেইম (Emile Durkheim), অট'ভন গিয়ার্কে (Otto von Gierke), এফ. ডব্লিউ. মিটলেণ্ড (F. W. Maitland), জি. ডি. এইছ. কোল (G. D. H. Cole), ছিড্‌নি আৰু বিয়েট্রিছ ৱেব (Sidney and Beatrice Webb), মিছ এম. পি. ফ'লেট (Miss M. P. Follet) আৰু হেৰল্ড লাস্কি (Harold Laski)।



৮.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*; গুৱাহাটী ঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; যোৰহাট ঃ ইউনিকা প্রকাশন।

৩) চক্রৱর্তী, আদ্যনাথ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৪) পাল, ড° কৃপেশ চন্দ্র আৰু নায়ক, অধ্যাপক প্রতুল চন্দ্র (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ অৰুণ প্রকাশন।

ইংৰাজী গ্রন্থ ঃ

1) Agarwal, R. C. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

2) Asirvatham, E. & Misra, K. K. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

3) Kapur, A. C. (2006): *Principles of Political Science*; New Delhi: S. Chands & Company Ltd.

4) Mahajan, V. D. (2008): *Political Theory*; New Delhi: S. Chands & Company Ltd.

৮.৬ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

২নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ

৩নং প্ৰশ্নৰ উত্তৰ ঃ 'প্ৰভিনচ্ অৰ জুৰিছপ্ৰুদেঞ্চ ডিটাৰমাইণ্ড' (Province of Jurisprudence Determined)

৪নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ

৫নং প্ৰশ্নৰ উত্তৰ ঃ ইয়াক সার্বভৌমত্বৰ একাত্মবাদী তত্ত্ব বুলিও জনা যায় কাৰণ, এই তত্ত্বৰ মতে এখন ৰাষ্ট্ৰত এজনেই সার্বভৌম থাকে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ক) জন অষ্টিনৰ সার্বভৌমত্বৰ একাত্মবাদী তত্ত্ব বৰ্তমানৰ জন সার্বভৌমত্ব (Popular Sovereignty) ধাৰণাৰ পৰিপন্থী। সার্বভৌমত্বৰ আইনগত দৃষ্টিক অধিক গুৰুত্ব দিবলৈ গৈ অষ্টিনে জন সার্বভৌমত্বক একেবাৰে নুই কৰিছে য'ত জনসাধাৰণ হৈছে সকলো ক্ষমতাৰ চৰম অধিকাৰী।

খ) সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বৰ সমৰ্থকসকলে আকৌ ৰাষ্ট্ৰক অন্য সংস্থাসমূহৰ দৰেই এটা অনুষ্ঠান বুলি বিবেচনা কৰিছে। তেওঁলোকে মত পোষণ কৰিছে যে সার্বভৌম ক্ষমতা কেৱল ৰাষ্ট্ৰৰ হাতত অৰ্পণ কৰিব নালাগে, বৰঞ্চ ৰাষ্ট্ৰৰ অন্তৰ্গত বিভিন্ন দল তথা সংস্থাসমূহেও ৰাষ্ট্ৰৰ সৈতে সমানে সার্বভৌম ক্ষমতাৰ অংশীদাৰ হ'ব লাগে।

৭নং প্ৰশ্নৰ উত্তৰ ঃ সার্বভৌমত্বৰ একাত্মবাদী তত্ত্ব

৮নং প্ৰশ্নৰ উত্তৰ ঃ ক) সমাজৰ বহুত্ববাদী প্ৰকৃতি

খ) কৰ্তৃত্বৰ ওপৰত নিজৰ দাবীক ৰাষ্ট্ৰই বিচাৰ কৰা উচিত।

৯নং প্ৰশ্নৰ উত্তৰ ঃ জি.ডি. এইছ, ক'ল আৰু প্ৰফেচাৰ হেৰল্ড লাস্কি

১০নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

১১নং প্ৰশ্নৰ উত্তৰ ঃ ক) সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্ব এই কাৰণে সমালোচনা কৰা হৈছে যে, যদি সার্বভৌম ক্ষমতাক সমাজত থকা বিভিন্ন সংস্থাৰ মাজত বিভাজন কৰা হয়, তেন্তে ই সার্বভৌমত্বৰ ধ্বংস মাতি আনিব।

খ) সার্বভৌমত্বৰ বহুত্ববাদী তত্ত্বটোৰ বিপক্ষে থকা আন এটা সমালোচনা হৈছে যদিহে সার্বভৌম ক্ষমতা ৰাষ্ট্ৰ আৰু অন্যান্য অনুষ্ঠানসমূহে প্ৰয়োগ কৰে, তেন্তে বেমেজালিৰ সৃষ্টি হ'ব। এনে ক্ষেত্ৰত প্ৰত্যেকে সার্বভৌম ক্ষমতাৰ গৰাকী হ'ব আৰু কাৰো কথা কোনেও নুশুনিব। এনেকুৱা পৰিস্থিতিত বিভিন্ন সংস্থা আৰু অনুষ্ঠানৰ কার্যসমূহৰ

মাজত সমন্বয় ৰক্ষাকাৰীৰ অভাৱ ঘটি বিভিন্ন প্ৰকাৰৰ স্বাৰ্থৰ মাজত সংঘাতৰ সৃষ্টি হ'ব। ফলত সমাজখনত অৰাজকতাৰ উদ্ভৱ হ'ব।



৮.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ 'প্ৰভিনচ্ অৱ জুৰিছপ্ৰুদেঞ্চ ডিটাৰমাইণ্ড' (Province of Jurisprudence Determined) গ্ৰন্থখনৰ ৰচক কোন?

প্ৰশ্ন ২ ঃ সাৰ্বভৌমত্বৰ বহুত্ববাদী তত্ত্বৰ দুজন সমৰ্থকৰ নাম লিখক।

প্ৰশ্ন ৩ ঃ সাৰ্বভৌমত্বৰ তত্ত্ব দুটাৰ নাম উল্লেখ কৰক।

খ) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সাৰ্বভৌমত্বৰ একাত্মবাদী তত্ত্বৰ যিকোনো দুটা বৈশিষ্ট্যৰ বিষয়ে সংক্ষেপে লিখক।

প্ৰশ্ন ২ ঃ সাৰ্বভৌমত্বৰ একাত্মবাদী তত্ত্ব আৰু সাৰ্বভৌমত্বৰ বহুত্ববাদী তত্ত্ব দুটাৰ মাজত থকা পাৰ্থক্যৰ বিষয়ে সংক্ষেপে লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অষ্টিনৰ সাৰ্বভৌমত্ব তত্ত্বটোৰ সমালোচনাত্মক আলোচনা প্ৰস্তুত কৰক।

প্ৰশ্ন ১ ঃ বহুত্ববাদৰ নীতিসমূহ আলোচনা কৰক। সাৰ্বভৌমত্বৰ বহুত্ববাদী তত্ত্বৰ সমালোচনা কৰাৰ কাৰণসমূহ ফহিয়াই চাওক।

*** ***** ***

অধ্যায় ৯ ঃ গণতন্ত্র

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ গণতন্ত্র

- ৯.৩.১ গণতন্ত্ৰৰ অর্থ
- ৯.৩.২ গণতন্ত্ৰৰ প্ৰকাৰ
- ৯.৩.৩ গণতন্ত্ৰৰ কৃতকার্য্যতাৰ চর্তসমূহ
- ৯.৩.৪ গণতন্ত্ৰৰ গুণ আৰু দোষসমূহ

৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৫ অধিক জানিবলৈ

৯.৬ অগ্রগতিৰ খতিয়ান

৯.৭ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গণতন্ত্ৰৰ সংজ্ঞা আগবঢ়াব পাৰিব
- গণতন্ত্ৰৰ দুয়োটা প্ৰকাৰৰ বিষয়ে বর্ণনা কৰিব পাৰিব
- গণতন্ত্ৰৰ কৃতকার্য্যতাৰ চর্তসমূহৰ ব্যাখ্যা আগবঢ়াব পাৰিব
- গণতন্ত্ৰৰ গুণসমূহ বাচি উলিয়াব পাৰিব
- গণতন্ত্ৰৰ দোষসমূহ বাচি উলিয়াব পাৰিব।

৯.২ পৰিচয়

আমি সকলোৱে বিভিন্ন উপলক্ষত গণতন্ত্র শব্দটো ব্যৱহাৰ কৰোঁ। জানি শুনিয়েই হওক অথবা নজনাকৈয়ে হওঁক আমি আমাৰ জীৱনতো গণতন্ত্ৰৰ অনুশীলন কৰোঁ আৰু ইয়াৰ লগত জড়িত অভিজ্ঞতা সঞ্চয় কৰোঁ। উদাহৰণ স্বৰূপে, আমি পঞ্চায়ত, বিধান সভা আৰু সংসদীয় নির্বাচনত অংশগ্রহণ কৰি ভোট দিওঁ; আমাৰ ভিতৰৰ কিছুমানে ৰাজনৈতিক প্রচাৰ অভিযানত অংশ গ্রহণ কৰে; আকৌ কিছুমানে ৰাজহুৱা লেন-দেনৰ লগত জড়িত আলোচনাত অংশ গ্রহণ কৰে; দুর্নীতিপৰায়ণ বিষয়াৰ বিৰুদ্ধে প্রতিবাদ সাব্যস্ত কৰে আৰু আমাৰ ভিতৰৰ কিছুমানে চৰকাৰী কার্য্যালয়ৰ পৰা ন্যায় নাপালে আদালতৰ কায চাপে। আমি বহুতেই দলিত আৰু জনজাতীয় সম্প্রদায়ৰ কথা জানো যিসকলে ৰাজনৈতিক সুযোগ-সুবিধাৰ দাবীত ৰাজপথলৈ ওলাই আহে।

চৰকাৰী কৰ্মচাৰী আৰু বিষয়াসকলে গ্ৰহণ কৰা ধৰ্মঘট আৰু বিভিন্ন ধৰণৰ আন্দোলনৰ কাৰ্য্যসূচীৰ কথাও আমি জানো। আমি নিতৌ বাতৰি কাকত আৰু দূৰদৰ্শনৰ অনুষ্ঠানসমূহত চৰকাৰৰ বিৰুদ্ধে সমালোচনা পঢ়িবলৈ আৰু দেখিবলৈ পাওঁ। নিৰ্বাচনৰ পূৰ্বে ৰাজনৈতিক দলৰ নেতাই জনসাধাৰণৰ ওচৰলৈ ভোট বিচাৰি অহাও আমি দেখিবলৈ পাওঁ। কিন্তু সকলোবোৰ দেশতে এনে ধৰণৰ কাৰ্য্যাৱলী সম্ভৱপৰ নহয়। উদাহৰণ স্বৰূপে, উত্তৰ কোৰিয়াৰ নিচিনা সামৰিক শাসনৰ তলত থকা দেশত তাৰ জনসাধাৰণে মুকলিকৈ নিজৰ অভিমত প্ৰকাশ কৰিব নোৱাৰে। ইয়াৰ কাৰণটো কি ? কিয় এনেকুৱা হয় যে কিছুমান দেশত মানুহে স্বাধীনতা উপভোগ কৰিব পাৰে আৰু কিছুমানত নোৱাৰে ? গণতন্ত্ৰ এনেকুৱা প্ৰকাৰৰ চৰকাৰ যি জনসাধাৰণৰ অনুমোদনক্ৰমে চলে। ৰাজতন্ত্ৰ, অভিজাততন্ত্ৰ আৰু একনায়কত্ববাদী চৰকাৰৰ ক্ষেত্ৰত এনেকুৱা নহয়। আধুনিক ৰাজনীতিবিদসকলৰ সৰহ সংখ্যকেই গণতন্ত্ৰক এক উৎকৃষ্ট প্ৰকাৰৰ চৰকাৰ হিচাপে বিবেচনা কৰে। এই অধ্যায়টিত আমি এক প্ৰকাৰৰ চৰকাৰ হিচাপে গণতন্ত্ৰৰ বিষয়ে আলোচনা কৰিম আৰু ইয়াৰ লগত জড়িত বিভিন্ন দিশসমূহ পৰীক্ষা কৰিম।

৯.৩ গণতন্ত্ৰ

গণতন্ত্ৰৰ বিভিন্ন দিশসমূহ তলত আলোচনা কৰা হ'ল।

৯.৩.১ গণতন্ত্ৰৰ অৰ্থ

গণতন্ত্ৰ (Democracy)ৰ আক্ষৰিক অৰ্থ হ'ল 'ৰাইজৰ দ্বাৰা শাসন' (Rule by the People)। ই দুটা গ্ৰীক শব্দ 'ডেমোছ' (Demos) অৰ্থাৎ 'মানুহ' (People) আৰু 'ক্ৰাটোছ' (Kratos) অৰ্থাৎ 'শাসন' (Rule)ৰ পৰা উদ্ভৱ হৈছে। গ্ৰীকসকলৰ মতে বহু জনৰ দ্বাৰা গঠিত চৰকাৰ হ'ল গণতন্ত্ৰ আৰু এৰিষ্টটলে ইয়াক এক প্ৰকাৰৰ ভ্ৰষ্টাচাৰী চৰকাৰ হিচাপে বিবেচনা কৰিছিল। আধুনিক লেখকসকলে গণতন্ত্ৰক ভ্ৰষ্টাচাৰী চৰকাৰ হিচাপে গণ্য নকৰে। কেইগৰাকীমান প্ৰখ্যাত চিন্তাবিদে আগবঢ়োৱা গণতন্ত্ৰৰ সংজ্ঞা কেইটামান পৰীক্ষা কৰোঁ আহক।

- আমেৰিকা যুক্তৰাষ্ট্ৰৰ পূৰ্বৰ ৰাষ্ট্ৰপতি আব্ৰাহাম লিঙ্কনৰ ভাষাত "জনসাধাৰণক লৈ জনসাধাৰণৰ কল্যাণৰ উদ্দেশ্যে গঠিত আৰু জনসাধাৰণৰ দ্বাৰা পৰিচালিত চৰকাৰক গণতন্ত্ৰ বোলে।" এইটো গণতন্ত্ৰৰ সবাতোকৈ জনপ্ৰিয় সংজ্ঞা।
- ***লৰ্ড ব্ৰাইচ***ৰ মতে, 'গণতন্ত্ৰ হৈছে এনে এখন চৰকাৰ য'ত ৰাষ্ট্ৰ শাসনৰ ক্ষমতা বিধিসন্মতভাৱে কোনো বিশেষ শ্ৰেণী বা শ্ৰেণীসমূহৰ হাতত ন্যস্ত নহৈ সামূহিকভাৱে সমাজখনৰ সকলো সদস্যৰ হাতত ন্যস্ত থাকে।"
- ***ছাৰ জন চীলিৰ*** মতে, "গণতন্ত্ৰ এনে প্ৰকাৰৰ চৰকাৰ য'ত সকলোৱে অংশ গ্ৰহণ কৰিব পাৰে।"

এই সংজ্ঞাসমূহে চৰকাৰ আৰু জনসাধাৰণৰ মাজত থকা সম্বন্ধটোৰ কথা বুজায়। এই সম্বন্ধটোৱে জনসাধাৰণকে ক্ষমতাৰ প্ৰকৃত উৎস হিচাপে উপস্থাপন কৰিছে আৰু



লৰ্ড ব্ৰাইচ (১০ মে', ১৮৩৮-২২ জানুৱাৰী, ১৯২২) ঃ তেওঁ এজন বৃটিছ ৰাজনীতিজ্ঞ, কুটনীতিবিদ, ইতিহাসবিদ আৰু শিক্ষাবিদ আছিল।

ছাৰ জন ৰবাৰ্ট চিলী (১০ ছেপ্টেম্বৰ ১৮৩৪-১৩ জানুৱাৰী ১৮৯৫) ঃ তেওঁ এজন ইংৰাজ লেখক আৰু ইতিহাসবিদ আছিল।

জনসাধাৰণক চৰকাৰৰ ওপৰত স্থান দিছে। চমুকৈ ক'বলৈ হ'লে গণতন্ত্রই সেই প্ৰকাৰৰ চৰকাৰৰ প্ৰতি সংকেত কৰে য'ত ৰাষ্ট্ৰৰ ***সাৰ্বভৌম ক্ষমতা*** সামগ্ৰিকভাৱে জনসাধাৰণৰ ওপৰত ন্যস্ত থাকে আৰু চৰকাৰে ইয়াৰ সৰ্বোচ্চ ক্ষমতা তেওঁলোকৰ পৰা লাভ কৰে। জনসাধাৰণেই হৈছে ৰাষ্ট্ৰ ক্ষমতাৰ সৰ্বোচ্চ উৎস আৰু তেওঁলোকে প্ৰত্যক্ষভাৱে অথবা নিজৰ প্ৰতিনিধিৰ যোগেদি চৰকাৰত অংশ গ্ৰহণ কৰে। এইদৰে জনসাধাৰণৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰি ৰাজহুৱা আঁচনিসমূহ প্ৰস্তুত কৰা হয় যাতে জনসাধাৰণৰ সামূহিক কল্যাণ হয়। পৃথিৱীৰ বিভিন্ন দেশত বাস কৰা লোকৰ গৰিষ্ঠ সংখ্যকেই অন্যান্য চৰকাৰৰ তুলনাত গণতন্ত্ৰক এক উৎকৃষ্ট চৰকাৰ হিচাপে বিবেচনা কৰে। এইখিনিতে এইটো কথা উল্লেখ কৰিব পাৰি যে গণতন্ত্ৰ স্বাধীনতা, সমতা আৰু সামাজিক ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত। এখন গণতান্ত্ৰিক দেশৰ নাগৰিকসকলে কিছুমান মৌলিক পৌৰ, ৰাজনৈতিক আৰু আইনগত অধিকাৰ আৰু স্বাধীনতা উপভোগ কৰে। একে সময়তে এখন গণতান্ত্ৰিক চৰকাৰে সামাজিক, অৰ্থনৈতিক আদি ক্ষেত্ৰত সকলোৰে কাৰণে সমান সুযোগ সুবিধাৰ ব্যৱস্থা কৰিব লাগে। সহজ ভাষাত ক'বলৈ গ'লে, এখন গণতান্ত্ৰিক দেশত সামাজিক ন্যায় বৰ্তি থাকিব লাগে যাৰ জৰিয়তে সম্পদৰ অসমতা সম্পূৰ্ণভাৱে ৰোধ কৰিব পৰা যায় আৰু সম্পদৰ বিতৰণৰ ক্ষেত্ৰত সমতা স্থাপন কৰিব পৰা যায়। ইয়াৰ পৰিপ্ৰেক্ষিতত গণতন্ত্ৰক এনে এক সমাজ হিচাপে সংজ্ঞাবদ্ধ কৰিব পাৰি, যি সমাজৰ ভেঁটি অধিক্ৰম আৰু বিশেষ সুবিধাৰ সলনি সমান সুবিধা আৰু ব্যক্তিগত গুণ হ'ব। গণতন্ত্ৰক এনে এক কল্যাণকামী পুনঃবিতৰণ ব্যৱস্থা হিচাপে বৰ্ণনা কৰা হয় যাৰ মুখ্য উদ্দেশ্য হৈছে সামাজিক অসমতা নিৰ্মূলকৰণ।



সাৰ্বভৌম ক্ষমতা ঃ প্ৰত্যেকখন স্বাধীন ৰাষ্ট্ৰৰ একোটা সাৰ্বভৌম কৰ্তৃপক্ষ থাকে যিয়ে সাৰ্বভৌম ক্ষমতা প্ৰয়োগ কৰে। গণতন্ত্ৰত এই সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী হ'ল জনসাধাৰণ, ইয়াক কোৱা হয় জন সাৰ্বভৌমত্ব (Popular Sovereignty)।

৯.৩.২ গণতন্ত্ৰৰ প্ৰকাৰ

চৰকাৰৰ প্ৰকাৰ হিচাপে গণতন্ত্ৰৰ প্ৰকাৰ দুবিধ— বিশুদ্ধ বা প্ৰত্যক্ষ গণতন্ত্ৰ আৰু পৰোক্ষ বা প্ৰতিনিধিত্বমূলক গণতন্ত্ৰ।

- **বিশুদ্ধ বা প্ৰত্যক্ষ গণতন্ত্ৰ ঃ** সেই প্ৰকাৰৰ চৰকাৰ য'ত জনসাধাৰণে প্ৰত্যক্ষভাৱে চৰকাৰখন নিয়ন্ত্ৰণ কৰে আৰু ৰাজহুৱা স্বাৰ্থজনিত বিষয়সমূহৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰে, তেনে চৰকাৰকে বিশুদ্ধ বা প্ৰত্যক্ষ গণতন্ত্ৰ বোলে। আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী গার্ণাৰে প্ৰত্যক্ষ গণতন্ত্ৰৰ সংজ্ঞা এইদৰে আগবঢ়াইছে— "এনে এক প্ৰকাৰৰ চৰকাৰ য'ত ৰাষ্ট্ৰৰ ইচ্ছা প্ৰত্যক্ষভাৱে বা তাৎক্ষণিকভাৱে জনসাধাৰণৰ মাজেদি প্ৰকাশ পায়।" সকলোবোৰ মানুহে সঘনাই ৰাজহুৱা মেল (Meeting) পাতি সেই মেলসমূহতে শাসনৰ লগত জড়িত বিভিন্ন দিশৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু তাৰ লগত জড়িত আইন বিধিবদ্ধ কৰে। গ্ৰীচ দেশৰ ***নগৰ-ৰাষ্ট্ৰ*** (City-State)সমূহত প্ৰচলিত গণতন্ত্ৰ বিশুদ্ধ বা প্ৰত্যক্ষ গণতন্ত্ৰ আছিল। সকলো মুক্ত নাগৰিকে (Free Men) সাধাৰণ সভাবোৰত মিলিত হৈ আইন প্ৰণয়ন কৰি তাক কাৰ্য্যকৰী কৰিছিল।



নগৰ-ৰাষ্ট্ৰ ঃ প্ৰাচীন গ্ৰীচ দেশ গঠন কৰা কম-বেছি পৰিমাণে স্বাধীনতা ভোগ কৰা কেইবাশ আঞ্চলিক গোট।

তেওঁলোকে ৰাজদূতসকলক আদৰাৰ লগতে ন্যায়পালিকাৰ কামো সমাধা কৰিছিল। মধ্যযুগত ইটালীৰ নগৰ-ৰাষ্ট্ৰসমূহে এই প্ৰকাৰৰ গণতন্ত্ৰৰ পুনৰোত্থান (Revival) ঘটাইছিল। আধুনিক বিশ্বত প্ৰত্যক্ষ গণতন্ত্ৰৰ ব্যৱস্থাটো চুইজাৰলেণ্ডৰ লেণ্ডছেমেইণ্ড (Landsgemeinde) ৰাজনপ্ৰিয় বিধান পৰিষদ (Popular Legislature) হিচাপে দেশখনৰ চাৰিটা কেনটন্ (Canton), যেনে— এপেনজেল, ইউৰি, উণ্টাৰৱালডেন্ আৰু গ্লেৰুচত দেখিবলৈ পোৱা যায়। এপ্ৰিল বা মে' মাহৰ কোনোবা এটা দেওবাৰত কেনটনৰ প্ৰাপ্তবয়স্ক পুৰুষ নাগৰিকসকলে ৰাজহুৱা মেলত অংশ গ্ৰহণ কৰি কেনটনৰ চৰকাৰী কাম-কাজসমূহৰ ওপৰত আলোচনা-বিলোচনা চলায়। এনে ধৰণৰ মেলত নতুন আইন বিধিবদ্ধ হয় আৰু পুৰণি আইনসমূহ সংশোধিত হয়। কৰ ধাৰ্য্যকৰণ, বাজেট নিৰ্ধাৰণ আৰু বিষয়াৰ নিযুক্তি এই মেলসমূহতে স্থিৰ কৰা হয়।

আধুনিক কালত প্ৰত্যক্ষ গণতন্ত্ৰ বিভিন্ন উপায়েৰে কাৰ্য্যকৰী হয়। গণনিৰ্দেশ (Referendum) এনে উপায়সমূহৰ ভিতৰৰে এটা অন্যতম উপায়। গণনিৰ্দেশ হৈছে এনে এটা ভোট য'ত ভোটদাতাসকলে (Electorate) এটা নিৰ্দিষ্ট ৰাজহুৱা স্বাৰ্থজনিত বিষয়ত নিজৰ অভিমত প্ৰকাশ কৰিব পাৰে। চুইজাৰলেণ্ডে এতিয়াও গণনিৰ্দেশৰ জৰিয়তে চৰকাৰ নিয়ন্ত্ৰণ কৰে।



জানি থোৱা ভাল

আধুনিক বিশ্বত প্ৰত্যক্ষ গণতন্ত্ৰৰ কাৰ্য্যসাধন প্ৰণালী (Devices) চাৰিটা ঃ

ক) উপক্ৰম (Initiative) ঃ এক নিৰ্দিষ্ট সংখ্যক ভোটদাতাই বিল (Bill) এখনৰ খচৰা প্ৰস্তুত কৰি সংসদে তাক গ্ৰহণ কৰিবলৈ চৰকাৰৰ ওচৰলৈ পঠিয়াব পাৰে।

খ) গণনিৰ্দেশ (Referendum) ঃ জনসাধাৰণৰ অভিমত জানিবলৈ চৰকাৰে কোনো গুৰুত্বপূৰ্ণ সমস্যা জনসাধাৰণলৈ প্ৰেৰণ কৰিব পাৰে।

গ) পুনৰাহ্বান (Recall) ঃ ভোটদাতাসকলে তেওঁলোকে নিৰ্বাচিত কৰা প্ৰতিনিধিজনৰ কাম-কাজত অসন্তুষ্ট হ'লে তেওঁক পুনৰাহ্বান কৰিব পাৰে।

ঘ) গণভোট (Plebiscite) ঃ জনস্বাৰ্থৰ লগত জড়িত কোনো গুৰুত্বপূৰ্ণ সমস্যা জনসাধাৰণৰ আগত উত্থাপন কৰিলে যদি জনসংখ্যাৰ সংখ্যা গৰিষ্ঠ মতে সমস্যাটোৰ সমাধানৰ পথ ইঙ্গিত দিয়ে তেতিয়া তাক গণভোট বোলা হয়।

➢ **পৰোক্ষ বা প্ৰতিনিধিত্বমূলক গণতন্ত্ৰ ঃ** বিশুদ্ধ বা প্ৰত্যক্ষ গণতন্ত্ৰৰ অস্তিত্ব আৰু কাৰ্য্যক্ষেত্ৰ সমগোত্ৰীয় সীমিত জনসংখ্যাযুক্ত সৰু সৰু ৰাষ্ট্ৰতহে সীমাবদ্ধ য'ত মানুহে সুবিধানুযায়ী লগ হৈ আলোচনা-বিলোচনা কৰিব পাৰে। অধিক জনসংখ্যা থকা জটিল সমাজসমূহত, যাৰ ক্ষেত্ৰ ভিত্তিক আয়তন অধিক, তেনে ৰাষ্ট্ৰত প্ৰত্যক্ষ

গণতন্ত্র কার্য্যকৰী কৰা অসম্ভৱ। গতিকে তাৰ বিকল্প ব্যৱস্থা হৈছে প্রতিনিধিত্বমূলক বা পৰোক্ষ গণতন্ত্র। প্রতিনিধিত্বমূলক বা পৰোক্ষ গণতন্ত্রত জনসাধাৰণে তেওঁলোকৰ ওপৰত শাসন চলাবলৈ প্রতিনিধি নির্বাচিত কৰে যিয়ে তেওঁলোকৰ হিতার্থে সিদ্ধান্ত ল'ব পাৰে। গণতান্ত্রিক পদ্ধতিৰ প্রচলন থকা সৰহ সংখ্যক দেশতে পৰোক্ষ বা প্রতিনিধিত্বমূলক গণতন্ত্রৰ প্রচলন আছে। আন কথাত ক'বলৈ গ'লে প্রশাসনীয় আৰু ৰাজহুৱা স্বার্থজনিত সিদ্ধান্ত গ্রহণৰ দায়িত্ব আৰু আইন বিধিবদ্ধ কৰা কার্য্য জনসাধাৰণৰ পৰিৱর্তে তেওঁলোকৰ নির্বাচিত প্রতিনিধিৰ ওপৰত ন্যস্ত থাকে। নির্ধাৰিত সময়ৰ মূৰে মূৰে জনসাধাৰণে তেওঁলোকৰ প্রতিনিধিসকলক নির্বাচিত কৰে। সেয়েহে নির্দিষ্ট সময় ব্যৱধানৰ অন্তৰে অন্তৰে গণতন্ত্রসমূহত নির্বাচন অনুষ্ঠিত হয়। প্রতি পাঁচ বছৰৰ অন্তৰে অন্তৰে জনপ্রতিনিধিৰ নির্বাচনৰ বাবে বৃটেইন আৰু ভাৰতবর্ষত সাধাৰণ নির্বাচন অনুষ্ঠিত হয়। মার্কিন যুক্তৰাষ্ট্রত চাৰি বছৰৰ অন্তৰে অন্তৰে তেনে সাধাৰণ নির্বাচন অনুষ্ঠিত হয়। উভয় বৃটেইন আৰু ভাৰতবর্ষত জনপ্রতিনিধিসকলক সাংসদ হিচাপে অভিহিত কৰা হয়। বৃটিছ পণ্ডিত জন ষ্টুৱার্ট মিলৰ মতে পৰোক্ষ বা প্রতিনিধিত্বমূলক গণতন্ত্রই এনেকুৱা এটা শাসন ব্যৱস্থাক বুজায় য'ত জনসাধাৰণ নাইবা তেওঁলোকৰ সংখ্যাগৰিষ্ঠ অংশই নিজৰ নিজৰ নির্বাচিত প্রতিনিধিৰ দ্বাৰাই শাসন কার্য্য পৰিচালনা কৰে।

পৰোক্ষ গণতন্ত্রৰ বিষয়ে ব্যাখ্যা কৰিবলৈ হ'লে আমি ভাৰতবর্ষকে উদাহৰণ হিচাপে ল'ব পাৰোঁ। আজি ভাৰতবর্ষৰ জনসংখ্যা ১০০ কৌটিতকৈ অধিক। সাংস্কৃতিক, ভাষিক, আঞ্চলিক, ধর্মীয়, ইত্যাদি দিশৰ ক্ষেত্রতো ভাৰতবর্ষ এখন বৈশিষ্ট্যপূর্ণ দেশ। এনে এখন বিশাল আৰু বৈশিষ্ট্যপূর্ণ দেশক জনসাধাৰণে নিজেই শাসন কৰিব নোৱাৰে। সেয়েহে ভাৰতবর্ষত বিভিন্ন স্তৰত প্রতিনিধিত্বমূলক পদ্ধতিৰ চৰকাৰ এখনে গঢ় লৈছে। আপোনালোক সকলোৱে জানে যে ভাৰতৰ সংবিধানে সংসদীয় পদ্ধতিৰ চৰকাৰ এখনৰ ব্যৱস্থা কৰিছে। সংসদীয় পদ্ধতিৰ চৰকাৰত জনসাধাৰণে প্রত্যক্ষভাৱে চৰকাৰ নির্বাচিত নকৰে। বৰঞ্চ তেওঁলোকে সংসদলৈ তেওঁলোকৰ প্রতিনিধি নির্বাচিত কৰে আৰু প্রতিনিধিসকলৰ ভিতৰৰ পৰাই চৰকাৰখন গঠন কৰে। ভাৰতবর্ষত কেন্দ্রীয় স্তৰত সংসদ আছে; ৰাজ্যিক স্তৰত বিধান সভা আৰু তৃণমূল স্তৰত পঞ্চায়তসমূহ আছে। জনসাধাৰণে এই সংস্থাসমূহলৈ তেওঁলোকৰ প্রতিনিধিসমূহ নির্বাচিত কৰে যাতে তেওঁলোকে জনসাধাৰণৰ হিতার্থে আইন বিধিবদ্ধ কৰিব পাৰে। বিধিবদ্ধ কৰা আইনসমূহ কার্য্যকৰী কৰাৰ দায়িত্ব কেন্দ্রীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু পঞ্চায়তসমূহৰ। উত্তৰ পূব ভাৰতৰ জনজাতি অধ্যুষিত পাহাৰীয়া অঞ্চলসমূহত জিলা পৰিষদ (District Council) নামেৰে এক প্রকাৰৰ নতুন প্রতিনিধিত্বমূলক চৰকাৰে ক্রমবিকাশ লাভ কৰিছে। উদাহৰণ স্বৰূপে, অসমৰ দুখন পাহাৰীয়া জিলা কার্বি আংলং আৰু উত্তৰ কাছাৰ পাহাৰত দুখন জিলা পৰিষদে

কার্য্যনির্বাহ কৰি আছে। অসমৰ বড়ো জনগোষ্ঠীৰ বাবে আঞ্চলিক পৰিষদ (Territorial Council) নামেৰে এক প্ৰকাৰৰ নতুন প্ৰতিনিধিত্বমূলক ব্যৱস্থাই ক্ৰমবিকাশ লাভ কৰিছে। জিলা আৰু আঞ্চলিক পৰিষদে সামৰা অঞ্চলসমূহত পঞ্চায়ত্ৰ ব্যৱস্থা নাই। জনসাধাৰণে পাঁচ বছৰৰ কাৰণে এই পৰিষদসমূহলৈ তেওঁলোকৰ প্ৰতিনিধি নির্বাচিত কৰে আৰু পাঁচ বছৰৰ পিছত প্ৰতিনিধিসকলৰ কার্য্যকলাপৰ ওপৰত ভিত্তি কৰি তেওঁলোকক পুনৰ নির্বাচিত বা প্ৰত্যাখ্যান কৰে।



চিন্তা-চৰ্চা কৰক ৯.১

অসম বিধানসভাৰ জনপ্ৰতিনিধিৰ সৰ্বমুঠ সংখ্যাটো উলিয়াওক।

.....

.....

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'গণতন্ত্ৰ' শব্দটো ব্যুৎপত্তি হোৱা গ্ৰীক শব্দ দুটা লিখক।

.....

প্ৰশ্ন নং ২ ঃ .....এ গণতন্ত্ৰক "জনসাধাৰণক লৈ জনসাধাৰণৰ কল্যাণৰ উদ্দেশ্যে গঠিত আৰু জনসাধাৰণৰ দ্বাৰা পৰিচালিত চৰকাৰ" বুলি কৈছে। (খালী ঠাই পূৰণ কৰক)

.....

প্ৰশ্ন নং ৩ ঃ আধুনিক বিশ্বত প্ৰত্যক্ষ গণতন্ত্ৰৰ ব্যৱস্থাটো চুইজাৰলেণ্ডত দেখিবলৈ পোৱা যায়। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৪ ঃ পৰোক্ষ গণতন্ত্ৰক ..... গণতন্ত্ৰও বোলে। (খালী ঠাই পূৰণ কৰক)

.....

প্ৰশ্ন নং ৫ ঃ প্ৰত্যক্ষ গণতন্ত্ৰৰ বিষয়ে বৰ্ণনা কৰক। (৬০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

৯.৩.৩ গণতন্ত্রৰ কৃতকার্য্যতাৰ চর্তসমূহ

যদিহে তলত উল্লেখ কৰা চর্তসমূহ পুৰণ হয় তেতিয়া গণতন্ত্র আৰ্হিমূলক চৰকাৰ ৰূপে চিহ্নিত হ'ব পাৰে—

- **সার্বজনীন শিক্ষা ঃ** গণতন্ত্রৰ কৃতকার্য্যতাৰ এটা প্রধান চর্ত হ'ল সার্বজনীন শিক্ষা। নাগৰিকসকলে যথোপযুক্তভাৱে শিক্ষিত হ'লেহে তেওঁলোকে প্রয়োজনীয় গুণসমূহৰ বিকাশ সাধন কৰিব পাৰিব আৰু নিজৰ অধিকাৰ আৰু কর্তব্যৰ বিষয়ে সচেতন হ'ব পাৰিব।
- **ৰাজনৈতিক সজাগতা ঃ** গণতন্ত্রৰ কৃতকার্য্যতাৰ বাবে নাগৰিকসকলৰ মনত ৰাজনৈতিক সজাগতাৰ ভাব ৰোপণ কৰাটো প্রয়োজন। চৰকাৰ যাতে স্বেচ্ছাচাৰী নহয় তাৰ বাবে তেওঁলোকে তীক্ষ্ণ দৃষ্টি ৰাখিব লাগে।
- **শক্তিশালী জনমতৰ উপস্থিতি ঃ** গণতন্ত্রৰ কৃতকার্য্যতাৰ বাবে এটা প্রয়োজনীয় চর্ত হ'ল দেশখনত শক্তিশালী জনমতৰ উপস্থিতি। দেশ এখনত শক্তিশালী জনমত গঠনৰ প্রক্রিয়াত এটা মুক্ত, সাহসী প্রচাৰ মাধ্যমে গুৰুত্বপূর্ণ অৰিহণা যোগায়।
- **মৌলিক অধিকাৰ আৰু স্বাধীনতা ঃ** গণতন্ত্রত নাগৰিকসকলে মৌলিক পৌৰ (Civic) অধিকাৰ আৰু স্বাধীনতা ভোগ কৰিব পাৰিব লাগিব যাতে তেওঁলোকৰ ব্যক্তিত্বৰ প্রকাশ আৰু বিকাশ হয়। গণতন্ত্রত নাগৰিকসকলক মৌলিক অধিকাৰ প্রদান কৰা হয় কিয়নো এই অধিকাৰসমূহৰ অনুপস্থিতিত এজন ব্যক্তিৰ বিকাশ সম্ভৱপৰ নহয়। ভাৰতবর্ষ, জাপান, আমেৰিকা যুক্তৰাষ্ট্র, ফ্রান্স আৰু ইটালিয়ে নিজৰ নিজৰ দেশৰ সংবিধানত মৌলিক অধিকাৰ অন্তর্ভুক্ত কৰিছে।
- **সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক বৈষম্য দূৰীকৰণ ঃ** গণতন্ত্রৰ কৃতকার্য্যতাৰ বাবে সকলো প্রকাৰৰ সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক বৈষম্য আতৰোৱা উচিত। নাগৰিকসকলৰ মন গণতান্ত্রিক হ'ব লাগে। ৰাজনৈতিক ক্ষেত্রত প্রত্যেকজন নাগৰিকক কেৱল এটা ভোট প্রদানৰ অধিকাৰ দিয়াৰ মাজেদি গণতান্ত্রিক চৰকাৰে ইয়াৰ সকলো নাগৰিকৰ প্রতি সম দৃষ্টি আৰোপ কৰিছে। সেইদৰে সামাজিক আৰু অর্থনৈতিক ক্ষেত্রতো গণতান্ত্রিক চৰকাৰ এখনে সকলোৰে বাবে সমান সুযোগ সুবিধা সৃষ্টি কৰিব লাগে। গণতন্ত্রত জাতি, শ্রেণী, জন্ম, ধর্ম বা সম্পদৰ ক্ষেত্রত জনসাধাৰণৰ মাজত কোনো বৈষম্য থকা উচিত নহয়। আন কথাত ক'বলৈ গ'লে এখন গণতন্ত্রত সামাজিক ন্যায় প্রতিষ্ঠা হ'ব লাগিব। তৎসত্ত্বেও যাতে গণতন্ত্রত প্রকৃত সামাজিক ন্যায় প্রতিষ্ঠা হয়, তাৰ বাবে এখন গণতান্ত্রিক ৰাষ্ট্রই সম্পদৰ অসম বিতৰণৰ ওপৰত অঙ্কুশ লগাই সম্পদৰ সমবিতৰণৰ ওপৰত গুৰুত্ব দিব লাগে। ভাৰতৰ সংবিধানখনে জাতি, ধর্ম, বর্ণ আৰু লিঙ্গ ভিত্তিক বৈষম্য আঁতৰাই সামাজিক আৰু ৰাজনৈতিক সমতা প্রতিষ্ঠাৰ লগতে সকলো প্রাপ্তবয়স্ক নাগৰিকক ভোটদানৰ অধিকাৰ প্রদান কৰিছে।

- **যোগ্য নেতৃত্ব ঃ** যোগ্য নেতৃত্বৰ ওপৰতো গণতন্ত্ৰৰ কৃতকার্য্যতা নির্ভৰ কৰে। গণতন্ত্ৰৰ কৃতকার্য্যতাৰ বাবে প্ৰভাৱশালী নেতৃত্ব এটা অত্যাৱশ্যকীয় চর্ত।
- **ন্যায়পালিকাৰ স্বাধীনতা ঃ** গণতন্ত্ৰত সংবিধানে নাগৰিকসকলক মৌলিক অধিকাৰ আৰু স্বাধীনতা প্ৰদান কৰে। গণতন্ত্ৰত ন্যায়পালিকাৰ দায়িত্ব হ'ল নাগৰিকসকলৰ মৌলিক অধিকাৰসমূহ ৰক্ষা কৰা আৰু সংবিধানৰ ৰক্ষক হোৱা। এই কর্তব্যসমূহ পালন কৰিবলৈ হ'লে ন্যায়পালিকা ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত হ'ব লাগিব। সেই অনুসৰি ন্যায়পালিকাৰ স্বাধীনতা গণতন্ত্ৰৰ কৃতকার্য্যতাৰ অন্য এটা পূর্ব চর্ত। আমাৰ দেশত উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়সমূহে নাগৰিকসকলৰ মৌলিক অধিকাৰসমূহ ৰক্ষা কৰে।



জানি থোৱা ভাল

ভাৰতৰ সংবিধানৰ ১৫নং অনুচ্ছেদত থকা ঘোষণা মর্মে ৰাষ্ট্ৰই ইয়াৰ কোনো নাগৰিকক ধর্ম, জাতি, বর্ণ, লিঙ্গ, জন্মস্থান বা ইয়াৰ কোনো এটাৰ ভিত্তিত বৈষম্যমূলক আচৰণ প্ৰদর্শন কৰিব নোৱাৰে। সেই অনুসাৰে ভাৰতৰ সংবিধানে ৰাষ্ট্ৰত সামাজিক আৰু ৰাজনৈতিক সমতা প্ৰতিষ্ঠা কৰিবলৈ বদ্ধ পৰিকৰ।



চিন্তা-চর্চা কৰক ৯.২

ভাৰতৰ সংবিধানে প্ৰদান কৰা মৌলিক অধিকাৰসমূহ বাচি উলিয়াওক। আপুনি ভাবে নেকি যে সেইবিলাকে গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনৰ বৈশিষ্ট্য সূচায় ? ভাৰতবর্ষত গণতন্ত্ৰৰ কৃতকার্য্যতাৰ বাবে প্ৰয়োজনীয় চর্তসমূহ কিমান দূৰ পূৰণ হৈছে?

.....

.....

.....

.....

৯.৩.৪ গণতন্ত্ৰৰ গুণ আৰু দোষসমূহ

- **গণতন্ত্ৰৰ গুণসমূহ ঃ** তলত গণতন্ত্ৰৰ গুণসমূহ উল্লেখ কৰা হ'ল—
  - গণতন্ত্ৰত চৰকাৰ জনসাধাৰণৰ ওচৰত দায়বদ্ধ যিহেতু গণতন্ত্ৰ হ'ল জনপ্ৰিয় সন্মতিৰ (Popular Consent) দ্বাৰা গঠিত চৰকাৰ। চৰকাৰ জনমতৰ ভিত্তিত গঠিত আৰু জনসাধাৰণৰ ইচ্ছাৰ দ্বাৰা পৰিচালিত হয়।

- গণতন্ত্রৰ ভেঁটি হ'ল সমতা। শ্রেণী, বর্ণ, লিঙ্গ, জাতি নির্বিশেষে বৈষম্যৰ ভাব পৰিহাৰ কৰি সকলো শ্রেণীৰ লোকৰ স্বার্থ সুৰক্ষিত কৰা আৰু কল্যাণ সাধনেই গণতন্ত্রৰ উদ্দেশ্য।
- গণতন্ত্রত নাগৰিকসকলৰ চৰকাৰী কার্য্যকলাপত অংশ গ্রহণৰ মনোভাব থাকে যিহেতু চৰকাৰখন তেওঁলোকৰ দ্বাৰা নির্বাচিত প্রতিনিধিৰ দ্বাৰা পৰিচালিত হয়। ই যোগ্য নাগৰিক গঢ়াৰ ক্ষেত্র স্বৰূপে কাম কৰে যিহেতু ই নাগৰিকসকলৰ মনত জাতীয়তাবোধ জাগ্রত কৰাৰ লগতে নাগৰিকসকলক তেওঁলোকৰ অধিকাৰ আৰু কর্তব্যৰ বিষয়ে সজাগ কৰে।
- এখন গণতান্ত্রিক সমাজত বিপ্লৱৰ প্রৱণতা নাথাকে। মানুহে মুকলিকৈ তেওঁলোকৰ মতামত ব্যক্ত কৰিব পাৰে আৰু শান্তিপূর্ণ, সাংবিধানিক উপায়েৰে নিজৰ অভাৱ-অভিযোগসমূহৰ সমাধানৰ পথ বিচাৰি পায়।
- গণতন্ত্রত প্রত্যেকজন ব্যক্তিৰে সামাজিক স্বীকৃতি আছে। ই প্রত্যেকজন ব্যক্তিৰ ব্যক্তিত্বৰ সর্বাঙ্গীন বিকাশ সুনিশ্চিত কৰে আৰু নাগৰিকসকলৰ মনত দায়িত্ববোধৰ বীজ ৰোপণ কৰে।

➢ **গণতন্ত্রৰ দোষসমূহ ঃ** গণতন্ত্রৰ দোষসমূহ তলত উল্লেখ কৰা হ'ল—

- গণতন্ত্রক অযোগ্য লোকৰ দ্বাৰা গঠিত চৰকাৰ বুলি সমালোচনা কৰা হয়। ভোটদাতাসকলে তেওঁলোকৰ প্রতিনিধি নির্বাচনৰ ক্ষেত্রত প্রতিনিধিৰ অভিজ্ঞতা আৰু জ্ঞানৰ সলনি তেওঁৰ জনপ্রিয়তাৰ প্রতিহে বেছি গুৰুত্ব দিয়ে।
- গণতন্ত্রই প্রগতি বাধাপ্রাপ্ত কৰে আৰু দুর্নীতিৰ পোষকতা কৰে। ৰাজনৈতিক দলসমূহ ক্ষমতা লাভৰ প্রতিহে অধিক আগ্রহী। সিবিলাকে নিজৰ ব্যক্তিগত স্বার্থ সিদ্ধিত মনোনিবেশ কৰি ৰাষ্ট্রৰ সামূহিক স্বার্থৰ প্রতি পিঠি দিয়ে।
- গণতান্ত্রিক চৰকাৰ ব্যয়বহুল চৰকাৰ। প্রত্যেকটো নির্বাচন ব্যয়বহুল হয়। ইয়াত চৰকাৰী দপ্তৰৰ সংখ্যা অধিক হোৱা কাৰণে ব্যয়ও বাঢ়ে।
- কিছুমানৰ মতে গণতান্ত্রিক চৰকাৰ জাতীয় সঙ্কটৰ কাৰণে উপযোগী নহয়। জাতীয় সঙ্কটৰ সময়ত কোনো সিদ্ধান্ত খৰখেদাকৈ গ্রহণ কৰি তাক কার্য্যকৰী কৰিব নোৱাৰে, যিহেতু কোনো সিদ্ধান্ত গ্রহণ কৰাৰ আগতে বহুত আলোচনা, বহু মন্ত্রী আৰু বিভাগৰ অনুমোদনৰ আৱশ্যক হয়।
- কিছুমান সমালোচকৰ মতে গণতান্ত্রিক চৰকাৰ সংখ্যা গৰিষ্ঠৰ শাসন হোৱা কাৰণে ইয়াত সংখ্যালঘুৰ স্বার্থ সুৰক্ষিত নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ গণতন্ত্রৰ কৃতকার্য্যতাৰ দুটা চর্ত উল্লেখ কৰক।

.....

.....

.....

.....

.....

প্রশ্ন নং ৭ ঃ গণতন্ত্রৰ দুটা গুণ বাছি উলিয়াওক।

.....

.....

.....

.....

.....

প্রশ্ন নং ৮ ঃ গণতন্ত্রৰ দুটা দোষ বাছি উলিয়াওক।

.....

.....

.....

.....

প্রশ্ন নং ৯ ঃ ন্যায়পালিকাৰ ..... গণতন্ত্রৰ কৃতকার্যতাৰ এটা গুৰুত্বপূর্ণ পূর্ব চর্ত। (খালী ঠাই পূৰণ কৰক)

.....

প্রশ্ন নং ১০ ঃ ..... শিক্ষা গণতন্ত্রৰ কৃতকার্যতাৰ এটা গুৰুত্বপূর্ণ পূর্ব চর্ত। (খালী ঠাই পূৰণ কৰক)

.....



৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গণতন্ত্র (Democracy)ৰ আক্ষৰিক অর্থ হ'ল 'ৰাইজৰ দ্বাৰা শাসন' (Rule by the People)। চমুকৈ ক'বলৈ হ'লে গণতন্ত্রই সেই প্রকাৰৰ চৰকাৰৰ প্রতি সঙ্কেত কৰে য'ত ৰাষ্ট্রৰ সার্বভৌম ক্ষমতা সামগ্রিকভাৱে জনসাধাৰণৰ ওপৰত ন্যস্ত থাকে আৰু চৰকাৰে ইয়াৰ সর্বোচ্চ ক্ষমতা তেওঁলোকৰ পৰা লাভ কৰে।

- চৰকাৰৰ প্ৰকাৰ হিচাপে গণতন্ত্ৰৰ প্ৰকাৰ দুবিধ— বিশুদ্ধ বা প্ৰত্যক্ষ গণতন্ত্ৰ আৰু পৰোক্ষ বা প্ৰতিনিধিত্বমূলক গণতন্ত্ৰ।
- সেই প্ৰকাৰৰ চৰকাৰ য'ত জনসাধাৰণে প্ৰত্যক্ষভাৱে চৰকাৰখন নিয়ন্ত্ৰণ কৰে আৰু ৰাজহুৱা স্বাৰ্থজনিত বিষয়সমূহৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰে, তেনে চৰকাৰকে বিশুদ্ধ বা প্ৰত্যক্ষ গণতন্ত্ৰ বোলে।
- আধুনিক বিশ্বত প্ৰত্যক্ষ গণতন্ত্ৰৰ ব্যৱস্থাটো চুইজাৰলেণ্ডত লেঞ্জেমেইণ্ড (Landsgemeinde) বা জনপ্ৰিয় বিধান পৰিষদ (Popular Legislature) হিচাপে দেখিবলৈ পোৱা যায়।
- আধুনিক কালত বিশ্বতপৰোক্ষ গণতন্ত্ৰ দেখিবলৈ পোৱা যায়। পৰোক্ষ গণতন্ত্ৰত ৰাজহুৱা স্বাৰ্থজনিত সিদ্ধান্ত গ্ৰহণৰ দায়িত্ব জনসাধাৰণৰ পৰিৱৰ্তে তেওঁলোকে নির্দিষ্ট সময় ব্যৱধানৰ অন্তৰে অন্তৰে নির্বাচিত কৰা প্ৰতিনিধিসকলে লয়।
- গণতন্ত্ৰৰ কৃতকার্য্যতাৰ বাবে কিছুমান প্ৰয়োজনীয় পূর্ব চর্ত আছে, যেনে— সার্বজনীন শিক্ষা,ৰাজনৈতিক সজাগতা, মুক্ত,সাহসী প্ৰচাৰ মাধ্যমৰ উপস্থিতি, মৌলিক পৌৰ অধিকাৰ আৰু স্বাধীনতাৰ উপস্থিতি, সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক বৈষম্যৰ নির্মূলকৰণ, যোগ্য নেতৃত্ব, ন্যায়পালিকাৰ স্বাধীনতা।
- গণতন্ত্ৰৰ কিছুমান গুণ আৰু কিছুমান দোষ আছে।



৯.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*; গুৱাহাটী ঃ বনলতা।
২) গোঁহাই, নবীন (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; যোৰহাট ঃ ইউনিকা প্ৰকাশন।
৩) চক্ৰৱর্তী, আদ্যনাথ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।
৪) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Agarwal, R. C. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.
2) Asirvatham, E. & Misra, K. K. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.
3) Kapur, A. C. (2006): *Principles of Political Science*; New Delhi: S. Chands & Company Ltd.

4) Mahajan, V. D. (2008): *Political Theory*; New Delhi: S. Chands & Company Ltd.

৯.৬ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ডেমোছ (Demos) আৰু ক্ৰাটোছ (Kratos)

২নং প্ৰশ্নৰ উত্তৰ ঃ আব্ৰাহাম লিঙ্কন

৩নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৪নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতিনিধিত্বমূলক

৫নং প্ৰশ্নৰ উত্তৰ ঃ সেই প্ৰকাৰৰ চৰকাৰ য'ত জনসাধাৰণে প্ৰত্যক্ষভাৱে চৰকাৰখন নিয়ন্ত্ৰণ কৰে আৰু ৰাজহুৱা স্বাৰ্থজনিত বিষয়সমূহৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰে, তেনে চৰকাৰকে বিশুদ্ধ বা প্ৰত্যক্ষ গণতন্ত্ৰ বোলে। সকলোবোৰ মানুহে সঘনাই ৰাজহুৱা মেল (Meeting) পাতি সেই মেলসমূহতে শাসনৰ লগত জড়িত বিভিন্ন দিশৰ সিদ্ধান্ত গ্ৰহণ কৰে। গ্ৰীচ দেশৰ নগৰ-ৰাষ্ট্ৰ (City-State)সমূহত প্ৰচলিত গণতন্ত্ৰ বিশুদ্ধ বা প্ৰত্যক্ষ গণতন্ত্ৰ আছিল। আধুনিক বিশ্বত প্ৰত্যক্ষ গণতন্ত্ৰৰ ব্যৱস্থাটো চুইজাৰলেণ্ডত দেখিবলৈ পোৱা যায়।

৬নং প্ৰশ্নৰ উত্তৰ ঃ গণতন্ত্ৰৰ কৃতকাৰ্য্যতাৰ বাবে প্ৰয়োজনীয় দুটা চৰ্ত হ'ল—

ক) ৰাজনৈতিক সজাগতা ঃ গণতন্ত্ৰৰ কৃতকাৰ্য্যতাৰ বাবে নাগৰিকসকলৰ মনত ৰাজনৈতিক সজাগতাৰ ভাব ৰোপণ কৰাটো প্ৰয়োজন।

খ) শক্তিশালী জনমতৰ উপস্থিত ঃ গণতন্ত্ৰৰ কৃতকাৰ্য্যতাৰ বাবে এটা প্ৰয়োজনীয় চৰ্ত হ'ল দেশখনত শক্তিশালী জনমতৰ উপস্থিতি। দেশ এখনত শক্তিশালী জনমত গঠনৰ প্ৰক্ৰিয়াত এটা মুক্ত, সাহসী প্ৰচাৰ মাধ্যমে গুৰুত্বপূৰ্ণ অৰিহণা যোগায়।

৭নং প্ৰশ্নৰ উত্তৰ ঃ ক) গণতন্ত্ৰৰ ভেঁটি হ'ল সমতা। শ্ৰেণী, বৰ্ণ, লিঙ্গ, জাতি নিৰ্বিশেষে বৈষম্যৰ ভাব পৰিহাৰ কৰি সকলো শ্ৰেণীৰ লোকৰ স্বাৰ্থ সুৰক্ষিত কৰা আৰু কল্যাণ সাধনেই গণতন্ত্ৰৰ উদ্দেশ্য।

খ) গণতন্ত্ৰত নাগৰিকসকলৰ চৰকাৰী কাৰ্য্যকলাপত অংশ গ্ৰহণৰ মনোভাব থাকে যিহেতু চৰকাৰখন তেওঁলোকৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধিৰ দ্বাৰা পৰিচালিত হয়। ই যোগ্য নাগৰিক গঢ়াৰ ক্ষেত্ৰ স্বৰূপে কাম কৰে যিহেতু ই নাগৰিকসকলৰ মনত জাতীয়তাবোধ জাগ্ৰত কৰাৰ লগতে নাগৰিকসকলক তেওঁলোকৰ অধিকাৰ আৰু কৰ্তব্যৰ বিষয়ে সজাগ কৰে।

৮নং প্ৰশ্নৰ উত্তৰ ঃ ক) গণতন্ত্ৰক অযোগ্য লোকৰ দ্বাৰা গঠিত চৰকাৰ বুলি সমালোচনা কৰা হয়। ভোটদাতাসকলে তেওঁলোকৰ প্ৰতিনিধি নিৰ্বাচনৰ ক্ষেত্ৰত প্ৰতিনিধিৰ অভিজ্ঞতা আৰু জ্ঞানৰ সলনি তেওঁৰ জনপ্ৰিয়তাৰ প্ৰতিহে বেছি গুৰুত্ব দিয়ে।

খ) গণতান্ত্রিক চৰকাৰ ব্যয়বহুল চৰকাৰ। প্ৰত্যেকটো নিৰ্বাচন ব্যয়বহুল হয়। ইয়াত চৰকাৰী দপ্তৰৰ সংখ্যা অধিক হোৱা কাৰণে ব্যয়ও বাঢ়ে।

৯নং প্ৰশ্নৰ উত্তৰ ঃ স্বাধীনতা

১০নং প্ৰশ্নৰ উত্তৰ ঃ সাৰ্বজনীন



৯.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ কোনে কৈছিল, "গণতন্ত্ৰ এনে প্ৰকাৰৰ চৰকাৰ য'ত সকলোৱে অংশ গ্ৰহণ কৰিব পাৰে?"

প্ৰশ্ন ২ ঃ আধুনিক বিশ্বত প্ৰত্যক্ষ গণতন্ত্ৰৰ ব্যৱস্থাটো কোনখন ৰাষ্ট্ৰত দেখিবলৈ পোৱা যায়?

প্ৰশ্ন ৩ ঃ গাৰ্ণাৰে আগবঢ়োৱা প্ৰত্যক্ষ গণতন্ত্ৰৰ সংজ্ঞাটো লিখক।

খ) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ গণতন্ত্ৰৰ অৰ্থ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ গণতন্ত্ৰৰ প্ৰকাৰ দুটা কি কি? পৰোক্ষ বা প্ৰতিনিধিত্বমূলক গণতন্ত্ৰৰ বিষয়ে বৰ্ণনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ গণতন্ত্ৰৰ চাৰিটা গুণ উল্লেখ কৰক।

প্ৰশ্ন ৪ ঃ গণতন্ত্ৰৰ চাৰিটা দোষ উল্লেখ কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ প্ৰত্যক্ষ গণতন্ত্ৰ আৰু পৰোক্ষ গণতন্ত্ৰৰ প্ৰসঙ্গ সঙ্গতি ৰাখি গণতন্ত্ৰৰ অৰ্থ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ গণতন্ত্ৰৰ কৃতকাৰ্য্যতাৰ বাবে প্ৰয়োজনীয় চৰ্তৰ ব্যাখ্যা আগবঢ়াওক। গণতন্ত্ৰৰ গুণ আৰু দোষসমূহ উল্লেখ কৰক।

*** ***** ***

অধ্যায় ১০ ঃ ক্ষমতা, কর্তৃত্ব আৰু বৈধতা

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ ক্ষমতা (Power)

- ১০.৩.১ ক্ষমতাৰ অর্থ
- ১০.৩.২ ক্ষমতাৰ বৈশিষ্ট্য
- ১০.৩.৩ ক্ষমতাৰ উৎস
- ১০.৩.৪ ক্ষমতাৰ প্রকাৰ

১০.৪ কর্তৃত্ব (Authority)

- ১০.৪.১ কর্তৃত্বৰ অর্থ
- ১০.৪.২ কর্তৃত্বৰ বৈশিষ্ট্য
- ১০.৪.৩ কর্তৃত্বৰ উৎস
- ১০.৪.৪ কর্তৃত্বৰ আধাৰ

১০.৫ বৈধতা (Legitimacy)

- ১০.৫.১ বৈধতাৰ অর্থ
- ১০.৫.২ বৈধতাৰ উৎস
- ১০.৫.৩ বৈধতাৰ প্রকাৰ

১০.৬ ক্ষমতা, কর্তৃত্ব আৰু বৈধতাৰ মাজত থকা সম্পর্ক

১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৮ অধিক জানিবলৈ

১০.৯ অগ্রগতিৰ খতিয়ান

১১.১০ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ক্ষমতা ধাৰণাটোৰ অর্থ, বৈশিষ্ট্য, উৎস আৰু প্রকাৰ ব্যাখ্যা কৰিব পাৰিব
- কর্তৃত্ব ধাৰণাটোৰ অর্থ, বৈশিষ্ট্য, উৎস আৰু আধাৰ বর্ণনা কৰিব পাৰিব
- বৈধতাৰ অর্থ, উৎস আৰু প্রকাৰ ব্যাখ্যা কৰিব পাৰিব
- ক্ষমতা, কর্তৃত্ব আৰু বৈধতাৰ মাজত থকা সম্পর্ক পৰীক্ষা কৰিব পাৰিব ।

১০.২ পৰিচয়

ইয়াৰ আগৰ খণ্ডসমূহত ৰাষ্ট্ৰ, সাৰ্বভৌমত্ব আৰু গণতন্ত্ৰৰ বিষয়ে আলোচনা কৰা হৈছে। এই অধ্যায়টিত ৰাষ্ট্ৰৰ ধাৰণাটোৰ সৈতে জড়িত আন দুটামান মৌলিক ধাৰণা, যেনে— ক্ষমতা, কর্তৃত্ব আৰু বৈধতাৰ বিষয়ে আলোচনা কৰা হ'ব। এক বৈধ কর্তৃত্ব অবিহনে ৰাষ্ট্ৰই ইয়াৰ ক্ষমতা প্ৰয়োগ কৰিব নোৱাৰে। ক্ষমতা, কর্তৃত্ব আৰু বৈধতা— এই আটাইকেইটা ধাৰণাৰ মাজত আন্তঃসম্পর্ক আছে। এই অধ্যায়ত তিনিওটা ধাৰণাৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰাৰ আৰু তিনিওটা ধাৰণাৰ মাজত থকা আন্তঃসম্পর্কৰ বিষয়ে বহলাই বুজোৱাৰ প্ৰয়াস কৰা হ'ব।

১০.৩ ক্ষমতা (POWER)

ৰাজনীতি বিজ্ঞান বিষয়ৰ এটা গুৰুত্বপূৰ্ণ ধাৰণা হ'ল ক্ষমতা (Power)। ৰাজনীতিৰ তিনিওটা স্তৰত— স্থানীয়, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত মৌলিক অনুসন্ধানৰ মুখ্য বিষয় হ'ল ক্ষমতাৰ ধাৰণা। তলৰ উপ-শিতানবোৰত ক্ষমতাৰ অর্থ, বৈশিষ্ট্য, উৎস আৰু প্ৰকাৰৰ বিষয়ে আলোচনা কৰা হ'ল।

১০.৩.১ ক্ষমতাৰ অর্থ

সাধাৰণ অর্থত ক্ষমতা বুলিলে অন্যক নিয়ন্ত্ৰণ কৰাৰ দক্ষতা, শক্তি আৰু সামর্থ্যৰ কথা বুজোৱা হয়। ক্ষমতা হ'ল এনে এক ধৰণৰ আচৰণ যিটোৱে সামাজিক আন্তঃক্ৰিয়া সম্পন্ন হোৱা পৰিসৰ এটাৰ ভিতৰত কাম সম্পাদন কৰাৰ দক্ষতা আৰু ফলাফল সৃষ্টি কৰাৰ সামর্থ্যৰ কথা বুজায়। ক্ষমতা হ'ল মানুহে আহৰণ কৰা এনে এক গুণ যিটোক অন্য ব্যক্তিৰ ওপৰত প্ৰয়োগ কৰিব পাৰি।

ক্ষমতাৰ অর্থ সম্পর্কে বিভিন্ন দৃষ্টিভঙ্গী আছে। ক্ষমতাৰ অর্থ বুজাবলৈ পণ্ডিতসকলে ভিন্ ভিন্ সংজ্ঞা দাঙি ধৰিছে। ক্ষমতা সম্পর্কে ভালদৰে বুজিবলৈ এই সংজ্ঞাবোৰৰ উল্লেখ কৰাটো সমীচীন হ'ব। ক্ষমতা বিষয়ক দুটামান গুৰুত্বপূৰ্ণ সংজ্ঞা তলত উল্লেখ কৰা হ'ল—

- "পাৱাৰ ঃ এ নিউছ'চিয়েল এনালাইছিছ" (১৯৩৮) (Power: A New Social Analysis) নামৰ গ্ৰন্থখনত বৃটিছ ৰাজনৈতিক দার্শনিক আৰু ইতিহাসবিদ বার্ট্ৰাণ্ড ৰাছেলে ক্ষমতাক "লক্ষ্যত উপনীত হ'বলৈ থকা ব্যক্তিৰ দক্ষতা" বুলি অভিহিত কৰিছে।
- আমেৰিকাৰ সমাজতাত্বিক হার্বাট গোল্ডহামেৰ আৰু এডৱার্ড এ. শ্বিলচ্ৰ মতে "ক্ষমতা হ'ল কোনো এগৰাকী ব্যক্তিৰ নিজস্ব অভিপ্ৰায় অনুসৰি অন্য ব্যক্তিৰ আচৰণক প্ৰভাৱিত কৰিব পৰা দক্ষতা।"

- ক্ষমতাৰ সংজ্ঞা দাঙি ধৰি আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী ডেভিদ ইষ্ট'নে কৈছে যে "ক্ষমতা হ'ল এনে এক সম্পৰ্ক য'ত এগৰাকী ব্যক্তিয়ে অথবা একাধিক ব্যক্তিৰ গোট এটাই নিজৰ স্বাৰ্থৰ হকে অন্য ব্যক্তিৰ ক্ৰিয়া-কলাপ নিৰ্ধাৰণ কৰিব পাৰে।"
- ৰাজনীতি বিজ্ঞানী চি. পি. স্নেইছাৰৰ ভাষাত, "ক্ষমতা হ'ল নিয়ন্ত্ৰণ অনুশীলন কৰাৰ দক্ষতা, যি নিয়ন্ত্ৰণে অন্য ব্যক্তিয়ে সাধাৰণতে নকৰা কাৰ্য্য পুৰস্কাৰ অথবা পুৰস্কাৰৰ প্ৰতিশ্ৰুতিৰে কৰিবলৈ বাধ্য কৰে নাইবা অন্য ব্যক্তিয়ে গুৰুত্ব দিয়া কোনো কথা অথবা বস্তুৰ পৰা বঞ্চিত নাইবা বঞ্চিত কৰাৰ ভাবুকি দি হ'লেও কোনো কাম সম্পাদন কৰি লয়।"
- আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী ৰবাৰ্ট এ. ডালৰ মতে, "ক্ষমতা হ'ল ফলাফলৰ সম্ভাৱনীয়তা সাল সলনি কৰিব পৰা দক্ষতা।"

ওপৰত উল্লেখ কৰা আটাইবোৰ সংজ্ঞা বিশ্লেষণ কৰি আমি এই সিদ্ধান্তত উপনীত হ'ব পাৰোঁ যে ক্ষমতা হ'ল কোনো এগৰাকী কৰ্তাৰ নিজস্ব অভিপ্ৰায় অনুসৰি অন্য ব্যক্তিৰ কাৰ্য্যক প্ৰভাৱিত কৰিব পৰা দক্ষতা। ই এক প্ৰকাৰৰ সম্পৰ্কক সূচায়। ই এনে এক সামৰ্থ্য যিটোক এগৰাকী ব্যক্তিয়ে আন এগৰাকীৰ বিৰুদ্ধে প্ৰয়োগ কৰিব পাৰে।

১০.৩.২ ক্ষমতাৰ বৈশিষ্ট্য

ক্ষমতাৰ ধাৰণাটোৰ কেইটামান বৈশিষ্ট্য আছে। সেই বৈশিষ্ট্যকেইটা তলত উল্লেখ কৰা হ'ল—

- **সম্বন্ধসূচক (Relational)ঃ** আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী হেৰল্ড লাচৱেল আৰু মৰ্টন কেপ্লানৰ মতে ক্ষমতা সদায় সম্বন্ধসূচক। ই কোনো এগৰাকী ব্যক্তিৰ একচেটিয়া সম্পত্তি নহয়। ক্ষমতা প্ৰদৰ্শন অথবা প্ৰয়োগৰ বাবে অতি কমেও দুগৰাকী কৰ্তাৰ (Actor) প্ৰয়োজন। ইয়াৰে এগৰাকী কৰ্তাই ক্ষমতা ব্যৱহাৰ কৰে আৰু আনগৰাকীৰ ওপৰত এই ক্ষমতা ব্যৱহাৰ কৰা হয়। ফ্ৰেডৰিকৰ ভাষাত, "ক্ষমতা হ'ল এক ধৰণৰ মানৱীয় সম্পৰ্ক।" ক্ষমতা সদায় অন্যৰ ওপৰত ব্যৱহাৰ কৰিব পাৰি।
- **পৰিস্থিতিসূচক (Situational) ঃ** ক্ষমতা সদায পৰিস্থিতিসূচক। ই পৰিস্থিতি, অৱস্থা আৰু অৱস্থানৰ ওপৰত নিৰ্ভৰশীল। অৱস্থা (Situation) আৰু পৰিস্থিতিৰ (Circumstances) ওপৰত নিৰ্ভৰ কৰি ক্ষমতাৰ মাত্ৰা কম অথবা বেছি হ'ব পাৰে। উদাহৰণ স্বৰূপে, কোনো এগৰাকী ক্ষমতাশীল বিষয়াই তেওঁৰ সেৱা কালছোৱাতহে নিজৰ ক্ষমতা বৃদ্ধি কৰিবলৈ সমৰ্থ। কিন্তু সেৱা নিবৃত্তিৰ পাছত তেওঁ কনিষ্ঠ কৰ্মচাৰীসকলৰ পৰা সিমান গুৰুত্ব লাভ কৰাত সমৰ্থ নহ'বও পাৰে।

- **ব্যৱহাৰৰ ওপৰত নির্ভৰশীল (Depends on use) ঃ** ক্ষমতা সদায় ব্যৱহাৰৰ ওপৰত নির্ভৰশীল। ক্ষমতা ফলপ্রসূভাৱে প্রয়োগ কৰিব জনা এগৰাকী আকর্ষণীয় ব্যক্তিত্বৰ গৰাকী ব্যক্তিযে চৰম পর্য্যায়লৈ ক্ষমতা বৃদ্ধি কৰিব পাৰে। উদাহৰণ স্বৰূপে, ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্রৰ ৰাষ্ট্রপতি দুগৰাকী বিশাল ক্ষমতাৰ অধিকাৰী। কিন্তু ভাৰতৰ ৰাষ্ট্রপতি নামমাত্র খিতাপধাৰী হোৱা হেতুকে সকলোবোৰ ক্ষমতা প্রয়োগ কৰিব নোৱাৰে। ইয়াৰ বিপৰীতে আমেৰিকা যুক্তৰাষ্ট্রৰ ৰাষ্ট্রপতিয়ে সঁচা অর্থত ৰাষ্ট্রই তেওঁক প্রদান কৰা ক্ষমতা কার্য্যক্ষেত্রত প্রয়োগ কৰে।
- **ক্ষমতা চৰম নহয় (Not Absolute) ঃ** ক্ষমতাৰ এক উল্লেখনীয় বৈশিষ্ট্য হ'ল ইয়াৰ আপেক্ষিকতা। ক্ষমতা কেতিয়াও চৰম নহয়। ক্ষমতাক আপেক্ষিক বোলাৰ কাৰণ হ'ল ইয়াক কাৰোবাৰ সম্পর্কতহে প্রয়োগ কৰিব পৰা যায়। পৰিৱর্তিত পৰিস্থিতি অনুসৰি ক্ষমতা-সম্পর্কৰ ৰূপো সলনি হয়।
- **সামর্থ্য (Capacity) ঃ** কোনো ব্যক্তিৰ আন লোকৰ আচৰণত প্রভাৱ পেলাব পৰা সামর্থ্যকে ক্ষমতা বোলা হয়। ব্যক্তি অথবা ৰাষ্ট্রৰ সামর্থ্য (Capacity) অথবা সক্ষমতা (Capability) ক্ষমতাকেন্দ্রিক সম্পর্ক বর্তাই ৰখাৰ বাবে অতি গুৰুত্বপূর্ণ। কোনো ব্যক্তিৰ নিজ ইচ্ছামতে অন্য ব্যক্তিৰ আচৰণ নিয়ন্ত্রণ কৰাৰ সামর্থ্যই হ'ল ক্ষমতা।
- **ক্ষমতাক সদায় অনুমোদনৰ প্রয়োজন (Power must be backed by Sanction) ঃ** ক্ষমতাক সদায় অনুমোদনৰ প্রয়োজন হয়। অনুমোদন লাভ নকৰা ক্ষমতা দুর্নীতি হ'ব পাৰে আৰু ইয়াৰ অপ-প্রয়োগ ঘটিব পাৰে। সেয়েহে ক্ষমতাৰ সৈতে কিছুমান ন্যায়িক অনুমোদন সংলগ্ন থাকিব লাগে। তেতিয়াহে ক্ষমতা প্রয়োগ কৰা কর্তৃত্ব বৈধ বুলি বিবেচিত হ'ব।

১০.৩.৩ ক্ষমতাৰ উৎস

ক্ষমতাৰ উৎসসমূহ তলত আলোচনা কৰা হ'ল—

- **জ্ঞান (Knowledge) ঃ** ক্ষমতাৰ এটা প্রধান উৎস হ'ল জ্ঞান। জ্ঞানে প্রতিগৰাকী ব্যক্তিকে জীৱনৰ আন্ধাৰ দূৰ কৰাত সহায় কৰে। জ্ঞানে ব্যক্তিগত সফলতাৰ বাবে প্রয়োজন হোৱা সমল প্রতিগৰাকী লোককে প্রদান কৰে। আমাৰ মন আৰু আত্মাৰ বিকাশত জ্ঞানেই আমাক সহায় কৰে। জ্ঞানৰ সহায়ত এগৰাকী নেতাই নেতৃত্বৰ সামর্থ্য বিকশিত কৰিব পাৰে।
- **সংগঠন (Organization) ঃ** ক্ষমতাৰ আন এক গুৰুত্বপূর্ণ উৎস হ'ল সংগঠন। যেতিয়া একাধিক ব্যক্তিৰ দ্বাৰা গঠিত কোনো এক নির্দিষ্ট দলে এটা সংগঠিত ৰূপত একেলগে কাম কৰে তেতিয়া তেওঁলোক স্বয়ংক্রিয়ভাৱে অধিক ক্ষমতাৰ গৰাকী হয়। সেইবাবেই সংগঠনৰ পৰা ক্ষমতাৰ উদ্ভৱ হয় বুলি কোৱা হয়। ৰাজনৈতিক ক্ষেত্রত ক্ষমতা হস্তগত কৰিবলৈ বিভিন্ন ৰাজনৈতিক দলে নিজকে সংগঠিত কৰে।

- **সম্পদ (Wealth) ঃ** ক্ষমতাৰ আন এক উৎস হ'ল সম্পদ অথবা অর্থনৈতিক অৱস্থা। ই এগৰাকী ব্যক্তি অথবা এখন দেশক ক্ষমতা আহৰণ কৰাত সহায় কৰে। উদাহৰণ স্বৰূপে, অর্থনৈতিকভাৱে উন্নত দেশ এখনে আন্তঃৰাষ্ট্রীয় বিভিন্ন ক্ষেত্রত অন্য দেশৰ ওপৰত ক্ষমতা অথবা প্রভাৱ খটুৱাব পাৰে।
- **কর্তৃত্ব (Authority) ঃ** ক্ষমতাৰ আন এক গুৰুত্বপূর্ণ উৎস হ'ল কর্তৃত্ব। এখন গণতান্ত্রিক পদ্ধতিৰ চৰকাৰত কর্তৃত্ব হ'ল বৈধ ক্ষমতাৰ প্রতীক। যেতিয়া কোনো এক নির্দিষ্ট ব্যক্তি অথবা অনুষ্ঠানে অন্যৰ ওপৰত ক্ষমতা প্রয়োগ কৰিবলৈ বৈধ কর্তৃত্ব লাভ কৰে, তেতিয়া সেই ব্যক্তি অথবা অনুষ্ঠানটো নিজে নিজেই ক্ষমতাশালী হৈ পৰে।
- **ব্যক্তিত্ব (Personality) ঃ** এগৰাকী ব্যক্তিৰ ব্যক্তিত্বও ক্ষমতাৰ এক গুৰুত্বপূর্ণ উৎস হ'ব পাৰে। খৰতকীয়া আৰু উপযুক্ত সিদ্ধান্ত লোৱাৰ সামর্থ্যতা, সাংগঠনিক দক্ষতা, প্রজ্ঞা, সাহস আদিয়ে এগৰাকী ব্যক্তিৰ সবল ব্যক্তিত্ব গঢ় লৈ উঠাত সহায় কৰে। এগৰাকী মহান নেতাই তেওঁৰ সম্মোহক ব্যক্তিত্বৰ সহায়ত স্বয়ংক্রিয়ভাৱে অইনতকৈ উপযোগী আৰু ক্ষমতাশালী ব্যক্তিৰ আসন লাভ কৰে।

১০.৩.৪ ক্ষমতাৰ প্রকাৰ

ক্ষমতাৰ সামাজিক বিশ্লেষণৰ দিশৰ পৰা তিনিটা কাৰকৰ আধাৰত ক্ষমতাক চাৰিটা প্রধান প্রকাৰত ভগোৱা হয়, যেনে— ৰাজনৈতিক, অর্থনৈতিক, ভৌতিক আৰু মনোবৈজ্ঞানিক ক্ষমতা।

- **ৰাজনৈতিক ক্ষমতা (Political Power) ঃ** ৰাজনৈতিক তত্ত্ব আৰু আন্তঃৰাষ্ট্রীয় ৰাজনীতিৰ প্রধান ধাৰণা হ'ল ক্ষমতা। ৰাজনৈতিক দৃষ্টিভঙ্গীৰ ফালৰ পৰা চৰকাৰৰ বিভিন্ন অঙ্গৰ মাজত চলা ক্ষমতাৰ ভাগ-বটোৱাৰাৰ খেলখনৰ প্রধান কাৰণ হ'ল সকলোৰে ক্ষমতা হস্তগত কৰিবলৈ থকা আগ্রহ।
- **অর্থনৈতিক ক্ষমতা (Economic Power)ঃ** ৰাজনীতি বিজ্ঞানৰ পৰিসৰৰ ভিতৰত অর্থনৈতিক ক্ষমতাক অর্থনৈতিক সামগ্রী আৰু সেৱাসমূহৰ ওপৰত অধিক নিয়ন্ত্রণ সাব্যস্ত কৰি অন্য ব্যক্তি অথবা ৰাষ্ট্রৰ আচৰণ নিয়ন্ত্রণ কৰিব পৰা ক্ষমতা হিচাপে গণ্য কৰা হয়। অর্থনৈতিক ক্ষমতাই অন্য দেশৰ কাম-কাজৰ ওপৰত প্রভাৱ পেলাব পৰাকৈ এখন দেশৰ সামর্থ্য বৃদ্ধি কৰে।
- **ভৌতিক ক্ষমতা (Physical Power) ঃ** ভৌতিক ক্ষমতা বুলিলে এখন ৰাষ্ট্রৰ সামৰিক শক্তিৰ কথা বুজোৱা হয়। যিকোনো দেশৰ চৰকাৰ এখনে দেশখনৰ সামৰিক অথবা ভৌতিক ক্ষমতাৰ বাবেহে ৰাজনৈতিক ক্ষমতা উপভোগ কৰিব পাৰে। ভৌতিক ক্ষমতাই দেশ এখনক বিদেশী আগ্রাসন প্রতিহত কৰি সার্বভৌমত্ব অক্ষুণ্ণ ৰখাত সহায় কৰে। এইখিনিতে এটা কথা মনত ৰাখি থোৱা ভাল হ'ব যে দেশ

এখনৰ সামৰিক ক্ষমতাক সদায় ৰাজনৈতিক কর্তৃপক্ষৰ তলতীয়া পর্য্যায়ত ৰখা উচিত। অন্যথা দেশত সামৰিক অভ্যুত্থান ঘটাৰ সম্ভাৱনা থাকে।

- **মনোবৈজ্ঞানিক ক্ষমতা (Psychological Power) ঃ** মনোবৈজ্ঞানিক ক্ষমতা মানে হ'ল জনমতক নিয়ন্ত্রণ কৰিব পৰা ক্ষমতা। এনে প্রকাৰৰ ক্ষমতাৰ ক্ষেত্রত আবেগিক গোহাৰি অথবা চৰকাৰী প্রচাৰ অভিযানৰ জৰিয়তে অন্যৰ কাম-কাজ নিয়ন্ত্রণ কৰাৰ প্রয়াস কৰা হয়। প্রত্যেক ৰাষ্ট্রই অতি কৌশলপূর্ণভাৱে মনোবৈজ্ঞানিক ক্ষমতা প্রয়োগ কৰে। উদাহৰণ স্বৰূপে, ভাৰতৰ গণৰাজ্য দিৱসৰ কুচ-কাৱাজৰ কথা উল্লেখ কৰিব পাৰি। এই কুচ-কাৱাজত বিভিন্ন অস্ত্র-শস্ত্র আৰু টেঙ্ক আদিৰ প্রদর্শনৰ দ্বাৰা বিশ্বক ভাৰতক সামৰিক শক্তিৰ বিষয়ে জনোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'পাৱাৰ ঃ এ নিউছ'চিয়েল এনালাইছিছ' (Power: A New Social Analysis) নামৰ গ্রন্থখনৰ লেখক কোন?

.....

প্রশ্ন নং ২ ঃ ক্ষমতাৰ দুটা গুৰুত্বপূর্ণ বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৩ ঃ ক্ষমতাক "ফলাফলৰ সম্ভাৱনীয়তা সাল-সলনি কৰিব পৰা দক্ষতা" বুলি কোনে কৈছিল?

.....

প্রশ্ন নং ৪ ঃ ক্ষমতাৰ চাৰিটা উৎস উল্লেখ কৰক।

.....

১০.৪ কর্তৃত্ব (AUTHORITY)

ৰাজনীতি বিজ্ঞান বিষয়ৰ আন এক গুৰুত্বপূর্ণ ধাৰণা হ'ল কর্তৃত্ব। কর্তৃত্ব সদায় বৈধ আৰু ই আইনৰ ক্ষমতা আৰু জনসাধাৰণৰ উমৈহতীয়া সহমতৰ দ্বাৰা অনুমোদিত হয়। বৈধ ক্ষমতা অথবা প্রভাৱকে সাধাৰণতে কর্তৃত্ব বোলা হয়। বৈধ কর্তৃত্বৰ আধাৰ হৈছে জনসাধাৰণৰ সহমত। সেইবাবে এনে কর্তৃত্বই সকলোৰে সন্মান দাবী কৰিব পাৰে। গতিকে কর্তৃত্ব নিজে ক্ষমতা নহয়, ই দৰাচলতে যুক্তিৰ মূর্তভৱন। সহজ ভাষাত আমি কর্তৃত্ব মানি চলাৰ কাৰণ হ'ল ইয়াৰ বৈধতা আৰু যুক্তি সঙ্গততা।

১০.৪.১ কর্তৃত্বৰ অর্থ

কর্তৃত্ব বুজোৱা ইংৰাজী শব্দ 'Authority'ৰ মূল হ'ল লেটিন শব্দ 'Auctor' অথবা 'Auctoritas'। ইয়াৰ অর্থ হ'ল 'শাসন কৰাৰ অধিকাৰ'। কর্তৃত্ব অবিহনে আইন আনুগত্য প্রকাশৰ বাবে অনুপযুক্ত হৈ পৰিব। কর্তৃত্বই সাধাৰণতে কোনো এক ব্যক্তি অথবা সংগঠনৰ হাতত বৈধ ৰূপত ন্যস্ত থকা কর্তৃত্বশীল ক্ষমতাৰ কথা বুজায়।

কর্তৃত্বৰ অর্থ সম্পর্কে বিভিন্ন পণ্ডিতে বহুতো সংজ্ঞা দাঙি ধৰিছে। ইয়াৰে দুটামান তলত উল্লেখ কৰা হ'ল—

- জার্মান চিন্তাবিদ কার্ল ফ্রেডৰিকৰ মতে, "কর্তৃত্ব হ'ল যুক্তিৰ মূর্তভৱন আৰু ই যুক্তি যুক্তি ব্যাখ্যাৰ সামর্থ্যৰ ওপৰত নির্ভৰশীল।"
- আমেৰিকাৰ ৰাজনৈতিক দার্শনিক ৰবার্ট মেক্আইভাৰৰ ভাষাত, "কর্তৃত্বক প্রায়েই ক্ষমতা হিচাপে সংজ্ঞাবদ্ধ কৰা হয়, যি ক্ষমতাই আনুগত্য দাবী কৰিব পাৰে।"
- এনচাইক্লপেডিয়া অব্ ছ'চিয়েল ছায়েন্সেচ্ৰ মতে "কর্তৃত্ব হ'ল কোনো এটা গোটৰ ওপৰত আধিপত্য বিস্তাৰ কৰিবলৈ থকা অথবা আহৰণ কৰি লোৱা সামর্থ্য। ই ক্ষমতাৰ বহিঃ প্রকাশ আৰু ইয়াৰ সৈতে আনুগত্যৰ দিশটো জড়িত।"

ওপৰৰ সংজ্ঞাবোৰ অধ্যয়ন কৰি আমি ইয়াকে ক'ব পাৰোঁ যে যেতিয়া ক্ষমতা অথবা আধিপত্যক বৈধভাৱে প্রয়োগ কৰা হয় তেতিয়া ইয়াক কর্তৃত্ব বোলা হয়। ই হ'ল জনসাধাৰণৰ সন্মতিৰ ওপৰত আধাৰিত এক প্রকাৰৰ ক্ষমতা।

১০.৪.২ কর্তৃত্বৰ বৈশিষ্ট্য

কর্তৃত্বৰ ভালেমান বৈশিষ্ট্য আছে। তলত তাৰে দুটামান উল্লেখ কৰা হ'ল—

- **বৈধতা (Legitimacy) ঃ** কর্তৃত্বৰ সবাতোকৈ গুৰুত্বপূর্ণ বৈশিষ্ট্যটো হ'ল কর্তৃত্ব সদায় বৈধ হ'ব লাগিব। কর্তৃত্বৰ মৌলিক চর্ত হ'ল আইন আৰু জনসাধাৰণ উভয়েই ইয়াক অনুমোদন প্রদান কৰিব লাগিব। বৈধতা হৈছে কর্তৃত্বৰ এক অবিচ্ছেদ্য উপাদান যিয়ে কর্তৃত্বৰ কার্য্যকাৰিতা বা সফলতা নির্ধাৰণ কৰে ।
- **আধিপত্য (Dominance) ঃ** কর্তৃত্বৰ আন এক গুৰুত্বপূর্ণ বৈশিষ্ট্য হ'ল আধিপত্য। কর্তৃত্বৰ ধাৰণাটোৰ আধিপত্যৰ সৈতে সহঃ সম্পর্ক আছে। যিসকলৰ ক্ষমতা প্রয়োগ কৰাৰ কর্তৃত্ব আছে তেওঁলোকে নিজে নিজেই অন্যৰ ওপৰত প্রভূত্ব বিস্তাৰ কৰিব পৰা হয়। কর্তৃত্ব হ'ল ঊর্দ্ধতম কর্তৃপক্ষই অধীনস্থ শ্রেণীটোক দিয়া আদেশ ।
- **অনানুষ্ঠানিক (Informal) ঃ** কর্তৃত্বৰ চৰিত্র সদায় অনানুষ্ঠানিক। আৰু এই কাৰণতে কর্তৃত্ব আৰু ক্ষমতাৰ মাজত প্রভেদ আছে। জার্মান দার্শনিক ফ্রেড'ৰিক্ৰ ভাষাত, "কর্তৃত্ব মানেই ক্ষমতা নহয়, কিন্তু ই ক্ষমতাক সঙ্গ দিয়া এক উপাদান।"

- **দায়িত্ব অথবা ভৰসাযোগ্যতা (Responsibility or Accountability) ঃ** দায়িত্ব অথবা ভৰসাযোগ্যতা হ'ল কর্তৃত্বৰ এক উল্লেখনীয় বৈশিষ্ট্য। এখন গণতান্ত্রিক চৰকাৰত কর্তৃত্বত থকা শ্রেণীটো সদায় ভৰসাযোগ্য আৰু দায়িত্ববান হ'ব লাগে।
- **যুক্তি (Reason) ঃ** কর্তৃত্বৰ আন এক বৈশিষ্ট্য হ'ল যুক্তি। যুক্তিক কর্তৃত্বৰ আধাৰ বুলিও গণ্য কৰা হয়। যুক্তিযুক্ততা অবিহনে কর্তৃত্ব আধাৰহীন হৈ পৰে।

১০.৪.৩ কর্তৃত্বৰ উৎস

জার্মান সমাজতাত্ত্বিক মেক্স ৱেবাৰৰ মতে কর্তৃত্বৰ উৎস তিনি প্রকাৰৰ— (ক) পৰম্পৰাগত কর্তৃত্ব, (খ) যুক্তিসঙ্গত ন্যায়িক কর্তৃত্ব আৰু (গ) আকর্ষণীয় ব্যক্তিত্বকেন্দ্রিক কর্তৃত্ব।

- **পৰম্পৰাগত কর্তৃত্ব (Traditional Authority) ঃ** পৰম্পৰাগত কর্তৃত্বই অলিখিত কিন্তু আভ্যন্তৰীণভাৱে বাধ্যতামূলক নীতি-নিয়ম আৰু সন্ধি-চুক্তি আদিৰ আধাৰত মানুহৰ পৰা আনুগত্য দাবী কৰে। এই নীতি-নিয়ম আৰু সন্ধি-চুক্তিবোৰৰ প্রকৃতি হৈছে প্রথাগত, ধর্মীয় অথবা ঐতিহাসিক।
- **যুক্তিসঙ্গত ন্যায়িক কর্তৃত্ব (Rational Legal Authority) ঃ** যুক্তিসঙ্গত ন্যায়িক কর্তৃত্বৰ উৎস হ'ল সাংবিধানিক নীতি-নিয়ম। মানুহে এই কর্তৃত্ব মানি চলে, কাৰণ ই কিছুমান নির্দিষ্ট নীতি-নিয়মৰ ওপৰত আধাৰিত। উপায়ুক্ত, দণ্ডাধীশ, আয়কৰ বিষয়া আৰু সকলো চৰকাৰী বিষয়াই যুক্তিসঙ্গত ন্যায়িক কর্তৃত্ব প্রয়োগ কৰে।
- **আকর্ষণীয় ব্যক্তিত্বকেন্দ্রিক কর্তৃত্ব (Charismatic Authority) ঃ** যদি ব্যক্তিগত গুণৰ ভিত্তিত কর্তৃত্ব প্রয়োগ কৰা হয়, তেন্তে সেই কর্তৃত্বক স্বয়ংক্রিয়ভাৱে আকর্ষণীয় ব্যক্তিত্বকেন্দ্রিক কর্তৃত্ব বুলি গণ্য কৰা হয়।

১০.৪.৪ কর্তৃত্বৰ আধাৰ

কর্তৃত্বৰ আধাৰবোৰ তলত উল্লেখ কৰা হ'ল—

- **সম্মতি (Consent) ঃ** ৰাষ্ট্রই কর্তৃত্ব প্রয়োগ কৰিবলৈ হ'লে জনসাধাৰণৰ সম্মতিৰ প্রয়োজন। যদি নাগৰিকে ৰাষ্ট্রৰ কর্তৃত্বৰ প্রতি সম্মতি জনায়, তেন্তে ৰাষ্ট্রই নাগৰিকৰ ওপৰত বলপূর্বকভাৱে ক্ষমতা প্রয়োগ কৰিবলগীয়া নহয়।
- **শক্তি (Force) ঃ** কর্তৃত্বৰ এক গুৰুত্বপূর্ণ আধাৰ হ'ল শক্তি। শক্তিৰ সহায়ত ৰাষ্ট্রৰ কর্তৃপক্ষই আর্থ-সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থা অধিক সক্ষমভাৱে নিয়ন্ত্রণ কৰিব পাৰে।
- **সহযোগিতা (Co-operation) ঃ** কর্তৃত্বৰ আন এটা গুৰুত্বপূর্ণ আধাৰ হ'ল জনসাধাৰণৰ সহযোগিতা। কোনো এখন চৰকাৰৰ সফলতা চৰকাৰখনৰ প্রতি নাগৰিকে আগবঢ়োৱা সহযোগিতাৰ ওপৰত নির্ভৰশীল।

➢ **সামাজিক আৰু মনোবৈজ্ঞানিক অনুমোদন (Social and Psychological Sanctions) ঃ** কর্তৃত্বৰ আঁৰত বহুত প্রকাৰৰ সামাজিক আৰু মনোবৈজ্ঞানিক অনুমোদনে ক্রিয়া কৰি থাকে। এনে অনুমোদনেও কর্তৃত্বৰ ভেঁটি গঢ়াত উল্লেখনীয় সহায় আগবঢ়ায়। মানুহে সমাজৰ ভয়তো কর্তৃত্বক গ্রহণ কৰে। সমাজৰ সমালোচনাৰ সমুখীন হোৱাৰ ভয়ৰ বাবেই কর্তৃপক্ষই পালন কৰিবলৈ কোৱা নীতি-নিয়মবোৰ জনসাধাৰণে মানি চলে। সেই বাবেই জনসাধাৰণে ৰাজনৈতিক শাসকে প্রচলন কৰা কর্তৃত্বশীল নীতি-নিয়মবোৰ মানি চলি ভয়ৰ পৰা মুক্ত হৈ থাকিব খোজে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ কর্তৃত্ব বুজোৱা ইংৰাজী 'Authority' শব্দটো ..... ভাষাৰ পৰা সৃষ্টি হৈছে। (খালী ঠাই পূৰণ কৰক)

.....

প্রশ্ন নং ৬ ঃ মেকআইভাৰে আগবঢ়োৱা কর্তৃত্বৰ সংজ্ঞাটো উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৭ ঃ আকর্ষণীয় ব্যক্তিত্বকেন্দ্রিক কর্তৃত্ব বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ৮ ঃ কর্তৃত্বৰ আধাৰবোৰ কি কি?

.....

১০.৫ বৈধতা (LEGITIMACY)

বৈধতাৰ ধাৰণাটোৰ কর্তৃত্বৰ ধাৰণাটোৰ সৈতে ঘনিষ্ঠ সম্পর্ক আছে। বৈধতা হৈছে কর্তৃত্বৰ মেৰুদণ্ড স্বৰূপ। কর্তৃত্বৰ ফলপ্রসূতা ইয়াৰ আঁৰত থকা বৈধতাৰ মাত্রাৰ ওপৰত নির্ভৰশীল। জনসাধাৰণে সদায় বৈধ কর্তৃত্বৰ প্রতিহে সন্মান প্রদর্শন কৰিব খোজে। মূলতঃ বৈধতা হৈছে ন্যায্য অধিকাৰপূর্ণতা অথবা ন্যায়সংগততাৰ প্রতীক।

১০.৫.১ বৈধতাৰ অর্থ

বৈধতা বুজোৱা ইংৰাজী শব্দ 'Legitimacy'ৰ মূল হ'ল লেটিন শব্দ 'Legitimus'। ইয়াৰ অর্থ হ'ল আইনসঙ্গত। আধুনিক যুগত বৈধতাৰ ধাৰণাটোৱে বিভিন্ন অর্থ প্রকাশ কৰে। বৈধতাৰ ধাৰণাটোৱে বিশ্বাস প্রকাশ কৰে যে প্রচলিত ৰাজনৈতিক ব্যৱস্থাটোৱেই হ'ল সবাতোকৈ উপযুক্ত ব্যৱস্থা। মানুহে ইয়াক পৱিত্র তথা সন্মানৰ যোগ্য বুলি ভাবি

লৈ নিঃসঙ্কোচে মানি চলা উচিত। বহুকেইজন পণ্ডিতে বিভিন্ন দিশৰ পৰা 'বৈধতা'ৰ সংজ্ঞা দাঙি ধৰিছে। এই সংজ্ঞাবোৰ অধ্যয়ন কৰিলে বৈধতাৰ অর্থ হৃদয়ঙ্গম কৰাটো সহজ হৈ পৰিব।

- আমেৰিকাৰ ৰাজনৈতিক সমাজতাত্ত্বিক এছ. এম. লিপ্‌চেটৰ মতে, "প্রচলিত ৰাজনৈতিক অনুষ্ঠানবোৰেই সমাজৰ বাবে সবাতোকৈ উপযুক্ত বুলি বিশ্বাস সৃষ্টি কৰা আৰু এই বিশ্বাস বর্তাই ৰখাৰ সামর্থই হ'ল বৈধতা।"
- ফৰাচী ৰাজনীতি বিজ্ঞানী জ্যাঁ ব্লণ্ডেলৰ ভাষাত, "কোনো এক ব্যক্তি সমষ্টি যিটো অনুষ্ঠানৰ অংশ স্বৰূপ সেই অনুষ্ঠানটোক কোনো প্রশ্ন নকৰাকৈ সেই ব্যক্তি সমষ্টিটোৱে স্বাভাৱিকভাৱে গ্রহণ কৰা প্রক্রিয়াটোৱেই হ'ল বৈধতা।"
- আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী ৰ'বার্ট ডালৰ মতে, "চৰকাৰৰ সংৰচনা, কর্ম প্রক্রিয়া, আইন, সিদ্ধান্ত, নীতি, বিষয়া অথবা নেতৃবৃন্দৰ ন্যায়ধর্মিতা (Rightness), যুক্তিযুক্ততা অথবা নৈতিক সততাৰ ওপৰত থকা বিশ্বাস আৰু প্রশ্ন উত্থাপিত হোৱা কোনো এক নির্দিষ্ট কার্য্যৰ নির্দিষ্ট কেতবোৰ বিষয়সূচীক বাদ দি এই গুণবোৰৰ বাবে কিছুমান নীতি নিয়ম মানি চলা উচিত বুলি সৃষ্টি হোৱা ধাৰণাই বৈধতা।"

ওপৰত উল্লেখ কৰা বৈধতাৰ সংজ্ঞাবোৰ বিশ্লেষণ কৰি আমি এই বুলি সামৰণি মাৰিব পাৰোঁ যে বৈধতা মানে হ'ল প্রচলিত ৰাজনৈতিক ব্যৱস্থা অথবা পদ্ধতিটো আইন আৰু যুক্তিৰ ওপৰত প্রতিষ্ঠিত বুলি মানি লোৱা প্রক্রিয়া। মানুহে ব্যৱস্থা অথবা পদ্ধতি একোটা মানি লোৱাৰ কাৰণ হ'ল ই বৈধ অথবা আইনসংগত।

১০.৫.২ বৈধতাৰ উৎস

মেক্স ৱেবাৰৰ মতে বৈধতাৰ উৎস তিনিটা। উৎসকেইটাৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

- **পৰম্পৰা (Tradition) ঃ** বৈধতাৰ এক গুৰুত্বপূর্ণ উৎস হ'ল স্বীকৃত পৰম্পৰা অথবা সমাজে মানি চলা লোকাচাৰসমূহ। কোনো এক নির্দিষ্ট সমাজে অনুমোদন জনোৱা লোকাচাৰ আৰু পৰম্পৰা অনুসৰি ক্ষমতা প্রয়োগ কৰা কর্তৃত্বটোক সদায় বৈধ বুলি গণ্য কৰা হয়। অর্থাৎ, অনুমোদিত পৰম্পৰা আৰু লোকাচাৰ হ'ল বৈধতাৰ গুৰুত্বপূর্ণ উৎস।
- **অতুলনীয় ব্যক্তিগত গুণ (Exceptional Personal Qualities) ঃ** মেক্স ৱেবাৰৰ মতে বৈধতাৰ আন এক গুৰুত্বপূর্ণ উৎস হ'ল নেতাৰ ব্যক্তিগত গুণ। কেতিয়াবা আকর্ষণীয় ব্যক্তিত্বৰ কোনো নেতাই ক্ষমতা এনেদৰে প্রয়োগ কৰে যে সময়ত ইয়েই গৈ কোনো এক বৈধ কর্তৃত্বৰ উৎস হৈ পৰে।
- **আইনসঙ্গততা (Legality) ঃ** আমি কোনো আইনসঙ্গত পদ্ধতিকহে বৈধ বুলি স্বীকাৰ কৰোঁ। অর্থাৎ, আইনসঙ্গততা হ'ল বৈধতাৰ এটা গুৰুত্বপূর্ণ উৎস আৰু মৌলিক চর্ত।

১০.৫.৩ বৈধতাৰ প্ৰকাৰ

বৈধতাক সাধাৰণতে দুটা ভাগত ভগোৱা হয়, কর্তৃত্বৰ প্ৰতি বৈধতা আৰু শাসনতন্ত্ৰৰ প্ৰতি বৈধতা। উৎস আৰু উদ্দেশ্যৰ ভিত্তিত ডেভিদ ইষ্ট'নে বৈধতাক তিনিটা প্ৰকাৰত ভাগ কৰিছে। ভাগকেইটা তলত উল্লেখ কৰা হ'ল—

- **আদর্শগত বৈধতা (Ideological Legitimacy) ঃ** যেতিয়া সমাজত প্ৰচলিত কোনো আদর্শক বৈধতাৰ উৎস হিচাপে লোৱা হয়, তেতিয়া তেনে বৈধতাক আদর্শগত বৈধতা বোলা হয়। প্ৰত্যেক সমাজৰে নিজস্ব আদর্শ, প্ৰমূল্য আৰু নীতি-নিয়ম থাকে আৰু এইবোৰেই আদর্শগত বৈধতাৰ ভেঁটি গঠন কৰে। এটা ৰাজনৈতিক ব্যৱস্থা হৈছে অর্থবহ আদর্শ, সমাধান আৰু উদ্দেশ্যৰ প্ৰধান উৎস যাৰ সহায়ত ব্যৱস্থাটোৰ সদস্যসকলে অতীতৰ বিশ্লেষণ, বর্তমানৰ ব্যাখ্যা আৰু ভৱিষ্যতৰ পৰিকল্পনা কৰিব পাৰে। আদর্শই কোনো এক ৰাজনৈতিক ব্যৱস্থাৰ লক্ষ্য আৰু উদ্দেশ্য বর্ণনা কৰে।
- **সংৰচনাত্মক বৈধতা (Structural Legitimacy) ঃ** শাসনতন্ত্ৰৰ সংৰচনা আৰু স্বীকৃত নীতি-নিয়মৰ ন্যায্যতাৰ ওপৰত থকা স্বতন্ত্ৰ বিশ্বাস হ'ল সংৰচনাত্মক বৈধতাৰ আধাৰ। যিকোনো ব্যৱস্থাতে কিছুমান সাংগঠনিক নীতি-নিয়ম আৰু বিধি থাকে। গণতান্ত্ৰিক ব্যৱস্থাত নির্দিষ্ট নীতি-নিয়মৰ ওপৰত আধাৰিত আনুষ্ঠানিক সংৰচনাত্মক অনুষ্ঠান, যেনে— কার্য্যপালিকা, বিধানমণ্ডল, ন্যায়পালিকাৰ অৱস্থিতি দেখিবলৈ পোৱা যায়। এটা সংৰচনাত্মক বৈধ প্ৰণালীৰ সহায়ত কর্তৃত্বশীলসকলে অন্যৰ ওপৰত ক্ষমতা প্ৰয়োগ কৰে।
- **ব্যক্তিগত বৈধতা (Personal Legitimacy) ঃ** যেতিয়া নেতাৰ ব্যক্তিগত গুণৰ আধাৰত বৈধতা প্ৰতিষ্ঠা হয় তেতিয়া তেনে বৈধতাক ব্যক্তিগত বৈধতা বোলে। বহুতো সময়ত আকর্ষণীয় ব্যক্তিত্বৰ গৰাকী নেতাই জনসাধাৰণৰ মাজত সমর্থন গঢ়ি তোলে আৰু ইয়াৰ দ্বাৰা বৈধতা আহৰণ কৰে।

১০.৬ ক্ষমতা, কর্তৃত্ব আৰু বৈধতাৰ মাজত থকা সম্পর্ক

ক্ষমতা, কর্তৃত্ব আৰু বৈধতাৰ মাজত এৰাব নোৱাৰা সম্পর্ক আছে। বৈধতা অবিহনে ক্ষমতা আৰু কর্তৃত্ব অর্থহীন হৈ পৰে। একেদৰে, ক্ষমতা অবিহনে বৈধ কর্তৃত্ব অর্থহীন। সামাজিক আচৰণ আৰু আচাৰ-ব্যৱহাৰ নিয়ন্ত্ৰণ কৰাৰ মাধ্যম হ'ল ক্ষমতা আৰু বৈধ কর্তৃত্ব। বৈধ কর্তৃত্বৰ গৰাকী ব্যক্তিয়ে নিজৰ যুক্তিসঙ্গত চিন্তা-চর্চাৰ সামর্থ্যৰ জোৰত ব্যৱস্থা একোটা বর্তাই ৰাখিব পাৰে। গতিকে ক'ব পাৰি যে ক্ষমতা, কর্তৃত্ব আৰু বৈধতাৰ মাজত ঘনিষ্ঠ সম্পর্ক আছে। বৈধ কর্তৃত্ব থকা কিন্তু ক্ষমতা নথকা চৰকাৰ এখনক এমুঠিমান সশস্ত্ৰ বিদ্রোহীয়ে সহজে ওফৰাব পাৰিব।

ক্ষমতা আৰু কর্তৃত্ব উভয়ৰে বাবে বৈধতা অতি গুৰুত্বপূর্ণ। সহজ ভাষাত বৈধতা হ'ল এটা ৰাজনৈতিক ব্যৱস্থাৰ অপৰিহার্য্য গুণ, বিশেষকৈ চৰকাৰখনৰ বাৰে, যিয়ে বিশ্বাস জন্মায় যে

প্ৰচলিত ৰাজনৈতিক ব্যৱস্থাটো জনগণৰ বাবে সবাতোকৈ উপযুক্ত আৰু জনগণে ইয়াক পৱিত্ৰ আৰু সন্মানৰ যোগ্য বুলি গণ্য কৰাৰ লগতে নিঃসঙ্কোচে ইয়াক মানি চলিব লাগে। গতিকে বৈধ ক্ষমতা অবিহনে কর্তৃপক্ষৰ কোনো মূল্য নাই। বৈধতাৰ সহায়ত কর্তৃত্বশীলসকলে ক্ষমতা প্ৰয়োগ কৰে আৰু ৰাজহুৱা পৰিক্ৰমা নিয়ন্ত্ৰণ কৰে। যদিহে নির্দিষ্ট নীতি-নিয়ম আৰু বিধি থাকে, তেন্তে চৰকাৰখনে কর্তৃত্বশীলভাৱে ক্ষমতা ব্যৱহাৰ কৰিব পৰা অৱস্থাত অৱস্থান কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ বৈধতা বুজোৱা ইংৰাজী 'Legitimacy' শব্দটো ..... ভাষাৰ পৰা সৃষ্টি হৈছে। (খালী ঠাই পূৰণ কৰক)

.....

প্ৰশ্ন নং ১০ ঃ ডেভিড ইষ্ট'নৰ মতে বৈধতা তিনি প্ৰকাৰৰ। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ১১ ঃ এছ. এম. লিপচেটে আগবঢ়োৱা বৈধতাৰ সংজ্ঞাটো উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ১২ ঃ মেক্স ৱেবাৰে উল্লেখ কৰা বৈধতাৰ উৎস তিনিটা কি কি?

.....



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাজনীতি বিজ্ঞান বিষয়ৰ কেইটামান মৌলিক আলোচ্য বিষয় হ'ল— ক্ষমতা, কর্তৃত্ব আৰু বৈধতাৰ ধাৰণা।
- সাধাৰণ অর্থত ক্ষমতা বুলিলে অন্যক নিয়ন্ত্ৰণ কৰাৰ দক্ষতা, শক্তি আৰু সামর্থ্যৰ কথা বুজোৱা হয়। ক্ষমতা হ'ল এনে এক ধৰণৰ আচৰণ যিটোৱে সামাজিক আন্তঃক্ৰিয়া সম্পন্ন হোৱা পৰিসৰ এটাৰ ভিতৰত কাম সম্পাদন কৰাৰ দক্ষতা আৰু ফলাফল সৃষ্টি কৰাৰ সামর্থ্যৰ কথা বুজায়। ক্ষমতা হ'ল মানুহে আৱহণ কৰা এনে এক গুণ যিটোক অন্য ব্যক্তিৰ ওপৰত প্ৰয়োগ কৰিব পাৰি।
- ক্ষমতাৰ ধাৰণাটোৰ কেইটামান বৈশিষ্ট্য আছে। সেই বৈশিষ্ট্যকেইটা হ'ল— ক্ষমতা সদায় সম্বন্ধসূচক, পৰিস্থিতিসূচক, ক্ষমতা ব্যৱহাৰৰ ওপৰত নির্ভৰশীল, ক্ষমতা চৰম নহয় আপেক্ষিক, ক্ষমতাক অন্য ব্যক্তিৰ আচৰণক প্ৰভাৱিত কৰিব পৰাকৈ আন কোনো ব্যক্তিৰ হাতত থকা সামর্থ্য বুলি ধৰা হয় আৰু ক্ষমতাক সদায় অনুমোদনৰ প্ৰয়োজন ইত্যাদি।

- ক্ষমতাৰ বিভিন্ন উৎস আছে, যেনে— জ্ঞান, সংগঠন, সম্পদ, কর্তৃত্ব, ব্যক্তিত্ব ইত্যাদি।
- ক্ষমতাক সাধাৰণতে চাৰিটা প্ৰকাৰত ভগোৱা হয়, যেনে— ৰাজনৈতিক, অর্থনৈতিক, ভৌতিক আৰু মনোবৈজ্ঞানিক ক্ষমতা।
- কর্তৃত্ব বুজোৱা ইংৰাজী শব্দ 'Authority'ৰ মূল হ'ল লেটিন শব্দ 'Auctor' অথবা 'Auctoritas'। ইয়াৰ অর্থ হ'ল 'শাসন কৰাৰ অধিকাৰ'। কর্তৃত্বই সাধাৰণতে বৈধ চৰিত্ৰৰ কোনো এক ব্যক্তি অথবা সংগঠনৰ হাতত ন্যস্ত থকা কর্তৃত্বশীল ক্ষমতাৰ কথা বুজায়।
- কর্তৃত্বৰ ধাৰণাটোৰ কেইটামান বৈশিষ্ট্য আছে। এই বৈশিষ্ট্যবোৰ হ'ল— কর্তৃত্ব সদায় বৈধ হ'ব লাগিব, কর্তৃত্বই আধিপত্য বিস্তাৰ কৰিব লাগিব, ঊর্দ্ধতম কর্তৃপক্ষই অধীনস্থ শ্ৰেণীটোক দিয়া আদেশ, কর্তৃত্বৰ চৰিত্ৰ সদায় অনানুষ্ঠানিক, কর্তৃত্বৰ দায়িত্ব অথবা ভৰসাযোগ্যতা থাকিব লাগিব আৰু কর্তৃত্বত যুক্তি থাকিব লাগিব। যুক্তিয়েই হ'ল কর্তৃত্বৰ আধাৰ।
- মেক্স ৱেবাৰৰ মতে কর্তৃত্বৰ উৎস তিনি প্ৰকাৰৰ— পৰম্পৰাগত কর্তৃত্ব, যুক্তিসঙ্গত ন্যায়িক কর্তৃত্ব আৰু আকর্ষণীয় ব্যক্তিত্বকেন্দ্ৰিক কর্তৃত্ব।
- কর্তৃত্বৰ আধাৰ গঢ়া উপাদান কেইটামান হ'ল— সন্মতি, শক্তি, সহযোগিতা, সামাজিক আৰু মনোবৈজ্ঞানিক অনুমোদন আদি।
- বৈধতা বুজোৱা ইংৰাজী শব্দ 'Legitimacy'ৰ মূল হ'ল লেটিন শব্দ 'Legitimus', ইয়াৰ অর্থ হ'ল আইনসঙ্গত। বৈধতাৰ ধাৰণাটোৱে এই বুলি বিশ্বাস ওপজায় যে প্ৰচলিত ৰাজনৈতিক ব্যৱস্থাটোৱেই হ'ল সবাতোকৈ উপযুক্ত ব্যৱস্থা। মানুহে ইয়াকে পৱিত্ৰ তথা সন্মানৰ যোগ্য বুলি ভাবি লৈ নিঃসঙ্কোচে মানি চলা উচিত।
- মেক্স ৱেবাৰৰ মতে বৈধতাৰ উৎস তিনিটা, যেনে— পৰম্পৰা, আকর্ষণীয় ব্যক্তিগত গুণ আৰু আইনসঙ্গততা।
- ডেভিদ ইষ্ট'নৰ মতে বৈধতা তিনিপ্ৰকাৰৰ— আদর্শগত বৈধতা, সংৰচনাত্মক বৈধতা আৰু ব্যক্তিগত বৈধতা।
- ক্ষমতা, কর্তৃত্ব আৰু বৈধতাৰ মাজত এৰাব নোৱাৰা সম্পর্ক আছে। বৈধতা অবিহনে ক্ষমতা আৰু কর্তৃত্ব অর্থহীন। একেদৰে ক্ষমতা অবিহনে বৈধ কর্তৃত্ব অর্থহীন। সামাজিক আচৰণ আৰু আচাৰ-ব্যৱহাৰ নিয়ন্ত্ৰণ কৰাৰ মাধ্যম হ'ল ক্ষমতা আৰু বৈধ কর্তৃত্ব।



১০.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*; গুৱাহাটী ঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; যোৰহাট ঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰৱৰ্তী, আদ্যনাথ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*, গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*, গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Bhargava, Rajeev & Acharya, Ashok (2011): *Political Theory: An Introduction*; New Delhi: Pearson.

2) Gauba, O. P. (2009): *An Introduction to Political Theory*; New Delhi: Macmillan Publication.

3) Gogoi, Prof. Purandar. (2007): *Degree Political Theory*; Guwahati: Banalata Publication.

4) Mahajan, V. D. (2008): *Political Theory*; New Delhi: S. Chands & Company Ltd.

5) Varma, S. P. (2007): *Modern Political Theory*; New Delhi: Vikas Publishing House Pvt Ltd.

১০.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ৰাৰ্ট্ৰাণ্ড ৰাছেল

২নং প্ৰশ্নৰ উত্তৰ ঃ ক) ক্ষমতা সদায় সম্বন্ধসূচক।

খ) ক্ষমতা সদায় পৰিস্থিতিসূচক।ই অৱস্থা পৰিস্থিতি আৰু অৱস্থানৰ ওপৰত নিৰ্ভৰশীল।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ৰ'বাৰ্ট এ. ডাল

৪নং প্ৰশ্নৰ উত্তৰ ঃ জ্ঞান, সংগঠন, সম্পদ আৰু কৰ্তৃত্ব

৫নং প্ৰশ্নৰ উত্তৰ ঃ লেটিন

৬নং প্ৰশ্নৰ উত্তৰ ঃ কৰ্তৃত্বক প্ৰায়েই ক্ষমতা হিচাপে সংজ্ঞাৱদ্ধ কৰা হয়, যি ক্ষমতাই আনুগত্য দাবী কৰিব পাৰে।

৭নং প্ৰশ্নৰ উত্তৰ ঃ যদি ব্যক্তিগত গুণৰ ভিত্তিত কৰ্তৃত্ব প্ৰয়োগ কৰা হয়, তেন্তে সেই কৰ্তৃত্বক স্বয়ংক্ৰিয়ভাৱে আকৰ্ষণীয় ব্যক্তিত্বকেন্দ্ৰিক কৰ্তৃত্ব বুলি গণ্য কৰা হয়।

৮নং প্ৰশ্নৰ উত্তৰ ঃ সন্মতি, শক্তি, সহযোগিতা, সামাজিক আৰু মনোবৈজ্ঞানিক অনুমোদন।

৯নং প্ৰশ্নৰ উত্তৰ ঃ লেটিন

১০নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

১১নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰচলিত ৰাজনৈতিক অনুষ্ঠানবোৰেই সমাজৰ বাবে সবাতোকৈ উপযুক্ত বুলি বিশ্বাস সৃষ্টি কৰা আৰু এই বিশ্বাস বৰ্তাই ৰখাৰ সামৰ্থ্যই হ'ল বৈধতা।

১২নং প্ৰশ্নৰ উত্তৰ ঃ পৰম্পৰা, ব্যক্তিগত গুণ আৰু আইনসঙ্গততা।



১০.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ বৈধতা বুজোৱা ইংৰাজী শব্দ 'Legitimacy' শব্দটোৰ ক'ৰপৰা উৎপত্তি ঘটিছে আৰু ইয়াৰ অৰ্থ কি?

প্ৰশ্ন ২ ঃ এনচাইক্ল' পিডিয়া অব্ ছ'চিয়েল ছায়েন্সে আগবঢ়োৱা কৰ্তৃত্বৰ সংজ্ঞাটো উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ মনোবৈজ্ঞানিক ক্ষমতা বুলিলে কি বুজে?

খ) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ কৰ্তৃত্বৰ বৈশিষ্ট্যবোৰ চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ বৈধতাৰ প্ৰকাৰবোৰৰ বিষয়ে এটি চমুটোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৩ ঃ ক্ষমতাৰ উৎসবোৰৰ বিষয়ে লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ক্ষমতা, কৰ্তৃত্ব আৰু বৈধতাৰ মাজত থকা সম্পৰ্কৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ ক্ষমতা বুলিলে কি বুজে? ক্ষমতাৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ অধিকাৰ আৰু স্বতন্ত্ৰতাৰ ধাৰণা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ অধিকাৰৰ ধাৰণা
১১.৩.১ অধিকাৰৰ অর্থ
১১.৩.২ অধিকাৰৰ প্ৰকাৰসমূহ
১১.৪ স্বতন্ত্ৰতাৰ ধাৰণা
১১.৪.১ স্বতন্ত্ৰতাৰ অর্থ
১১.৪.২ স্বতন্ত্ৰতাৰ প্ৰকাৰসমূহ
১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৬ অধিক জানিবলৈ
১১.৭ অগ্ৰগতিৰ খতিয়ান
১১.৮ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অধিকাৰৰ সংজ্ঞা দাঙি ধৰিব পাৰিব
- অধিকাৰৰ বিভিন্ন প্ৰকাৰসমূহ ব্যাখ্যা কৰিব পাৰিব
- স্বতন্ত্ৰতাৰ ধাৰণাটো বর্ণনা কৰিব পাৰিব
- স্বতন্ত্ৰতাৰ বিভিন্ন প্ৰকাৰসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১১.২ পৰিচয়

আমি আমাৰ দৈনন্দিন জীৱনত প্ৰায়ে অধিকাৰ, স্বতন্ত্ৰতা আদি শব্দসমূহ ব্যৱহাৰ কৰোঁ। এই শব্দসমূহে ৰাজনীতি বিজ্ঞানৰ কিছুমান প্ৰধান ধাৰণাৰ বিষয়ে সূচায়। ৰাজনীতি বিজ্ঞানে ইয়াৰ জন্মলগ্নৰ পৰা যিবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি আছে এই ধাৰণাসমূহে সেই প্ৰশ্নসমূহৰেই উত্তৰ দিব বিচাৰে। অধিকাৰ আৰু স্বতন্ত্ৰতা— এই দুটা ধাৰণাক আধুনিক সমাজৰ প্ৰধান স্তম্ভ হিচাপে অভিহিত কৰিব পাৰি, যিয়ে সমাজ আৰু ব্যক্তিৰ মাজত এক সম্পর্ক স্থাপন কৰে ।

১১.৩ অধিকাৰৰ ধাৰণা

এই ভাগটিত আমি অধিকাৰৰ ধাৰণাৰ বিতংভাৱে আলোচনা কৰিম।

১১.৩.১ অধিকাৰৰ অর্থ



হেৰল্ড জোছেফ লাস্কি (জুন ৩০, ১৮৯৩-মার্চ ২৪, ১৯৫০) ঃ তেওঁ এজন ইংৰাজ ৰাজনৈতিক তত্ত্ববিদ আৰু অর্থনীতিবিদ আছিল। তেওঁ লণ্ডন স্কুল অফ্ ইকনমিক্ছত ৰাজনীতি বিজ্ঞানৰ অধ্যাপক আছিল।

সমাজৰ সদস্য হিচাপে প্ৰত্যেকজন ব্যক্তিয়ে কিছুমান অধিকাৰ ভোগ কৰে। এনে অধিকাৰ অবিহনে ব্যক্তি বিভিন্ন সুবিধাৰ পৰা বঞ্চিত হয়। ***লাস্কি***ৰ মতে, "ৰাষ্ট্ৰৰ দ্বাৰা স্বীকৃত অধিকাৰৰ মাধ্যমতেই ৰাষ্ট্ৰৰ স্বৰূপ উপলব্ধি কৰা যায়।" (Agarwal, R. C.: *Political Theory– Principles of Political Science*, S. Chand & Company Ltd., New Delhi, 2007, p.181)। তেওঁ আকৌ কৈছে যে, "অধিকাৰ হ'ল সমাজ জীৱনৰ সেইবোৰ অৱস্থা যিবোৰ নহ'লে সাধাৰণভাৱে মানুহে ব্যক্তিত্বৰ পূৰ্ণ বিকাশ সাধন কৰিব নোৱাৰে।" সংগঠিত সমাজ এখনত আমি সকলোৱে অধিকাৰ উপভোগ কৰোঁ। এই অধিকাৰসমূহ ভোগ কৰোঁতে আমি প্ৰত্যেকেই এইটো লক্ষ্য ৰাখিব লাগে যে সমাজৰ আন ব্যক্তিসকলেও তেওঁলোকৰ অধিকাৰসমূহ ভোগ কৰাৰ সুবিধা পায়। ই এইটোকে সূচায় যে অধিকাৰসমূহ উপভোগ কৰোঁতে আমি প্ৰত্যেকেই কিছুমান কর্তব্যও কৰি যাব লাগে। উদাহৰণ স্বৰূপে, ৰাস্তাত খোজ কাঢ়ি যাওঁতে আমি এনেভাৱে যাব লাগে যাতে আন আন ব্যক্তিয়েও সেই অধিকাৰ ভোগ কৰিব পাৰে। সেইবাবে প্ৰত্যেকটো অধিকাৰৰ লগতে একোটা কর্তব্য জড়িত হৈ আছে। সেয়েহে লাস্কিয়ে তেওঁৰ গ্ৰন্থ "গ্ৰামাৰ অফ পলিটিকছ" (Grammar of Politics)ত কৈছে যে, "যি কর্তব্য পালন নকৰে, তেওঁ অধিকাৰো ভোগ কৰিব নোৱাৰে, যেনেকৈ যিয়ে কাম নকৰে তেওঁ খাবলৈ নাপায়।"

বর্তমান সময়ত সকলো ৰাষ্ট্ৰই ইয়াৰ নাগৰিকসকলক কিছুমান অধিকাৰ প্ৰদান কৰে। ইয়াৰ লগতে ৰাষ্ট্ৰসমূহে এই অধিকাৰসমূহৰ ৰক্ষণাবেক্ষণ দিয়ে। ভাৰতৰ সংবিধানখনেও ভাৰতীয় নাগৰিকসকলক কিছুমান অধিকাৰ প্ৰদান কৰিছে। সংবিধানে প্ৰদান কৰা এই অধিকাৰসমূহৰ কিছুমানক মৌলিক অধিকাৰ বুলি কোৱা হয় আৰু এইবোৰে ব্যক্তিৰ সম্পূৰ্ণ ব্যক্তিত্ব ফুটাই তোলাত সহায় কৰে। নাগৰিকৰ এই অধিকাৰসমূহ সমাজলৈ কল্যাণ কঢ়িয়াই অনাৰো এটা চর্ত। সেয়েহে এই অধিকাৰসমূহ ব্যক্তিৰ পূৰ্ণ বিকাশৰ বাবে আৰু এখন সুন্দৰ সমাজ গঢ়াৰ বাবে অতি প্ৰয়োজনীয়।

ব্যক্তি হিচাপে আমি যিবোৰ অধিকাৰ উপভোগ কৰোঁ, সেই অধিকাৰসমূহৰ কিছুমান বৈশিষ্ট্য আছে। এতিয়া আমি এই বৈশিষ্ট্যসমূহ জানো আহক—

- নাগৰিকৰ অধিকাৰসমূহৰ এটা প্ৰধান উদ্দেশ্য হ'ল সামাজিক প্ৰয়োজনসমূহ পূৰণ কৰা।
- অধিকাৰসমূহ আইনৰ দ্বাৰা স্বীকৃত আৰু ৰাষ্ট্ৰ কর্তৃপক্ষই এই অধিকাৰসমূহ প্ৰদান কৰে।
- এই অধিকাৰসমূহ চৰম (Absolute) নহয়। কিছুমান বিশেষ পৰিস্থিতিত ৰাষ্ট্ৰৰ কর্তৃপক্ষই নাগৰিকৰ এই অধিকাৰসমূহ উপভোগ কৰাত বাধা প্ৰদান কৰিব পাৰে।
- প্ৰত্যেকটো অধিকাৰৰ সৈতে একোটা কর্তব্য জড়িত হৈ থাকে।

১১.৩.২ অধিকাৰৰ প্ৰকাৰসমূহ

সমাজত বিভিন্ন ধৰণৰ অধিকাৰ আছে, এই অধিকাৰসমূহৰ শ্ৰেণী বিভাজন তলত দিয়া ধৰণে কৰিব পাৰি—

- প্ৰাকৃতিক অধিকাৰ।
- নৈতিক অধিকাৰ।
- আইনগত অধিকাৰ।
  - ক) পৌৰ অধিকাৰ
  - খ) ৰাজনৈতিক অধিকাৰ
  - গ) অৰ্থনৈতিক অধিকাৰ

- **প্ৰাকৃতিক অধিকাৰ ঃ** প্ৰাকৃতিক অধিকাৰে প্ৰকৃতি প্ৰদত্ত অধিকাৰসমূহকে সূচায়। সেয়েহে এই অধিকাৰসমূহ চৰম আৰু প্ৰতিজন ব্যক্তিয়ে ইয়াক উপভোগ কৰিব পাৰে। জীৱনৰ অধিকাৰ, স্বতন্ত্ৰতাৰ অধিকাৰ, ব্যক্তিগত বিচাৰৰ অধিকাৰ ইত্যাদি প্ৰাকৃতিক অধিকাৰৰ অন্তৰ্ভুক্ত। বৃটিছ দাৰ্শনিক জন ল'ক আৰু বৃটিছ-আমেৰিকান ৰাজনৈতিক দাৰ্শনিক থমাছ পাইনে প্ৰাকৃতিক অধিকাৰৰ মুখ্য পৃষ্ঠপোষক বুলি কব পাৰি। ল'কৰ মতে প্ৰত্যেকজন ব্যক্তি জন্মগতভাৱে মুক্ত আৰু যুক্তিসংগত। সেয়েহে তেওঁলোকক আনৰ নিৰ্দেশ মানি চলাৰ বাবে বাধ্য কৰিব নোৱাৰি। বৃটিছ দাৰ্শনিক হ'বচ আৰু ল'কে বিশ্বাস কৰে যে প্ৰাকৃতিক অধিকাৰসমূহ ব্যক্তিসকলে প্ৰাকৃতিক পৰিবেশত উপভোগ কৰে। ৰুছোই এই অধিকাৰসমূহক প্ৰাকৃতিক অধিকাৰ বুলি আখ্যা দিব খোজে যিহেতু ৰাষ্ট্ৰৰ জন্মৰ আগৰে পৰা জনসাধাৰণে অধিকাৰসমূহ উপভোগ কৰি আহিছে। প্ৰাকৃতিক অধিকাৰসমূহ যথেষ্ট গুৰুত্বপূৰ্ণ আৰু আধুনিক ৰাষ্ট্ৰসমূহে এই অধিকাৰবোৰ প্ৰদান কৰা উচিত।
- **নৈতিক অধিকাৰ ঃ** এই অধিকাৰসমূহ ব্যক্তিৰ নৈতিকতা আৰু মূল্যবোধৰ ওপৰত আধাৰিত। এইখিনিতে মনত ৰখা উচিত যে কোনো এটা নৈতিক অধিকাৰ সেই দেশৰ আইনৰ দ্বাৰা স্বীকৃত নহ'বও পাৰে। এই অধিকাৰসমূহ সমাজৰ দ্বাৰা স্বীকৃত। নৈতিক অধিকাৰসমূহ বিশ্বাস, পৰম্পৰা ইত্যাদিৰ ওপৰত আধাৰিত আৰু জনমতৰ দ্বাৰা পৰিচালিত। সেইবাবে কোনো এখন ৰাষ্ট্ৰই সাধাৰণতে সমাজৰ দ্বাৰা স্বীকৃত নৈতিক অধিকাৰসমূহ অৱমাননা কৰিব নোৱাৰে।
- **আইনগত অধিকাৰ ঃ** আইনগত অধিকাৰসমূহ ৰাষ্ট্ৰৰ দ্বাৰা স্বীকৃত আৰু পৰিচালিত। সাধাৰণতে আৰক্ষী আৰু ন্যায়ালয়ে এই অধিকাৰসমূহৰ ৰক্ষণাবেক্ষণ দিয়ে। এই অধিকাৰসমূহ সকলোৰে বাবে সমান আৰু জাতি, ধৰ্ম, বৰ্ণ বা সংস্কৃতি নিৰ্বিশেষে সকলোৱে ইয়াক উপভোগ কৰিব পাৰে। আইনগত অধিকাৰসমূহে কেতিয়াবা প্ৰাকৃতিক অধিকাৰসমূহৰ বিৰোধিতাও কৰে। এই আইনগত অধিকাৰসমূহক ঘাইকৈ তিনি ভাগত ভগাব পাৰি— পৌৰ অধিকাৰ, ৰাজনৈতিক অধিকাৰ আৰু অৰ্থনৈতিক অধিকাৰ।



জানি থোৱা ভাল

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত ১৯৪৮ চনত গ্ৰহণ কৰা মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ দ্বাৰা পৃথিৱীৰ সকলো ব্যক্তিৰে অধিকাৰক স্বীকৃতি দিয়া হৈছে। এই ঘোষণা অনুসৰি প্ৰতিজন ব্যক্তিয়ে কিছুমান অধিকাৰ ভোগ কৰে আৰু এই অধিকাৰবোৰ নিজৰ নিজৰ ৰাষ্ট্ৰসমূহে প্ৰদান কৰে। এই ঘোষণাৰ ১নং অনুচ্ছেদ অনুসৰি প্ৰত্যেকজন ব্যক্তিয়ে জন্মগতভাৱে মুক্ত আৰু সমাজত সমান অধিকাৰ পোৱা উচিত।

ক) *পৌৰ অধিকাৰ ঃ* এই অধিকাৰসমূহ প্ৰতিজন ব্যক্তিৰ বাবে গুৰুত্বপূৰ্ণ আৰু প্ৰতিখন আধুনিক ৰাষ্ট্ৰই ইয়াৰ নাগৰিকসকলক এই অধিকাৰসমূহ প্ৰদান কৰা উচিত। এই অধিকাৰসমূহ ব্যক্তিৰ জীৱন আৰু সম্পত্তিৰ অধিকাৰৰ সৈতে জড়িত। সেয়েহে এইটো ক'ব পৰা যায় যে পৌৰ অধিকাৰসমূহ ব্যক্তিৰ আন আন অধিকাৰসমূহ উপভোগ কৰাৰ চাবিকাঠি। পৌৰ অধিকাৰসমূহৰ ভিতৰত জীৱনৰ অধিকাৰটো অতি গুৰুত্বপূৰ্ণ যিয়ে প্ৰতিজন ব্যক্তিক সকলো দিশৰে পৰা জীৱনৰ সুৰক্ষা প্ৰদান কৰে। ব্যক্তিগত অধিকাৰসমূহৰ ভিতৰত আত্মৰক্ষাৰ অধিকাৰ, চিন্তা আৰু মতামতৰ অধিকাৰ, ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ, পৰিয়ালৰ অধিকাৰ ইত্যাদি উল্লেখযোগ্য।

ওপৰত উল্লেখ কৰাৰ দৰে ব্যক্তিগত অধিকাৰসমূহে নাগৰিকৰ বিভিন্ন অধিকাৰ সাঙুৰি লয়। নাগৰিক হিচাপে প্ৰত্যেকজন ব্যক্তিয়ে নিজৰ উপাৰ্জন নিজৰ লগত ৰখাৰ অধিকাৰ আছে। ভাৰতীয় নাগৰিক হিচাপে আমাৰ বাৰু সম্পত্তিৰ অধিকাৰ আছেনে ? ভাৰতত সম্পত্তিৰ অধিকাৰক প্ৰথমতে মৌলিক অধিকাৰ হিচাপে গণ্য কৰা হৈছিল কিন্তু পিছত সংবিধানৰ ৪৪ তম সংশোধনীৰ দ্বাৰা ইয়াক মৌলিক অধিকাৰ তালিকাৰ পৰা উঠাই দিয়া হ'ল। ইয়াৰ পিছৰে পৰা সম্পত্তিৰ অধিকাৰক ভাৰতীয় সংবিধানত আইনগত অধিকাৰৰ স্থান দিছে। আধুনিক ৰাষ্ট্ৰসমূহে এই অধিকাৰসমূহক ব্যক্তি আৰু আন বিভিন্ন সংগঠনৰ হস্তক্ষেপৰ পৰা ৰক্ষণাবেক্ষণ দিয়ে।

খ) *ৰাজনৈতিক অধিকাৰ ঃ* ৰাজনৈতিক অধিকাৰৰ দ্বাৰা জনসাধাৰণে দেশৰ ৰাজনৈতিক কাৰ্যাৱলীত অংশ গ্ৰহণ কৰাৰ বাবে সুবিধা পায়। আপুনি বাৰু ৰাজনৈতিক অধিকাৰ উপভোগ কৰেনে ? আপোনাৰ বাৰু ভোটদানৰ অধিকাৰ আছেনে ? যদি আছে আপুনি ৰাজনৈতিক অধিকাৰ উপভোগ কৰিব পাৰে। এই অধিকাৰ প্ৰয়োগ কৰি আমি আমাৰ প্ৰতিনিধিসকলক নিৰ্বাচন কৰিব পাৰোঁ।

ভোটদানৰ অধিকাৰৰ বাহিৰেও নাগৰিকসকলৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰো অধিকাৰ আছে। ৰাষ্ট্ৰৰ নাগৰিকসকলে কেন্দ্ৰীয়, ৰাজ্যিক বিধানসভা আৰু স্থানীয় প্ৰশাসনৰ বাবে প্ৰতিনিধি নিৰ্বাচন কৰিব পাৰে। এই অধিকাৰ প্ৰয়োগ কৰি ভাৰতীয় নাগৰিকসকলে ৰাষ্ট্ৰপতি বা প্ৰধান মন্ত্ৰী বা মন্ত্ৰীপৰিষদৰ আন মন্ত্ৰীসকলক নিৰ্বাচন কৰে।

এইবোৰ ৰাজনৈতিক অধিকাৰৰ উপৰিও নাগৰিকসকলে ৰাষ্ট্ৰৰ বিৰোধিতা কৰাৰ অধিকাৰো উপভোগ কৰে। তেওঁলোকে আবেদন কৰাৰ অধিকাৰ উপভোগ কৰে। এই অধিকাৰৰ বলত নাগৰিকসকলে চৰকাৰৰ ওচৰত নিজৰ দাবী সম্পৰ্কীয় প্ৰস্তাৱ পেচ কৰিব পাৰে। আন এটা প্ৰয়োজনীয় অধিকাৰ হ'ল চৰকাৰক সমালোচনা কৰাৰ অধিকাৰ। আমি সঘনাই দেখো সাধাৰণ নাগৰিকসকলেও ৰাষ্ট্ৰৰ ক্ষমতাশালী চৰকাৰখনক সমালোচনা কৰে। গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনত নাগৰিকৰ এই অধিকাৰ অতি গুৰুত্বপূৰ্ণ। এই অধিকাৰটোৱে চৰকাৰখনৰ কাম-কাজৰ ওপৰত নাগৰিকসকলে চকু ৰখাত সহায় কৰে। ইয়াত এইটো উল্লেখনীয় যে একনায়কত্ববাদী চৰকাৰৰ অধীনত ৰাষ্ট্ৰৰ সমালোচনা কৰাৰ অধিকাৰ নাগৰিকসকলে উপভোগ কৰিব নোৱাৰে।

গ) *অৰ্থনৈতিক অধিকাৰ ঃ* আধুনিক সমাজত অৰ্থনৈতিক অধিকাৰসমূহ অতি গুৰুত্বপূৰ্ণ আৰু ইয়াৰ অবিহনে নাগৰিকৰ ৰাজনৈতিক আৰু ব্যক্তিগত অধিকাৰ অৰ্থহীন হৈ পৰে। এই অধিকাৰসমূহক প্ৰধানকৈ তিনিটা ভাগত ভগাব পাৰি— কাম কৰাৰ অধিকাৰ, উপযুক্ত মজুৰিৰ অধিকাৰ, কোনো এক নিৰ্দিষ্ট সময়ৰ বাবে কাম কৰাৰ অধিকাৰ। এইখিনিতে এইটো মনত ৰাখিবলগীয়া যে কাম কৰাৰ অধিকাৰ বুলিলে এজন ব্যক্তিয়ে ভাল পোৱা যিকোনো কাম কৰাৰ অধিকাৰৰ কথা নুবুজায়। এই অধিকাৰৰ দ্বাৰা ব্যক্তিয়ে সমাজৰ প্ৰয়োজনীয় যিকোনো বস্তুৰ উৎপাদন প্ৰক্ৰিয়াত ভাগ লোৱাৰ অধিকাৰকে সূচায়। আকৌ উপযুক্ত মজুৰিৰ অধিকাৰৰ দ্বাৰা সম মজুৰিৰ অধিকাৰৰ কথা কোৱা হোৱা নাই। ইয়াৰ দ্বাৰা ইয়াকে বুজোৱা হৈছে যে প্ৰত্যেক ব্যক্তিয়ে তেওঁৰ কৰ্মৰ বাবে উপযুক্ত মজুৰি পোৱা উচিত যাৰ দ্বাৰা তেওঁ পৰিয়ালৰ পোহপালৰ দায়িত্ব লব পাৰে। নিৰ্দিষ্ট সময়ৰ বাবে কাম কৰাৰ অধিকাৰৰ দ্বাৰা বিশ্ৰামৰ অধিকাৰকে বুজোৱা হৈছে। এই অধিকাৰে ইয়াকে সূচায় যে কোনো এজন ব্যক্তিৰ বাবে একেটা পৰিৱেশতে একেৰাহে বহুত দেৰি কাম কৰি থকাটো অতি জটিল।



চিন্তা-চৰ্চা কৰক ১১.১

ভাৰতীয় নাগৰিকৰ ব্যক্তিগত বা পৌৰ অধিকাৰৰ এখন তালিকা যুগুত কৰক। (৫টাতকৈ অধিক)

.....

.....

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ এই কথাষাৰ কোনে কৈছিল— "ৰাষ্ট্ৰৰ দ্বাৰা স্বীকৃত অধিকাৰৰ মাধ্যমতেই ৰাষ্ট্ৰৰ স্বৰূপ উপলব্ধি কৰা যায়।"

.....

প্ৰশ্ন নং ২ ঃ ব্যক্তিগত বা পৌৰ অধিকাৰ এটা আইনগত অধিকাৰ। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৩ ঃ জীৱনৰ অধিকাৰ হ'ল এক ..... অধিকাৰ। (খালী ঠাই পূৰণ কৰক)

.....

প্ৰশ্ন নং ৪ ঃ "গ্ৰামাৰ অফ পলিটিকচ" গ্ৰন্থখনৰ লেখক কোন?

.....

প্ৰশ্ন নং ৫ ঃ অৰ্থনৈতিক অধিকাৰৰ বিষয়ে এটি চমুটোকা লিখক।

.....

.....

.....

.....

.....

.....

.....

.....

.....

.....

১১.৪ স্বতন্ত্ৰতাৰ ধাৰণা

এই ভাগটিত আমি স্বতন্ত্ৰতাৰ ধাৰণাৰ বিতংভাৱে আলোচনা কৰিম।

১১.৪.১ স্বতন্ত্ৰতাৰ অৰ্থ

স্বতন্ত্ৰতাৰ ধাৰণাটো ৰাজনীতি বিজ্ঞানৰ অতি গুৰুত্বপূৰ্ণ বিষয়। স্বতন্ত্ৰতাক ইংৰাজীত Liberty বুলি কোৱা হয়। এই Liberty শব্দটো লেটিন শব্দ লিবাৰ (Liber)ৰ পৰা লোৱা হৈছে, যাৰ অৰ্থ হৈছে মুক্ত অৱস্থা বা স্বাধীনতা। সেয়েহে স্বতন্ত্ৰতা (Liberty) বুলি ক'লে সমাজত মুক্ত আৰু স্বাধীনভাৱে জীয়াই থকাকে বুজায়। ব্যক্তি হিচাপে সমাজত জীয়াই থাকিবৰ বাবে আমাক সকলোকে কিছু পৰিমাণৰ স্বাধীনতাৰ প্ৰয়োজন। সেইবাবে স্বতন্ত্ৰতাক কেৱল দাৰ্শনিক বা আইনগত তত্ত্ব বুলিব নোৱাৰি, বৰং প্ৰতিজন ব্যক্তিৰে এইটো হ'ল মৌলিক প্ৰয়োজন।

স্বতন্ত্ৰতাৰ এই ধাৰণাটোৰ সংজ্ঞা বিভিন্ন ৰাজনৈতিক তত্ত্ববিদে বিভিন্ন ধৰণে আগবঢ়াইছে। সেয়েহে আমেৰিকাৰ পণ্ডিত গিলখ্ৰীষ্টে কৈছে যে সকলোৰে স্বতন্ত্ৰতা সম্পৰ্কে এটা অস্পষ্ট ধাৰণা থাকে আৰু থাকে স্বতন্ত্ৰতাৰ প্ৰতি এটা আগ্ৰহ। কিন্তু এই শব্দটো ব্যৱহাৰ কৰা দহজন ব্যক্তিৰ দুজনৰ মাজতো মত পাৰ্থক্য ঘটা পৰিলক্ষিত হ'ব। অৰ্থাৎ দুয়োজনে স্বতন্ত্ৰতাৰ বিষয়ে আগবঢ়োৱা মত বেলেগ বেলেগ হ'ব আৰু পৰস্পৰে পৰস্পৰৰ মত বুজি নাপাব।

বৃটিছ পণ্ডিত জি. ডি. এইছ. কোল (G. D. H. Cole)ৰ মতে স্বতন্ত্ৰতা হ'ল এনেকুৱা এটা মুক্ত অৱস্থা য'ত কোনো ব্যক্তিয়ে কোনো বাহ্যিক বাধাৰ সন্মুখীন নোহোৱাকৈ নিজৰ ব্যক্তিত্ব ফুটাই তুলিব পাৰে। লাস্কিৰ মতে আধুনিক সভ্যতাত ব্যক্তিৰ সুখ আৰু আনন্দৰ বাবে সামাজিক বাতাবৰণ বাহাল ৰখা আৰু বিভিন্ন বাধাৰ পৰা বিৰত থকাটোকে বুজায়। গতিকে স্বতন্ত্ৰতাই কোনো ধৰণৰ বাধাৰ অনুপস্থিতি আৰু নিজৰ ইচ্ছা অনুসৰি কাম কৰাৰ স্বাধীনতাক বুজায়। কিন্তু সম্পূৰ্ণ বাধামুক্ত স্বতন্ত্ৰতা সম্ভৱপৰ নহয়। এজন ব্যক্তিয়ে সমাজৰ অন্য সদস্যসকলৰ স্বাৰ্থ হানি নকৰাকৈ নিজৰ ব্যক্তিত্ব বিকশাই তুলিব পৰালৈকেহে স্বতন্ত্ৰতা উপভোগ কৰিব পাৰে।

এইখিনিতে মন কৰিবলগীয়া যে স্বতন্ত্ৰতাৰ বৰ্তমানৰ ধাৰণাটো পুৰণি কালত পোৱা নগৈছিল। স্বতন্ত্ৰতাৰ ধাৰণাটো বিভিন্ন সময়ত বিৱৰ্তনৰ মাজেৰে আহি বৰ্তমান ৰূপটো লৈছেহি। গ্ৰীক দাৰ্শনিক প্লেটোৱে কোনো ব্যক্তিৰ ৰাষ্ট্ৰৰ বিৰুদ্ধাচৰণ কৰা স্বতন্ত্ৰতাক মানি লোৱা নাই। আত্মাৰ মুক্তিৰ বাবে বিখ্যাত মধ্যযুগত স্বতন্ত্ৰতাৰ আধুনিক ধাৰণাটো পোৱা নগৈছিল।

ৰাজনৈতিক তত্ত্বৰ ইতিহাসত নৱজাগৰণে এটা নতুন অধ্যায়ৰ সূচনা কৰিলে। ***নৱজাগৰণৰ*** (Renaissance) পিছতে স্বতন্ত্ৰতাক বহুমুখীয়া বুলি কোৱা হয়। যেনে—



নৱজাগৰণ (Renaissance) ঃচতুৰ্দশ শতাব্দীৰ পৰা সপ্তদশ শতাব্দীলৈ বিস্তৃত এটা সাংস্কৃতিক আন্দোলন। এই আন্দোলন আৰম্ভ হয় ইটালীত আৰু পৰৱৰ্তী কালত ই ইউৰোপলৈ প্ৰসাৰিত হয়। এই সাংস্কৃতিক আন্দোলনৰ ফলত কলা আৰু সাহিত্যৰ পুনৰুত্থান হোৱাৰ লগতে আধুনিক বিজ্ঞানৰ শুভাৰম্ভ হয়।

ধার্মিক আৰু ৰাজনৈতিক স্বতন্ত্ৰতা। এইখিনি সময়তে এইটো বিশ্বাস কৰা হয় যে স্বতন্ত্ৰতা হ'ল বাধাৰ অভাৱ। এনে বিশ্বাসৰ ফলত স্বতন্ত্ৰতাৰ ঋণাত্মক ধাৰণাৰ জন্ম হয়।



জানি থোৱা ভাল

স্বতন্ত্ৰতাক সাধাৰণতে দুটা ভাগত ভগাব পাৰি— ধনাত্মক আৰু ঋণাত্মক স্বতন্ত্ৰতা। ঋণাত্মক স্বতন্ত্ৰতাই ৰাষ্ট্ৰৰ দ্বাৰা কোনো বাধা প্ৰদান নকৰাটোকে বুজায়। এনেধৰণৰ স্বতন্ত্ৰতাই ৰাষ্ট্ৰক স্বতন্ত্ৰতাৰ শত্ৰু বুলি গণ্য কৰে। আনহাতে, ধনাত্মক স্বতন্ত্ৰতাই ৰাষ্ট্ৰই নাগৰিকসকলৰ স্বতন্ত্ৰতা উপভোগ কৰিবৰ বাবে সহায় কৰাটোকে বুজায়।

স্বতন্ত্ৰতা সম্পৰ্কে বৃটিছ পণ্ডিত জে. এছ. মিল (J. S. Mill)ৰ ধাৰণাটো অতি গুৰুত্বপূৰ্ণ। মিলৰ মতে মানুহৰ কার্য্যসমূহ প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি— নিজৰ লগত জড়িত (Self-Regarding) আৰু আনৰ লগত জড়িত (Others-Regarding)। ব্যক্তিসকল নিজৰ লগত জড়িত কার্য্য কৰাৰ বাবে মুক্ত কিন্তু আনৰ লগত জড়িত কার্য্যসমূহৰ ক্ষেত্ৰত ৰাষ্ট্ৰই তেওঁলোকৰ ওপৰত নিয়ন্ত্ৰণ প্ৰয়োগ কৰিব পাৰে। মিলে বিশ্বাস কৰে যে "নিজৰ শৰীৰ আৰু মনৰ ওপৰত প্ৰত্যেকজন ব্যক্তিয়ে সার্বভৌম ক্ষমতা প্ৰয়োগ কৰিব পাৰে।"

লাস্কিয়ে বিশ্বাস কৰে যে স্বাধীনতা আৰু অধিকাৰৰ মাজত এটা নিকট সম্পৰ্ক আছে। লাস্কিৰ মতে স্বতন্ত্ৰতা বুলিলে কেৱল বাধাৰ অভাৱকে নুবুজায়। তেওঁ আকৌ কৈছে যে স্বতন্ত্ৰতা প্ৰধানকৈ তিনি ভাগত ভগাব পাৰি— ব্যক্তিগত, ৰাজনৈতিক আৰু অর্থনৈতিক স্বতন্ত্ৰতা। ব্যক্তিগত স্বতন্ত্ৰতাৰ দ্বাৰা কোনো এক ব্যক্তিৰ জীৱনত প্ৰভাৱ পেলোৱা দিশসমূহকে বুজা যায়। ৰাজনৈতিক স্বাধীনতা বা স্বতন্ত্ৰতাই ৰাষ্ট্ৰৰ ক্ৰিয়া কলাপত অংশগ্ৰহণ কৰাৰ ক্ষমতাক সূচায়। আনহাতে অর্থনৈতিক স্বাধীনতাৰ দ্বাৰা কোনো এজন ব্যক্তিয়ে অর্থনৈতিক দিশত স্বাৱলম্বী হোৱাটোকে বুজোৱা হৈছে।

১১.৪.২ অধিকাৰৰ প্ৰকাৰসমূহ

স্বতন্ত্ৰতাক তলত উল্লেখ কৰা ধৰণে বিভক্ত কৰিব পাৰি—

- **প্ৰাকৃতিক স্বতন্ত্ৰতা ঃ** এই স্বতন্ত্ৰতাৰ দ্বাৰা ইয়াকে বুজোৱা হয় যে প্ৰাকৃতিকভাৱে প্ৰতিজন ব্যক্তিয়ে মুক্ত বা স্বাধীন। কিন্তু সভ্যতাৰ অগ্ৰগতিৰ লগে লগে মানুহে শৃঙ্খলাবদ্ধ জীৱন-যাপন কৰাৰ অর্থে নিজকে কিছুমান নিয়মৰ অধীন কৰি লৈছে। প্ৰাকৃতিক স্বতন্ত্ৰতাৰ এজন প্ৰধান পৃষ্ঠপোষক হ'ল ৰুছো। তেওঁৰ মতে প্ৰতিজন ব্যক্তিয়ে জন্মসূত্ৰে মুক্ত বা স্বাধীন, কিন্তু তেওঁ সকলোতে শঙ্খলা বা নিয়মৰ মাজত সোমাই পৰে। এইদৰে প্ৰাকৃতিক স্বতন্ত্ৰতাই ব্যক্তিসকলে প্ৰাকৃতিক অৱস্থাত পোৱা স্বাধীনতা বা স্বতন্ত্ৰতাক বুজায়।

- **ব্যক্তিগত স্বতন্ত্ৰতা ঃ**প্ৰতিজন ব্যক্তিয়ে ব্যক্তি হিচাপে সমাজত কিছু পৰিমাণৰ স্বতন্ত্ৰতা উপভোগ কৰিব বিচাৰে। মিল (Mill) এই স্বতন্ত্ৰতাৰ এজন প্ৰধান পৃষ্ঠপোষক আৰু তেওঁ বিশ্বাস কৰে যে কোনো ব্যক্তিয়ে আনক ক্ষতি নকৰাকৈ নিজৰ জীৱনত নিজে ভালপোৱা যিকোনো কাম কৰিব পাৰে। মিলৰ দৰে ৰুছোৱেও ব্যক্তিগত স্বতন্ত্ৰতাক সমৰ্থন কৰিছিল। তেওঁ কৈছিল যে স্বতন্ত্ৰতাত বাধা প্ৰদান কৰিলে কোনো ব্যক্তিক ব্যক্তি হিচাপে জীয়াই থকাত বাধা প্ৰদান কৰা আৰু লগতে তেওঁৰ অধিকাৰ আৰু কৰ্তব্যত বাধা প্ৰদান কৰা বুজায়।
- **ৰাষ্ট্ৰীয় স্বতন্ত্ৰতা ঃ** ইয়াৰ দ্বাৰা কোনো দেশক আন দেশৰ তলতীয়া নোহোৱা অৱস্থা এটা বুজোৱা হয় যি অৱস্থাত সকলোৱে আন আন ধৰণৰ স্বতন্ত্ৰতা উপভোগ কৰিব পাৰে। সেয়েহে ব্যক্তিৰ স্বতন্ত্ৰতাক ৰাষ্ট্ৰীয় স্বতন্ত্ৰতাৰ সৈতেও জড়িত কৰিব পাৰি।
- **সাংবিধানিক স্বতন্ত্ৰতা ঃ** স্বতন্ত্ৰতাই গণতন্ত্ৰ বা জনপ্ৰিয় চৰকাৰ প্ৰতিষ্ঠা কৰাৰ কথাও সূচায়। এই অৰ্থত স্বতন্ত্ৰতাই জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত চৰকাৰক বুজাই যি চৰকাৰ জনসাধাৰণৰ ওচৰত দায়ৱদ্ধ। এই প্ৰকাৰৰ স্বতন্ত্ৰতাক কোৱা হয় "সাংবিধানিক স্বতন্ত্ৰতা"।
- **পৌৰ স্বতন্ত্ৰতা ঃ** পৌৰ স্বতন্ত্ৰতাই সামাজিক জীৱনত মানুহৰ ব্যক্তিগত স্বতন্ত্ৰতাৰ কথা সূচায়। গতিকে ইয়াৰ পৰিসৰ ব্যাপক যিহেতু ই ৰাষ্ট্ৰই প্ৰদান কৰা বিভিন্ন অধিকাৰ আৰু সুযোগ-সুবিধা, যেনে— ব্যক্তি স্বাধীনতা, আইনৰ দৃষ্টিত সমতা, ব্যক্তিগত সম্পত্তিৰ সুৰক্ষা, মত প্ৰকাশৰ স্বাধীনতা আৰু বিচাৰ-বিবেচনাৰ স্বাধীনতাৰ কথা বুজায়। পৌৰ স্বতন্ত্ৰতাই সমাজত বাস কৰা ব্যক্তিসকলৰ অধিকাৰ সুৰক্ষিত কৰে।
- **ৰাজনৈতিক স্বতন্ত্ৰতা ঃ** ৰাজনৈতিক স্বতন্ত্ৰতাই ব্যক্তিসকলক ৰাষ্ট্ৰৰ প্ৰশাসনিক কাম-কাজত অংশগ্ৰহণ কৰিবলৈ সুযোগ প্ৰদান কৰে। গতিকে ভোটদানৰ অধিকাৰ, বিধান মণ্ডললৈ নিৰ্বাচিত হোৱাৰ অধিকাৰ আৰু চৰকাৰী পদ লাভৰ অধিকাৰ ৰাজনৈতিক স্বতন্ত্ৰতাৰ অন্তৰ্গত।
- **অৰ্থনৈতিক স্বতন্ত্ৰতা ঃ** অৰ্থনৈতিক স্বতন্ত্ৰতাই কৰ্মচাৰীসকলৰ ন্যায়সংগত পুৰস্কাৰ বা মজুৰি সুনিশ্চিত কৰে। তদুপৰি জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে প্ৰত্যেকজন ব্যক্তিয়ে সৎ উপায়েৰে জীৱিকা উপাৰ্জন কৰিব পাৰে। ব্যক্তিয়ে উপভোগ কৰা এই স্বতন্ত্ৰতাই অৰ্থনৈতিক বৈষম্য দূৰ কৰাত গুৰুত্ব আৰোপ কৰে।
- **নৈতিক স্বতন্ত্ৰতা ঃ** ওপৰত উল্লেখ কৰি অহা স্বতন্ত্ৰতাসমূহ অৰ্থহীন হ'ব যদিহে ব্যক্তিৰ নৈতিক স্বতন্ত্ৰতা নাথাকে, কাৰণ নৈতিক স্বতন্ত্ৰতাই এজন ব্যক্তিক বিবেকসম্পন্ন মনোভাৱেৰে কাম কৰিবলৈ উদগনি যোগায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ 'লিবার্টি' (Liberty) শব্দটো লিবাৰ (Liber) শব্দৰ পৰা আহিছে। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৭ ঃ "নিজৰ শৰীৰ আৰু মনৰ ওপৰত প্ৰত্যেকজন ব্যক্তিয়ে সাৰ্বভৌম ক্ষমতা প্ৰয়োগ কৰিব পাৰে।" —এই উক্তিটো কাৰ?

.....

প্ৰশ্ন নং ৮ ঃ দুই প্ৰকাৰ স্বতন্ত্ৰতাৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৯ ঃ ব্যক্তিগত স্বতন্ত্ৰতাৰ এগৰাকী প্ৰবক্তাৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ১০ ঃ পৌৰ স্বতন্ত্ৰতাৰ বিষয়ে সংক্ষেপে লিখক।

.....

.....

.....

.....

.....



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ব্যক্তিৰ হাতত থকা অধিকাৰে সমাজত ব্যক্তিৰ প্ৰাথমিক প্ৰয়োজনসমূহ পূৰণ কৰে। আমি আমাৰ অধিকাৰসমূহ উপভোগ কৰোঁতে এইটো মনত ৰাখিব লাগিব যাতে আমাৰ নিচিনাকৈ সমাজত বাস কৰা অন্যান্য ব্যক্তিসকলেও তেওঁলোকৰ অধিকাৰসমূহ ভালদৰে উপভোগ কৰিব পাৰিছে। লগতে এই কথাটোৱে এই দিশটোৰ প্ৰতিও আঙুলিয়াই যে আমি আমাৰ অধিকাৰসমূহ উপভোগ কৰাৰ লগতে আমি সমাজৰ প্ৰতি থকা আমাৰ দায়িত্বও সুচাৰুৰূপে পালন কৰিব লাগে।
- অধিকাৰসমূহক ক্ৰমে প্ৰাকৃতিক অধিকাৰ, নৈতিক অধিকাৰ আৰু আইনগত অধিকাৰ —এইদৰে ভাগ কৰিব পাৰি। আইনগত অধিকাৰসমূহক আকৌ ব্যক্তিগত বা পৌৰ অধিকাৰ, ৰাজনৈতিক অধিকাৰ আৰু অৰ্থনৈতিক অধিকাৰ —এইদৰে ভাগ কৰিব পাৰি।
- সাধাৰণতে স্বতন্ত্ৰতা বুলিলে বন্ধনৰহিত অৱস্থাৰ কথা বুজায়। লগতে ই এজন ব্যক্তিয়ে যি কৰিব খোজে তাক মুক্তভাৱে কৰিব পৰা অৱস্থাটোৰ কথা সূচায়। অৱশ্যে এজন ব্যক্তিয়ে

সেইটো সীমালৈকেহে স্বতন্ত্ৰতা উপভোগ কৰিব পাৰিব যাতে তেওঁ সমাজত অন্যান্য সদস্যৰ স্বাৰ্থত আঘাত নকৰাকৈ পূৰ্ণ ৰূপত নিজৰ ব্যক্তিত্বৰ বিকাশ ঘটাব পাৰে।

- স্বতন্ত্ৰতাক ক্ৰমে প্ৰাকৃতিক স্বতন্ত্ৰতা, ব্যক্তিগত স্বতন্ত্ৰতা, ৰাষ্ট্ৰীয় স্বতন্ত্ৰতা, সাংবিধানিক স্বতন্ত্ৰতা, নাগৰিক স্বতন্ত্ৰতা,ৰাজনৈতিক স্বতন্ত্ৰতা, অৰ্থনৈতিক স্বতন্ত্ৰতা আৰু নৈতিক স্বতন্ত্ৰতা— এইদৰে ভাগ কৰিব পাৰি।



১১.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*; গুৱাহাটী ঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; যোৰহাট ঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰৱৰ্তী, আদ্যনাথ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Agarwal, R. C. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

2) Asirvatham, E. & Misra, K. K. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

3) Kapur, A. C. (2006): *Principles of Political Science*; New Delhi: S. Chands & Company Ltd.

4) Mahajan, V. D. (2008): *Political Theory*; New Delhi: S. Chands & Company Ltd.



১১.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ হেৰল্ড লাস্কি

২নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৩নং প্ৰশ্নৰ উত্তৰ ঃ পৌৰ

৪নং প্ৰশ্নৰ উত্তৰ ঃ লাস্কি

৫নং প্ৰশ্নৰ উত্তৰ ঃ আধুনিক সমাজত অৰ্থনৈতিক অধিকাৰসমূহ অতি গুৰুত্বপূৰ্ণ আৰু ইয়াৰ অবিহনে নাগৰিকৰ ৰাজনৈতিক আৰু ব্যক্তিগত অধিকাৰ অৰ্থহীন হৈ পৰে। এই অধিকাৰসমূহক প্ৰধানকৈ তিনিটা ভাগত ভগাব পাৰি— কাম কৰাৰ অধিকাৰ, উপযুক্ত মজুৰিৰ অধিকাৰ, কোনো এক নিৰ্দিষ্ট সময়ৰ বাবে কাম কৰাৰ অধিকাৰ। এইখিনিতে এইটো মনত ৰাখিবলগীয়া যে কাম কৰাৰ অধিকাৰ বুলিলে এজন ব্যক্তিয়ে ভাল পোৱা যিকোনো কাম কৰাৰ অধিকাৰৰ কথা নুবুজায়। এই অধিকাৰৰ দ্বাৰা ব্যক্তিয়ে সমাজৰ প্ৰয়োজনীয় যিকোনো বস্তুৰ উৎপাদন প্ৰক্ৰিয়াত ভাগ লোৱাৰ অধিকাৰকে সূচায়। আকৌ উপযুক্ত মজুৰিৰ অধিকাৰৰ দ্বাৰা সম মজুৰিৰ অধিকাৰৰ কথা কোৱা হোৱা নাই। ইয়াৰ দ্বাৰা ইয়াকে বুজোৱা হৈছে যে প্ৰত্যেক ব্যক্তিয়ে তেওঁৰ কৰ্মৰ বাবে উপযুক্ত মজুৰি পোৱা উচিত যাৰ দ্বাৰা তেওঁ পৰিয়ালৰ পোহপালৰ দায়িত্ব লব পাৰে। নিৰ্দিষ্ট সময়ৰ বাবে কাম কৰাৰ অধিকাৰৰ দ্বাৰা বিশ্ৰামৰ অধিকাৰকে বুজোৱা হৈছে। এই অধিকাৰে ইয়াকে সূচায় যে কোনো এজন ব্যক্তিৰ বাবে একেটা পৰিৱেশতে একেৰাহে বহুত দেৰি কাম কৰি থকাটো অতি জটিল।

৬নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৭নং প্ৰশ্নৰ উত্তৰ ঃ জে. এছ. মিল

৮নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাকৃতিক আৰু পৌৰ স্বতন্ত্ৰতা

৯নং প্ৰশ্নৰ উত্তৰ ঃ ৰুছো

১০নং প্ৰশ্নৰ উত্তৰ ঃ পৌৰ স্বতন্ত্ৰতাই সামাজিক জীৱনত মানুহৰ ব্যক্তিগত স্বতন্ত্ৰতাৰ কথা সূচায়। গতিকে ইয়াৰ পৰিসৰ ব্যাপক যিহেতু ই ৰাষ্ট্ৰই প্ৰদান কৰা বিভিন্ন অধিকাৰ আৰু সুযোগ-সুবিধা যেনে— ব্যক্তি স্বাধীনতা, আইনৰ দৃষ্টিত সমতা, ব্যক্তিগত সম্পত্তিৰ সুৰক্ষা, মত প্ৰকাশৰ স্বাধীনতা আৰু বিচাৰ-বিবেচনাৰ স্বাধীনতাৰ কথা বুজায়। পৌৰ স্বতন্ত্ৰতাই সমাজত বাস কৰা ব্যক্তিসকলৰ অধিকাৰ সুৰক্ষিত কৰে।



১১.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ প্ৰাকৃতিক অধিকাৰৰ মুখ্য পৃষ্ঠপোষক দুজনৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ যিকোনো দুটা ৰাজনৈতিক স্বতন্ত্ৰতা উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ জি. ডি. এইছ. কোলে আগবঢ়োৱা স্বতন্ত্ৰতাৰ সংজ্ঞাটো উল্লেখ কৰক।

খ) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অধিকাৰৰ অৰ্থৰ বিষয়ে সংক্ষেপে লিখক ।

প্ৰশ্ন ২ ঃ অধিকাৰৰ বৈশিষ্ট্যসমূহ কি কি?

প্ৰশ্ন ৩ ঃ স্বতন্ত্ৰতাৰ অৰ্থৰ বিষয়ে এটি চমুটোকা লিখক ।

প্ৰশ্ন ৪ ঃ ন্যায়ৰ ধাৰণাৰ অৰ্থ কি? বিভিন্ন প্ৰকাৰৰ ন্যায়ৰ বিষয়ে উল্লেখ কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অধিকাৰৰ বিভিন্ন প্ৰকাৰসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ স্বতন্ত্ৰতাৰ বিভিন্ন প্ৰকাৰসমূহ বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ ন্যায় আৰু সমতাৰ ধাৰণা

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ ন্যায়ৰ ধাৰণা
১২.৩.১ ন্যায়ৰ অর্থ
১২.৩.২ ন্যায়ৰ প্রকাৰ
১২.৪ সমতাৰ ধাৰণা
১২.৪.১ সমতাৰ অর্থ
১২.৪.২ সমতাৰ প্রকাৰসমূহ
১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৬ অধিক জানিবলৈ
১২.৭ অগ্রগতিৰ খতিয়ান
১২.৮ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ন্যায়ৰ সংজ্ঞা দাঙি ধৰিব পাৰিব
- ন্যায়ৰ বিভিন্ন প্রকাৰসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- সমতাৰ ধাৰণাটো বর্ণনা কৰিব পাৰিব
- সমতাৰ বিভিন্ন প্রকাৰসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১২.২ পৰিচয়

আগৰ অধ্যায়ত আমি দুটা অতি গুৰুত্বপূর্ণ ধাৰণা, যেনে— অধিকাৰ আৰু স্বতন্ত্রতাৰ বিষয়ে আলোচনা কৰিছোঁ। ৰাজনীতি বিজ্ঞান বিষয়ৰ সৈতে জড়িত আন দুটা গুৰুত্বপূর্ণ ধাৰণা হৈছে ন্যায় আৰু সমতা। এই দুটা ধাৰণাক প্রতিখন গণতান্ত্রিক ৰাষ্ট্রৰ প্রধান উপাদান হিচাপে গণ্য কৰা হয়। ব্যক্তিৰ ব্যক্তিত্ব আৰু সামর্থ্যতা বিকশাই তোলাৰ ক্ষেত্রত ন্যায় আৰু সমতাৰ নীতি দুটাৰ গুৰুত্ব অপৰসীম। এই অধ্যায়টিত আমি ন্যায় আৰু সমতাৰ ধাৰণা দুটাৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিম।

১২.৩ ন্যায়ৰ ধাৰণা

এই ভাগটিত আমি ন্যায়ৰ অর্থ আৰু ন্যায়ৰ বিভিন্ন প্রকাৰসমূহৰ বিষয়ে আলোচনা কৰিম।

১২.৩.১ ন্যায়ৰ অর্থ

ৰাজনীতি বিজ্ঞানত ন্যায়ৰ ধাৰণাটোৱে গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আছে। ন্যায়ৰ ধাৰণাই শুদ্ধ বা যিটো ন্যায়সঙ্গত তাৰ আভাস দিয়ে। গতিকে এই ধাৰণাটো মূলতঃ এটা নৈতিক ধাৰণা যিটোৱে ত্রুতিহীন বা সত্যপৰায়ণ হোৱা বুজায়।

ন্যায়ৰ ইংৰাজী প্রতিশব্দ "জাষ্টিচ" (Justice) শব্দটো লেটিন শব্দ "জাছ" (Jus)ৰ পৰা আহিছে। ইয়াৰ অর্থ হ'ল সংলগ্ন কৰা বা খাপ খুওৱা। ই মানুহৰ সম্পর্কৰ লগত জড়িত। অৱশ্যে, এই ধাৰণাটোৱে ভিন্ ভিন্ কালত ভিন্ ভিন্ অর্থ প্রকাশ কৰি আহিছে। সর্বপ্রথমে গ্রীকসকলে ন্যায়ৰ ধাৰণাটোৰ ওপৰত আলোচনা চলাইছিল। প্লেটোৱে ন্যায়ৰ আদর্শাত্মক তত্ত্বৰ কথা আলোচনা কৰিছিল। তেওঁ ন্যায়ৰ নৈতিক উপাদানটোৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। গ্রীক দার্শনিক প্লেটোৱে আদর্শ ৰাষ্ট্রৰ ধাৰণাত চাৰিটা গুণৰ কথা উল্লেখ কৰিছিল। সেইকেইটা হ'ল— জ্ঞান, সাহস, আত্ম-সংযম আৰু ন্যায়। তেওঁ এইটোও বিশ্বাস কৰিছিল যে প্রত্যেকজন নাগৰিকৰ মনত ন্যায়ৰ ভাব বিদ্যমান। তেওঁৰ মতে ন্যায় হৈছে সেইটো গুণ যিটো সমাজে স্থূল বুদ্ধিৰ উৎপাদনকাৰীসকলৰ পৰা আদি কৰি সাহসী যোদ্ধা আৰু বিবেচক দার্শনিক ৰজাসকলৰ শ্রেণীলৈকে সকলোকে নিজৰ অধীন কৰি সিবিলাকৰ মনত এই গুণটোৰ বীজ ৰোপণ কৰি দিয়ে।

আনহাতে, প্লেটোৰ শিষ্য গ্রীক দার্শনিক এৰিষ্টটলে বিশ্বাস কৰিছিল যে এজন ব্যক্তিয়ে তেওঁৰ ক্ষমতা অনুপাতে ন্যায় লাভ কৰে। ৰোমানসকলৰ মতে উচ্চ নীতিসমূহৰ লগত সাদৃশ্য থকা সকাৰাত্মক নীতিসমূহ নিখুঁত ন্যায় আৰু শুদ্ধ (Right) আছিল। আনহাতে ন্যায়ৰ উদাৰনৈতিক দৃষ্টিভঙ্গীয়ে ইয়াৰ আইনগত আৰু ৰাজনৈতিক দিশসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁলোকে এইটোও বিশ্বাস কৰিছিল যে ন্যায়ভিত্তিক ৰাজনৈতিক ব্যৱস্থাই নাগৰিকক পৌৰ আৰু ৰাজনৈতিক অধিকাৰ প্রদান কৰে আৰু তেওঁলোকক ৰাজনৈতিক প্রক্রিয়াটোত অংশ গ্রহণ কৰিবলৈ সুযোগ প্রদান কৰে।

মধ্যযুগত ন্যায়ক ঈশ্বৰে প্রত্যেকজন মানুহৰ মনত ৰোপণ কৰা সেইটো দিশ হিচাপে বিবেচনা কৰা হৈছিল যিটো গির্জাৰ কর্তৃপক্ষই সংৰক্ষণ কৰিছিল।

গতিকে আমি দেখা পালোঁ যে ন্যায়ৰ আধুনিক ধাৰণা পৰম্পৰাগত ধাৰণাৰ পৰা পৃথক। ন্যায়ৰ পৰম্পৰাগত ধাৰণাই নৈতিকতা আৰু নীতিশাস্ত্রৰ দিশসমূহৰ ওপৰত গুৰুত্ব প্রদান কৰিছিল।

অন্যহাতেদি ন্যায়ৰ আধুনিক ধাৰণাসমূহে কিছুমান নির্দিষ্ট মানৰীয় মূল্যবোধৰ ওপৰত গুৰুত্ব প্রদান কৰে। ই মূলতঃ সামাজিক ন্যায়ৰ লগত জড়িত।

১২.৩.২ ন্যায়ৰ প্রকাৰ

বহলভাৱে ন্যায়ক আইনগত, ৰাজনৈতিক, সামাজিক আৰু অর্থনৈতিক ন্যায় —এই চাৰিটা ভাগত ভাগ কৰিব পাৰি ।

- **আইনগত ন্যায় ঃ** আইনগত ন্যায় আইন প্ৰণয়ন প্ৰক্ৰিয়া আৰু ন্যায়িক ব্যৱস্থাৰ সৈতে জড়িত। এই ব্যৱস্থাৰ অধীনত প্ৰত্যেকজন ব্যক্তিয়ে আইনৰ সুৰক্ষা লাভ কৰে আৰু আইনৰ দৃষ্টিত সমান হয়। বৃটিছ ৰাজনীতি বিজ্ঞানী বাৰ্কাৰ (Barker)ৰ মতে আইনগত ন্যায় হ'ল ন্যায় ভিত্তিক আইন। তেওঁ সকাৰাত্মক নীতি আৰু প্ৰাকৃতিক নীতিৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰিছে। সকাৰাত্মক নীতিসমূহ হ'ল নিৰ্দিষ্ট নীতি। আনহাতে, প্ৰাকৃতিক নীতিসমূহ বিশ্বজনীন নীতি। ন্যায়ৰ আইনগত পৰিধিয়ে এক নিৰ্দিষ্ট সংখ্যক ঘোষিত নীতিৰ প্ৰতি আনুগত্য সূচায়।
- **ৰাজনৈতিক ন্যায় ঃ** ই মূলতঃ প্ৰকৃত ৰাজনীতিৰ লগত জড়িত যাৰ মাজেদি ৰাজনৈতিক প্ৰক্ৰিয়াটোৰে ন্যায়ৰ আচৰণবিধিসমূহ লাভ কৰে। প্ৰত্যেকজন নাগৰিকৰ দেশৰ ৰাজনৈতিক প্ৰক্ৰিয়াত মুক্তভাৱে অংশ গ্ৰহণ কৰাৰ অধিকাৰ থাকিব লাগিব আৰু জাতি, শ্ৰেণী, বৰ্ণ, লিংগ নিৰ্বিশেষে ভোটদান কৰাৰ আৰু নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ অধিকাৰ থকা উচিত। যেতিয়া এখন চৰকাৰ জনসাধাৰণৰ ইচ্ছাৰ ওপৰত আধাৰিত আৰু জনমতৰ প্ৰতি দায়বদ্ধ হয় তেতিয়াই ৰাজনৈতিক ন্যায়ৰ অৱস্থান ঘটে।
- **সামাজিক ন্যায় ঃ** সামাজিক ন্যায়ে জন্ম, জাতি, ধৰ্ম, লিঙ্গ ইত্যাদিৰ ভিত্তিত সকলো ধৰণৰ বৈষম্য আৰু বিশেষ সুবিধা আঁতৰ কৰা বুজায়। সকাৰাত্মক দৃষ্টিভঙ্গীৰ ফালৰ পৰা বিচাৰ কৰিলে সামাজিক ন্যায়ে সমাজৰ সকলো সদস্যক তেওঁলোকৰ উপযুক্ত বিকাশৰ বাবে বিভিন্ন ধৰণৰ সামাজিক সুযোগ-সুবিধা প্ৰদানৰ কথা সূচায়। ই সামাজিক সমতা আৰু সামাজিক গতিশীলতা প্ৰতিষ্ঠাত গুৰুত্ব আৰোপ কৰে। সামাজিক ন্যায় ৰাজনৈতিক আৰু অৰ্থনৈতিক ন্যায়ৰ লগত জড়িত যিহেতু এই দুটাই সামাজিক ন্যায় উপভোগৰ বাবে পৰিৱেশ সৃষ্টি কৰে।
- **অৰ্থনৈতিক ন্যায় ঃ** উদাৰনৈতিক আৰু মাৰ্ক্সীয়সকলে অৰ্থনৈতিক ন্যায়ৰ ব্যাখ্যা বিভিন্ন ধৰণে কৰিছে। উদাৰনৈতিকসকলে অৰ্থনৈতিক ন্যায় বুলিলে সমাজৰ সকলো সদস্যৰ সকলো অৰ্থনৈতিক অভাৱৰ পৰিপূৰ্ণতা বুলি কৈছে। তাৰ বাবে তেওঁলোকে মুক্ত বজাৰ আৰু মুক্ত প্ৰতিযোগিতাক সমৰ্থন জনাইছিল। অন্যহাতেদি মাৰ্ক্সীয়সকলে বিশ্বাস কৰিছিল যে কেৱল এখন শ্ৰেণীহীন সমাজতহে অৰ্থনৈতিক ন্যায় প্ৰতিষ্ঠা কৰা সম্ভৱ। সেই হেতুকে মাৰ্ক্সীয়সকলে ব্যক্তিগত সম্পত্তিৰ উচ্ছেদকৰণ আৰু এখন শ্ৰেণীহীন ৰাষ্ট্ৰৰ দ্বাৰা পুঁজিবাদী ৰাষ্ট্ৰক গাদীচ্যুত কৰাৰ সমৰ্থন কৰিছিল। তেওঁলোকে এইটোও বিশ্বাস কৰিছিল যে যিখন সমাজ ধনী আৰু দুখীয়া বা সম্পদশালী আৰু সম্পদহীন শ্ৰেণীত বিভক্ত, সেইখন সমাজত অৰ্থনৈতিক ন্যায় প্ৰতিষ্ঠা হ'ব নোৱাৰে।



জানি থোৱা ভাল

ভাৰতীয় সংবিধানৰ চতুৰ্থ অধ্যায়ত সন্নিৱিষ্ট হোৱা ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহৰ উদ্দেশ্য হ'ল ভাৰতত সামাজিক আৰু অৰ্থনৈতিক ন্যায় প্ৰতিষ্ঠা কৰা। সেই উদ্দেশ্য আগত ৰাখি ই বিভিন্ন ধৰণৰ অৰ্থনৈতিক নীতি, যেনে— সকলোৰে বাবে পৰ্য্যাপ্ত কৰ্মসংস্থান, সমান কামৰ বাবে সমান মজুৰি ইত্যাদি অন্তৰ্ভুক্ত কৰিছে। অন্যহাতেদি সামাজিক নীতিসমূহ সমাজৰ আৰ্থিকভাৱে দুৰ্বল আৰু পদদলিতসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে অন্তৰ্ভুক্ত কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শুদ্ধ শব্দটো বাছি উলিয়াওক—

"জাষ্টিচ" শব্দটো আহিছে এটা লেটিন/ৰোমান/গ্ৰীক শব্দৰ পৰা।

.....

প্ৰশ্ন নং ২ ঃ প্লেটোৰ মতে প্ৰত্যেকজন নাগৰিকৰ .....ত ন্যায় বিদ্যমান। (খালী ঠাই পূৰণ কৰক)

.....

প্ৰশ্ন নং ৩ ঃ তিনি প্ৰকাৰৰ ন্যায়ৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৪ ঃ প্ৰাকৃতিক নীতিসমূহ বিশ্বজনীন নীতি। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৫ ঃ সামাজিক ন্যায়ৰ বিষয়ে সংক্ষেপে লিখক।

.....

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ অৰ্থনৈতিক ন্যায়ৰ বিষয়ে উদাৰনৈতিকসকলৰ মতামত কি?

.....

.....

.....

১২.৪ সমতাৰ ধাৰণা

এই ভাগটিত আমি ৰাজনীতি বিজ্ঞানৰ অন্য এটা মৌলিক ধাৰণা, যেনে— সমতাৰ বিষয়ে আলোচনা কৰিম।

১২.৪.১ সমতাৰ অর্থ

প্রাচীন কালৰে পৰা ৰাজনৈতিক চিন্তাধাৰাৰ এক প্রধান আলোচ্য বিষয়বস্তু হৈছে সমতা আৰু অসমতাৰ সমস্যা। সমতাৰ আধুনিক ধাৰণা অনুযায়ী সকলো মানুহকে সম-ব্যৱহাৰ কৰাটো উচিত। কিন্তু ইয়াৰ অর্থ এয়া নহয় যে মানুহৰ মাজত কোনো ধৰণৰ পার্থক্য নাই। শাৰীৰিক, সামাজিক, অর্থনৈতিক আৰু অন্যান্য ক্ষেত্রত মানুহৰ মাজত পার্থক্য থাকে। সমতাৰ অর্থ সাদৃশ্য নহয় আৰু পার্থক্যৰ অর্থ অসমতা নহয়। অৱশ্যে মানুহৰ মাজত বহুতো পার্থক্য থকা স্বত্ত্বেও এটা দৃষ্টিত সকলো মানুহ সমান। কিয়নো প্রত্যেক ব্যক্তিকে ভগৱানে সমভাৱে সৃষ্টি কৰিছে। সকলো মানুহৰ শাৰীৰিক, আবেগিক আৰু বৌদ্ধিক প্রয়োজন সমান। সেয়েহে নিজৰ ব্যক্তিত্বৰ পূর্ণ বিকাশ কৰিবৰ বাবে সকলোৰে সম-অধিকাৰ আৰু উপযুক্ত সুবিধা লাভ কৰাৰ অধিকাৰ আছে। সামাজিক ন্যায়ৰ বাবে সমতাৰ প্রয়োজন, কিয়নো ৰাজনৈতিক, সামাজিক অর্থনৈতিক আৰু অন্যান্য ধৰণৰ অসমতাই সমাজৰ সহস্রজনৰ মাজত অন্যায় আৰু শোষণৰ সৃষ্টি কৰে।



জানি থোৱা ভাল

সমতাৰ আদর্শ মানে এয়া নহয় যে সমাজৰ প্রতিজন ব্যক্তিৰ মাজতে অধিকাৰ আৰু সুযোগবোৰৰ সম-বিতৰণ হ'ব লাগিব। ইয়াৰ অর্থ হৈছে প্রতিজন ব্যক্তি নিজৰ শাৰীৰিক তথা বৌদ্ধিক ক্ষমতাৰ লগতে দক্ষতা আৰু প্রতিভাৰ ক্ষেত্রতো পৃথক। গতিকে সমাজৰ প্রতিজন ব্যক্তিয়ে এনেবোৰ অধিকাৰ আৰু সুযোগ পাব লাগে যাৰ দ্বাৰা তেওঁৰ ব্যক্তিগত গুণ আৰু সামর্থ্যৰ বিকাশ ঘটে। এই ক্ষেত্রত যিটো বিষয় পোহৰলৈ আহে, সেইটো হৈছে সমতাই কেতবোৰ "যুক্তিযুক্ত বা যথার্থ" ক্ষেত্রত বৈষম্যৰ অনুমতি দিয়ে নেকি। এই অনুসৰি আধুনিক ৰাজনৈতিক ব্যৱস্থাসমূহত আর্থ-সামাজিকভাৱে পিছপৰা শ্রেণীসমূহৰ ক্ষেত্রত "সন্মতিসূচক কার্য্য" বা "পক্ষপাতমূলক ব্যৱহাৰ" (উদাহৰণ স্বৰূপে, চাকৰি আৰু শিক্ষাৰ সুবিধা পোৱাৰ ক্ষেত্রত) দেখিবলৈ পোৱা যায় যাতে তেওঁলোকে উন্নত জাতিসমূহৰ সমপর্য্যায়লৈ আহিব পাৰে। আমেৰিকা যুক্তৰাষ্ট্রত এনে ধৰণৰ পক্ষপাতমূলক ব্যৱহাৰ আফ্রিকান-আমেৰিকান আৰু ভাৰতবর্ষত মহিলাসকলৰ ক্ষেত্রত দেখিবলৈ পোৱা গৈছিল। ভাৰততো অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণীসমূহৰ ক্ষেত্রত সংৰক্ষণৰ নীতি গ্রহণ কৰা হৈছে।

১২.৪.২ সমতাৰ প্ৰকাৰসমূহ

সমতাৰ নীতি সামাজিক জীৱনৰ ন্যায়িক, ৰাজনৈতিক আৰু আৰ্থ-সামাজিক সকলো ক্ষেত্ৰতে প্ৰযোজ্য হয়। সমতাৰ বিভিন্ন প্ৰকাৰসমূহ এনে ধৰণৰ—

- **ন্যায়িক সমতা ঃ** অষ্টাদশ শতিকাত সমাজৰ চহকী শ্ৰেণীয়ে লাভ কৰা ন্যায়িক সুবিধাসমূহ দূৰ কৰিবৰ বাবে ন্যায়িক সমতাৰ দাবী উত্থাপন হৈছিল। ন্যায়িক সমতাৰ অৰ্থ হৈছে আইনৰ দৃষ্টিত সকলো সমান আৰু ন্যায়িক সুৰক্ষাৰ সমতা। মানৱ সমাজত অৱশ্যে এক দীঘলীয়া প্ৰচেষ্টাৰ পাছতহে আধুনিক সমাজ ব্যৱস্থাত ন্যায়িক সমতাৰ ধাৰণা স্থাপিত হৈছিল। প্ৰাচীন সমাজ ব্যৱস্থাত ন্যায়িক সমতাৰ ধাৰণা প্ৰচলিত নাছিল। উদাহৰণ স্বৰূপে, এৰিষ্ট'টলে একেটা অপৰাধৰ বাবে মুক্ত ব্যক্তি আৰু দাসৰ বাবে পৃথক শাস্তি অনুমোদন কৰিছিল। একেদৰে পৌৰাণিক হিন্দু গ্ৰন্থ মনুস্মৃতিৰ মতে, অপৰাধীৰ জাতি অনুসৰি একে অপৰাধৰ বাবে বিভিন্ন শাস্তি অনুমোদন কৰা উচিত। ন্যায়িক সমতাৰ নীতি হৈছে আধুনিক বিশ্বৰ ন্যায়িক ব্যৱস্থাৰ ভেঁটি স্বৰূপ। ন্যায়িক সমতা অনুসৰি সকলো ব্যক্তিৰে আইনৰ ওচৰত সম-অধিকাৰ আছে আৰু সামাজিক তথা আৰ্থিক অৱস্থা নিৰ্বিশেষে কোনো আইনৰ ঊৰ্দ্ধত নহয়। সেয়েহে ন্যায়িক সমতাৰ প্ৰকৃত উপলব্ধিৰ বাবে সমাজৰ পৰা সকলো ধৰণৰ আৰ্থ-সামাজিক অসমতা দূৰ কৰাটো অতি গুৰুত্বপূৰ্ণ।
- **ৰাজনৈতিক সমতা ঃ** ঊনবিংশ শতিকাত ৰাজনৈতিক সমতাৰ দাবী উত্থাপিত হৈছিল। ৰাজনৈতিক সমতাৰ অৰ্থ হৈছে প্ৰতিগৰাকী ব্যক্তিৰে ভোটাধিকাৰ, নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ অধিকাৰ আৰু জন্ম, জাতি, বৰ্ণ, ধৰ্ম, শ্ৰেণী, লিঙ্গ আৰু ভাষা নিৰ্বিশেষে ৰাজহুৱা সেৱাসমূহ ব্যৱহাৰ কৰাৰ সম-অধিকাৰ থাকে। সমাজত কোনো অভিজাত শ্ৰেণী নাথাকিব। শাসকসকলে সাধাৰণ জনতাৰ স্বাৰ্থ হানি হোৱাকৈ কোনো বিশেষ শ্ৰেণীক সুবিধা প্ৰদান নকৰিব। ৰাজনৈতিক সমতাৰ নীতি এই সাধাৰণ বিশ্বাসৰ পৰা জন্ম হৈছে যে শাৰীৰিক আৰু মানসিক সামৰ্থ্য, শিক্ষাগত অৰ্হতা, ধন-সম্পত্তি, ইত্যাদি নিৰ্বিশেষে প্ৰতিজন ব্যক্তিয়ে ৰাজনৈতিক বিচাৰ কৰিব পৰা যুক্তিপূৰ্ণ জীৱ। বৰ্তমান বিশ্বত সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ ("এজন ব্যক্তি, এটা মত" পদ্ধতিৰ ওপৰত আধাৰিত) আৰু চৰকাৰ গঠনৰ বাবে দেশৰ প্ৰতিজন নাগৰিকৰ নিজৰ প্ৰতিনিধি নিৰ্বাচন কৰাৰ অধিকাৰ থকা প্ৰতিনিধিত্বমূলক চৰকাৰ —এই দুই ধাৰণাৰ জৰিয়তে ৰাজনৈতিক সমতা গঢ় লৈ উঠিছে। উল্লেখযোগ্য যে ভাৰতীয় সংবিধানৰ অধীনত সকলো প্ৰাপ্তবয়স্ক নাগৰিকৰ (১৮ বছৰতকৈ অধিক বয়সৰ) লোকসভা আৰু ৰাজ্যৰ বিধানসভা নিৰ্বাচনত ভোটদানৰ অধিকাৰ আছে।
- **সামাজিক সমতা ঃ** সামাজিক সমতাৰ অৰ্থ হৈছে যে প্ৰতিজন ব্যক্তিয়ে নিজৰ সামাজিক আৰু আৰ্থিক অৱস্থা, জাতি, বৰ্ণ, শ্ৰেণী, লিঙ্গ, ভাষা, ধৰ্ম, শিক্ষা আৰু অন্যান্য কৃত্ৰিম

বিষয় নির্বিশেষে ব্যক্তিত্ব বিকাশৰ বাবে সমান সুযোগ লাভ কৰিব। প্ৰাচীন কালত, আভিজাত্যমূলক সুবিধা আৰু দাস প্ৰথাৰ বিৰুদ্ধে কৰা সংগ্ৰামৰ মাজতেই সামাজিক সমতাৰ বাবে দাবী কৰা হৈছিল। বিংশ শতিকাত লিঙ্গ, জাতি আৰু বৰ্ণৰ ভিত্তিত সামাজিক সমতা দাবী কৰা হৈছে। মহিলাই সম-ভোটাধিকাৰৰ বাবে কৰা সংগ্ৰামত লিঙ্গ সমতাৰ বিষয়টো উত্থাপিত হয়। আমেৰিকা যুক্তৰাষ্ট্ৰত মার্টিন লুথাৰ কিং (কনিষ্ঠ)য়ে আমেৰিকাৰ নাগৰিক অধিকাৰ আন্দোলনৰ গুৰি ধৰিছিল, যাৰ লক্ষ্য আছিল দেশখনৰ কৃষ্ণ বৰ্ণৰ জনসাধাৰণৰ বিৰুদ্ধে কৰা সামাজিক আৰু ৰাজনৈতিক বৈষম্য দূৰ কৰা। একেদৰে বিংশ শতিকাত দক্ষিণ আফ্ৰিকাতো জাতিগত বৈষম্যৰ বিৰুদ্ধে এক দীঘলীয়া সংগ্ৰাম হৈছিল। ভাৰতীয় সংবিধানে ধর্ম, শ্ৰেণী, জাতি, লিঙ্গ আৰু জন্মস্থানৰ ভিত্তিত কৰা বৈষম্যক নিষেধ কৰাৰ লগতে অস্পৃশ্যতাকো সমূলধ্বে নিষেধ কৰিছে।

- **অর্থনৈতিক সমতা ঃ** ন্যায়িক সমতা, সামাজিক সমতা আৰু ৰাজনৈতিক সমতাক সফল কৰি তোলাৰ বাবে সবাতোকৈ প্ৰয়োজনীয় হৈছে অর্থনৈতিক সমতাৰ ধাৰণা। অর্থনৈতিক সমতাৰ অর্থ হৈছে সমাজৰ প্ৰতিজন ব্যক্তিয়ে খাদ্য, বস্ত্ৰ, বাসস্থান, কর্ম-সংস্থাপন আৰু স্বাস্থ্য ৰক্ষাৰ দৰে মৌলিক প্ৰয়োজনসমূহ পূৰণ কৰিব পৰাকৈ সমাজত অর্থৰ সম-বিতৰণ। অৱশ্যে অর্থনৈতিক সমতাৰ অর্থ সম্পূর্ণ অর্থনৈতিক সমতা নহয়। সমাজত চিৰদিনেই এটা ধনী আৰু এটা দুখীয়া শ্ৰেণী থাকিব, কিন্তু গুৰুত্বপূর্ণ কথাটো হৈছে যে এই দুই শ্ৰেণীৰ মাজত থকা পার্থক্য ইমান বহল হৈ নপৰক যে দুখীয়া শ্ৰেণীয়ে নিজৰ নিম্নতম প্ৰয়োজনখিনিও পূৰণ কৰিব নোৱাৰা হৈ যাওঁক। চৰকাৰে সেয়েহে পিছপৰা শ্ৰেণীসমূহলৈ আর্থ-সামাজিক সুবিধাসমূহ প্ৰদান কৰি সমাজৰ অর্থনৈতিক বৈষম্য নির্মূলকৰণৰ ক্ষেত্ৰত যত্নপৰ হোৱা উচিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ ন্যায়িক সমতাৰ মূল অর্থ হৈছে আইনৰ দৃষ্টিত সমতা আৰু আইনৰ .....। (খালী ঠাই পূৰণ কৰক)

.....

প্ৰশ্ন নং ৮ ঃ কোনখন প্ৰাচীন ধর্মৰ গ্ৰন্থত অপৰাধীৰ জাতি অনুযায়ী একেটা অপৰাধৰ বাবে ভিন্ন শাস্তি অনুমোদন কৰা হৈছে?

.....

প্ৰশ্ন নং ৯ ঃ আমেৰিকা যুক্তৰাষ্ট্ৰত ..... য়ে আমেৰিকাৰ নাগৰিক অধিকাৰ আন্দোলনৰ গুৰি ধৰিছিল, যাৰ লক্ষ্য আছিল দেশখনৰ কৃষ্ণবর্ণৰ

জনসাধাৰণৰ বিৰুদ্ধে কৰা সামাজিক আৰু ৰাজনৈতিক বৈষম্য দূৰ কৰা। (খালী ঠাই পূৰণ কৰক)

.....

প্ৰশ্ন নং ১০ ঃ বৰ্তমান বিশ্বত সার্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ আৰু প্ৰতিনিধিত্বমূলক চৰকাৰৰ জৰিয়তে ৰাজনৈতিক সমতা গঢ় লৈ উঠিছে। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ১১ ঃ অষ্টাদশ শতিকাত সমাজৰ অভিজাত শ্ৰেণীয়ে ন্যায়িক সমতাৰ বাবে দাবী উত্থাপন কৰিছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ১২ ঃ বিংশ শতিকাত সামাজিক সমতাৰ দাবী উত্থাপিত হোৱা ভেঁটিৰ এটা দিশ আছিল ধন-সম্পত্তি। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ১৩ ঃ ন্যায়িক সমতা, সামাজিক সমতা আৰু ৰাজনৈতিক সমতাক সফল কৰি তোলাৰ বাবে সবাতোকৈ প্ৰয়োজনীয় হৈছে ..... সমতাৰ ধাৰণা। (খালী ঠাই পূৰণ কৰক)

.....

প্ৰশ্ন নং ১৪ ঃ অর্থনৈতিক সমতাৰ বিষয়ে এটা চমুটোকা লিখক।

.....

.....

.....

.....

.....

.....

.....

.....



১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ন্যায় আৰু সমতাৰ ধাৰণা দুটাক গণতান্ত্রিক সমাজৰ মৌলিক স্তম্ভ হিচাপে অভিহিত কৰিব পাৰি।
- পৰম্পৰাগতভাৱে ন্যায়ৰ ধাৰণাটো কেৱল নৈতিক আৰু নীতিগত ধাৰণাসমূহৰ সৈতে জড়িত আছিল। আধুনিক দৃষ্টিত ন্যায়ৰ ধাৰণাই সামাজিক ন্যায়ৰ লগতে মানৱীয় প্ৰমূল্যসমূহ হৃদয়ঙ্গম কৰাত সহায় কৰে ।

- ন্যায়ৰ ইংৰাজী প্ৰতিশব্দ "জাষ্টিচ" (Justice) শব্দটো লেটিন শব্দ "জাছ" (Jus)ৰ পৰা আহিছে। ইয়াৰ অৰ্থ হ'ল সংলগ্ন কৰা বা খাপ খুওৱা।
- ন্যায়ৰ বিভিন্ন প্ৰকাৰসমূহ হ'ল আইনগত ন্যায়, ৰাজনৈতিক ন্যায়, সামাজিক ন্যায় আৰু অৰ্থনৈতিক ন্যায়।
- সমতাৰ আধুনিক ধাৰণাই সকলো মানুহকে সমভাৱে চোৱাৰ পোষকতা কৰে। সকলো মানুহৰে সম-অধিকাৰ আৰু উপযুক্ত সুযোগ-সুবিধা লাভৰ অধিকাৰ আছে যাতে সকলোৱে নিজৰ ব্যক্তিত্বৰ বিকাশ ঘটাব পাৰে। সামাজিক ন্যায়ৰ বাবে সমতাৰ প্ৰয়োজন, কিয়নো ৰাজনৈতিক, সামাজিক অৰ্থনৈতিক আৰু অন্যান্য ধৰণৰ অসমতাই সমাজৰ সহস্ৰজনৰ মাজত অন্যায় আৰু শোষণৰ সৃষ্টি কৰে।
- সমতাৰ বিভিন্ন প্ৰকাৰসমূহ হৈছে ক্ৰমে ন্যায়িক সমতা, সামাজিক সমতা আৰু অৰ্থনৈতিক সমতা।



১২.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*; গুৱাহাটী ঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; যোৰহাট ঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰৱৰ্তী, আদ্যনাথ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Agarwal, R. C. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

2) Asirvatham, E. & Misra, K. K. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

3) Kapur, A. C. (2006): *Principles of Political Science*; New Delhi: S. Chands & Company Ltd.

4) Mahajan, V. D. (2008): *Political Theory*; New Delhi: S. Chands & Company Ltd.



১২.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ লেটিন

২নং প্রশ্নৰ উত্তৰ ঃ মন

৩নং প্রশ্নৰ উত্তৰ ঃ আইনগত, ৰাজনৈতিক আৰু সামাজিক ন্যায়

৪নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

৫নং প্রশ্নৰ উত্তৰ ঃ সামাজিক ন্যায়ে জন্ম, জাতি, ধর্ম, লিঙ্গ ইত্যাদিৰ ভিত্তিত সকলো ধৰণৰ বৈষম্য আৰু বিশেষ সুবিধা আঁতৰ কৰা বুজায়। সকাৰাত্মক দৃষ্টিভঙ্গীৰ ফালৰ পৰা বিচাৰ কৰিলে সামাজিক ন্যায়ে সমাজৰ সকলো সদস্যক তেওঁলোকৰ উপযুক্ত বিকাশৰ বাবে বিভিন্ন ধৰণৰ সামাজিক সুযোগ-সুবিধা প্রদানৰ কথা সূচায়। ই সামাজিক সমতা আৰু সামাজিক গতিশীলতা প্রতিষ্ঠাত গুৰুত্ব আৰোপ কৰে।সামাজিক ন্যায় ৰাজনৈতিক আৰু অর্থনৈতিক ন্যায়ৰ লগত জড়িত যিহেতু এই দুটাই সামাজিক ন্যায় উপভোগৰ বাবে পৰিৱেশ সৃষ্টি কৰে।

৬নং প্রশ্নৰ উত্তৰ ঃ উদাৰনৈতিকসকলে অর্থনৈতিক ন্যায় বুলিলে সমাজৰ সকলো সদস্যৰ সকলো অর্থনৈতিক অভাৱৰ পৰিপূর্ণতা বুলি কৈছে। তাৰ বাবে তেওঁলোকে মুক্ত বজাৰ আৰু মুক্ত প্রতিযোগিতাক সমর্থন জনাইছিল।

৭নং প্রশ্নৰ উত্তৰ ঃ সুৰক্ষা

৮নং প্রশ্নৰ উত্তৰ ঃ মনুস্মৃতি

৯নং প্রশ্নৰ উত্তৰ ঃ মার্টিন লুথাৰ কিং (কনিষ্ঠ)

১০নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

১১নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

১২নং প্রশ্নৰ উত্তৰ ঃ অশুদ্ধ

১৩নং প্রশ্নৰ উত্তৰ ঃ অর্থনৈতিক

১৪নং প্রশ্নৰ উত্তৰ ঃ ন্যায়িক সমতা, সামাজিক সমতা আৰু ৰাজনৈতিক সমতাক সফল কৰি তোলাৰ বাবে সবাতোকৈ প্রয়োজনীয় হৈছে অর্থনৈতিক সমতাৰ ধাৰণা। অর্থনৈতিক সমতাৰ অর্থ হৈছে সমাজৰ প্রতিজন ব্যক্তিয়ে খাদ্য, বস্ত্র, বাসস্থান, কর্ম-সংস্থাপন আৰু স্বাস্থ্য ৰক্ষাৰ দৰে মৌলিকপ্রয়োজনসমূহ পূৰণ কৰিব পৰাকৈসমাজত অর্থৰ সম-বিতৰণ। অৱশ্যে অর্থনৈতিক সমতাৰ অর্থ সম্পূর্ণ অর্থনৈতিক সমতা নহয়। সমাজত চিৰদিনেই এটা ধনী আৰু এটা দুখীয়া শ্রেণী থাকিব, কিন্তু গুৰুত্বপূর্ণ কথাটো হৈছে যে এই দুই শ্রেণীৰ মাজত থকা পার্থক্য ইমান বহল হৈ নপৰক যে দুখীয়া শ্রেণীয়ে নিজৰ নিম্নতম প্রয়োজনখিনিও পূৰণ কৰিব নোৱাৰা হৈ যাওঁক। চৰকাৰে সেয়েহে পিছপৰা শ্রেণীসমূহলৈ আর্থ-সামাজিক সুবিধাসমূহ প্রদান কৰি সমাজৰ অর্থনৈতিক বৈষম্য নির্মূলকৰণৰ ক্ষেত্রত যত্নপৰ হোৱা উচিত।



১২.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ প্লেটোৰ মতে আদৰ্শ ৰাষ্ট্ৰ এখনৰ চাৰিটা গুণ কি কি?

প্ৰশ্ন ২ ঃ ৰাজনৈতিক সমতাই কি সূচায়?

প্ৰশ্ন ৩ ঃ অৰ্থনৈতিক ন্যায়ৰ বিষয়ে মাৰ্ক্সীয়সকলৰ মতামত কি?

খ) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ন্যায়ৰ ধাৰণাৰ অৰ্থ ব্যখ্যা কৰক।

প্ৰশ্ন ২ ঃ সমতাৰ অৰ্থৰ বিষয়ে এটা চমুটোকা লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ন্যায়ৰ বিভিন্ন প্ৰকাৰসমূহ বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ বিভিন্ন প্ৰকাৰৰ সমতা সম্পৰ্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ নাগৰিকত্বৰ ধাৰণা

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ নাগৰিকত্বৰ অর্থ
১৩.৪ নাগৰিকত্ব ধাৰণাৰ উৎপত্তি
১৩.৫ নাগৰিকত্বৰ প্ৰকাৰ
১৩.৬ এজন সু-নাগৰিকৰ গুণসমূহ
১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৮ অধিক জানিবলৈ
১৩.৯ অগ্ৰগতিৰ খতিয়ান
১৩.১০ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নাগৰিকত্বৰ অর্থ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- নাগৰিকত্বৰ বিভিন্ন প্ৰকাৰসমূহ বর্ণনা কৰিব পাৰিব
- নাগৰিকত্ব অর্জন কৰিব পৰা উপায়সমূহ আলোচনা কৰিবলৈ সক্ষম হ'ব
- সু-নাগৰিকত্ব বিকশাই তোলাৰ উপায়সমূহ আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

ৰাজনীতি বিজ্ঞান অধ্যয়নৰ ক্ষেত্ৰত নাগৰিকত্বৰ ধাৰণাটো অতীজৰে পৰা এক প্ৰধান বিষয় হিচাপে গণ্য কৰি অহা হৈছে। আমি ইতিমধ্যেই ব্যক্তি স্বাধীনতা আৰু অধিকাৰ আদি ধাৰণাসমূহ আলোচনা কৰিছোঁ। এই ধাৰণাসমূহ নাগৰিকত্বৰ ধাৰণাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত, কিয়নো ৰাষ্ট্ৰ এখনৰ নাগৰিক এজনেহে এই স্বাধীনতা আৰু অধিকাৰসমূহ উপভোগ কৰিব পাৰে। এইটো অধ্যায়ত আমি নাগৰিকত্বৰ ধাৰণাটোৰ এক বিশদ আলোচনা আগবঢ়াম।

১৩.৩ নাগৰিকত্বৰ অর্থ

"নাগৰিক" (Citizen) শব্দটো লেটিন শব্দ "Civis"ৰ পৰা আহিছে। নাগৰিকত্বই ব্যক্তি আৰু ৰাষ্ট্ৰৰ মাজৰ উমৈহতীয়া সম্বন্ধক বুজায়। নাগৰিক হ'ল এনে এজন ব্যক্তি যিয়ে ৰাষ্ট্ৰৰ প্ৰতি নিজৰ দায়িত্ব আৰু কর্তব্য পালনৰ ক্ষেত্ৰত দায়বদ্ধতা অনুভৱ কৰে। আনহাতে, ৰাষ্ট্ৰই নিজস্বভাৱে নাগৰিকসকলক কিছুমান পৌৰ, ৰাজনৈতিক আৰু সামাজিক অধিকাৰ প্ৰদান কৰে।

নাগৰিকত্বৰ সংজ্ঞা সম্পৰ্কে বিভিন্ন ৰাজনৈতিক চিন্তাবিদে ইতিহাসৰ বিভিন্ন সময়ত বিভিন্ন মত প্ৰদান কৰি আহিছে। প্ৰাচীন কালত নাগৰিকত্ব এক ঠেক পৰিসৰৰ ভিতৰতে সীমাবদ্ধ আছিল। গ্ৰীক দাৰ্শনিক এৰিষ্টটলে কৈছিল যে যিজন ব্যক্তিয়ে ৰাষ্ট্ৰৰ সুচিন্তিত আৰু ন্যায়িক ব্যৱস্থাত ভাগ ল'বলৈ সক্ষম তেৱেঁই হ'ল এজন নাগৰিক। অৰ্থাৎ, এৰিষ্টটলে তেওঁৰ নাগৰিকত্বৰ ধাৰণাৰ জৰিয়তে অভিজাততন্ত্ৰক সমৰ্থন জনাইছিল আৰু ৰাষ্ট্ৰৰ প্ৰশাসনীয় ব্যৱস্থাত অংশ গ্ৰহণ কৰিবলৈ সক্ষম নোহোৱা এক বৃহৎ সংখ্যক জনসাধাৰণক নাগৰিকত্বৰপৰিসৰৰপৰা বাদ দিছিল।

আধুনিক ৰাষ্ট্ৰত নাগৰিকত্বক এক বহল অৰ্থত গ্ৰহণ কৰা হয়। আধুনিক ৰাষ্ট্ৰত সকলোৰে বাবে প্ৰত্যক্ষভাৱে ৰাষ্ট্ৰৰ প্ৰশাসনীয় ব্যৱস্থাত অংশ গ্ৰহণ কৰাটো সম্ভৱপৰ নহয়। সেয়েহে ইয়াৰ যিসকলে ৰাষ্ট্ৰৰ মৌলিক আদৰ্শ আৰু আইন শৃঙ্খলা মানি চলে সেই সকলোকে নাগৰিক বুলি ধৰা হয়। উদাহৰণ স্বৰূপে, ভাৰতবৰ্ষৰ নিচিনা এখন বৃহৎ ৰাষ্ট্ৰত ইয়াৰ ১০০ কৌটি জনসাধাৰণে ৰাষ্ট্ৰখনৰ প্ৰশাসনীয় ব্যৱস্থাত অংশ গ্ৰহণ কৰাটো সম্ভৱপৰ নহয়। কিন্তু আমি সকলোৱে জানো যে ভাৰতৰ চাৰিসীমাৰ ভিতৰত বসবাস কৰি ৰাষ্ট্ৰখনৰ আদৰ্শৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা প্ৰতিগৰাকী ব্যক্তিয়ে ভাৰতীয় নাগৰিকত্ব উপভোগ কৰিব পাৰে।

অৰ্থাৎ, নাগৰিকত্বই ৰাষ্ট্ৰ এখনৰ জনসাধাৰণে উপভোগ কৰিব পৰা কে'তবোৰ পৌৰ আৰু ৰাজনৈতিক সুবিধাক বুজায়। কিন্তু ইয়াৰ লগতে এইটোও মন কৰিব লাগে যে এখন ৰাষ্ট্ৰৰ নাগৰিক হিচাপে ব্যক্তি এজনে সুবিধাসমূহ উপভোগ কৰাৰ লগে লগে ৰাষ্ট্ৰৰ প্ৰতি কিছুমান দায়িত্বও পালন কৰিব লাগে। এই পৰিপ্ৰেক্ষিতত আমি প্ৰজা আৰু নাগৰিক, আৰু বিদেশী আৰু নাগৰিকৰ মাজত থকা পাৰ্থক্যসমূহ আলোচনা কৰিম।

- *এজন 'প্ৰজা' আৰু 'নাগৰিকৰ' মাজত থকা পাৰ্থক্য ঃ* এজন প্ৰজা সাধাৰণতে ৰাষ্ট্ৰৰ তলতীয়া হয় আৰু ৰাষ্ট্ৰৰ অনুগ্ৰহতহে বাস কৰে। শাসনৰ অধিকাৰ সমাজৰ ক্ষমতাশালী লোকসকলেহে লাভ কৰে আৰু প্ৰজাসকলে কেনে ধৰণৰ অধিকাৰ ভোগ কৰিব পাৰিব সেয়া এই শাসনাধীস্থ লোকসকলেই নিৰ্ণয় কৰে। কিন্তু নাগৰিকত্বৰ ধাৰণাৰ ক্ষেত্ৰত নাগৰিকসকলে নিজেই এখন ৰাষ্ট্ৰ গঠন কৰে আৰু এই ৰাষ্ট্ৰৰ সংবিধানে নাগৰিকসকলক কেতবোৰ মৌলিক অধিকাৰ প্ৰদান কৰাৰ লগতে তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্যসমূহো নিৰ্ণয় কৰে। প্ৰজাসকল সাধাৰণতে ৰাজতন্ত্ৰৰ সৈতে জড়িত আৰু নাগৰিকসকল আধুনিক গণতান্ত্ৰিক ৰাষ্ট্ৰ ব্যৱস্থাৰ সৈতে জড়িত।
- *এজন 'নাগৰিক' আৰু 'বিদেশী'ৰ মাজত থকা পাৰ্থক্য ঃ* এখন ৰাষ্ট্ৰৰ অধিবাসীসকলক প্ৰধানতঃ দুটা ভাগত ভগাব পাৰি—নাগৰিক আৰু বিদেশী। নাগৰিকসকল নিজৰ দেশৰ প্ৰতি দায়বদ্ধ হয় যিয়ে তেওঁলোকক সকলো পৌৰ আৰু ৰাজনৈতিক অধিকাৰ প্ৰদান কৰে। আনহাতে, বিদেশীসকল নিজৰ জন্মগত দেশৰ প্ৰতিহে দায়বদ্ধ হয় আৰু তেওঁলোকক পৰিদৰ্শন কৰিবলৈ অহা দেশখনৰ এক অস্থায়ী বাসিন্দা ৰূপেহে গণ্য কৰা হয়। কোনো এখন দেশলৈ বিদেশীসকল বিভিন্ন ৰূপত আহিব পাৰে; যেনে—কূটনীতিবিদ, ব্যৱসায়ী, ছাত্ৰ, পৰ্য্যটক ইত্যাদি। যদিও বিদেশীসকলে তেওঁলোকে

অস্থায়ীভাৱে বাস কৰা দেশখনত আইনী সুৰক্ষা লাভ কৰে, কিন্তু তেওঁলোকে সেইখন দেশৰ কোনো ৰাজনৈতিক অধিকাৰ উপভোগ কৰিব নোৱাৰে, যেনে— ভোটদান, নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা বা কোনো চৰকাৰী চাকৰিৰ আবেদন কৰিব নোৱাৰে। কিন্তু বসবাস কৰা দেশখনৰ আইন শৃঙ্খলা মানি চলাটো নাগৰিক আৰু বিদেশী উভয়ৰে বাবে বাধ্যতামূলক। ইয়াৰ উপৰিও, বিদেশীসকলে বাস কৰা দেশখনৰ যদি আইন ভঙ্গ কৰে তেন্তে উক্ত দেশখনে তেওঁলোকক দেশখনৰ পৰা বহিস্কাৰ কৰিব পাৰে। আনহাতে, নাগৰিকসকলক নিজৰ দেশৰ পৰা বহিস্কাৰ কৰিব নোৱাৰি।



জানি থোৱা ভাল

এখন দেশৰ ভোটদানৰ অধিকাৰ কেৱল সেইখন দেশৰ নাগৰিকেহে সাব্যস্ত কৰিব পাৰে। সাধাৰণতে, ভোটদাতা আৰু নাগৰিকসকলৰ মাজত কেতবোৰ পাৰ্থক্য থকা দেখা যায়। সকলো ভোটদাতাই নাগৰিক যদিও সকলো নাগৰিক ভোটদাতা নহ'বও পাৰে। এক নিৰ্দিষ্ট বয়স অতিক্ৰম কৰাৰ পিছতহে এজন নাগৰিক ভোটদাতা হ'ব পাৰে।

১৩.৪ নাগৰিকত্ব ধাৰণাৰ উৎপত্তি

নাগৰিকত্বৰ ইতিহাস অনুসৰণ কৰিলে আমি দেখিবলৈ পাওঁ যে, নাগৰিকত্বৰ ধাৰণাটোৰ প্ৰাচীন গ্ৰীচ দেশৰ নগৰ ৰাষ্ট্ৰসমূহত উৎপত্তি হৈছিল। দৰাচলতে, প্ৰাচীন গ্ৰীচ দেশৰ নগৰ ৰাষ্ট্ৰসমূহত এটা সৰু অংশৰ ব্যক্তি সমষ্টি, যিয়ে স্বাধীন ব্যক্তিৰ (Freeman) মৰ্য্যাদা উপভোগ কৰিছিল তেওঁলোককহে নাগৰিক বুলি মানি লোৱা হৈছিল। এই ব্যক্তি সমষ্টিটো সমাজৰ উচ্চ শ্ৰেণীৰ অন্তৰ্গত আছিল আৰু তেওঁলোকক ৰাষ্ট্ৰৰ কাম কাজবোৰ চোৱা চিতাৰ দায়িত্ব দিয়া হৈছিল। এই স্বাধীন ব্যক্তিসকলে তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা নিৰ্বিশেষে নিজৰ মাজত সমান অধিকাৰ ভোগ কৰিছিল। সমাজৰ আন অংশটো দাস, মহিলা, বিদেশী আৰু বনুৱাৰ দ্বাৰা গঠিত হৈছিল আৰু এই শ্ৰেণীটোক নাগৰিকত্বৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছিল। এইদৰে প্ৰাচীন গ্ৰীচত নাগৰিকত্ব সমাজৰ কেৱল বিশেষাধিকাৰপ্ৰাপ্ত শ্ৰেণীটোৰ মাজতহে সীমাবদ্ধ আছিল।

ৰোমান সাম্ৰাজ্যৰ সময়ছোৱাত প্ৰথম অৱস্থাত নাগৰিকত্ব শাসকীয় শ্ৰেণীটোৰ মাজতহে সীমিত আছিল। পিছলৈ, নাগৰিকত্বৰ পৰিসৰ বৃদ্ধি হয় আৰু নাগৰিকত্বই সাধাৰণ মানুহৰ লগতে যুদ্ধত পৰাজিত হোৱাসকলকো সামৰি লয়। সেই মতে বিভিন্ন শ্ৰেণীৰ নাগৰিকৰ উদ্ভৱ হয় আৰু সকলোকে বিভিন্ন ধৰণৰ অধিকাৰ প্ৰদান কৰা হৈছিল। কিন্তু সমাজৰ নিম্নশ্ৰেণীৰ লোকসকলকৰ লগতে মহিলাসকলক এই নাগৰিকত্বৰ অধিকাৰৰ পৰা বঞ্চিত ৰখা হৈছিল।

মধ্যযুগত নাগৰিকত্বৰ ধাৰণাটো আধুনিক ৰাষ্ট্ৰৰ ধাৰণাৰ সৈতে জড়িত হৈ পৰিছিল। সেই সময়ত নাগৰিকত্বক কোনো ৰজাৰ অধীনত নাগৰিকসকলে লাভ কৰা সুবিধা বা অধিকাৰৰ পৰিপ্ৰেক্ষিতত ভবাৰ সলনি ৰাষ্ট্ৰৰ সৈতে সঙ্গতি ৰাখিহে ভবা হৈছিল।

১৬৮৮ খ্ৰীষ্টাব্দৰ গৌৰৱময় বিপ্লৱে (The Glorious Revolution) নাগৰিকত্বৰ ধাৰণাটো জনপ্ৰিয় কৰি তুলিছিল। গৌৰৱময় বিপ্লৱে ৰজাৰ ওপৰত সংসদৰ শ্ৰেষ্ঠতা প্ৰতিষ্ঠিত কৰি জন সাৰ্বভৌমত্বৰ বিকাশৰ বাবে এক নতুন পথ মুকলি কৰি দিয়ে য'ত ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা সমূহীয়াভাৱে নাগৰিকসকলৰ হাতত থাকে। "আমেৰিকাৰ স্বাধীনতাৰ যুদ্ধ" (The American War of Independence) (১৭৭৫-১৭৮৩), "ফৰাচী বিপ্লৱ" (The French Revolution) (১৭৮৯) আৰু এই বিপ্লৱৰ লগতে ঘোষিত হোৱা মানুহ আৰু নাগৰিকৰ অধিকাৰৰ ঘোষণা-পত্ৰ (Declaration of the Rights of Man and of the Citizen) ই নাগৰিকসকলক বিভিন্ন ধৰণৰ অধিকাৰ প্ৰদান কৰে আৰু ইয়াৰ ফলস্বৰূপে নাগৰিকত্বৰ ধাৰণাটোৱে এক সাৰ্বজনীন স্বৰূপ লাভ কৰাৰ লগতে নাগৰিকত্বৰ সুবিধাসমূহ সমতা আৰু ভ্ৰাতৃত্ববোধৰ আধাৰত ৰাষ্ট্ৰৰ সকলো ব্যক্তিলৈ প্ৰসাৰিত হয়।

ঊনবিংশ শতিকাত উদাৰতাবাদৰ আবিৰ্ভাৱৰ লগে লগেই ইংলেণ্ডৰ দাৰ্শনিক জন ল'ক আৰু আন দাৰ্শনিকসকলে আগবঢ়োৱা প্ৰাকৃতিক অধিকাৰৰ ধাৰণাৰ সৈতে নাগৰিকত্বৰ ধাৰণাটো জড়িত হৈ পৰে। জন ল'কৰ মতে জীৱন, সম্পত্তি আৰু স্বাধীনতাৰ অধিকাৰেই হ'ল মানুহৰ প্ৰাকৃতিক অধিকাৰ। ৰাষ্ট্ৰই নাগৰিকসকলৰ প্ৰাকৃতিক অধিকাৰসমূহক সুৰক্ষা প্ৰদান কৰিব লাগে আৰু যদি চৰকাৰ এই ক্ষেত্ৰত ব্যৰ্থ হয় তেন্তে নাগৰিকসকলৰ চৰকাৰখন সলনি কৰাৰ অধিকাৰ আছে। ইয়াৰ পিছৰ পৰ্য্যায়ত নাগৰিকসকলৰ উন্নয়নৰ বাবে বিভিন্ন কল্যাণমূলক কাৰ্য্যসূচী ৰাষ্ট্ৰই গ্ৰহণ কৰাৰ লগে লগে নাগৰিকত্বৰ পৰিসৰ অধিক বিস্তৃত হৈ পৰিছিল আৰু নাগৰিকসকলেও বিভিন্ন ধৰণৰ অধিকাৰ আৰু স্বাধীনতা উপভোগ কৰিবলৈ সক্ষম হৈছিল। বৰ্তমান সময়ত আধুনিক ৰাষ্ট্ৰত সকলো ব্যক্তিকে তেওঁলোকৰ ধৰ্ম, অৰ্থনৈতিক অৱস্থা, শিক্ষাগত অৰ্হতা, লিঙ্গ, জাতি, বৰ্ণ আৰু আন তেনে ধৰণৰ কৃত্ৰিম অৱস্থা নিৰ্বিশেষে নাগৰিকত্বৰ সুবিধাসমূহ প্ৰদান কৰা হৈছে। একে সময়তে, নাগৰিকসকলেও ৰাষ্ট্ৰৰ প্ৰতি নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰিব লাগে। এনেদৰে আধুনিক সময়ত নাগৰিকত্বৰ ধাৰণাটো গণতন্ত্ৰ আৰু ইতিবাচক উদাৰতাবাদৰ সৈতে জড়িত হৈ পৰিছে আৰু নাগৰিকত্ব সমাজৰ কেৱল ক্ষমতাশালী শ্ৰেণীটোৱে ভোগ কৰিব পৰাকৈ এক ঠেক ধাৰণা হোৱাৰ বিপৰীতে ৰাষ্ট্ৰৰ চাৰিসীমাৰ ভিতৰৰ সকলো শ্ৰেণীৰ ব্যক্তিকে (বিদেশীৰ বাহিৰে) সামৰি ল'ব পৰাকৈ এক বহল ধাৰণাত পৰিণত হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ "Civis" শব্দটো এটা লেটিন শব্দ। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ২ ঃ প্ৰাচীন গ্ৰীচ দেশৰ নগৰ ৰাষ্ট্ৰসমূহত এটা সৰু অংশৰ ব্যক্তিসমষ্টি যিয়ে স্বাধীন ব্যক্তিৰ (Freeman) মৰ্য্যাদা উপভোগ কৰিছিল তেওঁলোককহে নাগৰিক বুলি মানি লোৱা হৈছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৩ ঃ ঊনবিংশ শতিকাত উদাৰতাবাদৰ আবিৰ্ভাৱৰ লগে লগে নাগৰিকত্ব ..... সৈতে জড়িত হৈ পৰিছিল। (খালী ঠাই পূৰণ কৰক)

.....

প্ৰশ্ন নং ৪ ঃ নাগৰিকত্ব বুলিলে কি বুজে?

.....

.....

.....

প্ৰশ্ন নং ৫ ঃ এজন 'প্ৰজা' আৰু 'নাগৰিক'ৰ মাজত থকা পাৰ্থক্য নিৰ্ণয় কৰক।

.....

.....

.....

.....

.....

.....

১৩.৫ নাগৰিকত্বৰ প্ৰকাৰ

নাগৰিকত্বক দুটা ভাগত ভগাব পাৰি, যেনে— জন্মগত নাগৰিক আৰু দেশীয়কৃত নাগৰিক। জন্মগত নাগৰিকসকলে জন্মসূত্ৰে নাগৰিকত্ব লাভ কৰে। জন্মসূত্ৰে নাগৰিকত্ব লাভ কৰাৰ ক্ষেত্ৰত দুটা নীতি মানি চলা হয়। ইয়াৰে এটা হ'ল 'Jus Sanguinis' (তেজৰ সম্পৰ্কৰ নীতি) আৰু আনটো হ'ল Jus Soli (জন্মস্থানৰ নীতি)। 'Jus Sanguinis' এটা লেটিন শব্দ যাৰ অৰ্থ হ'ল তেজৰ অধিকাৰ। Jus Soli হ'ল আন এটা লেটিন শব্দ যাৰ অৰ্থ হ'ল "মাটিৰ অধিকাৰ"। Jus Sanguinisৰ মতে, এটা শিশুৱে তাৰ অথবা তাইৰ জন্ম ঠাই নিৰ্বিশেষে স্বতঃস্ফূৰ্তভাৱে মাক-দেউতাকৰ নাগৰিকত্ব লাভ কৰে। আকৌ Jus Soliৰ মতে এটা শিশুৱে মাক-দেউতাকৰ নাগৰিকত্ব নিৰ্বিশেষে স্বাভাৱিকভাৱে শিশুটোৱে জন্ম লাভ কৰা ঠাইখনৰ নাগৰিকত্ব লাভ কৰে। আজিকালি ভাৰতকে ধৰি বেছিভাগ দেশেই 'Jus Sanguinis' আৰু 'Jus Soli' এই দুই নীতিৰ সংমিশ্ৰণ এটা মানি চলে। এইখিনিতে এইটো উল্লেখ কৰিব পাৰি যে সাধাৰণতে 'Jus Soli'ৰ নীতিটো আন দেশত জন্ম লাভ কৰা বিদেশী কূটনীতিবিদৰ সন্তানসকলৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।

দেশীয়কৃত নাগৰিক হ'ল সেইসকল নাগৰিক যিসকলে কোনো এখন দেশৰ নাগৰিকত্ব গ্ৰহণ কৰে। এখন দেশত বাস কৰা এজন বিদেশীয়ে যদি সেইখন দেশে নিৰ্দিষ্ট কৰা কেতবোৰ চৰ্ত পূৰণ কৰিব পাৰে তেন্তে তেওঁ সেইখন দেশৰ নাগৰিকত্ব অৰ্জন কৰিব পাৰিব, কিন্তু আকৌ একে সময়তে তেওঁ তেওঁৰ পূৰ্বৰ নাগৰিকত্ব ত্যাগ কৰিব লাগিব।

কেতবোৰ পৰিস্থিতিৰ বাবেও নাগৰিকত্ব হেৰুৱাবলগীয়াও হ'ব পাৰে, যেনে— সঠিক নিয়ম অনুসৰণ নকৰাকৈ কোনো বিদেশী চৰকাৰৰ অধীনত চাকৰীত নিয়োজিত হ'লে, নিজৰ দেশৰ সন্মতি নোহোৱাকৈ বিদেশী উপাধি গ্ৰহণ কৰিলে, দীৰ্ঘদিন ধৰি নিজৰ দেশত উপস্থিত নাথাকিলে, গুৰুতৰ অপৰাধ সংঘটিত কৰিলে, স্বেচ্ছাই নাগৰিকত্ব পৰিত্যাগ কৰিলে ইত্যাদি। নাগৰিকত্ব হেৰুওৱাৰ চর্ত আৰু পৰিস্থিতিসমূহ ৰাষ্ট্ৰ অনুসৰি বেলেগ বেলেগ হ'ব পাৰে।

গতিকে আমি ক'ব পাৰো যে নাগৰিকত্ব প্ৰধানতঃ দুই ধৰণে অৰ্জন কৰিব পাৰি। এজন ব্যক্তিয়ে স্বাভাৰিকতে জন্মসূত্ৰে নাগৰিকত্ব লাভ কৰে (জন্মগত)। আনহাতে, কেতিয়াবা কোনো এজন ব্যক্তিয়ে আন এখন দেশৰ নাগৰিকত্ব গ্ৰহণ কৰিব পাৰে (দেশীয়কৰণ)।



চিন্তা-চর্চা কৰক ১৩.১

ভাৰতৰ দুজন প্ৰখ্যাত ব্যক্তিৰ নাম উল্লেখ কৰক যিয়ে দেশীয়কৃত ব্যৱস্থাৰ দ্বাৰা ভাৰতবর্ষৰ নাগৰিকত্ব লাভ কৰিছে।

.....

.....

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ দেশীয়কৃত নাগৰিকত্ব বুলিলে কি বুজে?

.....

.....

.....

.....

প্ৰশ্ন নং ৭ ঃ নাগৰিকত্ব হেৰুৱাবলগীয়া হোৱা যিকোনো দুটা পৰিস্থিতি উল্লেখ কৰক।

.....

.....

১৩.৬ এজন সু-নাগৰিকৰ গুণসমূহ

ৰাষ্ট্ৰৰ লগত নাগৰিকসকলৰ এক গভীৰ সম্পর্ক আছে। ৰাষ্ট্ৰৰ কার্য্যকলাপ ইয়াৰ নাগৰিকসকলৰ গুণৰ ওপৰত নির্ভৰ কৰে। ভাল নাগৰিক আৰু ভাল ৰাষ্ট্ৰৰ মাজত এক সহ-সম্বন্ধ আছে। ভাল নাগৰিকৰ গুণতে ৰাষ্ট্ৰখন ভাল হয়। সেই একেদৰে এটা সুস্থ ৰাজনৈতিক বাতাবৰণে

নাগৰিকসকলক ভাল কৰে। ব্ৰিটিছ পণ্ডিত লৰ্ড ব্ৰাইচ (Lord Bryce)ৰ মতে এজন ভাল নাগৰিকৰ তিনিটা গুণ থাকিব লাগে। সেইকেইটা হ'ল—

ক) বুদ্ধিমত্তা

খ) আত্মসংযম আৰু

গ) বিবেক সম্পন্ন

বুদ্ধিমত্তাই নাগৰিক এজনৰ ভাল-বেয়া বিচাৰ কৰিব পৰা ক্ষমতাৰ কথা সূচায়। তদুপৰি ই এজন নাগৰিকক তেওঁৰ ৰাষ্ট্ৰখনৰ হিতৰ কথা ভালদৰে উপলব্ধি কৰাত সহায় কৰে।

আত্মসংযমে নাগৰিক এজনৰ সেইটো ক্ষমতাৰ কথা সূচাই যিয়ে তেওঁক তেওঁৰ ব্যক্তিগত স্বাৰ্থ আওকাণ কৰি বৃহত্তৰ সামাজিক স্বাৰ্থক অগ্ৰাধিকাৰ দিবলৈ প্ৰেৰণা যোগায়।

অৱশ্যে এজন নাগৰিকৰ থাকিবলগীয়া প্ৰধান গুণটো হ'ল কৰ্তব্যৰ প্ৰতি থকা বিবেকসম্পন্ন মনোভাৱ বা সমৰ্পণৰ মনোভাৱ। ৰাষ্ট্ৰৰ হকে যিকোনো কাম কৰিবলৈ এজন নাগৰিক সদা প্ৰস্তুত আৰু ইচ্ছুক হ'ব লাগে। তেওঁ সততাৰে নিজৰ দায়িত্ব পালন কৰিব লাগে আৰু সংকটৰ সময়ত দেশখনৰ সুৰক্ষাৰ বাবে আগবাঢ়ি আহিব লাগে। বিবেকসম্পন্ন মনোভাৱে ৰাষ্ট্ৰৰ প্ৰতি দায়িত্ব আৰু সেৱাৰ মনোভাৱ সৃষ্টি কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ এজন সু-নাগৰিকৰ তিনিটা গুণ লিখক।

.....

প্ৰশ্ন নং ৯ ঃ নাগৰিকত্ব অৰ্জন কৰাৰ দুটা পদ্ধতি উল্লেখ কৰক।

.....



১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নাগৰিকত্বই ৰাষ্ট্ৰ আৰু ব্যক্তিৰ মাজৰ এক উমৈহতীয়া সম্বন্ধক বুজায়। এজন নাগৰিক এনে এজন ব্যক্তি যিয়ে ৰাষ্ট্ৰৰ ওচৰত নিজৰ দায়িত্ব আৰু কৰ্তব্যৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰৰ প্ৰতি দায়বদ্ধ হয়। ৰাষ্ট্ৰই নাগৰিকসকলক কিছুমান পৌৰ, ৰাজনৈতিক আৰু সামাজিক অধিকাৰ প্ৰদান কৰে।
- প্ৰাচীন গ্ৰীক দাৰ্শনিক এৰিষ্ট'টলে কৈছিল যে যিজন ব্যক্তিয়ে ৰাষ্ট্ৰৰ সুচিন্তিত আৰু ন্যায়িক প্ৰশাসনীয় ব্যৱস্থাত অংশ গ্ৰহণ কৰিবলৈ সক্ষম তেৱেঁই হ'ল এজন নাগৰিক।
- আধুনিক ৰাষ্ট্ৰত নাগৰিকত্বৰ এক বহল অৰ্থ আছে। যিসকলে ৰাষ্ট্ৰৰ মৌলিক আদৰ্শ আৰু আইনৰ প্ৰতি সন্মান জনায়, তেওঁলোককে বৰ্তমান সময়ত নাগৰিক বোলা হয়।

নাগৰিকত্বই এখন ৰাষ্ট্ৰৰ নাগৰিকসকলে উপভোগ কৰিব পৰা কেতবোৰ পৌৰ আৰু ৰাজনৈতিক সুবিধাক বুজায়।

- নাগৰিকত্বৰ ধাৰণাটোৰ উৎপত্তি সম্বন্ধে এইটো ক'ব পাৰি যে প্ৰাচীন গ্ৰীচৰ নগৰ ৰাষ্ট্ৰসমূহত নাগৰিকত্বৰ ধাৰণাটো উৎপত্তি হৈছিল। প্ৰাচীন গ্ৰীচ দেশৰ নগৰ ৰাষ্ট্ৰসমূহত এটা সৰু অংশৰ ব্যক্তিসমষ্টি, যিয়ে স্বাধীন ব্যক্তিৰ (Freeman) মৰ্য্যাদা উপভোগ কৰিছিল তেওঁলোককহে নাগৰিক বুলি মানি লোৱা হৈছিল। প্ৰাচীন গ্ৰীচত নাগৰিকত্ব সমাজৰ কেৱল বিশেষাধিকাৰপ্ৰাপ্ত শ্ৰেণীটোৰ মাজতহে সীমাবদ্ধ আছিল।
- ৰোমান সাম্ৰাজ্যৰ সময়ছোৱাত, প্ৰথম অৱস্থাত নাগৰিকত্ব শাসকীয় শ্ৰেণীটোৰ মাজত সীমাবদ্ধ আছিল আৰু পিছলৈ নাগৰিকত্বই সাধাৰণ মানুহৰ লগতে যুদ্ধত পৰাস্ত হোৱাসকলকো সামৰি লয়।
- মধ্যযুগত নাগৰিকত্বৰ ধাৰণাটো ৰাষ্ট্ৰৰ সৈতে ব্যক্তিৰ সম্বন্ধৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰা হৈছিল।
- গৌৰৱময় বিপ্লৱ (১৬৮৮), আমেৰিকাৰ স্বাধীনতাৰ যুদ্ধ (১৭৭৫-১৭৮৩), ফৰাচী বিপ্লৱ (১৭৮৯) আৰু এই বিপ্লৱৰ লগতে ঘোষিত হোৱা মানুহ আৰু নাগৰিকৰ অধিকাৰৰ ঘোষণা-পত্ৰই নাগৰিকত্বৰ ধাৰণাটো জনপ্ৰিয় কৰি তুলিছিল। মানুহ আৰু নাগৰিকৰ অধিকাৰৰ ঘোষণা-পত্ৰই নাগৰিকত্বৰ ধাৰণাটোক এক সাৰ্বজনীন ৰূপ প্ৰদান কৰিছিল।
- ঊনবিংশ শতিকাত উদাৰতাবাদৰ আবিৰ্ভাৱৰ লগে লগে নাগৰিকত্বৰ পৰিসৰ অধিক বিস্তৃত হৈ পৰিছিল আৰু নাগৰিকসকলেও বিভিন্ন ধৰণৰ অধিকাৰ আৰু স্বাধীনতা উপভোগ কৰিবলৈ সক্ষম হৈছিল। আধুনিক সময়ত নাগৰিকত্বৰ ধাৰণাটো গণতন্ত্ৰ আৰু ইতিবাচক উদাৰতাবাদৰ সৈতে জড়িত আৰু নাগৰিকত্ব সমাজৰ কেৱল ক্ষমতাশালী শ্ৰেণীটোৱে ভোগ কৰিব পৰাকৈ এক ঠেক ধাৰণা হোৱাৰ বিপৰীতে ৰাষ্ট্ৰৰ চাৰিসীমাৰ ভিতৰৰ সকলো শ্ৰেণীৰ ব্যক্তিকে (বিদেশীৰ বাহিৰে) সামৰি ল'ব পৰাকৈ এক বহল ধাৰণাত পৰিণত হৈছে।
- এখন ৰাষ্ট্ৰৰ দুই ধৰণৰ নাগৰিক থাকিব পাৰে— জন্মগত আৰু দেশীয়কৃত । যিসকল নাগৰিকে জন্মসূত্ৰে নাগৰিকত্ব লাভ কৰে তেওঁলোক হ'ল জন্মগত নাগৰিক আৰু যিসকলে নাগৰিকত্ব গ্ৰহণ কৰে তেওঁলোক হ'ল দেশীয়কৃত নাগৰিক।
- ৰাষ্ট্ৰৰ কাৰ্য্যকলাপ ইয়াৰ নাগৰিকসকলৰ গুণৰ ওপৰত নিৰ্ভৰ কৰে। লৰ্ড ব্ৰাইচে এজন সু-নাগৰিকৰ তিনিটা গুণ চিনাক্ত কৰিছে, যেনে— বুদ্ধি, আত্মসংযম আৰু বিবেক।



১৩.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*; গুৱাহাটী ঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; যোৰহাট ঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰৱৰ্তী, আদ্যনাথ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Gauba, O. P. (2009): *An Introduction to Political Theory*; New Delhi: Macmillan Publication.

2) Mahajan, V. D. (2008): *Political Theory*; New Delhi: S. Chands & Company Ltd.

3) Srivastava, S. (ed.) (2012): *Fundamentas of Political Theory*; New Dehi: Pearson Publications.



১৩.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

২নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৩নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাকৃতিক অধিকাৰৰ

৪নং প্ৰশ্নৰ উত্তৰ ঃ নাগৰিকত্বই ৰাষ্ট্ৰ এখনৰ জনসাধাৰণে উপভোগ কৰিব পৰা কে'তবোৰ পৌৰ আৰু ৰাজনৈতিক সুবিধাক বুজায়। কিন্তু ইয়াৰ লগতে এইটোও মন কৰিব লাগে যে এখন ৰাষ্ট্ৰৰ নাগৰিক হিচাপে ব্যক্তি এজনে সুবিধাসমূহ উপভোগ কৰাৰ লগে লগে ৰাষ্ট্ৰৰ প্ৰতি কিছুমান দায়িত্বও পালন কৰিব লাগে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ এজন প্ৰজা সাধাৰণতে ৰাষ্ট্ৰৰ তলতীয়া হয় আৰু ৰাষ্ট্ৰৰ অনুগ্ৰহতহে বাস কৰে। শাসনৰ অধিকাৰ সমাজৰ ক্ষমতাশালী লোকসকলেহে লাভ কৰে আৰু প্ৰজাসকলে কেনেধৰণৰ অধিকাৰ ভোগ কৰিব পাৰিব সেয়া এই শাসনাধীস্থ লোকসকলেই নিৰ্ণয় কৰে। কিন্তু নাগৰিকত্বৰ ধাৰণাৰ ক্ষেত্ৰত নাগৰিকসকলে নিজেই এখন ৰাষ্ট্ৰ গঠন কৰে আৰু এই ৰাষ্ট্ৰৰ সংবিধানে নাগৰিকসকলক কেতবোৰ মৌলিক অধিকাৰ প্ৰদান কৰাৰ

লগতে তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্যসমূহো নিৰ্ণয় কৰে। প্ৰজাসকল সাধাৰণতে ৰাজতন্ত্ৰৰ সৈতে জড়িত আৰু নাগৰিকসকল আধুনিক গণতান্ত্ৰিক ৰাষ্ট্ৰ ব্যৱস্থাৰ সৈতে জড়িত।

৬নং প্ৰশ্নৰ উত্তৰ ঃ দেশীয়কৃত নাগৰিক হ'ল সেইসকল নাগৰিক যিসকলে কোনো এখন দেশৰ নাগৰিকত্ব গ্ৰহণ কৰে। এখন দেশত বাস কৰা এজন বিদেশীয়ে যদি সেইখন দেশে নিৰ্দিষ্ট কৰা কেতবোৰ চৰ্ত পূৰণ কৰিব পাৰে তেন্তে তেওঁ সেইখন দেশৰ নাগৰিকত্ব অৰ্জন কৰিব পাৰিব, কিন্তু আকৌ একে সময়তে তেওঁ তেওঁৰ পূৰ্বৰ নাগৰিকত্ব ত্যাগ কৰিব লাগিব।

৭নং প্ৰশ্নৰ উত্তৰ ঃ সঠিক নিয়ম অনুসৰন নকৰাকৈ কোনো বিদেশী চৰকাৰৰ অধীনত চাকৰীত নিয়োজিত হ'লে, নিজৰ দেশৰ সন্মতি নোহোৱাকৈ বিদেশী উপাধী গ্ৰহণ কৰিলে।

৮নং প্ৰশ্নৰ উত্তৰ ঃ বুদ্ধি, আত্মসংযম আৰু বিবেক

৯নং প্ৰশ্নৰ উত্তৰ ঃ জন্মসূত্ৰে আৰু দেশীয়কৰণৰ দ্বাৰা



১৩.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ কোনটো শব্দৰ পৰা নাগৰিক শব্দটোৰ উৎপত্তি হৈছে?

প্ৰশ্ন ২ ঃ সু-নাগৰিকত্বৰ তিনিটা গুণ কোনে চিনাক্ত কৰিছিল?

প্ৰশ্ন ৩ ঃ প্ৰাকৃতিক অধিকাৰৰ প্ৰবক্তা এজনৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৪ ঃ নাগৰিকত্ব ধাৰণাৰ মাজেৰে কোনে অভিজাততন্ত্ৰৰ পোষকতা কৰিছিল?

খ) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ নাগৰিকত্ব বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ নাগৰিকৰ গুণসমূহৰ বিষয়ে এটা চমুটোকা লিখক।

প্ৰশ্ন ৩ ঃ বিদেশী আৰু নাগৰিকৰ মাজত থকা পাৰ্থক্যসমূহ চমুকৈ লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ নাগৰিকত্ব ধাৰণাৰ উৎপত্তি ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ দুই প্ৰকাৰৰ নাগৰিকত্বৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ ব্যক্তিবাদ আৰু সমাজবাদ

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ ব্যক্তিবাদ

১৪.৩.১ ব্যক্তিবাদৰ অর্থ

১৪.৩.২ ব্যক্তিবাদৰ বৈশিষ্ট্য

১৪.৩.৩ ব্যক্তিবাদৰ গুণসমূহ

১৪.৩.৪ ব্যক্তিবাদৰ দোষসমূহ

১৪.৪ সমাজবাদ

১৪.৪.১ সমাজবাদৰ অর্থ

১৪.৪.২ সমাজবাদৰ বৈশিষ্ট্য

১৪.৪.৩ সমাজবাদৰ গুণসমূহ

১৪.৪.৪ সমাজবাদৰ দোষসমূহ

১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৬ অধিক জানিবলৈ

১৪.৭ অগ্রগতিৰ খতিয়ান

১৪.৮ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ব্যক্তিবাদ আৰু সমাজবাদৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ব্যক্তিবাদ আৰু সমাজবাদৰ বৈশিষ্ট্য বর্ণনা কৰিব পাৰিব
- ব্যক্তিবাদ আৰু সমাজবাদৰ গুণ আৰু দোষসমূহ আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

ৰাজনীতি বিজ্ঞানৰ এক গুৰুত্বপূর্ণ বিষয় হ'ল ৰাষ্ট্রৰ কার্য্যাৱলীৰ বিষয়ে অধ্যয়ন কৰা। ৰাষ্ট্রৰ কার্য্যৰ সৈতে দুটা তত্ত্ব জড়িত। ইয়াৰে এটা তত্ত্ব হৈছে ব্যক্তিবাদ আৰু আনটো হৈছে সমাজবাদ। এই তত্ত্ব দুটাৰ আধাৰত আমি ৰাষ্ট্রৰ কার্য্যকলাপৰ বিভিন্ন দিশ আলোচনা কৰিব পাৰোঁ। এই তত্ত্ব দুটাৰ জৰিয়তে ৰাষ্ট্রই কি কৰা উচিত আৰু অনুচিত সেয়া ব্যাখ্যা কৰা হৈছে। এইদৰে ব্যক্তিবাদ আৰু সমাজবাদ তত্ত্ব দুটা ৰাষ্ট্রৰ কার্য্যকলাপৰ সৈতে জড়িত। এই অধ্যায়টিত আমি ব্যক্তিবাদ আৰু সমাজবাদৰ অর্থ, বৈশিষ্ট্য আৰু গুণ আৰু দোষসমূহ আলোচনা কৰিম।

১৪.৩ ব্যক্তিবাদ

এতিয়া আমি ব্যক্তিবাদৰ অর্থ, বৈশিষ্ট্য গুণ আৰু দোষসমূহ আলোচনা কৰিম।

১৪.৩.১ ব্যক্তিবাদৰ অর্থ

ৰাষ্ট্ৰৰ কার্য্যৰ সৈতে জড়িত এটা গুৰুত্বপূর্ণ তত্ত্ব হ'ল ব্যক্তিবাদ (Individualism) অথবা ব্যক্তি স্বাতন্ত্র্যবাদী (Individualistic) তত্ত্ব। এই তত্ত্বটোৰ মতে ৰাষ্ট্ৰই কেৱল ন্যূনতম কার্য্যহে সম্পাদন কৰা উচিত। ৰাষ্ট্ৰৰ কাম-কাজ কেৱল সুৰক্ষা প্রদান আৰু আইন-শৃঙ্খলা বর্তাই ৰখাতেই সীমাবদ্ধ থকা উচিত। ৰাষ্ট্ৰই বিকাশ আৰু উন্নয়নৰ দৰে কাম-কাজ কৰা উচিত নহয়।

ব্যক্তিবাদক ৰাষ্ট্ৰৰ কার্য্যকলাপৰ 'লেইছেজ ফেইআৰ' (Laissez Faire) তত্ত্ব বুলিও জনা যায়। ফৰাছী ভাষাত 'Laissez Faire' মানে হ'ল 'ব্যক্তিক অকলশৰে থাকিবলৈ দিয়ক' (Leave the individual alone)। ইয়াৰ অর্থ হ'ল ব্যক্তিৰ কাম-কাজত ৰাষ্ট্ৰই হস্তক্ষেপ কৰা অনুচিত। ব্যক্তিক সর্বোচ্চ স্বাধীনতা প্রদান কৰা উচিত। এই তত্ত্বৰ প্রধান সমর্থকসকল হ'ল জেৰেমি বেন্থাম (ইংৰাজ দার্শনিক আৰু আইনজ্ঞ), জন ষ্টুৱার্ট মিল (ইংৰাজ দার্শনিক আৰু ৰাজনৈতিক অর্থনীতিবিদ), ইমানুৱেল কাণ্ট (জার্মান দার্শনিক), হার্বাট স্পেনছাৰ (ইংৰাজ দার্শনিক আৰু নৃতত্ত্ববিদ) আৰু আডাম স্মিথ (স্কটিছ দার্শনিক আৰু ৰাজনৈ তিক অর্থনীতিবিদ)। ব্যক্তিবাদৰ পৃষ্ঠপোষকসকলে বিভিন্ন দিশৰ পৰা এই তত্ত্বটো সমর্থন কৰে। কাণ্ট আৰু জে. এছ. মিলৰ দৰে পণ্ডিতসকলে নৈতিকতাৰ আধাৰত এই তত্ত্বটোৰ পোষকতা কৰে। তেওঁলোকৰ মতে ৰাষ্ট্ৰৰ হস্তক্ষেপে ব্যক্তিগত দক্ষতা আৰু প্রকৃতিগত নৈপুণ্যৰ বিকাশ বাধাগ্রস্ত কৰিব। আডাম স্মিথে অর্থনৈতিক দিশৰ ভিত্তিত ব্যক্তিবাদক সমর্থন কৰিছিল আৰু তেওঁ বিশ্বাস কৰিছিল যে অর্থনৈতিক বিষয়বোৰত চৰকাৰৰ অ-হস্তক্ষেপৰ ফলত অর্থনৈতিক সম্পদৰ উৎপাদন সর্বাধিক হ'ব। হাবার্ট স্পেনছাৰে বৈজ্ঞানিক কাৰণত ব্যক্তিবাদ তত্ত্বটোক সমর্থন কৰিছিল। তেওঁ অস্তিত্ব ৰক্ষাৰ সংগ্রাম আৰু 'জোৰ যাৰ মূলুক তাৰ' (Survival of the fittest) তত্ত্বত বিশ্বাস কৰিছিল। পূর্বতে এৰিষ্ট'টলে ৰাজনৈতিক কাৰণত ব্যক্তিবাদ সমর্থন কৰিছিল আৰু তেওঁ এই মত পোষণ কৰিছিল যে ব্যক্তিৰ সকলো কথাতে চৰকাৰৰ হস্তক্ষেপে ব্যক্তিৰ উদ্যম তথা কার্য্য তৎপৰতা মষিমূৰ কৰে আৰু ইয়ে ৰাষ্ট্ৰৰ প্রগতিত বাধাৰ সৃষ্টি কৰিব।

১৪.৩.২ ব্যক্তিবাদৰ বৈশিষ্ট্য

ব্যক্তিবাদে ৰাষ্ট্ৰৰ হস্তক্ষেপ অবিহনে ব্যক্তিক স্বাধীনতা প্রদানৰ ওপৰত গুৰু ত্ব আৰোপ কৰে। ব্যক্তিবাদৰ বৈশিষ্ট্যসমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

- ৰাষ্ট্ৰৰ ন্যূনতম কার্য্য আৰু সর্বাধিক ব্যক্তি স্বাধীনতা ঃ ব্যক্তিবাদে ৰাষ্ট্ৰৰ কার্য্যকলাপ ন্যূনতম হোৱাটো বিচাৰে। ব্যক্তিবাদৰ মতে ৰাষ্ট্ৰই কেৱল নাগৰিকৰ জীৱন, স্বাধীনতা আৰু সম্পত্তিক সুৰক্ষা প্রদানৰ লগতে ব্যক্তিগত স্বাধীনতাৰ অন্তৰায়বোৰ আঁতৰ কৰাৰ দৰে সীমিত কার্য্যবোৰহে সম্পাদন কৰি উচিত। ব্যক্তিবাদে মানুহৰ সর্বোচ্চ স্বাধীনতাত বিশ্বাস কৰে। প্রতিগৰাকী ব্যক্তিৰে নিজৰ পছন্দ অনুসৰি যিকোনো বৃত্তিত নিয়োজিত হোৱাৰ স্বাধীনতা থকা উচিত বুলি ব্যক্তিবাদে মত পোষকতা কৰে।
- ৰাষ্ট্ৰৰ অহস্তক্ষেপতা ঃ ব্যক্তিবাদে বিশ্বাস কৰে যে ব্যক্তিয়ে সর্বোচ্চ স্বাধীনতা উপভোগ কৰিব পৰাকৈ ৰাষ্ট্ৰই সীমিত কার্য্যপন্থা গ্রহণ কৰা উচিত। ৰাষ্ট্ৰই ব্যক্তিৰ ব্যক্তিগত বিষয়ত হস্তক্ষেপ কৰা অনুচিত। ব্যক্তিবাদে বিশ্বাস কৰে যে ব্যক্তিয়ে নিজৰ কল্যাণৰ বাবে কাম কৰিবলৈ সমর্থ। এই কামত ৰাষ্ট্ৰ জড়িত হোৱাটো অনুচিত।
- ৰাষ্ট্ৰ এক প্রয়োজনীয় অশুভ অনুষ্ঠান ঃ ব্যক্তিবাদে ৰাষ্ট্ৰক এক প্রয়োজনীয় অশুভ অনুষ্ঠান বুলি গণ্য কৰে। ব্যক্তিবাদৰ মতে ৰাষ্ট্ৰ হ'ল এক প্রয়োজনীয় কিন্তু অশুভ অনুষ্ঠান। গতিকে ব্যক্তিবাদে ৰাষ্ট্ৰৰ নির্মূলকৰণৰ পোষকতা নকৰে।
- ৰাষ্ট্ৰৰ কল্যাণকামী ধাৰণাৰ বিৰোধিতা ঃ ব্যক্তিবাদে ৰাষ্ট্ৰৰ কল্যাণকামী ধাৰণাটোৰ বিৰোধিতা কৰে। ৰাষ্ট্ৰই কোনো ধৰণৰ কল্যাণমূলক কাম-কাজ কৰাটো ব্যক্তিবাদে নিবিচাৰে। ব্যক্তিবাদৰ মতে ৰাষ্ট্ৰই যদি কল্যাণমূলক কাম-কাজ কৰিবলৈ লয় তেন্তে ইয়াৰ কার্য্য পৰিসৰ বাঢ়িব। ব্যক্তিবাদৰ মতে এয়া গ্রহণযোগ্য কথা নহয়।
- ব্যক্তিগত উদ্যোগ আৰু মুক্ত প্রতিযোগিতা ঃ ব্যক্তিবাদে অর্থনৈতিক ক্ষেত্রখনত ব্যক্তিগত উদ্যোগ আৰু মুক্ত প্রতিযোগিতাৰ পোষকতা কৰে। ই বিশ্বাস কৰে যে অর্থনৈতিক ক্ষেত্রখনত যদি ব্যক্তিক মুকলিমূৰীয়াকৈ কাম কৰিবলৈ দিয়া হয় তেন্তে তেওঁলোক অধিক বিনিয়োগ কৰিব পৰাকৈ উৎসাহিত হ'ব আৰু বিত্তীয় লাভালাভৰ বাবে অধিক কাম কৰিব। ই সমাজক উপকৃত কৰিব।
- ব্যক্তিগত বিষয়ত ৰাষ্ট্ৰৰ হস্তক্ষেপ নৈতিকতাৰ দিশৰ পৰা ভুল ঃ ব্যক্তিবাদে ইয়াকো বিশ্বাস কৰে যে মানুহৰ ব্যক্তিগত বিষয়ত ৰাষ্ট্ৰৰ হস্তক্ষেপ নৈতিকতাৰ দিশৰ পৰা ভুল। ই ব্যক্তিৰ আত্মপ্রত্যয় আৰু আত্মসন্মানবোধৰ ওপৰত বিৰূপ প্রভাৱ পেলাব।

১৪.৩.৩ ব্যক্তিবাদৰ গুণসমূহ

ব্যক্তিবাদী চিন্তাবিদ আৰু ৰাজনৈতিক দার্শনিকসকলেব্যক্তি স্বাধীনতাৰ পোষকতা কৰা ব্যক্তিবাদ তত্ত্বৰ গুণসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ইয়াৰে কিছুমান তলত আলোচনা কৰা হ'ল—

- ব্যক্তিবাদে ব্যক্তিগত স্বাধীনতাৰ ওপৰত জোৰ দিয়ে। ব্যক্তিবাদে বিশ্বাস কৰে যে ব্যক্তিক সর্বোচ্চ স্বাধীনতা উপভোগ কৰাৰ সুযোগ দিয়া উচিত যাতে ব্যক্তিয়ে নিজৰ বিকাশৰ বাবে কাম কৰিব পাৰে।

- ব্যক্তিবাদে ৰাষ্ট্ৰৰ দ্বাৰা সম্পাদিত কাম-কাজ ন্যূনতম হোৱাটো বিচাৰে। তেতিয়াহে ৰাষ্ট্ৰৰ ওপৰত অত্যাধিক কামৰ বোজা নপৰিব আৰু ৰাষ্ট্ৰই নিজৰ কামবোৰ অধিক ফলপ্ৰসূভাৱে কৰিব পাৰিব।
- ব্যক্তিবাদে মানুহৰ সামৰ্থ্যক বিশ্বাস কৰে। ব্যক্তিবাদে বিশ্বাস কৰে যে যদি ব্যক্তিক স্বাধীনভাৱে এৰি দিয়া হয় তেন্তে তেওঁলোকে নিজৰ দক্ষতা তথা সামৰ্থ্য উপলব্ধি কৰিব আৰু নিজৰ শ্ৰেষ্ঠত্ব উজাৰি দি কাম কৰিব। ইয়ে সমাজক উপকৃত কৰিব।
- ব্যক্তিবাদৰ মতে কেৱল এটা মুক্ত অৱস্থাতহে ব্যক্তিৰ প্ৰকৃত বিকাশ সম্ভৱ। এগৰাকী ব্যক্তিৰ নিতান্তই ব্যক্তিগত বিষয়বোৰত ৰাষ্ট্ৰৰ হস্তক্ষেপে এনে মুক্ত অৱস্থাটো নাইকিয়া কৰিব। সেয়েহে ৰাষ্ট্ৰই কেৱল সুৰক্ষা আৰু প্ৰতিৰক্ষামূলক কাম-কাজবোৰহে সম্পাদন কৰা উচিত।
- ব্যক্তিবাদে অৰ্থনৈতিক ক্ষেত্ৰখনত ব্যক্তিগত উদ্যোগ আৰু মুক্ত প্ৰতিযোগিতাৰ পোষকতা কৰে। এই কাৰ্য্যই ৰাষ্ট্ৰৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধন কৰিব। কাৰণ পৰিশ্ৰমী তথা উদ্যমী ব্যক্তিয়ে অৰ্থনৈতিক লাভালাভৰ বাবে অধিক কাম কৰাৰ বাবে উদ্‌গনি পাব।

১৪.৩.৪ ব্যক্তিবাদৰ দোষসমূহ

ব্যক্তিবাদ তত্ত্বটোৰ কিছুমান দোষও আছে যিবোৰ তলত আলোচনা কৰা হ'ল—

- ব্যক্তিবাদে ব্যক্তিগত স্বাৰ্থক সমৰ্থন কৰে। ই সামাজিক স্বাৰ্থক গুৰুত্ব নিদিয়ে। এইটো সমাজৰ বাবে ক্ষতিকাৰক।
- ৰাষ্ট্ৰৰ কাৰ্য্যকলাপ ব্যক্তিগত স্বাধীনতাৰ পৰিপন্থী বুলি থকা ব্যক্তিবাদী বিশ্বাসটো ভুল। দৰাচলতে ৰাষ্ট্ৰইহে ব্যক্তিগত স্বাধীনতা উপভোগ কৰিবলৈ সুবিধা আগবঢ়ায়। ৰাষ্ট্ৰ অবিহনে সমাজত বাস কৰা কোনো ব্যক্তিয়েই স্বাধীনতা উপভোগ কৰিব নোৱাৰিব।
- আকৌ, ব্যক্তিবাদে ভবাৰ দৰে ৰাষ্ট্ৰ 'অশুভ' অনুষ্ঠান নহয়। তাৰ পৰিৱৰ্তে ৰাষ্ট্ৰ হ'ল এক 'ইতিবাচক কল্যাণকামী' অনুষ্ঠান। সমাজত শান্তি আৰু সুৰক্ষা বৰ্তাই ৰাখিবলৈ ৰাষ্ট্ৰৰ অস্তিত্ব প্ৰয়োজনীয়। কেৱল এখন ৰাষ্ট্ৰৰ ভিতৰতহে এক শৃঙ্খলাবদ্ধ আৰু সুসভ্য জীৱন যাপন কৰাটো সম্ভৱ।
- ৰাষ্ট্ৰৰ কাৰ্য্য কেৱল প্ৰতিৰক্ষা আৰু সুৰক্ষামূলক বিষয়তে সীমাৱদ্ধ কৰাটো অনুচিত। কাৰণ কেৱল ৰাষ্ট্ৰইহে সমাজৰ সকলোৰে সৰ্বাঙ্গীন উন্নতি সুনিশ্চিত কৰিব পাৰে। সেয়েহে ৰাষ্ট্ৰই উন্নয়নমূলক আৰু কল্যাণমূলক কাম-কাজো কৰা উচিত।
- ব্যক্তিবাদে অৰ্থনৈতিক ক্ষেত্ৰত মুক্ত আৰু অবাধ প্ৰতিযোগিতাৰ পোষকতা কৰে। কিন্তু এই কাৰ্য্যই সামগ্ৰিকভাৱে সমাজখনৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰি নোতোলে। মাত্ৰ কিছুমান লোকহে ইয়াৰ দ্বাৰা উপকৃত হ'ব আৰু অন্যবোৰে ইয়াৰ কুফল ভোগ কৰিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ব্যক্তিবাদ বুলিলে কি বুজে?

.....

.....

.....

প্রশ্ন নং ২ ঃ ব্যক্তিবাদ তত্ত্বটোৰ দুগৰাকী সমর্থকৰ নাম লিখক।

.....

প্রশ্ন নং ৩ ঃ 'লেইছেজ ফেইআৰ' (Laissez Faire) মানে কি?

.....

.....

.....

প্রশ্ন নং ৪ ঃ ব্যক্তিবাদৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....

.....

প্রশ্ন নং ৫ ঃ ব্যক্তিবাদৰ যিকোনো দুটা গুণ লিখক।

.....

.....

.....

.....

.....

.....

প্রশ্ন নং ৬ ঃ ব্যক্তিবাদৰ যিকোনো দুটা দোষ লিখক।

.....

.....

.....

.....

.....

১৪.৪ সমাজবাদ

এহ ভাগটিত আমি সমাজবাদৰ অর্থ, বৈশিষ্ট্য গুণ আৰু দোষসমূহ আলোচনা কৰিম।

১৪.৪.১ সমাজবাদৰ অর্থ

ৰাষ্ট্ৰৰ কাম-কাজৰ সৈতে জড়িত আন এটা গুৰুত্বপূর্ণ তত্ত্ব হ'ল সমাজবাদ। এই তত্ত্বটোক ব্যক্তিবাদৰ প্রতিক্রিয়া বুলিব পাৰি। সমাজবাদে ৰাষ্ট্ৰক মানুহৰ চৰম কল্যাণ সাধন কৰিব পৰা সংস্থা বুলি গণ্য কৰে। সমাজবাদে বিশ্বাস কৰে যে ৰাষ্ট্ৰই সর্বাধিক পৰিমাণৰ কাম-কাজ কৰা উচিত। সমাজবাদৰ মতে ৰাষ্ট্ৰৰ কাম-কাজে মানুহক স্বাধীনতা উপভোগ কৰাত বাধা নিদিয়ে। সমাজবাদে ৰাষ্ট্ৰক এক 'ইতিবাচক কল্যাণকামী' অনুষ্ঠান (Positive Good) বুলি গণ্য কৰে। ই ৰাষ্ট্ৰক এনে এক মঙ্গলকাৰী অনুষ্ঠান বুলি গণ্য কৰে যিটোৱে সকলোৰে কল্যাণৰ হকে কাম কৰে।

সমাজবাদে সমাজৰ শ্রেষ্ঠত্ব অথবা সর্বোচ্চতাক স্বীকৃতি দিয়ে। সমাজবাদে বিচাৰে যে সমাজৰ ভূমি আৰু মূলধনৰ গৰাকী ৰাষ্ট্ৰ হোৱা উচিত। ই ব্যক্তিগত মালিকীস্বত্বৰ বিকল্প হিচাপে ৰাষ্ট্ৰৰ মালিকীস্বত্বৰ সমর্থন কৰে। অর্থনৈতিক ক্ষেত্রখনত সমাজবাদে প্রতিযোগিতাৰ সলনি সহযোগিতাৰহে পোষকতা কৰে। ই সমাজৰ পৰা অসমতা অথবা বৈষম্যতা আঁতৰ কৰি সমতা আৰু ন্যায় প্রতিষ্ঠা কৰিব বিচাৰে।

সমাজবাদ বুজোৱা ইংৰাজী প্রতিশব্দ 'Socialism'ৰ উদ্ভৱ হৈছে গ্রীক শব্দ 'Socias'ৰ পৰা। ইয়াৰ অর্থ হ'ল সমাজ। ঊনবিংশ শতিকাৰ ত্রিশৰ দশকৰ আৰম্ভণিত বৃটেইনত ৰ'বার্ট ওৱেন (ৰেলছৰ সমাজ সংস্কাৰক আৰু ৰাজনৈতিক দার্শনিক) আৰু ফ্রান্সত চে'ণ্ট চাইমন (ফৰাচী ৰাজনৈতিক দার্শনিক আৰু অর্থনীতিবিদ)ৰ অনুগামীসকলে পোন প্রথমে এই শব্দটো ব্যৱহাৰ কৰিছিল।সমাজবাদী চিন্তাৰ বিভিন্ন ৰূপ আছে, যেনে— কাল্পনিক সমাজবাদ (Utopian Socialism), সামূহিকতাবাদ (Collectivism), ফেবীয়ান সমাজবাদ (Fabian Socialism), বৃত্তিগোষ্ঠী সমাজবাদ (Guild Socialism), শ্রমসংঘবাদ (Sydicalism), গণতান্ত্রিক সমাজবাদ (Democratic Socialism) আৰু বৈজ্ঞানিক সমাজবাদ (Scientific Socialism)। ৰ'বার্ট ওৱেন কাল্পনিক সমাজবাদৰ পৃষ্ঠপোষক আছিল। একেদৰে এডওৱার্ড বার্ণষ্টেইন (জার্মান ৰাজনৈতিক দার্শনিক আৰু ৰাজনীতিবিদ)এ সামূহিকতাবাদ, জি. ডি. এইছ্ ক'লে (ইংৰাজ ৰাজনৈতিক দার্শনিক আৰু অর্থনীতিবিদ)এ বৃত্তিগোষ্ঠী সমাজবাদ, চিডনী ৱেব (বৃটিছ ৰাজনৈতিক দার্শনিক আৰু অর্থনীতিবিদ)এ ফেবীয়ান সমাজবাদক সমর্থন কৰিছিল। আনহাতে, কার্ল মার্ক্সক বৈজ্ঞানিক সমাজবাদৰ পিতৃ বুলি কোৱা হয়।

১৪.৪.২ সমাজবাদৰ বৈশিষ্ট্য

ওপৰত উল্লেখ কৰা সমাজবাদৰ আটাইকেইটা ৰূপৰে কিছুমান উমৈহতীয়া বৈশিষ্ট্য আছে। এই বৈশিষ্ট্যবোৰ তলত আলোচনা কৰা হ'ল—

- সমাজৰ শ্ৰেষ্ঠত্বা ঃ সমাজবাদে সমাজৰ শ্ৰেষ্ঠত্বা প্ৰতিপন্ন কৰাৰ প্ৰয়াস কৰে। এই মতবাদে বিশ্বাস কৰে যে সমাজৰ কল্যাণ হোৱা মানেই সমাজত বাস কৰা ব্যক্তিৰো কল্যাণ হোৱা। ব্যক্তিগত স্বাৰ্থতকৈ সামাজিক স্বাৰ্থৰ গুৰুত্ব বেছি বুলি সমাজবাদে মত পোষণ কৰে।
- ৰাষ্ট্ৰৰ ভূমি আৰু মূলধনৰ মালিকীস্বত্ব ঃ সমাজবাদে সমাজৰ ভূমি আৰু মূলধনৰ মালিকীস্বত্ব ৰাষ্ট্ৰৰ হাতত থকা উচিত বুলি মত পোষণ কৰে। এই মতবাদ অনুসৰি সকলোৰে স্বাৰ্থত মূলধনৰ সামাজিকীকৰণ ঘটিব লাগে। সমাজবাদে ব্যক্তিগত মূলধন আৰু ব্যক্তিগত মালিকীস্বত্বৰ বিৰোধিতা কৰে।
- সকলোৰে বাবে সমতা আৰু ন্যায় ঃ সমাজবাদে সমাজৰ সকলোৰে মাজত সমতা স্থাপন আৰু ন্যায়ৰ পোষকতা কৰে। এই মতবাদে সমাজত থকা অৰ্থনৈতিক অসমতা আৰু শোষণৰ বিৰোধিতা কৰে। সমাজবাদে সকলোকে অৰ্থনৈতিক সুৰক্ষা প্ৰদান কৰিব পৰা এক নতুন অৰ্থনৈতিক ব্যৱস্থা স্থাপনৰ প্ৰয়াস কৰে।
- সকলোৰে কল্যাণ সাধন ঃ ৰাষ্ট্ৰই সমাজৰ সকলোৰে কল্যাণ সাধন কৰিব পৰা ব্যৱস্থা গ্ৰহণ কৰাটো সমাজবাদে কামনা কৰে। সমাজবাদে ভাবে যে ব্যক্তিৰ মৌলিক প্ৰয়োজনীয়তাবোৰ সকলোৰে বাবে সুলভ কৰি তোলাৰ দায়িত্ব ৰাষ্ট্ৰৰ। এই মতবাদ মতে সমাজৰ সকলো লোকৰে স্বাৰ্থ ৰক্ষা কৰাৰ বাবে ৰাষ্ট্ৰই অভিভাৱকৰ দায়িত্ব পালন কৰা উচিত।
- প্ৰতিযোগিতাৰ সলনি সহযোগিতা ঃ সমাজবাদে অৰ্থনৈতিক ক্ষেত্ৰখনত প্ৰতিযোগিতাৰ বিৰোধিতা কৰে। ইয়াৰ বিপৰীতে ই সহযোগিতাৰ পৃষ্ঠপোষকতা কৰে যাতে সকলোৰে অৰ্থনৈতিক কল্যাণ নিশ্চিত কৰিব পৰা যায়। সমাজবাদে মত পোষণ কৰে যে অৰ্থনৈতিক ক্ষেত্ৰত প্ৰতিযোগিতাই সমাজৰ ধনী আৰু দুখীয়া শ্ৰেণী দুটাৰ মাজত থকা ব্যৱধান বৃদ্ধি কৰিব। সেয়েহে এই ক্ষেত্ৰখনত প্ৰতিযোগিতা নাইকিয়া কৰা উচিত।

১৪.৪.৩ সমাজবাদৰ গুণসমূহ

সমাজবাদৰ গুণসমূহ তলত আলোচনা কৰা হ'ল—

- সমাজবাদে এমুঠিমান মানুহৰ নহয়, সমাজত বাস কৰা সকলোৰে কল্যাণৰ পোষকতা কৰে। ই ব্যক্তিগত স্বাৰ্থতকৈ সামাজিক স্বাৰ্থক অধিক গুৰুত্ব দিয়ে। সমাজবাদে ব্যক্তিগত স্বাৰ্থক বৃহত্তৰ সামাজিক স্বাৰ্থৰ সৈতে একেই বুলি চিহ্নিত কৰিছে ।

- সমাজবাদ বাস্তৱবাদী। ই সমূহীয়া কল্যাণৰ বাবে ৰাষ্ট্ৰৰ সৰ্বশ্ৰেষ্ঠ ব্যৱহাৰ হোৱাটো বিচাৰে। সমাজবাদে সমাজৰ উন্নয়নৰ বাবে ৰাষ্ট্ৰই সৰ্বাধিক কাম-কাজ কৰা উচিত বুলি বিবেচনা কৰে। সমাজবাদে ৰাষ্ট্ৰক এক কল্যাণকাৰী অনুষ্ঠান বুলি গণ্য কৰে।
- সমাজবাদে সকলোৰে অৰ্থনৈতিক স্বাৰ্থ ৰক্ষা কৰিব খোজে। ই ব্যক্তিগত সম্পত্তি আৰু ব্যক্তিগত মালিকীস্বত্বৰ বিৰোধিতা কৰে। এই মতবাদে মত পোষণ কৰে যে ব্যক্তিগত সম্পত্তি তথা ব্যক্তিগত মালিকীস্বত্বৰ বাবেই সমাজত অৰ্থনৈতিক বিশৃঙ্খলতা আৰু অসমতাই গা কৰি উঠে। সমাজবাদে অৰ্থনৈতিক ক্ষেত্ৰখনত চলি থকা অসুস্থ প্ৰতিযোগিতাবোৰ নাইকিয়া কৰিব বিচাৰে।
- সমাজবাদে উৎপাদন আৰু বিতৰণৰ আহিলাসমূহ ৰাষ্ট্ৰই নিয়ন্ত্ৰণ কৰাটো বিচাৰে, যাতে সকলোৱে সমাজৰ সম্পদ তথা মূলধন ব্যৱহাৰ কৰাৰ সুযোগ লাভ কৰে। এই মতবাদে অৰ্থনৈতিক বঞ্চনাক উৎসাহিত কৰা এমুঠিমান মানুহৰ হাতত মুলধনৰ কেন্দ্ৰীকৰণৰ বিৰোধিতা কৰে ।
- সমাজবাদ প্ৰায় গণতন্ত্ৰৰ লেখীয়া। সমাজবাদেও সকলোৰে বাবে স্বাধীনতা, সমতা আৰু ন্যায়ৰ দৰে গণতান্ত্ৰিক আদৰ্শবোৰ সমৰ্থন কৰে। ই শান্তিপূৰ্ণ উপায়েৰে সমাজলৈ ইতিবাচক পৰিৱৰ্তন আনিব খোজে।

১৪.৪.৪ সমাজবাদৰ দোষসমূহ

সমাজবাদ তত্ত্বটোৰ কিছুমান দোষও আছে যিবোৰ তলত আলোচনা কৰা হ'ল—

- সমাজবাদে ৰাষ্ট্ৰক সৰ্বাধিক কাম-কাজ কৰাৰ সুযোগ দি ৰাষ্ট্ৰক সবাতোকৈ ক্ষমতাশালী কৰি তোলে। ইয়াৰ ফলত ৰাষ্ট্ৰৰ একনায়কত্ববাদী শাসনৰ উত্থান ঘটিব পাৰে। ই সমাজৰ উমৈহতীয়া স্বাৰ্থত আঘাত হানিব পাৰে।
- সমাজবাদৰ ফলত ৰাষ্ট্ৰৰ ওপৰত অত্যাধিক কামৰ বোজা পৰিব পাৰে। সমাজবাদে ৰাষ্ট্ৰক সমাজৰ প্ৰায় সকলোবোৰ ক্ষেত্ৰতেকৰ্ম সক্ৰিয় হোৱাটো বিচাৰে। ইয়াৰ ফলত ৰাষ্ট্ৰই নিজৰ কৰণীয় সকলো কাম উপযুক্তভাৱে সমাধা কৰাত অসমৰ্থ হ'ব পাৰে। ইয়াৰ পৰিণামস্বৰূপে ৰাষ্ট্ৰৰ পাৰদৰ্শিতা হ্ৰাস পাব।
- সমাজবাদে ব্যক্তিগত উদ্যমক নিৰুৎসাহ কৰে। যিহেতু ৰাষ্ট্ৰই সমাজৰ সৰ্বাঙ্গীন বিকাশৰ দায়িত্ব লয়, ফলত ব্যক্তিগত বিকাশ আৰু উন্নতিৰ বাবে মানুহে নিজাববীয়াকৈ ল'বলগীয়া প্ৰচেষ্টা সীমিত হৈ পৰে। ই ব্যক্তিক এলেহুৱা আৰু আনৰ ওপৰত নিৰ্ভৰশীল কৰি তুলিব পাৰে।
- সমাজবাদক ব্যক্তিগত স্বাধীনতাৰো বিৰোধী বুলি কোৱা হয়। ৰাষ্ট্ৰৰ কাৰ্য্যকলাপ বাঢ়ি যোৱাৰ লগে লগে ব্যক্তিৰ স্বাধীনতা সীমিত হৈ পৰিব আৰু ৰাষ্ট্ৰই ব্যক্তিৰ সকলোবোৰ কাম-কাজতে হস্তক্ষেপ কৰিবলৈ ল'ব।

- ব্যক্তিগত সম্পত্তিৰ ধাৰণাটো বিলোপ কৰিব খোজা বাবেও সমাজবাদ তত্ত্বটোক সমালোচনা কৰা হয়। নিজৰ শ্ৰম আৰু উদ্যোগেৰে ব্যক্তিগত সম্পত্তি আৰ্জিবলৈ সকলো ব্যক্তিৰে মনত এক স্বাভাৱিক ইচ্ছা থাকে। সমাজবাদ এই ইচ্ছাৰ পৰিপন্থী। এই কথাই মানুহক অৰ্থনৈতিক ক্ষেত্ৰখনত অধিক সুফল লাভৰ বাবে কাম কৰি যাবলৈ নিৰুৎসাহিত কৰিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ সমাজবাদ মানে কি?

.....

.....

.....

প্ৰশ্ন নং ৮ ঃ সমাজবাদৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৯ ঃ সমাজবাদৰ চাৰিটা প্ৰকাৰৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ১০ ঃ সমাজবাদৰ যিকোনো দুটা গুণ লিখক।

.....

.....

.....

.....

.....

প্ৰশ্ন নং ১১ ঃ সমাজবাদৰ যিকোনো দুটা দোষ লিখক।

.....

.....

.....

.....

.....



১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ব্যক্তিবাদ আৰু সমাজবাদ হৈছে ৰাষ্ট্ৰৰ কার্য্যৰ সৈতে জড়িত দুটা তত্ত্ব।
- ব্যক্তিবাদৰ মতে ৰাষ্ট্ৰই ন্যূনতম কাম কৰা উচিত আৰু ব্যক্তিয়ে সর্বোচ্চ স্বাধীনতা উপভোগ কৰাৰ সুযোগ পোৱা উচিত।
- ব্যক্তিবাদীসকলে মত পোষণ কৰে যে ৰাষ্ট্ৰৰ বর্দ্ধিত কাম-কাজে ব্যক্তিক স্বাধীনতা উপভোগ কৰাত বাধা দিয়ে।
- ব্যক্তিবাদৰ বৈশিষ্ট্যসমূহ হ'ল— ব্যক্তিবাদে ৰাষ্ট্ৰৰ কার্য-কলাপ ন্যূনতম হোৱাটো বিচাৰে, ব্যক্তিবাদে বিশ্বাস কৰে যে ব্যক্তিয়ে সর্বোচ্চ স্বাধীনতা উপভোগ কৰিব পোৱা উচিত, ব্যক্তিবাদে বিশ্বাস কৰে যে মানুহৰ ব্যক্তিগত বিষয়ত ৰাষ্ট্ৰৰ হস্তক্ষেপ নৈতিকতাৰ দিশৰ পৰা ভুল, ব্যক্তিবাদে বিশ্বাস কৰে যে ব্যক্তিয়ে সর্বোচ্চ স্বাধীনতা উপভোগ কৰিব পৰাকৈ ৰাষ্ট্ৰই সীমিত কার্য্যপন্থা গ্ৰহণ কৰা উচিত, ব্যক্তিবাদে ৰাষ্ট্ৰক এক প্ৰয়োজনীয় অশুভ অনুষ্ঠান বুলি গণ্য কৰে, ব্যক্তিবাদে ৰাষ্ট্ৰৰ কল্যাণকামী ধাৰণাটোৰ বিৰোধিতা কৰে, ব্যক্তিবাদে অর্থনৈতিক ক্ষেত্ৰখনত ব্যক্তিগত উদ্যোগ আৰু মুক্ত প্ৰতিযোগিতাৰ পোষকতা কৰে।
- আনহাতে, সমাজবাদ হ'ল ব্যক্তিবাদৰ এক সম্পূর্ণ বিপৰীত ধাৰণা। সমাজবাদৰ মতে ৰাষ্ট্ৰই সর্বাধিক কাম-কাজ সম্পাদন কৰা উচিত।
- সমাজবাদৰ মতে, ৰাষ্ট্ৰৰ কাম-কাজ ব্যক্তিৰ স্বাধীনতাৰ পৰিপন্থী নহয়। সমাজবাদে বিশ্বাস কৰে যে ৰাষ্ট্ৰ হ'ল সমাজৰ সকলো ব্যক্তিৰে উন্নয়নৰ হকে কাম কৰা এক সংস্থা।
- সমাজবাদৰ বিভিন্ন ৰূপ আছে, যেনে— কাল্পনিক সমাজবাদ, সামূহিকতাবাদ, ফেবীয়ান সমাজবাদ, বৃত্তিগোষ্ঠী সমাজবাদ, শ্ৰমসংঘবাদ, গণতান্ত্ৰিক সমাজবাদ আৰু বৈজ্ঞানিক সমাজবাদ।
- সমাজবাদৰ বৈশিষ্ট্যসমূহ হ'ল— সমাজবাদে সমাজৰ শ্ৰেষ্ঠত্বা প্ৰতিপন্ন কৰাৰ প্ৰয়াস কৰে, সমাজবাদে সমাজৰ ভূমি আৰু মূলধনৰ মালিকীস্বত্ব ৰাষ্ট্ৰৰ হাতত থকা উচিত বুলি মত পোষণ কৰে, সমাজবাদে সমাজৰ সকলোৰে মাজত সমতা স্থাপন আৰু ন্যায়ৰ পোষকতা কৰে, ৰাষ্ট্ৰই সমাজৰ সকলোৰে কল্যাণ সাধন কৰিব পৰা ব্যৱস্থা গ্ৰহণ কৰাটো সমাজবাদে কামনা কৰে, সমাজবাদে অর্থনৈতিক ক্ষেত্ৰখনত প্ৰতিযোগিতাৰ বিৰোধিতা কৰে, ইয়াৰ বিপৰীতে ই সহযোগিতাৰ পৃষ্ঠপোষকতা কৰে যাতে সকলোৰে অর্থনৈতিক কল্যাণ নিশ্চিত কৰিব পৰা যায়।
- ব্যক্তিবাদ আৰু সমাজবাদ উভয়ৰে কিছুমান গুণ আৰু দোষ আছে।



১৪.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*; গুৱাহাটী ঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; যোৰহাট ঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰৱৰ্তী, আদ্যনাথ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Agarwal, R. C. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

2) Asirvatham, E. & Misra, K. K. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

3) Kapur, A. C. (2006): *Principles of Political Science*; New Delhi: S. Chands & Company Ltd.

4) Mahajan, V. D. (2008): *Political Theory*; New Delhi: S. Chands & Company Ltd.



১৪.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ব্যক্তিবাদ হ'ল ৰাষ্ট্ৰৰ কাৰ্য্যৰ সৈতে জড়িত এটা গুৰুত্বপূৰ্ণ তত্ত্ব। এই তত্ত্বটোৰ মতে ৰাষ্ট্ৰই কেৱল ন্যূনতম কাৰ্য্যহে সম্পাদন কৰা উচিত। ৰাষ্ট্ৰৰ কাম-কাজ কেৱল সুৰক্ষা প্ৰদান আৰু আইন শৃঙ্খলা বৰ্তাই ৰখাতেই সীমাবদ্ধ থকা উচিত।

২নং প্ৰশ্নৰ উত্তৰ ঃ জেৰেমি বেন্থাম আৰু হাৰ্বাট স্পেনছাৰ

৩নং প্ৰশ্নৰ উত্তৰ ঃ ফৰাচী শব্দ 'Laissez Faire' মানে হ'ল 'ব্যক্তিক অকলশৰে থাকিবলৈ দিয়ক' (Leave the individual alone)। ব্যক্তিবাদে কামনা কৰে যে ব্যক্তিৰ কাম-কাজত ৰাষ্ট্ৰহ হস্তক্ষেপ কৰা অনুচিত। ব্যক্তিক সৰ্বোচ্চ স্বাধীনতা প্ৰদান কৰা উচিত।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ক) ব্যক্তিবাদে মানুহৰ সৰ্বোচ্চ স্বাধীনতাত বিশ্বাস কৰে। এই মতবাদ মতে ব্যক্তিক নিজ ইচ্ছামতে কাম কৰিবলৈ স্বতন্ত্ৰভাৱে এৰি দিয়া উচিত।

খ) ব্যক্তিবাদে ৰাষ্ট্ৰক এক প্ৰয়োজনীয় অশুভ অনুষ্ঠান বুলি গণ্য কৰে। ব্যক্তিবাদৰ মতে ৰাষ্ট্ৰ হ'ল এক প্ৰয়োজনীয় কিন্তু অশুভ অনুষ্ঠান। গতিকে ব্যক্তিবাদে ৰাষ্ট্ৰৰ নিৰ্মূলকৰণৰ পোষকতা নকৰে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ ক) ব্যক্তিবাদে ব্যক্তিগত স্বতন্ত্ৰতাক সমৰ্থন কৰে। ই বিশ্বাস কৰে যে ব্যক্তিক সৰ্বোচ্চ স্বাধীনতা উপভোগ কৰাৰ সুযোগ দিয়া উচিত। তেতিয়াহে ব্যক্তিয়ে নিজৰ উন্নয়নৰ বাবে কাম কৰিব পাৰিব।

খ) ব্যক্তিবাদে ৰাষ্ট্ৰৰ দ্বাৰা সম্পাদিত কাম-কাজ ন্যূনতম হোৱাটো বিচাৰে। তেতিয়াহে ৰাষ্ট্ৰৰ ওপৰত অত্যাধিক কামৰ বোজা নপৰিব আৰু ৰাষ্ট্ৰই নিজৰ কামবোৰ অধিক ফলপ্ৰসূভাৱে কৰিব পাৰিব।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ক) ব্যক্তিবাদে ব্যক্তিগত স্বাৰ্থক সমৰ্থন কৰে। ই সামাজিক স্বাৰ্থক গুৰুত্ব নিদিয়ে। এইটো সমাজৰ বাবে ক্ষতিকাৰক।

খ) ৰাষ্ট্ৰৰ কাৰ্য্যকলাপ ব্যক্তিগত স্বাধীনতাৰ পৰিপন্থী বুলি থকা ব্যক্তিবাদী বিশ্বাসটো ভুল। দৰাচলতে ৰাষ্ট্ৰইহে ব্যক্তিগত স্বাধীনতা উপভোগ কৰিবলৈ সুবিধা আগবঢ়ায়। ৰাষ্ট্ৰ অবিহনে সমাজত বাস কৰা কোনো ব্যক্তিয়েই স্বাধীনতা উপভোগ কৰিব নোৱাৰিব।

৭নং প্ৰশ্নৰ উত্তৰ ঃ সমাজবাদ হ'ল ৰাষ্ট্ৰৰ কাম-কাজৰ সৈতে জড়িত তত্ত্ব। এই তত্ত্ব অনুসৰি ৰাষ্ট্ৰই সৰ্বাধিক পৰিমাণৰ কাম-কাজ কৰা উচিত। সমাজবাদে ৰাষ্ট্ৰক মানুহৰ চৰম কল্যাণ সাধন কৰিব পৰা সংস্থা বুলি গণ্য কৰে।

৮নং প্ৰশ্নৰ উত্তৰ ঃ ক) সমাজবাদে সমাজৰ শ্ৰেষ্ঠত্বা প্ৰতিপন্ন কৰাৰ প্ৰয়াস কৰে। এই মতবাদে বিশ্বাস কৰে যে সমাজৰ কল্যাণ হোৱা মানেই সমাজত বাস কৰা ব্যক্তিৰো কল্যাণ হোৱা। ব্যক্তিগত স্বাৰ্থতকৈ সামাজিক স্বাৰ্থৰ গুৰুত্ব বেছি বুলি সমাজবাদে মত পোষণ কৰে।

খ) সমাজবাদে সমাজৰ ভূমি আৰু মূলধনৰ মালিকীস্বত্ব ৰাষ্ট্ৰৰ হাতত থকা উচিতবুলি মত পোষণ কৰে। এই মতবাদ অনুসৰি সকলোৰে স্বাৰ্থত মূলধনৰ সামাজিকীকৰণ ঘটিব লাগে। সমাজবাদে ব্যক্তিগত মূলধন আৰু ব্যক্তিগত মালিকীস্বত্বৰ বিৰোধিতা কৰে।

৯নং প্ৰশ্নৰ উত্তৰ ঃ সমাজবাদৰ কেইটামান প্ৰকাৰ হ'ল— কাল্পনিক সমাজবাদ, বৃত্তিগোষ্ঠী সমাজবাদ, গণতান্ত্ৰিক সমাজবাদ আৰু বৈজ্ঞানিক সমাজবাদ।

১০নং প্ৰশ্নৰ উত্তৰ ঃ ক) সমাজবাদে এমুঠিমান মানুহৰ নহয়, সমাজত বাস কৰা সকলোৰে কল্যাণৰ পোষকতা কৰে। ই ব্যক্তিগত স্বাৰ্থতকৈ সামাজিক স্বাৰ্থক অধিক গুৰুত্ব দিয়ে। সমাজবাদে ব্যক্তিগত স্বাৰ্থক বৃহত্তৰ সামাজিক স্বাৰ্থৰ সৈতে একেই বুলি চিহ্নিত কৰিছে।

খ) সমাজবাদ বাস্তৱবাদী। ই সমূহীয়া কল্যাণৰ বাবে ৰাষ্ট্ৰৰ সৰ্বশ্ৰেষ্ঠ ব্যৱহাৰ হোৱাটো বিচাৰে। সমাজবাদে সমাজৰ উন্নয়নৰ বাবে ৰাষ্ট্ৰই সৰ্বাধিক কাম-কাজ কৰা উচিত বুলি বিবেচনা কৰে। সমাজবাদে ৰাষ্ট্ৰক এক কল্যাণকাৰী অনুষ্ঠান বুলি গণ্য কৰে।

১১নং প্ৰশ্নৰ উত্তৰ ঃ ক) সমাজবাদে ৰাষ্ট্ৰক সৰ্বাধিক কাম-কাজ কৰাৰ সুযোগ দি ৰাষ্ট্ৰক সবাতোকৈ ক্ষমতাশালী কৰি তোলে। ইয়াৰ ফলত ৰাষ্ট্ৰৰ একনায়কত্ববাদী শাসনৰ উত্থান ঘটিব পাৰে। ই সমাজৰ উমৈহতীয়া স্বাৰ্থত আঘাত হানিব পাৰে।

খ) সমাজবাদৰ ফলত ৰাষ্ট্ৰৰ ওপৰত অত্যাধিক কামৰ বোজা পৰিব পাৰে। সমাজবাদে ৰাষ্ট্ৰক সমাজৰ প্ৰায় সকলোবোৰ ক্ষেত্ৰতে কৰ্ম-সক্ৰিয় হোৱাটো বিচাৰে। ইয়াৰ ফলত ৰাষ্ট্ৰই নিজৰ কৰণীয় সকলো কাম উপযুক্তভাৱে সমাধা কৰাত অসমৰ্থ হ'ব পাৰে। ইয়াৰ পৰিণামস্বৰূপে ৰাষ্ট্ৰৰ পাৰদৰ্শিতা হ্ৰাস পাব।



১৪.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ অৰ্থনৈতিক দিশৰ পৰা কোনে ব্যক্তিবাদক সমৰ্থন কৰিছিল?

প্ৰশ্ন ২ ঃ ব্যক্তিবাদৰ সমৰ্থনত থকা বৈজ্ঞানিক ভিত্তিটো কি?

প্ৰশ্ন ৩ ঃ কাক বৈজ্ঞানিক সমাজবাদৰ পিতৃ বুলি অভিহিত কৰা হয়?

প্ৰশ্ন ৪ ঃ সমাজবাদৰ ইংৰাজী প্ৰতিশব্দ 'Socialism' ক'ৰ পৰা উদ্ভৱ হৈছে?

খ) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সমাজবাদৰ অৰ্থৰ বিষয়ে সংক্ষেপে লিখক।

প্ৰশ্ন ২ ঃ ব্যক্তিবাদৰ অৰ্থৰ বিষয়ে এটা চমুটোকা লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ব্যক্তিবাদৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ ব্যক্তিবাদৰ গুণ আৰু দোষসমূহ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ সমাজবাদৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ সমাজবাদৰ গুণ আৰু দোষসমূহ আলোচনা কৰক।

*** ***** ***



প্ৰসঙ্গ পুথি

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুৰন্দৰ (২০০৪) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়*; গুৱাহাটী ঃ বনলতা।

২) গোঁহাই, নবীন (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; যোৰহাট ঃ ইউনিকা প্ৰকাশন।

৩) চক্ৰৱৰ্তী, আদ্যনাথ (২০০৪)ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ (২০০৭) ঃ *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব*; গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Agarwal, R. C. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

2) Asirvatham, E. & Misra, K. K. (2006): *Political Theory*; New Delhi: S. Chands & Company Ltd.

3) Chakravarty, Anup (ed.) (2000-01): *An Introduction to Politics (19th edition)*; Calcutta: Modern Book Agency Pvt. Ltd.

4) Gauba, O. P. (2009): *An Introduction to Political Theory*; New Delhi: Macmillan Publication.

5) Heywood, Andrew (2002): *Politics*; New York: Palgrave Foundations.

6) Heywood, Andrew (2004): *Political Theory– An Introduction (Third Edition)*; New York: Palgrave Macmillan.

7) Kapur, A. C. (2006): *Principles of Political Science*; New Delhi: S. Chands & Company Ltd.

8) Mahajan, V. D. (2008): *Political Theory*; New Delhi: S. Chands & Company Ltd.

9) Varma, S. P. (2005): *Modern Political Theory*; New Delhi: Vikash Publishing House.

বিশ্বকোষ ঃ

1) *The New Encyclopedia Britannica (Vol.9)* (2005); Chicago: Encyclopedia Britannica Inc.

2) *International Encyclopedia of the Social Sciences (Vol.6)* (2008); New York: Macmillan Reference USA.